GPH S6 01 (M/P)
Exam Code : PHP 6A

সমসাময়িক পাশ্চাত্য দর্শন

ষষ্ঠ ষাণ্মাসিক

দর্শন

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক, শিৱনাথ শর্মা (অৱসৰপ্রাপ্ত), দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৰভপ্রাণ গোস্বামী, দর্শন বিভা, গুৱাহাটী বিশ্ববিদ্যালয়
প্রদীপ খাটনিয়াৰ (অৱসৰপ্রাপ্ত), সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড° আকৈজাম থৈবিচানা গুৱাহাটী বিশ্ববিদ্যালয়	মাইনু দেৰী বৰুৱা
২	ড° নৱনীতা বৰুৱা গুৱাহাটী বিশ্ববিদ্যালয়	ড° বুদুল চন্দ্র দাস উইমেনচ্ কলেজ তিনিচুকীয়া
৩, ৪	ড° জাহ্নৱী ডেকা গুৱাহাটী বিশ্ববিদ্যালয়	ড° মানসী বৰা
৫, ৬	ড° আকৈজাম থৈবিচানা	মাইনু দেৰী বৰুৱা, দর্শন অধ্যয়ন কেন্দ্র ডিব্রুগড় বিশ্ববিদ্যালয়
৭, ৮	ড° ভাস্কৰ ভট্টাচার্য্য	কীর্তিনাথ কলিতা, দর্শন অধ্যয়ন কেন্দ্র, ডিব্রুগড় বিশ্ববিদ্যালয়, মাইনু দেৰী বৰুৱা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, ড° তেজসা কলিতা
ভাষা সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য
গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

আগষ্ট, ২০২৩

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নো�ৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **বিশ্লেষণাত্মক দর্শনৰ বিকাশ** ৫-১৮

উৎস আৰু পৃষ্ঠভূমি, বিশ্লেষণাত্মক দর্শনৰ স্বৰূপ, তর্কীয় পৰমানুবাদ, তর্কীয় প্রত্যক্ষবাদ, সাধাৰণ ভাষাৰ দর্শন, ব্যৱহাৰিক নাইবা সামান্য বুদ্ধিৰ দর্শন, সমসাময়িক বিশ্লেষণাত্মক দর্শন, মনৰ দর্শন, ভাষাৰ দর্শন, বিজ্ঞানৰ দর্শন, ধর্মৰ দর্শন, ৰাজনীতিমূলক দর্শন, আৰু বিশ্লেষণাত্মক দর্শনৰ নীতিবিজ্ঞান।

অধ্যায় ২ ঃ **ফ্রেগে ঃ ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু নির্দেশক বা তথ্যৰ উৎসৰ মাজত থকা অর্থ সম্বন্ধীয় পার্থক্য বা প্রভেদ** ১৯-৩২

অর্থ সম্বন্ধীয় ফ্রেগেৰ দৃষ্টিভংগী, ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু তথ্যৰ উৎস (reference)ৰ মাজৰ অর্থগত (sense) প্রভেদ, যথার্থ নাম সম্পর্কে ফ্রেগেৰ দৃষ্টিভংগী, এটা যথার্থ নামৰ বোধগম্য অর্থ আৰু প্রাসংগিক তথ্যৰ উৎস বা অর্থ আৰু মূল্যাংকণ।

অধ্যায় ৩ ঃ **তর্কীয় পৰামাণুবাদ ঃ বার্টেণ্ড ৰাচেল** ৩৩-৫৩

ভাষা বিশ্লেষণৰ প্রকাৰ, জীৱনী, বর্ণনামূলক মতবাদ, পৰমাণুবাদ ঃ ইয়াৰ অর্থ, তর্কীয় পৰমাণুবাদ ঃ ইয়াৰ অর্থ, দর্শনৰ আহিলা হিচাপে তর্কবিজ্ঞান, Isomor- phism, তথ্য আৰু বচন, আৰু ইন্দ্রিয়জ তথ্য।

অধ্যায় ৪ ঃ **ৰাচেল ঃ নির্দিষ্ট বিৱৰণ** ৫৪-৬৬

বাচকৰ ধাৰণা, বাচকীয় বাক্যাংশৰ প্রকাৰ, 'The' শব্দটোৰ বিশেষত্ব, ৰাচেলৰ নির্দিষ্ট বিৱৰণ তত্ব (১৯০৫), মেইনঙৰ তত্বৰ আসোঁৱাহসমূহ, ব্যক্তিনাম আৰু বিৱৰণ, ফ্রেগেৰ তত্বৰ আসোঁৱাহসমূহ আৰু বিৱৰণ তত্ব।

অধ্যায় ৫ ঃ **G. E MOORE - ৰ ভাৱবাদৰ প্রত্যাখ্যান** ৬৭-৮১

ভাৱবাদ, কাণ্টৰ ভাৱবাদৰ ওপৰত মুৰ্ব্ব সমালোচনা, The Refutation of Idealism, পূর্ণ আদর্শবাদ বা ভাৱবাদৰ ওপৰত মুৰ্ব্ব সমালোচনা, সমালোচনা আৰু সমাপন।

অধ্যায় ৬ ঃ **সাধাৰণ জ্ঞান বা বোধৰ এক প্রতিৰক্ষা** ৮২-৯২

সাধাৰণ জ্ঞান বা বোধৰ প্রতিৰক্ষা, স্বতঃ সিদ্ধ সত্য হিচাপে সাধাৰণ জ্ঞান বা বোধৰ বিশ্বাস, মানসিক সত্যৰ পৰা স্বতন্ত্র শাৰীৰিক নাইবা ভৌতিক সত্য, ঈশ্বৰৰ অস্তিত্ব আৰু আত্মাৰ অমৰত্বৰ অস্বীকাৰ, সাধাৰণ জ্ঞান বিশ্বাসৰ ব্যাখ্যা, অন্য মন আৰু সমালোচনা।

অধ্যায় ৭ ঃ **উইট্‌গেনষ্টাইনৰ ছবি তত্ত্ব** ৯৩-১০৩

অর্থৰ চিত্রতত্ত্ব, মৌলিক বচন, দর্শন ভাষাৰ এক সমালোচনা আৰু মূল্যায়ন।

অধ্যায় ৮ ঃ **উইট্‌গেনষ্টাইনৰ ভাষাখেল** ১০৪-১২০

ভাষাৰ সার্বিক আকাৰ, ভাষাৰ মূলতত্ত্ব, চৰম সৰল, ভাষাখেল, পৰিয়াল সমৰূপতা, ব্যৱহাৰ অনুসৰি অর্থ নিৰূপন, ব্যক্তিগত ভাষা আৰু সমালোচনা।

পাঠ্য বিষয়ৰ পৰিচয়

এই পাঠ্য বিষয়টিয়ে আপোনাক 'সমসাময়িক পাশ্চাত্য দর্শন'ৰ লগত পৰিচয় কৰাই দিব।

এই পাঠ্যবিষয়টিত আঠটা অধ্যায় আছে। **প্রথম অধ্যায়টো হ'ল** 'বিশ্লেষণাত্মক দর্শনৰ বিকাশ'। এই অধ্যয়ত সন্নিবিষ্ট বিষয়সমূহ হল ঃ উৎস আৰু পৃষ্ঠভূমি, বিশ্লেষণাত্মক দর্শনৰ স্বৰূপ, তর্কীয় পৰমাণুবাদ, তর্কীয় প্রত্যক্ষবাদ, সাধাৰণ ভাষাৰ দর্শন, ব্যৱহাৰিক নাইবা সামান্য বুদ্ধিৰ দর্শন, সমসাময়িক বিশ্লেষণাত্মক দর্শন, মনৰ দর্শন, ভাষাৰ দর্শন, বিজ্ঞানৰ দর্শন, ধর্মৰ দর্শন, ৰাজনীতিমূলক দর্শন, আৰু বিশ্লেষণাত্মক দর্শনৰ নীতিবিজ্ঞান ।

দ্বিতীয় অধ্যায়টো হ'ল 'ফ্রেগে ঃ ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু নির্দেশক বা তথ্যৰ উৎসৰ মাজত থকা অর্থ সম্বন্ধীয় পার্থক্য বা প্রভেদ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- অর্থ সম্বন্ধীয় ফ্রেগেৰ দৃষ্টিভংগী, ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু তথ্যৰ উৎস (reference)ৰ মাজৰ অর্থগত (sense) প্রভেদ, যথার্থ নাম সম্পর্কে ফ্রেগেৰ দৃষ্টিভংগী, এটা যথার্থ নামৰ বোধগম্য অর্থ আৰু প্রাসংগিক তথ্যৰ উৎস বা অর্থ আৰু মূল্যাংকণ

তৃতীয় অধ্যায়টো হ'ল ঃ 'তর্কীয় পৰামাণুবাদ ঃ বার্টেণ্ড ৰাচেল '। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- ভাষা বিশ্লেষণৰ প্রকাৰ, জীৱনী, বর্ণনামূলক মতবাদ, পৰমাণুবাদ ঃ ইয়াৰ অর্থ, তর্কীয় পৰমাণুবাদ ঃ ইয়াৰ অর্থ, দর্শনৰ আহিলা হিচাপে তর্কবিজ্ঞান, Isomorphism, বচন, আৰু ইন্দ্রিয়জ তথ্য আৰু বচন আৰু ইন্দ্রিয়জ তথ্য।

চতুর্থ অধ্যায়টো হ'ল 'ৰাচেল ঃ নির্দিষ্ট বিৱৰণ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- বাচকৰ ধাৰণা, বাচকীয় বাক্যাংশৰ প্রকাৰ,'The' শব্দটোৰ বিশেষত্ব, ৰাচেলৰ নির্দিষ্ট বিৱৰণ তত্ব (১৯০৫), মেইনঙৰ তত্বৰ আসোঁৱাহসমূহ, ব্যক্তিনাম আৰু বিৱৰণ, ফ্রেগেৰ তত্বৰ আসোঁৱাহসমূহ আৰু বিৱৰণ তত্ব।

পঞ্চম অধ্যায়টো হ'ল 'জি.ই.মূৰঃ ভাৱবাদৰ প্রত্যাখ্যান'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- ভাৱবাদ, কাণ্টৰ ভাৱবাদৰ ওপৰত মুৰ্ব্ব সমালোচনা, The Refutation of Idealism, পূর্ণ আদর্শবাদ বা ভাৱবাদৰ ওপৰত মুৰ্ব্ব সমালোচনা, সমালোচনা আৰু সমাপন।

ষষ্ঠ অধ্যায়টো হ'ল 'সাধাৰণ জ্ঞান বা বোধৰ এক প্রতিৰক্ষা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- সাধাৰণ জ্ঞান বা বোধৰ প্রতিৰক্ষা, স্বতঃ সিদ্ধ সত্য হিচাপে সাধাৰণ জ্ঞান বা বোধৰ বিশ্বাস, মানসিক সত্যৰ পৰা স্বতন্ত্র শাৰীৰিক নাইবা ভৌতিক সত্য, ঈশ্বৰৰ অস্তিত্ব আৰু আত্মাৰ অমৰত্বৰ অস্বীকাৰ, সাধাৰণ জ্ঞান বিশ্বাসৰ ব্যাখ্যা, অন্য মন আৰু সমালোচনা।

সপ্তম অধ্যায়টো হ'ল 'উইট্‌গেনষ্টাইনৰ ছবি তত্ত্ব'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল— অর্থৰ চিত্রতত্ত্ব, মৌলিক বচন, দর্শন ভাষাৰ এক সমালোচনা আৰু মূল্যায়ন।

অষ্টম অধ্যায়টো হ'ল 'উইট্‌গেনষ্টাইনৰ ভাষাখেল'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- ভাষাৰ সার্বিক আকাৰ, ভাষাৰ মূলতত্ত্ব, চৰম সৰল, ভাষাখেল, পৰিয়াল সমৰূপতা, ব্যৱহাৰ অনুসৰি অর্থ নিৰূপন, ব্যক্তিগত ভাষা আৰু সমালোচনা।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আর্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ বিশ্লেষণাত্মক দর্শনৰ বিকাশ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ উৎস আৰু পৃষ্ঠভূমি

১.৪ বিশ্লেষণাত্মক দর্শনৰ স্বৰূপ

১.৫ তর্কীয় পৰমানুবাদ

- ১.৫.১ তর্কীয় প্রত্যক্ষবাদ
- ১.৫.২ সাধাৰণ ভাষাৰ দর্শন
- ১.৫.৩ ব্যৱহাৰিক নাইবা সামান্য বুদ্ধিৰ দর্শন

১.৬ সমসাময়িক বিশ্লেষণাত্মক দর্শন

- ১.৬.১ মনৰ দর্শন
- ১.৬.২ ভাষাৰ দর্শন
- ১.৬.৩ বিজ্ঞানৰ দর্শন
- ১.৬.৪ ধর্মৰ দর্শন
- ১.৬.৫ ৰাজনীতিমূলক দর্শন
- ১.৬.৬ বিশ্লেষণাত্মক দর্শনৰ নীতিবিজ্ঞান

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিশ্লেষণাত্মক দর্শনৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব
- বিশ্লেষণাত্মক দর্শনৰ ইতিহাস বর্ণনা কৰিব পাৰিব
- ইয়াৰ কেতবোৰ চিন্তাবিদৰ বিষয়ে জানিব পাৰিব
- বিশ্লেষণাত্মক অধ্যয়নৰ মুখ্য বিষয়ে জানিব পাৰিব
- বিশ্লেষণাত্মক দর্শনত সমসাময়িক বিকাশৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

বিশ্লেষণাত্মক দর্শনক ভাষাগত দর্শন বুলিও কোৱা হয়। ই হৈছে দার্শনিক সমস্যাসমূহৰ প্রতি এক দৃষ্টিকোণ, যিয়ে ২০ শতিকাৰ পূর্বৰে পৰাই প্রাচীন আমেৰিকান দর্শনৰ ওপৰত প্রভুত্ব বিস্তাৰ কৰি আহিছে। 'analytic' শব্দটোৱে পাৰম্পৰিকভাৱে দর্শনৰ এক প্রক্রিয়াক নির্দেশ কৰে, যাক বিবাদপূর্ণ স্পষ্টতা আৰু শুদ্ধতাৰ ওপৰত এক গুৰুত্ব আৰোপ কৰাৰ দ্বাৰা বৈশিষ্ট্যকৰণ কৰা হয়। এই ইতিহাসমূলক বিকাশত প্রধান দার্শনিক তথা চিন্তাবিদসকল হৈছে Gattlob Frege, Bertrand Russell, G.E. Moore, Ludwing Wlittgensteion আৰু তর্কীয় প্রত্যক্ষবাদীসকল।

১.৩ উৎস আৰু পৃষ্ঠভূমি

বিশ্লেষণাত্মক দর্শন বিশেষত্ব ৰূপে Frege, Russell, Moore আৰু Wlittgensteion ৰ দর্শনত ভাৱবাদৰ বিৰুদ্ধে এক বিদ্রোহ হিচাপে সৃষ্টি হৈছে। ১৯ শতিকাৰ বিগত দশকসমূহৰ কালছোৱাত ইংৰাজী দর্শন জার্মান দার্শনিক G.W.F. Hegel ৰ পূর্ণ ভাৱবাদ (Absolute Idealism)ৰ দ্বাৰা শাসিত হৈ আহিছিল। বিশ্লেষণাত্মক দর্শনৰ আটাইতকৈ শক্তিশালী প্রেৰণা আহিছিল বৃটিছ ভাৱবাদৰ বিৰুদ্ধে তেওঁলোকৰ প্রতিক্রিয়া আৰু Hegel আৰু হেগেলীয় মতবাদক তেওঁলোকে কৰা অস্বীকৃতৰ দ্বাৰা। বিশ্লেষণাত্মক দর্শনে তেতিয়াৰ বৃটেইনত প্রভুত্ব বিস্তাৰ কৰা পূর্ণ ভাৱবাদক সমালোচনা কৰিছিল যাৰ উদাহৰণ W.F.H. Bradely আৰু J.M.E. Me Taggart ৰ লিখনিসমূহত দেখিবলৈ পোৱা যায়।

বিশ্লেষণাত্মক দর্শনে ভাৱবাদী মতক পৰাভূত কৰিছিল যে ইন্দ্রিয়গ্রাহ্য জগতখনহে একমাত্র অৱভাসৰ জগত। ভাৱবাদৰ প্রথম বিভাজন আহিছিল যেতিয়া, Moore য়ে "The Nature of Judgement" (১৮৯৯) শীর্ষক লেখ এটাত সত্যতাৰ এক মতবাদৰ হৈ যুক্তি দাঙি ধৰিছিল, যিয়ে সংকেত কৰিছিল যে ইন্দ্রিয়গ্রাহ্য জগতখনৰ স্বতন্ত্র অস্তিত্ব আছে। বিশ্লেষণাত্মক দর্শনৰ আন্দোলনৰ ইতিহাসৰ এক অধিবিজ্ঞান বিৰোধী দাবী আছে আৰু ইয়াৰ প্রতিপাদকসকলে সাধাৰণতে মানি লৈছিল যে বিজ্ঞানৰ পদ্ধতিসমূহ আৰু দৈনন্দিন জীৱনৰ পদ্ধতিসমূহেই হৈছে সত্যতা সন্ধানৰ উৎকৃষ্ট পথ বা উপায় ।

১.৪ বিশ্লেষণাত্মক দর্শনৰ স্বৰূপ

বিশ্লেষণাত্মক দর্শনৰ বিকাশ হৈছে বিশ্লেষণৰ স্পষ্ট ৰূপ হিচাপে তর্কীয় বিশ্লেষণৰ ধাৰণাৰ বিকাশ। বিশ্লেষণাত্মক আন্দোলনত কেন্দ্রীয় গুণ ৰূপে তর্কীয় বিশ্লেষণক Frege আৰু Russell দুয়োজনে ব্যৱহাৰ কৰিছিল। Frege ৰ লিখনি "The Function Argeement Analyses" — ৰ পৰাই ই আৰম্ভ হৈছিল। এই যুক্তি অনুসৰি "চক্রেটিছ হয় মৰণশীল" ৰ দৰে সৰল উক্তিবোৰক

সংযোজক (Capula)ৰ দ্বাৰা সংযোজিত উদ্দেশ্যবিধেয় বচনত বিশ্লেষণ কৰিব নোৱাৰি। কিন্তু ই এক ক্রিয়াকাৰিত্ব যুক্তিৰ আকাৰ ('Fa'), য'ত 'চক্রেটিছ' হৈছে যুক্তি (Argeement) আৰু 'X' মৰণশীল' হৈছে ক্রিয়াকাৰিত্ব (Function)। 'X' চালকৰ দ্বাৰা নির্দেশিত যুক্তিটোক 'চক্রেটিছ' নামেৰে পূৰোৱা হয়। Frege য়ে ইয়াক উক্তিটোৰ 'নির্ণয়কাৰী বিষয় '(Judgeable Content) আখ্যা দিছে। আগলৈ তেওঁ পৰিমাপকমূলক মতবাদৰো বিকাশ কৰিছিল, যিয়ে তেওঁক জটিল গাণিতীয় উক্তিসমূহক ব্যাখ্যা কৰিবলৈ সমর্থ কৰাইছিল।

Russell য়ে তর্কীয় বিশ্লেষণৰ নিগমনাত্মক পদ্ধতিৰ পৰিৱর্ত্তে আগমণাত্মক পদ্ধতিৰহে বিকাশ ঘটাইছিল। 'On Denoting'- অত আগবঢ়োৱা তেওঁৰ বর্ণনাৰ মতবাদ (Theory of Description) টো বিশ্লেষণাত্মক দর্শনত প্রসংশনীয় বিষয়বোৰৰ মাজৰ এটা হিচাপে পৰিগণিত। এই মতবাদত (Ka) ক (Kb) হিচাপে নতুনকৈ ধার্য কৰা হৈছে, যাক তেতিয়া নতুন তর্কবিজ্ঞানত (Kc) হিচাপে সহজে ৰূপ দিব পৰা যায়।

(Ka) ফ্রান্সৰ বর্ত্তমানৰ ৰজা Bald ।

(Kb) ফ্রান্সৰ ৰজা এজন আৰু কেৱল এজন ফ্রান্সৰ ৰজা যিয়েই নহওঁক তেওঁ হৈছে Bald।

(Kc) Ex [K x & Ay (Ky + Y = X) & Bx]

তলত বিশ্লেষণাত্মক দর্শনৰ স্বৰূপ বা প্রকৃতিৰ বিকাশৰ এক ৰূপৰেখা ডাঙি ধৰা হ'ল

১.৫ তর্কীয় পৰমাণুবাদ (LOGICAL ATOMISM)

২০ শতিকাৰ পূর্বতে বিশ্লেষণাত্মক দর্শনৰ সৈতে তর্কীয় পৰমাণুবাদৰ দর্শনৰ জন্ম হৈছিল। ইয়াৰ মুখ্য প্রতিপাদক আছিল বৃটিছ দার্শনিক Russell আৰু Wlittgensteion। ইয়াৰ উৎস Frege ৰ বিধেয়ক তর্কবিজ্ঞান (Predicate Logic) অতো দেখা পোৱা যায়। এই তর্কবিজ্ঞান অনুযায়ী Frege য়ে যুক্তি দর্শাইছে যে 'চক্রেটিছ হয় মৰণশীল' আদিৰ দৰে সৰল ৰচনাসমূহক উদ্দেশ্য বিধেয় (S-P) আকাৰত প্রকাশ নকৰি যিয়ে এটা সংযোজকৰ দ্বাৰা একেলগ হৈ উদ্দেশ্য আৰু বিধেয় ৰূপত বিশ্লেষণ কৰে; বৰঞ্চ ইয়াক ক্রিয়াকাৰিত্ব যুক্তিৰ আকাৰ ('Fa') ৰ দ্বাৰা প্রকাশ কৰিব লাগে। এই ক্ষেত্রত 'চক্রেটিছ'ক যুক্তিৰ ৰূপত আৰু 'X' মৰণশীল'ক ক্রিয়াকাৰিত্ব হিচাপে প্রকাশ কৰা হয়, যাক মূল্য ৰূপে পোৱা যায়। ইয়াকে Frege য়ে 'নির্ণয়কাৰী বিষয়' আখ্যা দিছে, যেতিয়া 'চক্রেটিছ' নামৰ দ্বাৰা 'X' চালকে যুক্তিটোক নিৰুদ্দেশ কৰে। চিন্তাধাৰাৰ ক্রম অনুসৰি ১৯১১ চনত ৰাছেলে 'তর্কীয় পৰমাণুবাদ' শব্দটো অংকণ কৰিছিল আৰু এই মতবাদৰ বিকাশ সাধন কৰিছিল। এই মতবাদৰ মতে জগতখন চৰম তর্কীয় 'সত্যতা'বা 'পৰমাণু' ৰ দ্বাৰা গঠিত, যাক আগলৈ খণ্ডন কৰিব পৰা নাযায়। এনেধৰণৰ পৰমাণুক আন আন সত্যতাৰ পৰা স্বতন্ত্রভাৰে বুজিব পৰা যায়।

তর্কীয় পৰমাণুবাদৰ মতে জগতখন স্বতন্ত্র সত্যতাৰ দ্বাৰা গঠিত। জ্ঞান হৈছে ইয়াৰ প্রতিলিপি নাইবা পৰমাণুজনিত এইবোৰ সত্যতাৰ এক প্রতিবেদন । জগতৰ জ্ঞান কেৱল সীমিত

অংশতহে পোৱা যায়। এই পাৰমানৱিক জ্ঞান অথবা পাৰমানৱিক সত্যতাৰ জ্ঞান হৈছে আটাইতকৈ যথার্থ নাইবা সঠিক কিয়নো সিহঁতে সৰল আৰু জটিলক গঠন কৰা আটাইতকৈ সৰু অংশক গঠন কৰে। পাৰমানৱিক সত্যতাক স্বীকাৰ কৰা এটা বচনক পাৰমানৱিক বচন আখ্যা দিয়া হয়। ই অন্যান্য পাৰমাণৱিক বচনৰ পৰা স্বতন্ত্র।

Russell ৰ পাৰমানৱিক মতবাদ তিনিটা অন্তক্রিয়াশীল অংশৰে গঠিত ঃ পাৰমানৱৰ বচন, পাৰমানৱিক সত্যতা আৰু পাৰমানৱিক সমষ্টি। এটা পাৰমানৱিক বচনক এটা মৌলিক বচন বুলিও জনা যায়, যি হৈছে এটা একক সত্তাক বর্ণনা কৰা এক মৌলিকক উক্তি। Russell য়ে এই সত্তাক এটা পাৰমানৱিক সত্যতা (Atomic Fact) আৰু প্রত্যেক সত্যতাৰ মাজত উপাদানৰ এটা শ্রেণীক স্বীকাৰ কৰিছে, যাক তেওঁ বিশিষ্ট (Particulars) আৰু সামান্য (Universals) হিচাপে নির্দেশ কৰিছে। এটা বিশিষ্টই এটা নাম (Name)ৰ দৰে এক বাচকক লক্ষিত কৰে, যাৰ বেছিভাগকেই এটা একক পাৰমানৱিক সত্যতাৰ প্রতি প্রয়োগ কৰিব পাৰি। আনহাতে, সামান্যই এইবোৰ বিশিষ্টক গুণ প্রদান কৰে, যেনে- ৰঙ, আকৃতি, স্বভাৱ আদি। পাৰমানৱিক সমষ্টি (Atomic Complex) হৈছে এক প্রণালী, যি গঠিত হয় বহুতো পাৰমানৱিক বচনৰ অনুৰূপ পাৰমানৱিক সত্যতাৰে।

Wlittgensteion য়ে তেওঁৰ 'Tractatus' অত Russellৰ তর্কীয় পৰমাণুবাদক এক ব্যাপক প্রণালীত বিস্তাৰ আৰু উন্নীত কৰিছিল। তেওঁ Russellৰ তর্কীয় পৰমাণুবাদক বচন ঘটনাৰ অৱস্থা, বস্তু আৰু সমষ্টিৰ মাজৰ সম্বন্ধ ৰূপে ব্যাখ্যা কৰিছে, যিয়ে প্রায়ে 'প্রতিচ্ছায়াৰ মতবাদ' (Picture Theory)ক নিৰ্দ্দেশ কৰে। তেওঁ বিশ্বাস কৰিছিল যে এইবোৰ ঘটনাৰ অৱস্থাক বিধেয়াত্মক তর্কবিজ্ঞানৰ ভাষাত প্রকাশ কৰিব পৰা যায়। সেইবাবে, জগতৰ এখন ছৱি পাৰমাণৱিক বচনত পাৰমানৱিক সত্যতাক প্রকাশ কৰাৰ দ্বাৰা তৈয়াৰ কৰিব পাৰি আৰু তর্কীয় প্রচালক ব্যৱহাৰ কৰি সিহঁতক সংযোগ কৰিব পাৰি। তেওঁ কয়যে মতবাদত উপনীত হোৱাই দর্শনৰ উদ্দেশ্য নহয়, বৰঞ্চ কার্যকলাপৰ সৈতে জড়িত হোৱাটোহে ইয়াৰ উদ্দেশ্য, সেয়া হৈছে চিন্তা বা বচনৰ তর্কীয় স্পষ্টতা। 'Tractatus' তর্কীয় পৰমানুবাদৰ ওপৰত প্রতিষ্ঠিত ই এক বিশ্বাস যে উক্তিবোৰক সিহঁতৰ সৰলতম উপাদানত বিশ্লেষণ কৰাৰ দ্বাৰা পৰিৱর্তন কৰিব পাৰি। সেই হিচাপে ই এজন ব্যক্তিক বিভ্রান্তি খণ্ডন কৰি এক আদর্শ ভাষা গঠনত সমর্থবান কৰি তোলে। Wlittgensteion ৰ মতে দর্শনৰ প্রধান কাম হৈছে ভাষাজনিত ভ্রান্তিসমূহক পৰিষ্কাৰ কৰা ।

১.৫.১ তর্কীয় প্রত্যক্ষবাদ (Logical Positivism)

তর্কীয় প্রত্যক্ষবাদ নাইবা তর্কীয় অভিজ্ঞতাবাদ হৈছে এক দার্শনিক আন্দোলন (ধাৰা) যিয়ে প্রত্যক্ষবাদক আকাৰৰ্গত তর্কবিজ্ঞানৰ সৈতে সংলগ্ন কৰাইছে। ই আৰম্ভ হৈছিল ১৯২০ চনত ভিয়েনাত। "তর্কীয় প্রত্যক্ষবাদ" শব্দটোৰ আবির্ভাৱ ঘটিছিল ১৯২০ চনৰ ভিয়েনা চক্র (Vienna Circle)ত। এই ভিয়েনা চক্রৰ মুখ্যতঃ নেতৃত্ব দিছিল (Moritz Shlick) য়ে। আন আন প্রসিদ্ধ ব্যক্তিসকল হৈছে অট্র' নিউথ (Otto

Neurath), হেঞ্চ হান্ (Hans Hahn) আৰু ৰুড্লফ কাৰ্ন'প (Rudolf Carnap)। জার্মান দার্শনিক ইমানুৱেল কাণ্টৰ অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধ হিচাপে ক্রমে বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মকৰ মাজৰ তুলনাৰ দ্বাৰা বাৰুকৈয়ে প্রভাৱান্বিত হৈ তর্কীয় প্রত্যক্ষবাদী দার্শনিকসকলে এনেধৰণৰ যিকোনো সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব উক্তি (কাণ্টে আগবঢ়োৱাৰ দৰে)ৰ অস্তিত্বক অস্বীকাৰ কৰিছে। তেওঁলোকে পোষণ কৰিছিল যে সকলো অভিজ্ঞতাপূর্ব বচন বা উক্তি বিশ্লেষণাত্মক। তর্কীয় প্রত্যক্ষবাদীসকলৰ মতে, কেৱল দুই প্রকাৰৰ উক্তিহে আছে - বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক; প্রথমটো অভিজ্ঞতাপূর্ব আৰু দ্বিতীয়টোৰ সকলো অভিজ্ঞতালব্ধ। তর্কীয় প্রত্যক্ষবাদীসকল জর্জ বার্কলি আৰু ডেভিদ হিউমৰ দৰে অভিজ্ঞতাবাদীসকলৰ দাৰাও প্রভাৱান্বিত হৈছিল।

তর্কীয় প্রত্যক্ষবাদীসকলৰ মতে দর্শনে সত্য, অসত্য, আৰু অর্থহীন হিচাপে নির্ণায়ক বচনবোৰৰ বাবে কঠোৰ বৈশিষ্ট্যৰ যোগান ধৰণটো উচিত। আৰু এই অৱধাৰণক অনুভৱসিদ্ধ অভিজ্ঞতাৰ সৈতে মিলিত আকার্গত তর্কবিজ্ঞানৰ ব্যৱহাৰৰ দ্বাৰা গঠন কৰাটো উচিত।

তর্কীয় প্রত্যক্ষবাদীসকলৰ বিকাশ এই মতামতৰ দ্বাৰা গভীৰভাৱে প্রভাৱান্বিত হৈছিল যে বিজ্ঞানসম্মত জ্ঞানেই হৈছে একমাত্র তথ্যমূলক জ্ঞান। যিহেতু বৈজ্ঞানিক জ্ঞান এক প্রকাৰৰ অভিজ্ঞতামূলক জ্ঞান সেয়ে তর্কীয় প্রত্যক্ষবাদে অধিক জনাজাত সত্যাপনীয়তাৰ মতবাদক অর্থৰ বৈশিষ্ট্য ৰূপে উন্নীত কৰিছিল। এই সত্যাপনীয় মতবাদে দৃঢ়তাৰে স্বীকাৰ কৰে যে এটা উক্তি বা বচন কেৱল তেতিয়া যদিহে ই অভিজ্ঞতামূলকভাৱে সত্যাপনীয় হয়। ঠিক তেনেদৰে কেৱল উক্তিসমূহ, যি কেৱল হয় সিহঁতৰ বিশ্লেষণীয়তাৰ দ্বাৰা নাইবা অভিজ্ঞতাবাদৰ দ্বাৰা প্রমাণযোগ্য হয়, সেইবোৰ জ্ঞানাত্মকভাৱে অর্থপূর্ণ হয়। যিহেতু অধিবিজ্ঞান, তত্ববিজ্ঞান আৰু নীতিবিজ্ঞানৰ উক্তিসমূহে এই বৈশিষ্ট্যৰ বর্হিঃভূত, সেয়ে এনেবোৰ বচন বা উক্তি জ্ঞানাত্মকভাৱে অর্থহীন। সেয়ে তর্কীয় প্রত্যক্ষবাদীসকলে এই অধিবিজ্ঞান সম্বন্ধীয় মতবাদসমূহক ভ্রান্ত বুলিয়েই নহয়, অর্থহীন ভাৱেও অস্বীকাৰ কৰিছে। তেওঁলোকে আগলৈ সিদ্ধান্ত আগবঢ়াইছে যে নীতিশাস্ত্র আৰু সৌন্দর্যশাস্ত্র আত্মগত পচন্দ আৰু আনহাতে, ধর্মশাস্ত্র আৰু অন্যান্য অধিবিজ্ঞানে আভাসিক নাইবা মিথ্যা উক্তিসমূহ (Pseudo Statements) ক সামৰি লয়, যি সত্যও নহয়, অসত্যও নহয় ।

A.J. Ajer ৰ গ্রন্থ "Language, Truth and Logic" ক ইংৰাজী কথিত জগতখনৰ বাবে তর্কীয় প্রত্যক্ষবাদৰ এক সাৰাংশৰ উক্তি আৰু পৰিচয় ৰূপে ভাবিব পৰা যায়। Ayer য়ে 'বলিষ্ঠ' আৰু 'দুর্বল' সত্যাপনৰ মাজত পার্থক্যৰ বিচাৰ কৰিছে। তেওঁ কৈছে যে এটা বচনক সত্যাপনীয় বুলি ক'ব পাৰি পদটোৰ বলিষ্ঠ অর্থত কেৱল তেতিয়া যদিহে ইয়াৰ সত্যতাক অভিজ্ঞতাৰ দ্বাৰা নিশ্চয়াত্মকভাৱে প্রতিষ্ঠা কৰিব পৰা যায়।

তর্কবিজ্ঞান আৰু গণিতশাস্ত্ৰৰ ভেঁটিত হোৱা বিকাশবোৰে বিশেষকৈ বৃটিছ দার্শনিক Bertrand Russell আৰু A.N. Whiteheadৰ প্রখ্যাত গ্রন্থ “Principia Mathematica” ত গণিতশাস্ত্রীয় মনৰ তর্কীয় প্রত্যক্ষবাদী সকলকো বাৰুকৈ আকর্ষিত কৰিছিল। আন এক প্রভাৱকাৰী ৰচনা Quine ৰ "Two Dogmas of Empiricism” (১৯৫১)য়ে বিশ্লেষণাত্মক সংশ্লেষণাত্মকৰ পার্থক্যৰ এক মনোবৃত্তি আগবঢ়াইছে। Quine ৰ মতে, প্রত্যেক উক্তি পদৰ ওপৰত গঠিত কেতবোৰ তর্কীয় গঠনৰ সৈতে সমতুল্য যিয়ে অমাধ্যম অভিজ্ঞতাক নিৰুদ্দেশ কৰে। ই আছিল তর্কীয় প্রত্যক্ষবাদৰ সমাপ্তিৰ কেন্দ্র।

১.৫.২ সাধাৰণ ভাষা দর্শন

সাধাৰণ ভাষা দর্শন, যাক ভাষাতাত্বিক দর্শন নাইবা স্বাভাৱিক ভাষা দর্শন হিচাপেও জনা যায়, সি হৈছে এক দার্শনিক মতবাদ, যিয়ে দার্শনিক সমস্যাবোৰৰ সমাধান কৰিবলৈ এ-কাৰিকৰী দৈনন্দিন ‘সাধাৰণ’ (Ordinary) ভাষা ব্যৱহাৰ কৰে। সাধাৰণ ভাষা দর্শনৰ মতে, সাধাৰণ কথা-বার্তাৰ অপব্যৱহাৰ নাইবা ভুল বুজাবুজিৰ জৰিয়তে দার্শনিক সমস্যাসমূহ বাৰে বাৰে উদয় হয়। ১৯৪০ আৰু ১৯৫০ চনৰ শেষৰ কালছোৱাত বিশ্লেষণাত্মক দর্শন সম্ভৱতঃ দুটা শাখাত বিভক্ত হৈছিল। ইয়াৰে এটা আছিল J.L. Austin ৰ নেতৃত্বত সাধাৰণ ভাষা দর্শন যাক ‘অক্সফৰ্ড দর্শন’ (Oxford Philosophy) বুলিও জনা যায় আৰু আনটো আছিল Wlittgensteion ৰ দর্শন, যি তেওঁৰ পূর্বৰ ‘Tractatus’ ৰ কর্মৰ পৰা নাটকীয়ভাৱে পৃথক আছিল। এই ভাঙুন আছিল এটা প্রশ্নৰ ওপৰত যে বিশ্লেষণ প্রাথমিকভাৱে সাধাৰণ ভাষাৰ জৰিয়তে কৰিব পৰা যায়নে ? নাইবা ইয়াৰ আকাৰৰ্গত তর্ক বিজ্ঞান আৰু আকাৰৰ্গত ভাষাৰ এক ঘটক বা অঙ্গ (Componant) থকাটো উচিত ? J.S. Austin য়ে অক্সফ’ডত আমাৰ সাধাৰণ ভাষাৰ ব্যৱহাৰৰ প্রতি ধ্যানপূর্বক মনোযোগ দিয়াৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ “Speech- act” মতবাদে বচন-কর্ম (Locutionary-act), 'Illocutionary-act’ আৰু ‘Perlocutionary-act' ৰ মাজত পার্থক্য নির্ণয় কৰিছে। Austin ৰ মতে, ভাষাৰ মতবাদসমূহৰ সংগঠনত ভাষাতাত্বিক বিশ্লেষণক এক আহিলা হিচাপে নিয়োগ কৰিব পাৰি। তলত উল্লেখ কৰাৰ দৰে তেওঁ ‘Appear’, ‘Look' আৰু 'Seems’ৰ দৰে ক্রিয়াপদ (Verb) ৰ বিভিন্ন ব্যৱহাৰ উদাহৰণ স্বৰূপে আগবঢ়াইছে—

(ক) তেওঁক দোষী যেন দেখি। (He looks guilty)

(খ) তেওঁক দোষীযেন প্রতীত হয়। (He appears guilty)

(গ) তেওঁক দোষী যেন লাগে। (He seems guilty)

ইয়াত স্পষ্ট পার্থক্য থকা দেখা যায় আৰু এনেধৰণৰ পার্থক্যৰ জৰিয়তে কৰা চিন্তাই এজন ব্যক্তিক প্রত্যক্ষৰ মতবাদসমূহৰ যিয়ে সংবেদনৰ উপাওক আপীল কৰে,

তাৰ বাবে দিয়া যুক্তিবোৰ কিমান অপৰিশোধিত তাক প্ৰশংসা কৰিবলৈ সক্ষম কৰি তোলে।

১.৫.৩ ব্যৱহাৰিক নাইবা সামান্য বুদ্ধিৰ দর্শন

সামান্য বুদ্ধিৰ দর্শনৰ প্ৰথম মুখ্য লেখা দেখা পোৱা গৈছিল 'Moore' ৰ লেখ 'A Defence of Common Sense" (1925)ত। Moore য়ে 'জগতৰ সামান্য বুদ্ধিৰ মত' (The Common sense view of the world) ৰ সপক্ষে যুক্তি প্ৰদর্শন কৰিছিল আৰু জোৰ দিছিল যে যিকোনো দার্শনিক পদ্ধতি যাৰ বচনসমূহক উলংঘন কৰা হয়, তাক আগলৈ বিশ্লেষণৰ অবিহনেই খণ্ডন কৰিব পৰা যায়। এই লেখাত Moore য়ে সংশয়বাদৰ বিৰোদ্ধেও যুক্তি আগবঢ়াইছে যে তেওঁ আৰু আন মানুহে জগতখনৰ বিষয়ে দৃঢ়তাৰে সত্য হ'ব পাৰে বুলি বহুতো বচনৰ বিষয়ে জানে। এইবোৰ বচনৰ ভিতৰত আছে যেনে "জগতখন বহু বছৰৰ বাবে অস্তিত্বশীল হৈ থাকিব" আৰু "বহুতো মানুহ অতীতত অস্তিত্বশীল আছিল আৰু এতিয়াও কিছুমান অস্তিত্বশীল"। কাৰণ, সংশয়বাদে বাহাল ৰাখে যে যিকোনো বচন সত্য হক্সব পাৰে বুলি কোনেও নাজানে, ইয়াক বর্খাস্ত কৰিব পৰা যায়। তাৰোপৰি, যিহেতু এইবোৰ বচনৰ বাবে পার্থিব বস্তুৰ অস্তিত্বৰ আৱশ্যক আছে, সেয়ে ভাববাদকো প্ৰত্যাখান কৰিব পাৰি, যাৰ মতে, সমগ্ৰ জগতখনেই সম্পূর্ণৰূপে মানসিক বা মননির্ভৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তর্কীয় পৰমাণুবাদ কেতিয়া আবির্ভাৰ হৈছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ তর্কীয়া পৰমাণুবাদৰ মুখ্য প্ৰতিপাদকজনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৩ ঃ তর্কীয়া পৰমাণুবাদ বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৪ ঃ 'Tractatus' গ্ৰন্থখনৰ লেখক কোন?

.....

.....

প্ৰশ্ন নং ৫ ঃ তৰ্কীয় প্ৰত্যক্ষবাদক আন কি নামেৰে জনা যায়?

.....

.....

প্ৰশ্ন নং ৬ ঃ ক'ত আৰু কেতিয়া 'Logical Positivism' শব্দটোৰ উদ্ভৱ হৈছিল?

.....

.....

প্ৰশ্ন নং ৭ ঃ ভাষাতাত্বিক দৰ্শন নাইবা সাধাৰণ ভাষাদৰ্শন বুলিলে কি বুজায়?

.....

.....

প্ৰশ্ন নং ৮ ঃ A Defence of Common Sensee ৰ লগত জড়িত দাৰ্শনিকজনৰ নাম কি?

.....

.....

১.৬ বিশ্লেষণাত্মক দৰ্শনৰ সমসাময়িক মতবাদসমূহ

বিশ্লেষণাত্মক দৰ্শনৰ ধাৰণাটো বিশিষ্ট কাৰ্যক্ৰমৰ পৰা বৃহৎভাৱে প্ৰসাৰিত হৈছে, যিয়ে ১৯৬০ চনৰ পূৰ্বে ইংৰাজী ভাষিক দৰ্শনক এক 'বিশ্লেষণীয়' শৈলীৰ বহু বেছি সাধাৰণ ধাৰণাৰ প্ৰতি শাসন কৰিছিল। বহুতো দাৰ্শনিক আৰু ইতিহাসবিদে বিশ্লেষণাত্মক দৰ্শনৰ সংজ্ঞা দিবলৈ আৰু তাক বৰ্ণনা কৰিবলৈ প্ৰয়াস কৰিছিল। ১৯৫০ চনৰ কালছোৱাত "Philosophical Inuestigation" অত, Wittgenstein "Two Dogmas of Empiricism" অত Quine আৰু "Empiricism and the Philosophy of Mind" অত Sellar আদিৰ দ্বাৰা প্ৰভাৱশালী ভাৱে তৰ্কীয় প্ৰত্যক্ষবাদৰ ক্ষেত্ৰত দাবী উত্থাপন কৰিছিল। ১৯৬০ চনৰ পাছত ইংৰাজী ভাষী দৰ্শনে অনুৰাগ, মতামত আৰু পদ্ধতিৰ এক বহল পৰিসৰত সন্মিলিত হ'বলৈ আৰম্ভ কৰিছিল।

১.৬.১ মানৱ দৰ্শন

বিশ্লেষণাত্মক দৰ্শনৰ এক শাখা, যি বিশেষভাৱে মনৰ দৰ্শন নাইবা জ্ঞানসম্বন্ধীয় দৰ্শনৰ সৈতে জড়িত সি তৰ্কীয় প্ৰত্যক্ষবাদীসকলৰ সত্যাপনীয়তাত থকা অনুৰাগৰ দ্বাৰা প্ৰেৰিত হৈছিল। ই তৰ্কীয় আচৰণবাদ নামেৰেও জনাজাত আছিল। ইয়াৰ কেইজনমান প্ৰসিদ্ধ মুৰ্ত্তি আছিল Paul Churchdand, Patricia Churchland আৰু Denial Dennett।

মনৰ দৰ্শনৰ ক্ষেত্ৰত প্ৰধান বাদ-বিবাদ হৈছিল এই প্ৰশ্নক কেন্দ্ৰ কৰি যে যদিহে মানুহৰ মনৰ বস্তুবাদী মতবাদ কিবা আছে, তেন্তে কোনটো শুদ্ধ? প্ৰধান মতবাদসমূহ

হৈছে পৰিচয়মূলক মতবাদ, ব্যৱহাৰিকতা আৰু প্রত্যাখ্যানমূলক বস্তুবাদ।

মনৰ দর্শনৰ প্রমুখ্য মূর্ত্তিসমূহৰ মাজৰ এজন জন্ চার্লি (John Searle) য়ে পৰামর্শ আগবঢ়ায় যে ২০ শতিকাৰ কালছোৱাত ভাষাৰ দর্শনৰ সৈতে বিশ্লেষণাত্মক চিন্তাবিদসকলৰ স্থিৰ বিচাৰক মনৰ দর্শনৰ ওপৰত দিয়া এক গুৰুত্বই অধিক্রমণ কৰিছিল। মনৰ দর্শনত অনুসন্ধানৰ এক মূল কেন্দ্রবিন্দু আছিল চেতনা।

১.৬.২ ভাষাৰ দর্শন

ভাষাৰ দর্শন হৈছে এক সমসাময়িক অধ্যয়ন পৰম্পৰা, যিয়ে ভাষা, ভাষা ব্যৱহাৰকাৰী আৰু জগতৰ মাজত সম্বন্ধৰ অনুসন্ধান চলায়। ই ভাষাৰ উৎস, অর্থৰ স্বৰূপ, ব্যৱহাৰ আৰু ভাষাৰ জ্ঞান আদিকো অন্তর্ভুক্ত কৰে। ই সেইবোৰ বিষয় অধ্যয়ণ কৰে, যাক অন্যান্য ক্ষেত্র যেনে— ভাষাতত্ব, মনোবিজ্ঞান আদিৰ দ্বাৰা সম্বোধন কৰিব নোৱাৰি। মনৰ দর্শনত প্রধান বিষয়সমূহে অন্তর্ভুক্ত কৰে অর্থত স্বৰূপ, ইচ্ছানুৰূপতা, প্রসঙ্গ, বচনবোৰৰ সংঘটন, ধাৰণা, অধিগমণ আৰু চিন্তা আদিক পাশ্চাত্য পৰম্পৰাত ভাষাৰ দর্শন বলিষ্ঠভাৱে প্রভাৱান্বিত হৈছিল Frege, Russell, Wittgenstein, Austin, A. Tarski আৰু Quine ৰ দৰে বিশ্লষণাত্মক চিন্তাবিদসকলৰ কর্মৰ দ্বাৰা। উদাহৰণস্বৰূপে Kriper য়ে নির্দ্দেশনাৰ এটা সাময়িক মতবাদৰ লগত ৰূপাত্মক তর্কবিজ্ঞানৰ কৌশলসমূহক লগ লগাই ভাষাৰ এটা দার্শনিক মতবাদৰ বিকাশ ঘটাইছিল। তেওঁৰ গ্রন্থ "Naming and Necessity" অত Kriper য়ে ''ৰূপাত্মক যুক্তি'' (The modal argu- ment) ক আগবঢ়াইছে। তেওঁ যুক্তি দর্শায় যে ব্যক্তিবাচক নামৰ সাধাৰণ মতবাদসমূহত থকা দোষবোৰ অনিবার্যতা (Necessity) আৰু সম্ভাৱনীয়তা (Possibility)ৰ অধিবিজ্ঞানৰ বৃহৎ ভুল বুজাবুজিৰ নির্দ্দেশক।

১.৬.৩ বিজ্ঞানৰ দর্শন

তর্কীয় প্রত্যক্ষবাদীসকলৰ সত্যাপনীয়তাৰ মতবাদৰ বিপক্ষে আৰু বিজ্ঞানৰ দার্শনিকসকলৰ সমালোচনাৰ এক প্রত্যাখান স্বৰূপে কৰল ২০ শতিকাতহে এক পৃথক শাখা ৰূপে বিজ্ঞানৰ দর্শনৰ আবির্ভাৱ হৈছিল। ই আছিল তর্কীয় প্রত্যক্ষবাদৰ ধাৰাৰ সমালোচনা, যাৰ লক্ষ্য আছিল সকলো দার্শনিক উক্তিকেই অর্থহীন বুলি নিশ্চিত কৰা আৰু সিহঁতৰ মূল্যৰ বস্তুগতভাৱে নির্দ্ধাৰিত কৰাৰ বাবে মানদণ্ড সুনিন্যস্ত কৰা ।

Thomas Samuel Kuhn ৰ আদর্শৰ সূত্রীকৰণে সু-সংবদ্ধ পৰীক্ষণৰ এটা স্থিত পদ্ধতিৰ ওপৰত প্রতিষ্ঠিত জ্ঞানৰ স্থিৰ বর্দ্ধিত অর্জন হিচাপে বৈজ্ঞানিক প্রগতিৰ মতামত দাবীক স্থানান্তৰ কৰিছে। তেওঁৰ গ্রন্থ "The Structure of Science" (1962) অত Kuhn য়ে যুক্তি দিয়ে যে যিকোনো অগ্রগতি আদর্শ সম্বন্ধীয়; অর্থাৎ, প্রশ্ন, ধাৰণা,

আৰু অভ্যাসৰ শ্ৰেণী, যিয়ে এক বিশেষ ঐতিহাসিক কালত এক বৈজ্ঞানিক অধ্যয়নৰ বিষয়ক বুজায়। ই তৰ্কীয় প্ৰত্যক্ষবাদৰ পৰা বৈজ্ঞানিক প্ৰণালীৰ বাবে এক আধুনিক মানদণ্ডৰ শ্ৰেণী প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহে। আনহাতে Karl Popper য়ে অভিজ্ঞতামূলক ভ্ৰান্তিবোৰ সপক্ষে বৈজ্ঞানিক পদ্ধতিৰ ওপৰত পৰম্পৰাগত আগমনাত্মক চিন্তাবিদসকলৰ মতামতসমূহ প্ৰত্যাখ্যান কৰিছে। যাৰমতে, অভিজ্ঞতামূলক বিজ্ঞানক কেতিয়াও প্ৰমাণ কৰিব নোৱাৰি বৰঞ্চ ভ্ৰান্ত বুলিব পৰা যায়। বিজ্ঞান আৰু অ-বিজ্ঞানৰ মাজত সীমা নিৰ্দ্ধাৰণক ন্যায্যতা প্ৰদান কৰিবলৈ তেওঁ ভ্ৰান্তিৰ সম্ভাৱনীয়তাৰ মানদণ্ডক পৰামৰ্শ ৰূপে আগবঢ়াইছিল।

১.৬.৪ ধৰ্মৰ দৰ্শন

যেতিয়া পূৰ্বৰ বিশ্লেষণাত্মক দাৰ্শনিকসকলে 'ধৰ্মৰ বিষয়টোক অধিবিজ্ঞানৰ এটা অংশ হিচাপে বহলভাৱে বৰ্খাস্ত কৰিছিল আৰু তাক অৰ্থহীন বুলিছিল, তেতিয়া সমসাময়িক বিশ্লেষণাত্মক দৰ্শনৰ কিছুমান প্ৰকাৰক ধৰ্মৰ দৰ্শনৰ প্ৰতি অতি সহানুভূতিশীল ৰূপে দেখা গৈছিল। William Alston, John Mackie, Alvin Ptatinga, Antony Flew আদিৰ দৰে দাৰ্শনিকসকলে কেৱল নতুন সমস্যাৰ পুণৰ পৰিচয় দিয়াই নহয়, বৰঞ্চ তেওঁলোকে চমৎকাৰৰ স্বৰূপ, আস্তিক যুক্তিসমূহ ঈশ্বৰৰ ওপৰত বিশ্বাসৰ চেতনা বৃত্তি, ঈশ্বৰৰ স্বৰূপৰ ধাৰণা আদিৰ নিচিনা পৰম্পৰাগত বিষয়বোৰ পুনৰ অধ্যয়নো কৰিছিল। Alston য়ে ধৰ্মীয় ভাষাৰ ওপৰত কৰ্ম কৰি থকাৰ বিপৰীতে Platinga, Mackie আৰু Flew য়ে স্বতন্ত্ৰ ইচ্ছা ৰক্ষন (Free will defence)ৰ তৰ্কীয় বৈধতা অবধৈতাৰ বাদ বিবাদত লিপ্ত আছিল।

১.৬.৫ ৰাজনৈতিক দৰ্শন

John Rawl ৰ বিখ্যাত গ্ৰন্থ "A Theory of Justice" (1971) ৰ সৈতে সমসাময়িক বিশ্লেষণাত্মক ৰাজনৈতিক দৰ্শনৰ এক সুসংবদ্ধ অধ্যয়ণৰ আৰম্ভণি ঘটিছিল। তেওঁৰ অন্যান্য প্ৰসিদ্ধ গ্ৰন্থ হৈছে "The Concepts of Rules" আৰু "Justice as Fairness"। Rawlয়ে বিতৰাণাত্মক ন্যায়ৰ হকে এক সাধাৰণতে উদাৰ সমতাবাদীৰ এক পৰিষ্কৃত ৰক্ষণৰ বাবে যুক্তি আগবঢ়াইছিল।

বিশ্লেষণাত্মক মাৰ্ক্সবাদ ৰাজনৈতিক দৰ্শনৰ আন এক প্ৰগতি, যি কৰ্মৰ এক শাখা ৰূপে আৱিৰ্ভাৰ হৈছে আৰু যিয়ে কাৰ্লমাৰ্ক্স আৰু তেওঁৰ অনুগামীসকলৰ মতবাদবোৰ পৰিষ্কাৰ বা স্পষ্ট কৰিবলৈ তৰ্ক সঙ্গত বিকল্প মতবাদৰ দৰে আধুনিক সমাজ বিজ্ঞানত বিশ্লেষণাত্মক দৰ্শনৰ কৌশলবোৰক প্ৰয়োগ কৰিবলৈ প্ৰয়াস কৰে। এই শাখাৰ আটাইতকৈ জনজাত সদস্যজন হৈছে তেওঁ তেওঁৰ লেখা "Karl Marx's

Theory of History : A Defene" (1978) অত More ৰ ইতিহাসৰ ধাৰণাক স্পষ্ট আৰু ৰক্ষণাবেক্ষন দিবলৈ তৰ্কীয় আৰু ভাষিক বিশ্লেষণ ব্যৱহাৰ কৰিছিল।

১.৬.৬ বিশ্লেষণাত্মক দর্শনত নীতিবিজ্ঞান

য'ত বিশ্লেষণাত্মক দর্শনে প্রতীক প্রতীকাত্মক তর্কবিজ্ঞান আৰু অভিজ্ঞতাবাদৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল নীতিবিজ্ঞানৰ ওপৰত কোনো উৎসাহ নথকাকৈয়ে, আনহাতে, সাধাৰণ ভাষা দার্শনিকসকলৰ আৱির্ভাৱৰ সৈতে নীতিবিজ্ঞান অনুৰাগৰ এক বিষয় হৈ পৰিছিল। ইয়াৰ পাছত বিশ্লেষণাত্মক দর্শনৰ সৈতে কাম কৰা দার্শনিকসকলে ক্রমান্বয়ে তিনিপ্রকাৰৰ প্রধান নৈতিক দর্শনৰ মাজত পার্থক্য নিৰূপন কৰিবলৈ অগ্রসৰ হৈছিল।

- **আধিবৈজ্ঞানিক নীতিশাস্ত্র** (Meta-Ethics) ঃ ই হৈছে কুৰি শতিকাৰ নীতিবিজ্ঞানৰ এক অধ্যয়ন, যাৰ আৱির্ভাৱ হৈছিল এহাতে 'শ্রেয়' ৰ দৰে নৈতিক শব্দবোৰৰ স্বৰূপ আৰু ইয়াৰ প্রাকৃতিক ভ্রান্তিৰ মতবাদৰ প্রতি GE. Moore ৰ অনুসন্ধান আৰু আনহাতে, Hume ৰ 'হয়'আৰু 'উচিত' ৰ মাজৰ পার্থক্যৰ পৰা আধিবৈজ্ঞানিক নীতিবিজ্ঞান হৈছে নীতিবিজ্ঞানৰ এক অধ্যয়ন যিয়ে নৈতিক শব্দ বচন আৰু অৱধাৰণক অনুসন্ধান কৰে। ইয়াৰ মতে নৈতিক আৰু সৌন্দয্যমূলক দুয়োটা প্রমূল্যৰ বিষয়ে সকলো উক্তি অ-জ্ঞানাত্মক (Non-Cognitive)। অর্থাৎ সিহঁতক বস্তুগতভাৱে প্রমাণিকৰণ নাইবা মিথ্যাকৰণ কৰিব নোৱাৰি। সিহঁত কেৱল আৱেগৰ প্রকাশ মাথোন। সেয়েহে, সিহঁতক আৱেগবাদীৰ মতবাদ বুলি কোৱা হয়। আৱেগবোধ মতবাদ (Emotive Theory) পিছলৈ চার্লচ্ ষ্টিভেন্চনৰ অভিব্যক্তিবাদ (Expressivism) আৰু আৰ. এম. হেয়াৰৰ সার্বিক নিদের্শনাবাদ (Universal Prescriptivism)ৰ দৰে অধিক কঠোৰ অ-জ্ঞানাত্মক মতবাদৰ দৰে প্রকট হৈছিল।
- **আদর্শনিষ্ঠ নীতিবিজ্ঞান** (Normative Ethics) ঃ আদর্শনিষ্ঠ নীতিবিজ্ঞানে আদর্শমূলক নৈতিক অৱধাৰণসমূহক পৰীক্ষা-নিৰীক্ষা আৰু উৎপন্ন কৰে । বিশ্লেষণাত্মক দার্শনিকসকল এই মতবাদৰ প্রতি সংশয়বাদী আছিল। বিশ্লেষণাত্মক দার্শনিকসকলৰ মতে উপযোগীতাবাদেই নীতিবিজ্ঞানৰ একমাত্র অ-সংশয়াত্মক প্রকাৰ আছিল, যি জনপ্রিয় হৈ আছিল। অন্যান্য বিভাগ বা শাখা, যেনে- সদগুণৰ নীতিবিজ্ঞান আৰু ধর্মশাস্ত্র ই আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ বিপক্ষে নীতিবিজ্ঞানত অনুৰাগৰ নবীকৰণ কৰিছিল।
- **ব্যৱহাৰিক নীতিবিজ্ঞান** (Applied Ethics) ঃ ১৯৭০ চনৰ কালছোৱাত বিকশিত হোৱা বিশ্লেষণাত্মক দর্শনৰ এটা তাৎপর্যমূলক বৈশিষ্ট্য হৈছে ব্যৱহাৰিক

নীতিবিজ্ঞান। জটিল আৰু সীমাবৰ্ত্তি বিষয়বোৰত বিদ্যামান আদর্শমূলক নীতিসমূহ প্রয়োগ কৰাটো উচিত তাত ব্যৱহাৰিক নীতিবিজ্ঞানে অনুসন্ধান চলায়; প্রায়ে এনেধৰণৰ বিষয়বোৰ নতুন প্রদ্যোগী আৰু বৈজ্ঞানিক জ্ঞানৰ দ্বাৰা সৃষ্টি হয়। ব্যৱহাৰিক নীতিবিজ্ঞানৰ বাবে বিশেষ অনুৰাগৰ বিষয়বোৰে পৰিৱেশজনিত বিচাৰ-বিষয়, জীৱ-জন্তুৰ অধিকাৰ আৰু চিকিৎসা-বিজ্ঞানৰ দ্বাৰা সৃষ্ট বহুতো দাবীক অন্তর্ভুক্ত কৰে।



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিশ্লেষণাত্মক দর্শন হৈছে এক দার্শনিক ধাৰা, যিয়ে ভাষা আৰু ধাৰণাৰ তর্কীয় বিশ্লেষণৰ ওপৰত জোৰ দিয়ে।
- ই প্রায়ে আকাৰৰ্গত তর্কবিজ্ঞান, ধাৰণাগত বিশ্লেষণ, আৰু কম পৰিমানে গণিতশাস্ত্র আৰু প্রাকৃতিক বিজ্ঞানক ব্যৱহাৰ কৰিছে।
- বিশ্লেষণাত্মক তর্কবিজ্ঞান আৰম্ভ হৈছিল Russell, Moore আৰু Wlittgensteion ৰ কর্মৰাজিৰ পৰা। তেওঁলোকে জটিল ধাৰণাবোৰ আৰু অৱধাৰণাবোৰক প্রীতিকাত্মক তর্কবিজ্ঞানৰ ব্যৱহাৰৰ জৰিয়তে বিশ্লেষণ কৰিছিল আৰু সেইবোৰক Russell, White-head আৰু Frege ৰ দ্বাৰা প্রতীকিৰণ কৰা হৈছিল।
- পিছৰ বিশ্লেষণাত্মক দর্শনত অনুৱর্তী প্রসাৰিত কর্মৰ দ্বাৰা বিশ্লেষণাত্মক দর্শনৰ বিকাশ চিহ্নিত হৈছিল, যিয়ে Philippa Foot, R. M. Hare, J. L. Mackie, Alasdair MacIntyre আৰু অন্যান্য দার্শনিকৰ দ্বাৰা বহন কৰা কর্মৰাজিক অন্তর্ভুক্তি কৰে।
- বিশ্লেষণাত্মক ৰাজনৈতিক দর্শনৰ আৰম্ভণী হৈছিল John Rawl ৰ বিখ্যাত গ্রন্থ "A Theory of Justic" (1971) ৰ সৈতে। প্রখ্যাত দার্শনিক G.N. Cahen য়ে তেওঁৰ গ্রন্থ "Karl Marx's Theory of History : A Defernce" (১৯৭৮) অত Marx ৰ ইতিহাস সম্পর্কীয় ধাৰণাক স্পষ্ট কৰিবলৈ আৰু তাক ৰক্ষণাবেক্ষণ দিবলৈ তর্কীয় আৰু ভাষিক বিশ্লেষণ ব্যৱহাৰ কৰিছিল।
- সৌন্দর্য্যবিজ্ঞানত বিশ্লেষণাত্মক অনুসন্ধান কৰিছিল Arthur Dento ৰে।
- ধর্মৰ দর্শনত বিশ্লেষণাত্মক অধ্যয়ন কৰিছিল Alivin Platinga আৰু Richard Swinburne য়ে।
- ভাষা দর্শনৰ ক্ষেত্রত বহুতো দার্শনিক যেনে — David Kaplam, Saul Kripke, Richard Montague, Hilary Putnam, W. O. Quine, Nathan Salman and John Searle আদিয়ে অগ্রনী ভূমিকা লৈছিল।
- ঠিক তেনেদৰে বিশ্লেষণাত্মক অধিবিজ্ঞানও Saul Kripke, Devid Lewis, Nathan

Salmon, Peter Van, P. F. Strawson আৰু আন বহুতো দার্শনিকৰ লেখনিত মুৰ ডাঙি উঠিছিল।



১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Alston, J. 1988, *Philosophy of Language*, Prentice Hall of India, New Delhi.
2) Carnap, R. 1959, *Introduction to Semantics,* Harvard University Press.
3) Dummet, M. 1981, *Frege : Philosophy of Language*, Senond Edition, Gerald Duckworth and Co. Ltd, London.
4) Frege, G. 1971, *On Sense and Meaning, in the Philosophy of Language*, ed. by J. R Searle, Oxford University Press.
5) Frege. G. 1960, 'On Sense and Reference' in P. Geach and M. Black (eds.), Translations from the Philosophical Writings of Gottlob Frege, 2nd edition Blackwell, Oxford.
6) Munitz, M. K, 1981, *Contemporary Analytic Philosophy*, Macmillan Publishing Co., New York.
7) Pradhan, R. C, 2001, Recent Developments in Analytic Philosophy, Indian Council of Philosophical Research, New Delhi.



১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ তৰ্কীয় পৰমাণুবাদৰ আবিৰ্ভাৱ কুৰি শতিকাৰ আগছোৱাৰ পৰা আৰম্ভ হৈছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বাট্ৰাণ্ড ৰাছেল আৰু উইট্‌গেনষ্টাইন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ তৰ্কীয় পৰমাণুবাদ হৈছে সেই মতবাদ যাৰ মতে সমগ্ৰ জগতখন স্বতন্ত্ৰ সত্ত্বা বা বস্তুৰে গঠিত। জ্ঞান হৈছে সত্য বা সত্ত্বাৰ এক প্ৰতিলিপি নাইবা এইবোৰ সত্তাৰ এক প্ৰতিবেদন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ Wlittgensteion ৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ তৰ্কীয় অভিজ্ঞতাবাদ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ 'তৰ্কীয় প্ৰত্যক্ষবাদ' শব্দটো ১৯২০ চনৰ 'ভিয়েনা চক্ৰ'অত পোন প্ৰথমে

উদ্ভৱ হৈছিল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাতাত্ত্বিক দর্শন হৈছে এক দার্শনিক মতবাদ যিয়ে দার্শনিক সমস্যাবোৰ সমাধান কৰিবলৈ অ-কাৰিকৰী দৈনন্দিন 'সাধাৰণ' ভাষা ব্যৱহাৰ কৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ G.E. Moore.



১.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ বিশ্লেষণাত্মক দর্শনক কি নামেৰে জনা যায়।

প্ৰশ্ন ২ ঃ দুজন প্রত্যক্ষবাদী দার্শনিকৰ নাম লিখক?

প্ৰশ্ন ৩ ঃ 'Languag, Truth and Logic' গ্ৰন্থখনৰ লেখকজনৰ নাম কি?

প্ৰশ্ন ৪ ঃ ধর্মৰ দর্শনৰ লগত জড়িত যিকোনো দুজন দার্শনিকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ তিনি প্রকাৰৰ নীতিবিজ্ঞান কি কি?

(খ) চমু প্ৰশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বিশ্লেষণাত্মক দর্শন কি?

প্ৰশ্ন ২ ঃ বিশ্লেষণাত্মক দর্শনত 'বিশ্লেষণাত্মক' শব্দৰ অর্থ কি?

প্ৰশ্ন ৩ ঃ তর্কীয় প্রত্যক্ষবাদ বুলিলে কি বুজে?

প্ৰশ্ন ৪ ঃ তর্কীয় প্রত্যক্ষবাদীসকলৰ তর্কীয় নীতিসমূহ কি কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ 'মনৰ দর্শন'ত আলোচিত কেইটামান বিষয় উল্লেখ কৰক।

প্ৰশ্ন ৬ ঃ আধিবৈজ্ঞানিক উক্তিবোৰ অর্থহীন নে? আপোনাৰ সপক্ষে যুক্তি দিয়ক।

প্ৰশ্ন ৭ ঃ বিশ্লেষণাত্মক তর্কবিজ্ঞানত আপুনি কিদৰে 'নীতিবিজ্ঞান'ক ব্যাখ্যা কৰিব। চমুকৈ আলোচনা কৰক।

(গ) দীঘল প্ৰশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ তর্কীয় প্রত্যক্ষবাদীসকলৰ সত্যাপনৰ মতবাদটো আপোনালোকে গ্রহণ কৰেনে? ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ Bertrand Russell কোন? বিশ্লেষণাত্মক দর্শনত তেওঁৰ অৰিহনা সম্পর্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'সাধাৰণ ভাষা দর্শন' বুলিলে কি বুজে? ই ভাষাৰ দর্শনৰ পৰা পৃথক নেকি? ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ তর্কীয় পৰমাণুবাদ সম্পর্কে এক চমুটোকা যুগুত কৰক।

*** ***** ***

অধ্যায় ২ ঃ ফ্রেগে ঃ ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু নির্দেশক বা তথ্যৰ উৎসৰ মাজত থকা অর্থ সম্বন্ধীয় পার্থক্য বা প্রভেদ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ অর্থ সম্বন্ধীয় ফ্রেগেৰ দৃষ্টিভংগী

২.৪ ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু তথ্যৰ উৎস (reference) ৰ মাজৰ অর্থগত (sense) প্রভেদ

২.৫ যথার্থ নাম সম্পর্কে ফ্রেগেৰ দৃষ্টিভংগী

২.৬ এটা যথার্থ নামৰ বোধগম্য অর্থ আৰু প্রাসংগিক তথ্যৰ উৎস বা অর্থ

২.৭ মূল্যাংকন

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৯ অধিক জানিবলৈ

২.১০ অগ্রগতিৰ খতিয়ান

২.১১ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অর্থৰ ধাৰণা সম্বন্ধে ফ্রেগেৰ দৃষ্টিভংগী জানিব পাৰিব
- ইন্দ্রিয়গ্রাহ্য অনুভূতি (Sense) আৰু তথ্যৰ উৎস (Reference)ৰ মাজৰ সম্বন্ধ জানিব পাৰিব
- যথার্থ নাম সম্পর্কে ফ্রেগেৰ দৃষ্টিভংগী জানিব পাৰিব
- যথার্থ নামৰ বোধগম্য অর্থ আৰু প্রাসংগিক অর্থৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

দর্শনত অর্থৰ আলোচনাৰ সমান্তৰালভাৱে আগবঢ়া আন এটা সমস্যা হৈছে প্রাসংগিকতা বা তথ্যৰ উৎসৰ উদ্ধৃতি সম্পর্কীয় সমস্যাটো (the problem of refering)। কুৰি শতিকাৰ আৰম্ভণিৰে পৰা দার্শনিক আলোচনাত তথ্যৰ উৎসৰ উদ্ধৃতি সম্পর্কীয় সমস্যাটোৱে এটা কেন্দ্রীয় বিষয় হিচাপে পৰিগণিত হৈ আহিছে। কুৰি শতিকাৰ পাশ্চাত্য জগতৰ দার্শনিক আলোচনাত ফ্রেগেৰ 'বোধগম্য অর্থ' আৰু 'প্রাসংগিক অর্থ (Sense and reference) তত্ত্বই এটা শক্তিশালী ভূমিকা পালন কৰি আহিছে। ফ্রেগেৰ এই তত্ত্বটো তথ্যৰ উৎসৰ উদ্ধৃতি সম্পর্কীয় সমস্যাটোৰ

ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। অর্থৰ প্রকৃতি সম্পর্কে দার্শনিকসকলে কেবাটাও সবল প্রতিদ্বন্দ্বীমূলক প্রকল্প আগবঢ়াইছে। অর্থৰ নির্দেশনাত্মক দৃষ্টিভংগী (referential view) অনুসৰি শব্দসমূহে সেই অর্থ প্রকাশ কৰে যাৰ বাবে ইহঁত ব্যৱহৃত হয় আকৌ এটা বাক্যই সেইটো অর্থ প্রকাশ কৰে যিটো বাক্যটোত ব্যৱহৃত শব্দসমূহে প্রকাশ কৰে, কাৰণ বাক্যটোৰ অংশসমূহে অর্থাৎ শব্দসমূহে নির্দেশ কৰা জগতৰ প্রকৃত বা সাম্ভাব্য ঘটনাক্রম (State of affair)ৰ উপাদানসমূহৰ সৈতে ইহঁত (শব্দসমূহ) অনুৰূপ। সত্য চর্ত সাপেক্ষ দৃষ্টিভংগী অনুসৰি আকৌ এটা বাক্যৰ অর্থ হৈছে সেইটো, বিশিষ্ট চর্ত যাৰ অধীনত বাক্যটো সত্য হয়। অর্থ আৰু তথ্যৰ উৎসৰ উদ্ধৃতি সম্পর্কীয় সমস্যাই এনে দৃষ্টিভংগীসমূহৰ সৈতে সম্পর্কীত।

বিশ্লেষণাত্মক দর্শনত গলৰ ফ্রেগেৰ উল্লেখনীয় অৱদান হৈছে একোটা পদৰ বোধগম্য অর্থ আৰু প্রাসংগিক অর্থৰ পার্থক্য নিৰূপণ। এটা পদৰ প্রাসংগিক অর্থ হৈছে সেই বস্তুটো যাক পদটোৱে নির্দেশ কৰে, আনহাতে সেই পদটোৰ বোধগম্য অর্থ হৈছে পদটোৱে নির্দেশিত বস্তুটোক নির্দেশনা দিয়া ধৰণটো। বোধগম্য অর্থ আৰু প্রাসংগিক অর্থৰ এনে এটা পার্থক্য নিৰূপণৰ জৰিয়তে ফ্রেগেয়ে কেতবোৰ পৰিচয়জ্ঞাপক তথ্যমূলক উক্তি (identity statement)ৰ মাজত নিহিত হৈ থকা জটিলতা বা সমস্যা সমাধানৰ প্রয়াস কৰিছে। এনে এটা পৰিচয়জ্ঞাপক তথ্যমূলক উক্তি হৈছে 'সন্ধিয়াৰ তৰাটোৱেই ৰাতিপুৱাৰ তৰা' (The Evening Star is the Morning Star)। যদিও জ্যোর্তিবিজ্ঞান সংক্রান্তীয় আৱিষ্কাৰে ক'ব বিচাৰে যে 'সন্ধিয়াৰ তৰাটো' আৰু 'ৰাতিপুৱাৰ তৰাটো' বিবৃতি দুটাই একেটা বস্তু অর্থাৎ 'শুক্র গ্রহটোকে' নির্দেশ কৰে, প্রকৃততে কিন্তু দুয়োযাৰ বিবৃতিয়ে বহন কৰা বোধগম্য অর্থৰ পার্থক্য আছে। এটা পদৰ প্রকাশৰ ধৰণে তাৰ প্রাসংগিক তথ্যৰ উদ্ধৃতি দিয়ে (Sense Determins reference)। কিন্তু পদ এটাৰ প্রকাশৰ ধৰণটো ইয়াৰ নির্দেশকৰ পৰা স্বতন্ত্র আৰু এনে স্বতন্ত্রতাৰ অর্থ হৈছে এইয়া যে এটা বাক্যৰ তথ্যগত উদ্ধৃতি অবিহনেও নিজা বোধগম্য থাকিব পাৰে, যাক প্রসংগ ব্যর্থতা (reference faihere) বুলিও অভিহিত কৰিব পাৰি। আনুষ্ঠানিক বা আকাৰিক ভাষাত এটা বাক্যৰ নির্দেশকটোৱেই হৈছে বাক্যটোৰ সত্যমূল্য। সাধাৰণ বা প্রাকৃতিক ভাষাত আকৌ ৰিক্ত নামভুক্ত বাক্য নিহিত হৈ থাকে। এনে ৰিক্ত নামসমূহৰ যদিও নির্দেশক বা প্রাসংগিক তথ্য নাথাকে, ইহঁতৰ মাজত বোধগম্য অর্থ নিহিত হৈ থাকে। ফ্রেগে উনুকিয়াই দিছে যে যিবোৰ বিবৃতিয়ে প্রকাশো প্রকৃত বস্তুক নির্দেশ নকৰে, যেনে- 'ফ্রান্সৰ বর্তমানৰ ৰজা', তেনেবোৰ বিবৃতিয়ে একোটা ৰিক্ত শ্রেণীক চিহ্নিত কৰে। যদি 'ফ্রান্সৰ বর্তমান ৰজা' বা তেনে ধৰণৰ বিবৃতিসমূহক একোটা ৰিক্ত শ্রেণীক চিহ্নিত কৰা বুলি ধৰি লোৱা হয়, তেন্তে 'ফ্রান্সৰ বর্তমান ৰজাজন তপামুৰীয়া' আৰু 'ফ্রান্সৰ বর্তমান ৰজাজন তপামুৰীয়া নহয়' উক্তি দুটাক সত্য বুলি ক'ব লাগিব, কাৰণ এটা ৰিক্ত শ্রেণী সকলো শ্রেণীৰে সদস্য বা সকলো শ্রেণীৰ মাজতে নিহিত হৈ থাকে।

২.৩ অর্থ সম্বন্ধে ফ্রেগেৰ দৃষ্টিভংগী

ভাষাই হৈছে যোগাযোগৰ এটা মাধ্যম আৰু ইয়েই হৈছে একমাত্র অর্থপূর্ণ চিহ্ন যাৰ জৰিয়তে যোগাযোগ সম্ভৱ হৈ উঠে। শব্দসমূহ আকৌ হৈছে ভাষাৰ ক্ষুদ্রতম অর্থপূর্ণ সমষ্টি। ভাষাৰ উপাদান স্বৰূপে ব্যৱহৃত হোৱাৰ যোগ্যতাপুষ্ঠ সকলো শব্দই অর্থযুক্ত। যোগাযোগৰ মাধ্যম হিচাপে ভাষাই শব্দসমূহক ইয়াৰ প্রাথমিক উপাদানৰূপে অন্তর্নিহিত কৰি ৰাখে আৰু বাক্যসমূহ শব্দৰ দ্বাৰাই গঠিত হয়। কোনো ভাষা অর্থ বুজিবলৈ ভাষাটোক বুজি পাব লাগিব, কাৰণ ভাষা আৰু অর্থ-দুয়োটাই একেটা তর্কীয় গণ্ডীৰ মাজত যুক্তি আৰু যৌক্তিক আকাৰৰূপে নিহিত হৈ থাকে। সেয়েহে ইহঁতৰ এটাৰ অনুসন্ধানে আনটোৰ অনুসন্ধানৰ দিশলৈ লৈ যায়। আমি যেতিয়া ভাষা বুজি পাওঁ, আমি ভাষাটোৰ গঠন, সংগঠন, সর্বোপৰি ভাষাটোৰ অর্থ বুজি পাওঁ। গতিকে ভাষাৰ বাক্যবিন্যাস (Syntex) আৰু ইয়াৰ শব্দার্থশাস্ত্র (Semantics) একেলগেই আগবাঢ়ে।

ফ্রেগে মন্তব্য কৰিছে যে ভাষা হৈছে চিন্তাৰ প্রাথমিক বাহক আৰু ভাষাৰ যৌক্তিক গাঠনিটোৱেই চিন্তাৰ যৌক্তিক আকাৰটোক প্রকাশ কৰে। ফ্রেগেই হৈছে প্রথমজন ব্যক্তি, যিয়ে ধৰি লৈছে যে ভাষাৰ যৌক্তিক গাঠনিয়ে ভাষাটোৰ অর্থ বা বোধগম্য ভাষাটো নিহিত কৰি ৰাখে। তেখেতৰ মতে, ভাষাৰ যৌক্তিক গাঠনিত প্রকাশিত চিন্তাখিনিয়েই হৈছে ভাষাটোৰ বোধগম্য অর্থ। ফ্রেগে যৌক্তিক বাক্যবিন্যাস (Togical Syntex) আৰু শব্দার্থশাস্ত্র (Semantics) কেই বোধগম্য অর্থৰ অধ্যয়ন হিচাপে গ্রহণ কৰিছে। ভাষাৰ বাক্যবিন্যাসেই যৌক্তিক আকাৰৰ অধ্যয়ন কৰে যি বোধগম্য অর্থৰ পৰিবাহক। চমুকৈ, বাক্যবিন্যাসেই ভাষাৰ অধ্যয়ন। অন্যহাতে, শব্দার্থশাস্ত্রই বাহ্যিক বস্তুৰ ক্ষেত্রখনত ভাষাৰ অর্থ ব্যাখ্যা কৰাৰ অধ্যয়ন কৰে। অন্য কথাত, শব্দার্থশাস্ত্র জগতখনৰ অধ্যয়ন। গতিকে শব্দার্থশাস্ত্রই বাক্যবিন্যাসৰ গঠনৰ ব্যাখ্যা পদ্ধতি হিচাপে নির্দেশকৰ ধাৰণাক কঢ়িয়াই আনে। ফ্রেগেৰ বোধগম্য অর্থ আৰু তথ্যৰ উৎস বা নির্দেশকৰ পার্থক্য সম্বন্ধীয় বিখ্যাত পার্থক্য নিৰূপণ, সেয়েহে তর্কীয় বা যৌক্তিক শব্দার্থশাস্ত্রৰ ভিত্তিৰূপে গা কৰি উঠিছে।

শব্দ আৰু অর্থৰ মাজত এটা নিবিড় সম্পর্ক আছে, কিয়নো সচৰাচৰ আমি এয়াই গ্রহণ কৰো যে শব্দৰ অর্থই এটা বাক্যৰ অর্থটো প্রকাশ কৰে। ফ্রেগেয়ে উনুকিয়াই দিছে যে এই সম্বন্ধ কেৱল শব্দ আৰু অর্থৰ সম্বন্ধই নহয়, বৰং ইয়াত এটা তৃতীয় উপাদানৰ উদ্ভৱ হয় যাক তেওঁ বোধগম্য অর্থৰূপে অভিহিত কৰিছে। উল্লেখ্য যে ফ্রেগেয়ে বোধগম্য অর্থৰ ধাৰণাটো অর্থৰ ধাৰণাৰ পৰা পৃথকৰূপে অন্তর্ভুক্ত কৰাইছে। উদাহৰণ স্বৰূপে, 'ৰাতিপুৱাৰ তৰা' আৰু 'সন্ধিয়াৰ তৰা' বিবৃত্তি দুটাৰ অর্থ একে, কিয়নো দুয়োটা বিবৃত্তিয়ে একেটা তৰাকেই বুজায়। কিন্তু 'ৰাতিপুৱাৰ তৰা' আৰু 'সন্ধিয়াৰ তৰা' বিবৃত্তি দুটাৰ বোধগম্য অর্থৰ মাজত পার্থক্য আছে। ফ্রেগেৰ দৃষ্টিত বিভিন্ন ভাষাৰ ক্ষেত্রত অথবা একেটা ভাষাৰ ক্ষেত্রত একেটা বোধগম্য অর্থৰ বাবে বিভিন্ন বিবৃত্তি থাকিব পাৰে বা থাকে। প্রতিটো বিবৃত্তিৰেই এটা অনুৰূপ বোধগম্য অর্থ থাকে, কিন্তু সাধাৰণ ভাষাই প্রায়েই এই চর্ত পূৰণ নকৰে। চর্তটোৰ অর্থ পিছে এয়া নহয় যে প্রতিটো বোধগম্য অর্থৰে আকৌ অনুৰূপ বা সদৃশ বস্তুটোৱেই ইয়াৰ অর্থ ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ যুক্তিসমূহ সত্যনে অসত্য উল্লেখ কৰা ঃ

(ক) ফ্রেগেয়ে শব্দ, বিধেয় আৰু বাক্যৰে তৈয়াৰ কৰা মানচিত্রক বাস্তৱিক জগতৰ বস্তুলৈ লৈ যোৱাৰ ব্যাখ্যাক 'Bedeutung' বুজাবলৈ শব্দটো ব্যৱহাৰ কৰিছে।

(খ) নীতিশাস্ত্র অধ্যয়নৰ সৈতে জড়িত শাখাই হৈছে শব্দার্থশাস্ত্র।

প্রশ্ন নং ২ ঃ "Words all have meaning in the simple sense that thay are symbols that stand for something other than themrewes."— কোনে কৈছে?

.....

প্রশ্ন নং ৩ ঃ ফ্রেগেৰ মতে 'অর্থ' কি ?

.....

২.৪ ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু তথ্যৰ উৎসৰ মাজৰ অর্থগত প্রভেদ (SEMANTIC DISTINCTION BETWEEN SENSE AND REFERENCE)

১৮৯২ চনত "On Sense and Reference" শীর্ষক প্রৱন্ধটোত ফ্রেগেই 'বোধগম্য অর্থ' আৰু 'প্রাসংগিক অর্থৰ বিখ্যাত পার্থক্যটো উত্থাপন কৰিছে। প্রাথমিকভাৱে তেখেতে এই পার্থক্যটো অৱতাৰণা কৰিছিল 'সমতা' সম্বন্ধে থকা এটা বিভ্রান্তিৰ ওৰ পেলাবলৈ। 'বোধগম্য অর্থ' আৰু 'প্রাসংগিক অর্থৰ' মতবাদটোত ফ্রেগেই এই দুই ধাৰণাক দুটা ভাষিক গুৰুত্বৰূপে ব্যাখ্যা কৰিছে। তেখেতে এই দুই অর্থৰ ধাৰণাৰ পার্থক্যক অৱতাৰণা কৰিছে পৰিচয়জ্ঞাপক (identity) উক্তিসমূহৰ বার্তাবাহনৰ সমস্যাটোৰ সমাধানকল্পে। সাধাৰণ ৰূপত এটা পৰিচয়সূচক (identity) উক্তিয়ে স্বতঃসিদ্ধ (tautology) আকাৰ ধাৰণ কৰে; কিন্তু কেতিয়াবা এনে উক্তিসমূহে আমাৰ জ্ঞানত কিছু (নতুন) বার্তা সংযোগ কৰিবলৈ সমর্থ হ'ব পাৰে। উদাহৰণ স্বৰূপে ফ্রেগে উদ্ধৃতি দিয়া এনে এটা পৰিচয়জ্ঞাপক (identity) উক্তি হৈছে- "The evening star is the evening star" অর্থাৎ 'সন্ধিয়াৰ তৰাটোৱেই সন্ধিয়াৰ তৰা'- যিটো এটা স্বতঃসিদ্ধ উক্তি। কিন্তু কেতিয়াবা এই পৰিচয় (identity) টো একেটা বিবৃত্তিৰ পৰিৱর্তে দুটা বিবৃত্তিৰ ব্যৱহাৰে প্রকাশ কৰে। উদাহৰণ স্বৰূপে, "The morning star is the evening star." অর্থাৎ 'ৰাতিপুৱাৰ তৰাটোৱেই সন্ধিয়াৰ তৰা'। ফ্রেগে উনুকিয়াই দিছে যে উদ্ধৃত প্রথম উক্তিটোৱে আমাৰ জ্ঞানত কোনো নতুন বার্তা সংযোগ নকৰে; কিন্তু দ্বিতীয় উক্তিটোৱে নতুন তথ্যৰ উদ্ভাৱন ৰূপে এটা বার্তা বহন কৰে। ফ্রেগে তেখেতৰ "On sense and Reference"

প্রৱন্ধটোৰ আৰম্ভণিতেই উত্থাপন কৰা প্রশ্নটো হৈছে— Is it a uelation ? A relation between objects or between names or signs of objects? অর্থাৎ ই এটা সম্বন্ধনে ?

যদি সম্বন্ধ তেন্তে বস্তুৰ মাজৰ সম্বন্ধ নে নাম অথবা বস্তুৰ চিহ্নৰ মাজৰ সম্বন্ধ? ফ্রেগেৰ মতে, যদি আমি সমতা (equality)ক এটা সম্বন্ধৰূপে গণ্য কৰো আৰু এই সম্বন্ধক বস্তুৰ সম্বন্ধ বুলি গ্রহণ কৰো তেন্তে "a = b" উক্তিটোৱে "a = a" উক্তিটোৰ সমার্থক হ'ব যদি "a = b" সত্য হয়। যদি "a = b" সত্য হয় তেন্তে "a" আৰু "b" একেটা বস্তুৰে দুটা নাম হ'ব আৰু তেনে ক্ষেত্রত "a = b" উক্তিটোৱে আমাক "a = a" উক্তিটোৱে প্রদান কৰা বার্তাতকৈ অধিক একো বার্তা প্রদান কৰিব নোৱাৰে। সমতা হৈছে এনে এটা সম্বন্ধ য'ত এটা বস্তুৱে তাৰ নিজৰ সৈতেহে সম্বন্ধ ৰচে, আন বস্তুৰ সৈতে নহয়। কিন্তু, কেতিয়াবা "a = b" আকাৰৰ উক্তিসমূহ উচ্চপর্যায়ৰ বার্তাবাহকৰূপে পৰিগণিত হয় য'ত "a = a" আকাৰৰ উক্তিসমূহ এইক্ষেত্রত সফল নহয়।

সমতাৰ সম্বন্ধ সম্পর্কে ওপৰত উল্লেখিত বিকল্প দুটাৰ আনটো বিকল্প হৈছে- নাম অথবা বস্তুৰ চিহ্নৰ মাজৰ সম্পর্কই একত্ব (identity)। কিন্তু ফ্রেগে এই দ্বিতীয়টো বিকল্পকো গ্রহণ কৰিব পৰা নাই। এই ক্ষেত্রত "a = b" ৰ অর্থ হ'ব "a" আৰু "b" নাম দুটা একেটা বস্তুৰে দুটা নাম। কিন্তু ফ্রেগেয়ে যুক্তি দাঙি ধৰি ক'ব বিচাৰে যে এনে বিশ্লেষণ শুদ্ধ নহয়, কাৰণ "a" বস্তুটোৰ নাম "a" আৰু "b" বস্তুটোৰ নামো "a" বোলা কথাটো প্রকৃততে "a" বা "b" চিহ্ন অথবা ধ্বনিসমূহৰ ব্যৱহাৰৰ সৈতে সম্পর্কীত একোটা সম্পূর্ণ যাদৃচ্ছিক বা স্বেচ্ছাচাৰী সন্মতিৰ ফলশ্রুতি।

ইয়াৰ পিছতেই ফ্রেগেই চিহ্নসমূহৰ মাজত থকা 'বোধগম্য অর্থ' (Sinn) আৰু 'প্রাসংগিক অর্থ' (Bedentung)ৰ পার্থক্যটোক বিশ্লেষণ কৰাৰ প্রয়াস কৰিছে। ফ্রেগেৰ মতে, এযাৰ বিবৃত্তিৰ বোধগম্য অর্থ আৰু বিবৃত্তিযাৰে নির্দেশ কৰা বিষয় বা বস্তুটোৰ মাজত এটা পার্থক্য বিৰাজ কৰে। ফ্রেগেৰ দৃষ্টিত এযাৰ বিবৃত্তিৰ প্রাসংগিক তথ্য (reference) হৈছে বিবৃত্তিযাৰে নির্দেশ কৰা বা নামাংকিত কৰা অথবা চিহ্নিত কৰা বস্তুটো বা বিষয়টো। কিন্তু বিবৃত্তিযাৰৰ বোধগম্য অর্থ (Sense) হৈছে বিবৃত্তিযাৰে নির্দেশ কৰা বস্তুটো বা বিষয়টোৰ উপস্থাপনৰ ধৰণ বা প্রকৃতি। কোনো এযাৰ বিবৃত্তি তেতিয়াহে অর্থপূর্ণ বিবেচিত হয়, যেতিয়া বিবৃত্তিযাৰৰ বোধগম্য অর্থৰ অনুৰাগ বিষয়টো বিবৃত্তিযাৰৰ জৰিয়তে প্রকাশিত হয়। ওপৰত আলোচনা কৰি অহা 'ৰাতিপুৱাৰ তৰা' আৰু 'সন্ধিয়াৰ তৰা' বিবৃতি দুটাই একেটা বস্তুকে নির্দেশ কৰে আৰু নির্দেশিত বস্তুটো হৈছে 'শুক্র' গ্রহটো। কিন্তু দুয়োটা বিবৃত্তিয়ে একেটা বস্তুকে নির্দেশ কৰিলেও বিবৃত্তি দুটাৰ বোধগম্য অর্থৰ প্রভেদ আছে; কাৰণ বিবৃতি দুটাৰ প্রতিটোৱেই ভিন্ন ধৰণে বস্তুটোক নির্দেশ কৰিছে আৰু ভিন্ন অর্থও বহন কৰিছে। অর্থাৎ এযাৰ বিবৃতিৰ অর্থ 'ৰাতিপুৱা দেখা তৰাটোক্স আৰু আনযাৰ বিবৃত্তিৰ অর্থ 'সন্ধিয়া দেখা তৰাটো' যদিওবা দুয়োযাৰ বিবৃত্তিয়ে একে বস্তুকে নির্দেশ কৰিছে। ফ্রেগেৰ মতে, প্রখ্যাত উদাহৰণ "Scott is the author of Weverley" অর্থাৎ স্ক'ট হৈছে ''ৱেভাৰলী''ৰ স্রষ্টা'' উক্তিটোৰ দুয়োটা পদতেই (অর্থাৎ ''স্ক'ট'' আৰু ''ৱেভাৰলী''ৰ শ্রষ্টা'ৰ মাজত) দুটা ভিন্ন বোধগম্য অর্থ নিহিত হৈ আছে যদিও, দুয়োটা পদেই একেটা নির্দেশককেই উনুকিয়াইছে আৰু সেই নির্দেশকটো হৈছে 'স্ক'ট'।

যদিওবা 'বোধগম্য অর্থ' আৰু 'প্রাসংগিক অর্থ' দুয়োটাই স্বকীয়তাবিশিষ্ট, তথাপিও ইহঁত নিবিড়ভাৱে সম্পর্কযুক্তও। ফ্রেগেৰ মতে, শব্দ বা বিবৃত্তি এযাৰৰ বোধগম্যতাই (Sense)

তাৰ প্রসংগটোৰ (reference) উদ্ধৃতি বা নির্দেশনা প্রদান কৰে, কাৰণ বিবৃত্তি এযাৰৰ বোধগম্যতাই বিবৃত্তিযাৰৰ নির্দেশকটোৰ এটা দিশ আলোকিত কৰি তোলে। গতিকে, উপৰোক্ত আলোচনাই এয়া প্রতীয়মান কৰে যে ভিন্ন বোধগম্যতা বিশিষ্ট বিবৃত্তিসমূহেও একেটা নির্দেশককেই উনুকিয়াব পাৰে। এই দৃষ্টিকোণৰ ফালৰ পৰা এটা বোধগম্য অর্থক 'বিষয়বস্তু উপস্থাপনাৰ ধৰণক্স ৰূপে ব্যাখ্যা কৰিব পাৰি যাৰ দ্বাৰা এটা চিহ্নই ইয়াৰ প্রাসংগিক বিষয়টো আমাৰ বাবে স্পষ্ট কৰি তোলে। 'বোধগম্য অর্থ' আৰু 'প্রাসংগিক অর্থৰ পার্থক্যটো স্পষ্টকৈ প্রকাশ কৰিবলৈ আমি ফ্রেগেৰ "On Sense and Reference" প্রৱন্ধটোত উদ্ধৃত এটা উদাহৰণলৈ আঙুলিয়াব পাৰো। ধৰা হ'ল, এটা ত্রিভূজৰ তিনিওটা শীর্ষবিন্দুৰ পৰা ইয়াৰ বিপৰীত বাহুৰ মধ্যম বিন্দুলৈ টনা তিনিডাল ৰেখা হৈছে a, b আৰু c। এনে ক্ষেত্রত a আৰু b ৰেখা দুডালে পৰস্পৰক ছেদ কৰা বিন্দুটো b আৰু c য়ে পৰস্পৰৰ্ক ছেদ কৰা বিন্দুটোৰ সৈতে একে অর্থাৎ a আৰু b তথা b আৰু c য়ে একেটা বিন্দুতেই পৰস্পৰৰ্ক ছেদ কৰে। এনে ক্ষেত্রত ৰেখা তিনিওডালে পৰস্পৰৰ্ক ছেদ কৰা বিন্দুটোৰ নাম আমি বিভিন্নভাৱে লাভ কৰো। যেনে— a আৰু b য়ে ছেদ কৰা বিন্দুটোৰ প্রাসংগিক অর্থ একেই, কিন্তু ইহঁতৰ বোধগম্য অর্থ ভিন্ন। সেইধৰণে, 'ৰাতিপুৱা তৰাটো' আৰু 'শুক্র গ্রহটো' বিবৃতি দুটাৰো প্রাসংগিক অর্থ একেই যদিও ইহঁতৰ বোধগম্য অর্থৰ ভিন্নতা আছে। এই পার্থক্যটোৰ বাবেই "শুক্র গ্রহটোৱেই ৰাতিপুৱাৰ তৰা" উক্তিটোৱে প্রকৃত জ্ঞান প্রদান কৰে, কিন্তু "শুক্র গ্রহটোৱেই শুক্র গ্রহ" (Venus is Yenus) উক্তিটোৱে এনে জ্ঞান প্রদান নকৰে।

কেতিয়াবা কোৱা হয় যে ফ্রেগেৰ 'নাম' আৰু আন আন বিবৃত্তিসমূহৰ বোধগম্য অর্থ আৰু প্রাসংগিক অর্থৰ পার্থক্যই এটা মধ্যস্ত নির্দেশক সূত্রক অন্তর্হিত কৰে। মধ্যস্ত নির্দেশক সূত্রটো এটা শব্দার্থশাস্ত্র সম্বন্ধীয় সূত্র যিটোৱে ক'ব বিচাৰে যে শব্দসমূহে বাহ্যিক জগতৰ কিবা এটা বস্তুক নির্দেশ কৰে, কিন্তু ই একে সময়তে জোৰ দিব বিচাৰে যে নাম এটাৰ অর্থৰ মাজত ই নির্দেশ কৰা বস্তুটোৰ উপৰিও অধিক অর্থ নিহিত হৈ থাকে। সেয়েহে এই মতবাদটোৱে প্রত্যক্ষ নির্দেশক সূত্রৰ বিৰুদ্ধে থিয় দিয়ে। ফ্রেগেয়ে যুক্তি দর্শায় যে শব্দ আৰু বিবৃত্তিৰ ভাষাগত অর্থ (Semantics) ৰ দিশটোক দুটা উপাদানেৰে বিভাজিত কৰা উচিত ঃ

১) বোধগম্য অর্থ, যি এটা নামে নির্দেশ কৰা বস্তু বা বিষয়টোৰ উপস্থাপনাৰ ধৰণ, আৰু

২) নির্দেশক বিষয় বা বস্তুটো, যাক নামটোৱে নির্দেশ কৰে। ফ্রেগেৰ মতে, একেটা বস্তুক নির্দেশ কৰা বিভিন্ন নামসমূহৰ ভিন্ন ভিন্ন বোধগম্য অর্থ থকাটো সম্ভৱ।

এটা চিহ্নৰ বোধগম্য অর্থ আৰু ইয়াৰ নির্দেশকৰ একৰূপী সম্বন্ধটো হৈছে এনেকুৱা যে চিহ্নটোৰ অনুৰূপ এটা বোধগম্য অর্থ থাকে আৰু একে সময়তে তাৰ এটা নির্দেশকো থাকে, কিন্তু এটা নির্দেশকৰ (এটা বিষয় বা বস্তু) ক্ষেত্রত কেৱল একেটাই চিহ্ন বা নাম নাথাকে। একেটা

ভাষাতে অথবা বিভিন্ন ভাষাত একেটা বোধগম্য অর্থ সম্বলিত বিভিন্ন বিবৃত্তি থাকিব পাৰে। চিহ্নৰ সম্পূর্ণতা নিহিত হৈ থকা বিবৃতিসমূহৰ ক্ষেত্রত এটা অনুৰূপ নিশ্চিত বোধগম্য অর্থ থকাটো উচিত। কিন্তু সাধাৰণ ভাষাই প্রায়েই এই চর্ত পূৰণ নকৰে। ফ্রেগেৰ মতে, "It may perhaps be granted that every grammatically well-formed expression

representing a proper name always has a sense. But this is not to say that to the sense there also correspondes a reference." অর্থাৎ ফ্রেগেৰ মতে এয়া হয়তো গ্রহণযোগ্য যে এটা যথার্থ নামক প্রতিনিধিত্ব কৰা ব্যায়াকৰণসন্মতভাৱে সু-সংগঠিত প্রতিটো বিবৃত্তিৰেই সদায়েই এটা বোধগম্য অর্থ থাকে। কিন্তু ইয়াৰ অর্থ ইটো নহয় যে সেই বোধগম্য অর্থৰ অনুৰূপ এটা নির্দেশকো থাকে।

ফ্রেগেৰ যুক্তিৰ মূল ভিত্তিতত্ত্ব হৈছে এয়াই যে যদি দুটা বিবৃত্তিয়ে একেটা নির্দেশককেই উনুকিয়ায়, তেন্তে যিটো উচিত সেই বিবৃত্তি দুটা নিহিত থৈ থাকে, সেই উক্তিটোৰ সত্যমূল্য সলনি নকৰাকৈ বিবৃত্তি দুটাৰ এটাক আনটোৰ বাবে প্রতিস্থাপিত কৰিব পাৰি। লেইনিজৰ এটা বিখ্যা সংজ্ঞাক ফ্রেগেয়ে তেখেতৰ এনে যুক্তিৰ আধাৰৰূপে উদ্ধৃতি দিছে। লেইনিজে কৈছিল- "Things are identical which can be substituted one for another without change in the truth." অর্থাৎ সত্যতাক পৰিৱর্তন নকৰাকৈ যিবোৰ বস্তুৰ এটাক আনটোৰ বাবে সলনি কৰি দিব পাৰি, সেই বস্তুসমূহক একে বুলিব পাৰি। ফ্রেগেই বিবৃত্তিসমূহৰ 'গতানুগতিক অর্থ আৰু গতানুগতিক নির্দেশক' তথা 'পৰোক্ষ বোধগম্য অর্থ আৰু পৰোক্ষ নির্দেশক'ৰ মাজত এটা পার্থক্য নিৰূপণ কৰিছে; যিহেতু তেখেতে লেইনিজৰ তত্ত্বটোক দৃঢ়ভাৱে মানি লৈছে। কাৰণ, এনে পার্থক্য নিৰূপণ অবিহনে এই তত্ত্বটোৱে বিৰোধী উদাহৰণক স্বীকাৰ কৰিবলৈ বাধ্য হ'ব। যথার্থ নাম আৰু সুসংজ্ঞাবদ্ধ বর্ণনা (Proper namo and definite descoiption) সম্বলিত বিজ্ঞপ্তিমূলক বাক্যসমূহৰ বাবেও ফ্রেগেয়ে বোধগম্য আৰু প্রাসংগিক অর্থৰ পার্থক্যক গ্রহণ কৰিছে। এটা বিজ্ঞপ্তিসূচক বাক্যৰ বোধগম্য অর্থ আৰু নির্দেশক দুয়োটাই থাকে। এটা বাক্যই যি চিন্তা প্রকাশ কৰে, সিয়েই হৈছে বাক্যটোৰ বোধগম্য অর্থ। অন্যহাতে, এটা বিজ্ঞপ্তিসূচক বাক্যৰ সত্যমূল্য অর্থাৎ সত্যতা বা মিথ্যাত্বই হৈছে বাক্যটোৰ গতানুগতিক নির্দেশক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ফ্রেগেৰ কাকতখন প্রকাশৰ বর্ষ—

a) 1982 b) 1992

.....

প্রশ্ন নং ৫ ঃ পৰিচয়জ্ঞাপক উক্তিসমূহৰ বার্তাবহনৰ সমস্যাটোৰ সমাধানকল্পে 'বোধগম্য অর্থ' আৰু 'প্রাসংগিক অর্থ'ৰ পার্থক্যটো অৱতাৰণা কৰা হৈছিল। (সত্য/অসত্য)

.....

.....

প্রশ্ন নং ৬ ঃ 'বোধগম্য অর্থ' আৰু প্রাসংগিক অর্থৰ মাজত কিবা পার্থক্য আছেনে?

.....

২.৫ যথার্থ নাম সম্পর্কে ফ্রেগেৰ দৃষ্টিভংগী

ফ্রেগেয়ে তেখেতৰ 'ইন্দ্রিয়গ্রাহ্য অনুভূতি' আৰু 'তথ্যৰ উৎস' (Sense and Reference)ৰ মাজৰ পার্থক্যটো সর্বপ্রথমে প্রয়োগ কৰিছে 'যথার্থ নাম'ৰ ক্ষেত্রত। যদিও যথার্থ নামৰ কোনো দ্বার্থহীন বা সার্বিক বর্ণনা বা বৈশিষ্ট্য প্রদান কৰাত ফ্রেগেই কোনো অসুবিধাৰ সন্মুখীন হোৱা নাছিল, তেখেতৰ লিখনিৰ পৰা এয়া প্রকাশ পায় যে ফ্রেগেৰ মতে যথার্থ নাম হৈছে এটা বস্তুৰ নাম। ফ্রেগেই জগতৰ সকলো অস্তিত্বশীল পদার্থকেই ধর্ম আৰু বস্তুৰূপে বিস্তৃতভাৱে বিভাজিত কৰিছে। একে ধৰণে, তেখেতে প্রতিটো ভাষিক বিবৃত্তিকেই হয় এটা ধর্ম বা ক্রিয়াৰ নাম নাইবা বস্তু এটাৰ নাম বুলি অভিহিত কৰিছে। বস্তু এটাৰ নামটোৱেই হৈছে যথার্থ নাম; ধর্ম বা ক্রিয়াৰ নামেই হৈছে ক্রিয়া— নাম (function name)। ফ্রেগেৰ পৰিভাষাত যিবোৰ শব্দক সাধাৰণতে যথার্থ নাম বুলি গণ্য কৰা হয়; তেনেবোৰ শব্দকেই যথার্থ নামে অন্তর্হিত কৰি ৰাখে। উদাহৰণ স্বৰূপে, 'চক্রেটিছ', 'প্লেটোচ' ইত্যাদিৰ লগতে 'ৰাতিপুৱাৰ তৰা', 'মেকবেথৰ স্রষ্টা' আদি বর্ণনাসূচক বাক্যাংশবোৰ। সেয়েহে ফ্রেগেই তেখেতৰ "On Sense and Reference" প্রবন্ধত উল্লেখ কৰিছে যে ঃ "It is clear from the context that by "sign" and "name" I have understood any description representing a proper name, whose referent is thus a definite object but no concept and no relation... the designation of a simple object can also consiet of several words or other signs. For brevity, let every such designation be called a proper name".

২.৬ যথার্থ নামৰ বোধগম্য অর্থ আৰু প্রাসংগিক তথ্যৰ উৎস

বিবৃত্তি এষাৰৰ নামটোৱেই হৈছে বিবৃত্তিষাৰৰ নির্দেশক। এষাৰ বিবৃত্তিয়ে যাক নির্দেশ কৰে, সিয়েই হৈছে বস্তুটোৰ নাম। যিহেতু, বস্তু এটাৰ নামটোৱেই হৈছে যথার্থ নাম, গতিকে এয়া স্পষ্ট যে এটা যথার্থ নামৰ নির্দেশকটো হৈছে সেইটো, যাক সেই নামটোৱে নির্দেশ কৰে। গতিকে ফ্রেগেয়ে কৈছে যে- "Proper names are meant to designate objects, and we call the object designated by a proper name its reference." যথার্থ নামে বস্তুক চিহ্নিত কৰে; আৰু যথার্থ নামটোৱে চিহ্নিত কৰা বস্তুটোকেই আমি সেই যথার্থ নামটোৰ নির্দেশক বুলি অভিহিত কৰো। উল্লেখ্য যে যথার্থ নামক নির্দেশ কৰা এনে বস্তু বা বিষয়সমূহ বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে ঃ মানুহ, দিব্য শৰীৰ, দৈশিক বিন্দু, এটা তত্ত্বৰ প্রমাণ, দিশসমূহ আৰু আনকি সংখ্যাসমূহ।

অন্যহাতে, এটা যথার্থ নামৰ বোধগম্য অর্থ হৈছে বস্তুটোৰ উপস্থাপনৰ ধৰণটো। অর্থাৎ ই হৈছে বস্তুটোক চিহ্নিত কৰাৰ ধৰণটো বা এষাৰ বিবৃত্তিয়ে উল্লেখ কৰা বস্তু বা বিষয়টোক প্রকাশ কৰাৰ ভংগীটো। বিবৃত্তি এষাৰৰ নির্দেশক (reference) টোৰ দ্বাৰা প্রকাশিত বোধগম্য অর্থপূর্ণতাই হৈছে বিবৃত্তিষাৰৰ ইন্দ্রিয়গ্রাহ্য অনুভূতি (Sense)। এটা যথার্থ নামৰ ইন্দ্রিয়গ্রাহ্য অনুভূতিটো ইয়াৰ (যথার্থ নামটোৰ) নির্দেশকটোৰ পৰা পৃথক কাৰণ দুটা বিবৃত্তিয়ে একেটা

নির্দেশকক উনুকিয়ালেও, বিবৃত্তি দুটাৰ বোধগম্য অর্থ ভিন্ন হ'ব পাৰে। উদাহৰণ স্বৰূপে, 'ৰাতিপুৱাৰ তৰা" আৰু 'সন্ধিয়াৰ তৰা' বিবৃতি দুটাই একেটা নির্দেশক 'শুক্র গ্রহ'টোক নির্দেশ কৰিলেও, বিবৃত্তি দুটাৰ অর্থ একে নহয়। ইয়াৰোপৰি, এটা নামৰ বোধগম্য অর্থটো যদি সেই নামটোৰ দ্বাৰা নির্দেশিত নির্দিষ্ট নির্দেশকটোৱেই গঠন কৰা বুলি গ্রহণ কৰা হয়, তেন্তে সেই নামটো বুজি পোৱাজনে সেই নামটো যিটো বস্তুৰ বাবে ব্যৱহৃত হৈছে তাকো পোনচাটেই জানিব। গতিকে এটা পৰিচয়জ্ঞাপক উক্তি তেওঁৰ বাবে বার্তাবাহক হক্সৰ নোৱাৰিব। সেই হেতুকে, এটা নামৰ ইন্দ্রিয়গ্রাহ্য অনুভূতিখিনি (Sense), সেই নামটোৰ নির্দেশকটোৰ পৰা পার্থক্যপূর্ণ। গতিকে, এটা যথার্থ নামৰ বোধগম্য অর্থটো অনুভৱ কৰিব পৰা বিষয়টোৱে কেৱল এই অৱগততাখিনিকেই অন্তর্হিত নকৰে যে সেই নামটো তাৰ নির্দেশক এটা বিশেষ বস্তুৰ সৈতেই সংযুক্ত হৈ আছে, বৰং ই এয়াও অন্তর্হিত কৰি ৰাখে যে সেই নামটোৱে তাৰ নির্দেশক বিষয়বস্তুটোক চিনাক্ত কৰাৰ এটা বিশেষ ধৰণ বা ভংগীৰ সম্বন্ধটোকো অন্তর্হিত কৰি ৰাখে ।

এয়া ইতিমধ্যেই উল্লেখ কৰা হৈছে যে ফ্রেগেৰ মতে এযাৰ বিবৃত্তিৰ বোধগম্যতাই (Sense) তাৰ প্রসংগটোৰ (reference) উদ্ধৃতি বা নির্দেশনা প্রদান কৰে। কিন্তু ফ্রেগে কেতিয়াবা এয়াও কৈছে যে এটা যথার্থ নামৰ বোধগম্য অর্থটোৱে বস্তুৰ পৰিচয়ৰ মানদণ্ডটোক নির্দিষ্ট কৰি ৰাখে । পৰিচয়ৰ মানদণ্ড (criterion of identity)ৰ ধাৰণাটোৱে আধুনিক দর্শনত এটা অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে; কিন্তু এই ধাৰণাটো দর্শনত অন্তর্ভুক্ত কৰিছিল ফ্রেগেই আৰু তেখেতেই সম্ভৱত দর্শনত 'পৰিচয়ৰ মানদণ্ডক্স (criterion of identity) বাক্যাংশটো ব্যৱহাৰ কৰিছিল। তেখেতেই আছিল প্রথমজন ব্যক্তি যিয়ে এয়া উনুকিয়াই দিছিল যে আমি পৰিচয়ৰ বিভিন্ন মানদণ্ডৰ ব্যৱহাৰৰ জৰিয়তে বিভিন্ন বস্তুক চিনাক্ত কৰো আৰু তেখেতে দাবী কৰিছে যে ইয়েই এয়া প্রমাণ কৰে যে এটা যথার্থ নামে তাৰ নির্দেশকটোৰ সৈতে সম্বন্ধিত হৈ থকাৰ উপৰিও, যথার্থ নামটোৰ এটা বোধগম্য অর্থ থকাটো প্রয়োজনীয়। কাৰণ, এটা যথার্থ নামৰ বোধগম্য অর্থটোৱে সেই যথার্থ নামটোৰ নির্দেশকটোক চিনাক্ত কৰাৰ মান বা বিচাৰৰ মানটো প্রদান কৰে। আৰু সেয়েহে ই সেই যথার্থ নামটোৰ নির্দেশকটোক বাচি উলিওৱাটো সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ফ্রেগেৰ মতে বস্তু এটাৰ নামটোৱেই হৈছে এটা যথার্থ নাম। (সত্য/অসত্য)

প্রশ্ন নং ৮ ঃ ফ্রেগেয়ে কৈছে যে এযাৰ বিবৃত্তিৰ বোধগম্যতাই তাৰ প্রসংগটোৰ উদ্ধৃতি বা নির্দেশনা প্রদান কৰে। (সত্য/অসত্য)

প্রশ্ন নং ৯ ঃ এটা যথার্থ নামৰ বোধগম্য অর্থ শচত্রঙ্গংদঙ্গগ্ন আৰু তাৰ প্রাসংগিক তথ্যৰ উৎস (reference) বুলিলে কি বুজা ?

.....

২.৭ মূল্যাংকন

কিন্তু বোধগম্য অর্থ আৰু প্রাসংগিক তথ্যৰ উৎসৰ পার্থক্য সম্বন্ধীয় ফ্রেগেৰ দৃষ্টিভংগীটোক সম্পূর্ণৰূপে গ্রহণ কৰিব পৰা নাযায়। ব্রাট্রাণ্ড ৰাছেল আৰু লাড্উইগ উইট্গেনষ্টেইনে ফ্রেগেৰ "বোধগম্য অর্থ' 'প্রাসংগিক অর্থৰ পার্থক্য"ৰ তত্ত্বটো সমালোচনা কৰিছে তথা অগ্রাহ্য কৰিছে। ৰাছেলে ফ্রেগেৰ উদ্ধৃত তত্ত্বটো অগ্রাহ্য কৰাটো দর্শনত এটা বহুল প্রচাৰিত তথ্য। ফ্রেগে আৰু ৰাছেলৰ মতৰ মৌলিক পার্থক্যটোৰ মূল ভিত্তি হৈছে পৰিচয়জ্ঞাপক উক্তিৰ সমস্যাটো। ফ্রেগেৰ মতে এটা পৰিচয় উক্তি তথ্যসমৃদ্ধ (informative) হ'ব পাৰে; কিন্তু ৰাছেলৰ দৃষ্টিত এয়া সম্ভৰ নহয়। 'বোধগম্য অর্থ- প্রাসংগিক অর্থৰ পার্থক্য' সূচক ফেগেৰ দৃষ্টিভংগীৰ বিৰুদ্ধে ৰাছেলৰ মূল অভিযোগটো হৈচে এয়ে যে ফ্রেগেৰ দৃষ্টিভংগীয়ে কিছুমান দ্বার্থকতাৰ স্ফুৰণ ঘটায়, কিয়নো ফ্রেগেৰ দৃষ্টিভংগীয়ে এয়া লাভ কৰে বা অভিহিত কৰে যে অস্তিত্বৰ জগতখনৰ দুটা চূড়ান্তভাৱে বিৰুদ্ধ বস্তুৰ সৈতে একেটা বিবৃতি সংযুক্ত হৈ থাকে; য'ত এটা বিষয় হৈছে- চিন্তাৰ জগতৰ বিষয় আৰু আনটো পার্থিৰ জগতখনৰ বিষয়। গতিকে, ৰাছেলৰ মতে, ইন্দ্রিয়গ্রাহ্য অনুভূতি (Sense) আৰু তথ্যৰ উদ্ধৃতি (reference)ৰ সম্বন্ধটো সম্পূর্ণৰূপে অবোধগম্য ।

অর্থৰ প্রতিনিধিত্বমূলক ধাৰণা (the reprosentational concept of meaning) অনুসৰি জগতৰ সৈতে সম্পর্কিত 'চিন্তাৰ প্রকাশিত ৰূপেই হৈছে 'অর্থ'। উইটগেনষ্টেইনৰ 'Tractatus' গ্রন্থই অতি অসাধাৰণভাৱে প্রতিনিধিত্বৰ ধাৰণাটোক স্পষ্টকৈ প্রকাশ কৰিছে যক্সত এয়া স্পষ্টভাৱে পৰিস্ফুট হৈছে যে ভাষা আৰু অর্থৰ বোধগম্যতাৰ যোক্তিক আধাৰেই হৈছে প্রতিনিধিত্বৰ ধাৰণা। ফ্রেগেৰ 'বোধগম্য অর্থ' আৰু উইট্গেনষ্টেইনৰ 'প্রতিনিধিত্বৰ ধাৰণা' দুটা তর্কীয় শব্দার্থশাস্ত্রৰ (Logical Sementics) তাৎপর্যপূর্ণ ধাৰণা। ফ্রেগেৰ প্রতিনিধিত্বমূলক শব্দার্থশাস্ত্রই বোধগম্য অর্থৰ সৈতে ভাষাৰ সম্বন্ধৰ সমস্যাটো অন্তর্হিত কৰে। তাত্ত্বিক দৃষ্টিকোণৰ কালৰ পৰা প্রকৃত উপাদানস্বৰূপে এটা বোধগম্য অর্থক কিদৰে ভাষাৰ মাধ্যমেৰে প্রকাশ কৰিব পাৰি— এই সমস্যাটো ফ্রেগেয়ে সমাধান কৰিব পৰা নাই। ফ্রেগেৰ শব্দার্থশাস্ত্রৰ প্রকৃত জটিলতাখিনি পিছে উইট্গেনষ্টেইনে অনুভৰ কৰিব পাৰিছিল যাৰ বাবে 'Tractatus' ৰ জৰিয়তে তেখেতে প্রতিনিধিত্বমূলক ধাৰণাৰ গাঁথনিৰ অধীনত ভাষাৰ শক্তিশালী ভূমিকাৰ পক্ষত সমর্থন আগবঢ়াইছে। এয়া কেৱল ভাষাহে যি 'ভাষা' আৰু 'চিন্তা'ৰ মাজৰ ব্যৱধান আঁতৰোৱাত প্রকৃত ভূমিকা পালন কৰে। 'Tractatus Logico Philosophicus' গ্রন্থত উইটগেনষ্টেইনে অভিহিত কৰিছে যে চিন্তা আৰু ভাষাই একেটা তর্কীয় স্তৰতেই অৱতৰণ কৰে আৰু দুয়োটাই একেই তর্কীয় গঠনৰ অধিকাৰী, যাৰ বাবে চিন্তাই সম্পূর্ণৰূপে ভাষাত প্রতিবিম্বিত হয়। ভাষাৰ তর্কীয় গঠন আৰু চিন্তাৰ তর্কীয় গঠন একেই। এই ধাৰণাৰ ভিত্তিতেই উইগেনষ্টেইনে যুক্তি দর্শাইছে যে বোধগম্য অর্থ সম্পূর্ণৰূপে ভাষা নির্ভৰশীল, আৰু সেয়েহে, চিন্তা বা বোধগম্য অর্থ অপ্রকাশিত হোৱাৰ কোনো সমস্যা নাথাকে। গতিকে, ভাষাই চিন্তাক স্বচ্ছ বা স্পষ্টভাৱে প্রকাশ কৰিব পাৰে। ফ্রেগেৰ শব্দার্থশাস্ত্রই 'বোধগম্য অর্থ আৰু প্রাসংগিক তথ্যৰ উৎসৰ সমস্যাৰ লগতে 'বোধগম্য অর্থই কিদৰে জগতত প্রাসংগিক তথ্যৰ উৎসৰ বিপৰীতে, উইট্গেনষ্টেইনে মত পোষণ কৰে যে

ভাষা আৰু জগতৰ সম্পর্ক নির্ধাৰণ কৰাৰ ক্ষেত্রত বোধগম্য অর্থ নাইবা প্রসাংগিক অর্থ কোনোটোৱেই পর্যাপ্ত নহয়। উইগেনষ্টেইনৰ মতে, সেয়েহে ভাষা-জগতৰ সম্পর্কক থান-থিত লগোৱাৰ কোনো ভাষিক সমস্যা নাই। ভাষিক স্তৰতেই এই সম্বন্ধটোৱে গঢ় লৈ উঠে আৰু এনেদৰে গঢ় লৈ উঠা সম্বন্ধটোৱেই ভাষিক প্রতিনিধিত্বসমূহৰ বোধগম্য অর্থ আৰু প্রাসংগিক তথ্য উদ্ধৃতি প্রকাশৰ দায়িত্ব গ্রহণ কৰে বা যত্ন লয়। বোধগম্য অর্থ আৰু প্রাসংগিক অর্থৰ ভাষিক দ্বৈতবাদক অতিক্রম কৰিবলৈ প্রয়াস কৰি উইট্‌গেনষ্টেইনে এই দুয়োটা ধাৰণাকে একমাত্র প্রাসংগিকতাৰ গাঁথনিৰ মাজতেই ঐক্যবদ্ধ কৰাৰ চেষ্টা কৰিছে যাক আমি ভাষিক ধ্যান-ধাৰণা গাঁথনি (semantic frame work) বুলি অভিহিত কৰিব পাৰে ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ ইন্দ্রিয়গ্রাহ্য অনুভূতি আৰু প্রাসংগিক তথ্যৰ উদ্ধৃতিৰ পার্থক্যটো উল্লেখ কৰা।

.....

প্রশ্ন নং ১১ ঃ ফ্রেগেৰ বোধগম্য অর্থ (Sense) আৰু প্রাসংগিক তথ্যৰ উৎস (reference) সম্বন্ধীয় পার্থক্যটো কোনে সমালোচনা কৰিছে?

.....



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বোধগম্য অর্থ আৰু প্রাসংগিক অর্থৰ মাজৰ পার্থক্য সম্বন্ধীয় ফ্রেগেৰ দৃষ্টিভংগীৰ আলোচনাক আমি ফ্রেগেৰ প্রৱন্ধ "On Sense and Reference"ৰ সমাপ্তিৰ উদ্ধৃতিৰেই সামৰিব পাৰো। আমি যেতিয়া "a = a" আৰু "a = b"ৰ দুটা ভিন্ন বোধগম্য প্রমূল্য লাভ কৰো, তেতিয়া ইয়াৰ বিশ্লেষণটো হয়টো এয়া যে জ্ঞানৰ বাবে, এটা বাক্যৰ বোধগম্য অর্থটো শচঅর্থাৎ বাক্যটোৱে প্রকাশ কৰা চিন্তাখিনিগ্ন ইয়াৰ প্রাসংগিক তথ্যৰ উৎসতকৈ (অর্থাৎ সত্য-মূল্যতকৈ) কম প্রাসংগিক নহয়। এতিয়া যদি a = b হয় তেন্তে "b" আৰু "a" ৰ নির্দেশক একেটাই হ'ব আৰু সেয়েহে "a = b" আৰু "a = a" ৰ সত্যমূল্যও একেটাই হ'ব। তৎসত্ত্বেও, "b" ৰ বোধগম্য অর্থ "a"ৰ বোধগম্য অর্থৰ পৰা পৃথক হ'ব পাৰে, আৰু সেই সূত্রে "a = b" আৰু "a = a"য়ে প্রকাশ কৰা বোধগম্য অর্থৰ মাজতো প্রভেদ থাকিব পাৰে ।
- ফ্রেগেৰ মতে, বোধগম্য অর্থ হৈছে এটা বস্তুৰ উপস্থাপনাৰ ধৰণ আৰু প্রাসংগিক তথ্য হৈছে উক্তিটোত প্রকাশিত বস্তুটো। এষাৰ বিবৃতিয়ে দুটা বস্তুক চিহ্নিত কৰে— (১) বস্তুটো, যাক প্রাসংগিক তথ্য (reference) বুলি কোৱা হয়, আৰু (২) বস্তুটো উপস্থাপনাৰ

ধৰণ, যাক বোধগম্য অর্থ বুলি অভিহিত কৰা হয় ।

- ফ্রেগেয়ে এযাৰ বিবৃতিৰ বোধগম্য অর্থ (অর্থাৎ বিবৃত্তিযাৰে কিবা এটাক চিহ্নিত কৰাৰ ধৰণটো) আৰু এযাৰ বিবৃত্তিৰ প্রাসংগিক তথ্যৰ উৎস (অর্থাৎ বিবৃত্তিযাৰে চিহ্নিত কৰা বস্তুটো)ৰ মাজত থকা পার্থক্য নিৰূপণ কৰিছে। তেখেতৰ এনে পার্থক্য নিৰূপণৰ প্রয়াসৰ আধাৰত এয়া কব্লব পাৰি যে এটা পৰিচয়জ্ঞাপক উক্তি একে সময়তে সত্য আৰু তথ্য সমৃদ্ধ হ'ব যদি পৰিচয়সূচক চিহ্নটো একেই প্রাসংগিক তথ্য সমৃদ্ধ অথচ ভিন্ন বোধগম্য অর্থযুক্ত দুযাৰ বিবৃত্তিৰ দ্বাৰা সমৃদ্ধ হয় ।



২.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Alston, J. 1988, *Philosophy of Language*, Prentice Hall of India, New Delhi.
2) Carnap, R. 1959, *Introduction to Semantics*, Harvard University Press.
3) Dummet, M. 1981, *Frege : Philosophy of Language*, Second Edition, Gerald Duckworth and Co. Ltd, London.
4) Frege, G. 1971, *On Sense and Meaning, in the Philosophy of Language*, ed. by J. R Searle, Oxford University Press.
5) Frege. G. 1960, *'On Sense and Reference' in P. Geach and M. Black (eds.)*, Translationsfrom the Philosophical Writings of Gottlob Frege, 2nd edition Blackwell, Oxford.
6) Munitz, M. K, 1981, *Contemporary Analytic Philosophy*, Macmillan Publishing Co., New York.
7) Pradhan, R. C, 2001, *Recent Developments in Analytic Philosophy*, Indian Council of Philosophical Research, New Delhi.



২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ a) সত্য।

b) অসত্য।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰাছেল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ফ্রেগেই হৈছে প্রথমজন ব্যক্তি যিয়ে ধৰি লৈছিল যে ভাষাৰ যৌক্তিক গাঠনিয়ে ভাষাটোৰ অর্থ বা বোধগম্য অর্থটো নিহিত কৰি ৰাখে। তেখেতৰ মতে ভাষাৰ যৌক্তিক গাঠনিত প্রকাশিত চিন্তাখিনিয়েই হৈছে ভাষাটোৰ বোধগম্য অর্থ। গতিকে, শব্দার্থশাস্ত্রই বাক্যবিন্যাসৰ গঠনৰ ব্যাখ্যা পদ্ধতি হিচাপে নির্দেশকৰ ধাৰণাক কঢ়িয়াই আনে।

৪ নং প্রশ্নৰ উত্তৰ ঃ (a)

৫ নং প্রশ্নৰ উত্তৰ ঃ সত্য।

৬ নং প্রশ্নৰ উত্তৰ ঃ ফ্রেগেৰ দৃষ্টিত এষাৰ বিবৃত্তিৰ প্রাসংগিক তথ্য (reference) হৈছে বিবৃত্তিষাৰে নির্দেশ কৰা বা নামাংকিত কৰা অথবা চিহ্নিত কৰা বস্তুটো বা বিষয়টো। কিন্তু বিবৃত্তিষাৰৰ বোধগম্য অর্থ (Sense) হৈছে বিবৃত্তিষাৰে নির্দেশ কৰা বস্তুটো বা বিষয়টোৰ উপস্থাপনাৰ ধৰণ বা প্রকৃতি। কোনো এষাৰ বিবৃত্তি তেতিয়াহে অর্থপূর্ণ বিবেচিত হয়, যেতিয়া বিবৃত্তিষাৰৰ বোধগম্য অর্থৰ অনুৰূপ বিষয়টো বিবৃত্তিষাৰৰ জৰিয়তে প্রকাশিত হয় । ওপৰত আলোচনা কৰি অহা 'ৰাতিপুৱাৰ তৰা'' আৰু 'সন্ধিয়াৰ তৰা' বিবৃত্তি দুটাই একেটা বস্তুকে নির্দেশ কৰিলেও বিবৃত্তি দুটাৰ বোধগম্য অর্থৰ প্রভেদ আছে, কাৰণ বিবৃত্তি দুটাৰ প্রতিটোৱেই ভিন্ন ধৰণে বস্তুটোক নির্দেশ কৰিছে আৰু ভিন্ন অর্থও বহন কৰিছে। অর্থাৎ এষাৰ বিবৃত্তিৰ অর্থ 'ৰাতিপুৱা দেখা তৰাটো' আৰু আনষাৰ বিবৃত্তিৰ অর্থ 'সন্ধিয়া দেখা তৰাটো' যদিওৰা দুয়োষাৰ বিবৃত্তিয়ে একে বস্তুকে নির্দেশ কৰিছে।

৭ নং প্রশ্নৰ উত্তৰ ঃ সত্য।

৮ নং প্রশ্নৰ উত্তৰ ঃ সত্য।

৯ নং প্রশ্নৰ উত্তৰ ঃ এটা যথার্থ নামৰ বোধগম্য অর্থ হৈছে বস্তুটোৰ উপস্থাপনৰ ধৰণটো। অর্থাৎ ই হৈছে বস্তুটোক চিহ্নিত কৰাৰ ধৰণটো বা এষাৰ বিবৃত্তিয়ে উল্লেখ কৰা বস্তু বা বিষয়টোক প্রকাশ কৰাৰ ভংগীটো। বিবৃত্তি এষাৰৰ নির্দেশক (reference) টোৰ দ্বাৰা প্রকাশিত বোধগম্য অর্থপূর্ণতাই হৈছে বিবৃত্তিষাৰৰ ইন্দ্রিয়গ্রাহ্য অনুভূতি (Sense)। এটা যথার্থ নামৰ ইন্দ্রিয়গ্রাহ্য অনুভূতিটো ইয়াৰ (যথার্থ নামটোৰ) নির্দেশকটোৰ পৰা পৃথক কাৰণ দুটা বিবৃত্তিয়ে একেটা নির্দেশকক উনুকিয়ালেও, বিবৃত্তি দুটাৰ বোধগম্য অর্থ ভিন্ন হ'ব পাৰে, উদাহৰণস্বৰূপে, 'ৰাতিপুৱাৰ তৰা' আৰু 'সন্ধিয়াৰ তৰা' বিবৃত্তি দুটাই একেটা নির্দেশক 'শুক্রগ্রহ'টোক নির্দেশ কৰিলেও, বিবৃত্তি দুটাৰ অর্থ একে নহয়।



২.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্ম প্রশ্ন ঃ

প্রশ্ন ১ ঃ শব্দার্থশাস্ত্র কি ?

প্রশ্ন ২ ঃ অর্থ সম্বন্ধীয় নির্দেশনাবাদ কি?

প্রশ্ন ৩ ঃ 'Sinn' কি?

প্রশ্ন ৪ ঃ যথার্থ নাম কি?

খ) চমু প্রশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়া)

প্রশ্ন ১ ঃ শব্দ আৰু অর্থৰ মাজত কিবা নিবিড় সম্পর্ক আছেনে?

প্রশ্ন ২ ঃ মধ্যস্ত নির্দেশনাত্মক সূত্র মানে কি?

প্রশ্ন ৩ ঃ কিছুমান পৰিচয়জ্ঞাপক উক্তিত নিহিত হৈ থকা কেতবোৰ বিভ্রান্তি প্রেগে কিদৰে সমাধান কৰাৰ প্রয়াস কৰিছে?

প্রশ্ন ৪ ঃ ফ্রেগেৰ বোধগম্য অর্থ আৰু প্রাসংগিক অর্থৰ পার্থক্যক ৰাছেলে কি যুক্তিৰ ভিত্তিত খণ্ডন কৰিছে?

গ) চমু প্রশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়া)

প্রশ্ন ১ ঃ যথার্থ নামসমূহ।

প্রশ্ন ২ ঃ পৰিচয়ৰ মানদণ্ড।

ঘ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়া)

প্রশ্ন ১ ঃ ফ্রেগেয়ে আলোচনা কৰা বোধগম্য আৰু নির্দেশক অর্থৰ পার্থক্যটো ব্যাখ্যা কৰা।

প্রশ্ন ২ ঃ যথার্থ নামৰ ক্ষেত্রত বোধগম্য অর্থ আৰু প্রাসংগিক তথ্যৰ উৎসৰ পার্থক্যক ফ্রেগেয়ে কিদৰে বর্ণনা কৰিছে?

*** ***** ***

অধ্যায় ৩ ঃ তর্কীয় পৰমাণুবাদ ঃ বার্টাণ্ড ৰাছেল

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.২.১ ভাষা বিশ্লেষণৰ প্রকাৰ

৩.৩ জীৱনী

৩.৪ বর্ণনামূলক মতবাদ

৩.৫ পৰমাণুবাদ ঃ ইয়াৰ অর্থ

৩.৬ তর্কীয় পৰমাণুবাদ ঃ ইয়াৰ অর্থ

৩.৬.১ দর্শনৰ আহিলা হিচাপে তর্কবিজ্ঞান

৩.৬.২ Isomorphism

৩.৬.৩ তথ্য আৰু বচন

৩.৭ ইন্দ্রিয়জ তথ্য

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান

৩.১১ আর্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বার্টাণ্ড ৰাছেলৰ বিশ্লেষণ মতবাদৰ অর্থ জানিব পাৰিব
- ৰাছেলৰ বর্ণনামূলক মতবাদ সম্পর্কে জানিব পাৰিব
- ৰাছেলৰ তর্কীয় পৰমাণুবাদ সম্পর্কীয় আলোচনা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ তথ্য আৰু বচন সম্পর্কে জানিব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টোত আপোনালোকক ব্রর্ট্রাণ্ড আমাৰ উইলিয়াম ৰাছেলৰ দ্বাৰা প্রতিষ্ঠিত তর্কীয় পৰমাণুবাদৰ ধাৰণৰ দিয়া হ'ব। ঊনৈশ শতিকাৰ শেষৰ ফালে ব্রর্ট্রাণ্ড ৰাছেল আৰু জি. ই. মুৰে কেম্ব্রিজত হেগেল, ব্রেডালি, বচাংকুৰেট আদি দার্শনিক ভাৱবাদৰ বিৰুদ্ধে বিদ্রোহৰ সূচনা কৰি দর্শনৰ ইতিহাসত এক নতুন দিশৰ সূচনা কৰিছিল। এই নতুন দিশটোক বিশ্লেষণাত্মাক দর্শন হিচাপে জনা যায়। ঊনৈশ শতিকাৰ শেষৰফালে এই বিশ্লেষণাত্মক দর্শনে বিভিন্ন ঠাইত বিশেষকৈ

গ্রেট ব্রিটেইন আৰু আমেৰিকাত প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। এই দার্শনিক পৰম্পৰা অর্থাৎ বিশ্লেষণাত্মক দর্শনে ভাষিক বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকেভাৱে যে এই জগতখনক বুজিবৰ কাৰণে ভাষাৰ স্পষ্টতাক (স্পষ্টীকৰণক) এক সফল অস্ত্র হিচাপে ব্যৱহাৰ কৰিব পৰা যায় যিহেতু ভাষাতেই চিন্তাৰ অভিব্যক্তি নিহীত হৈ থাকে ।



জানি থোৱা ভাল

বিশ্লেষণাত্মক দর্শন ঃ বিশ্লেষণাত্মক দর্শন দর্শনৰ এনে এক শৈলী যিয়ে ঊনৈশ শতিকালৰ শেষৰফালে বিভিন্ন ঠাইত বিশেষকৈ গ্রেট ব্রিটেইন আৰু আমেৰিকাত প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। এই বিশ্লেষণাত্মক দর্শনে ভাষাৰ বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে ভাৱে যে এই জগতখনক বুজিবৰ কাৰণে ভাষাৰ স্পষ্টতাক এক সফল অস্ত্র হিচাপে ব্যৱহাৰ কৰিব পৰা যায় ।

৩.২.১ ভাষা বিশ্লেষণৰ প্রকাৰ

বিশ্লেষণাত্মক দর্শনত দুই প্রকাৰৰ ভাষা বিশ্লেষণৰ উল্লেখ আছে।

১) কৃত্রিম ভাষা বিশ্লেষণ আৰু

২) সাধাৰণ ভাষা বিশ্লেষণ।

১) **কৃত্রিম ভাষা দর্শন/আদর্শ ভাষা দর্শন ঃ** বিশ্লেষণাত্মক দার্শনিক ৰাছেল আৰু লুডউইগ উইট্‌গেনষ্টেইনে (পূর্ব) দার্শনিক বিশ্লেষণৰ বাবে এক কৃত্রিম ভাষাৰ গাঠনিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল যিটো ভাষা সাধাৰণ ভাষাৰ দ্ব্যার্থকতাৰ পৰা মুক্ত ভাষা। ৰাছেল আৰু উইট্‌গেইনষ্টেইন দুয়োয়ে তর্কীয় পৰমাণুবাদ দার্শনিক ভাৱে উপস্থাপন আৰু উন্নত কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকে ভাষাৰ শুদ্ধ বিশ্লেষণৰ জৰিয়তে দার্শনিক সমস্যাবোৰ সমাধান কৰিবলৈ সক্ষম হৈছিল। উইট্‌গেইনষ্টেইনৰ মতে এই জগতখন বিভিন্ন বাস্তৱ ঘটনা- পৰিঘটনাৰ সমাহাৰ আৰু এই ঘটনা-পৰিঘটনা সমূহক ব্যাখ্যা কৰিব পৰা যায় First-Order বিধেয়াত্মক তর্কবিজ্ঞানৰ ভাষাৰে ।

২) **সাধাৰণ ভাষা দর্শন ঃ** উইট্‌গেইনষ্টেইনৰ দর্শনৰ দুটা পর্যায় আছিল এটা হৈছে প্রাথমিক পর্যায় আৰু আনটো পিছৰ পর্যায়। তেওঁৰ পিছৰ পর্যায়ৰ দর্শন Philosophical Investigation নামৰ গ্রন্থত প্রকাশ কৰা হৈছিল। উইট্‌গেইনষ্টেইনে তেওঁৰ পিছৰ দর্শনত কৃত্রিম ভাষা দর্শনৰ বিপৰীতে সাধাৰণ ভাষা দর্শনৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিছিল। এনেধৰণৰ দর্শনে সাধাৰণ মানুহৰ দ্বাৰা ব্যৱহৃত ভাষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গিলৰাট ৰাইল,

জে.এল অষ্টিন আদি দার্শনিকসকলক সাধাৰণ ভাষা দর্শনৰ সমর্থক হিচাপে জনা যায়।

বার্টাণ্ড ৰাছেলে এই পৃথিৱীখনৰ প্রকৃতি বুজাৰ ক্ষেত্রত আধুনিক তর্কবিজ্ঞানক এক অস্ত্র হিচাপে ব্যৱহাৰ কৰিছিল। এনেদৰে তর্কীয় পৰমাণুবাদ গণিতীয় তর্কবিদ্যাৰ সহায়ত এই জগতখনৰ প্রকৃতি ব্যাখ্যা কৰাৰ এক প্রচেষ্টা। 'তর্কীয় পৰামাণুবাদক্স শব্দটো ৰাছেলে ব্যৱহাৰ কৰিছিল এটা অৱস্থাৰ ব্যাখ্য কৰিবলৈ যিয়ে কয় যে এই জগতখন একেলগে ঘটনা-পৰিঘটনা আৰু তর্কীয় পৰমাণুৰ দ্বাৰা গঠিত যিবোৰ ঘটনা এই পৰমাণুবোৰৰ দ্বাৰা গঠিত। ৰাছেলে তেওঁৰ বিখ্যাত ৰচনা "Logic as the Essence of Philosophy"ত মন্তব্য কৰিছিল যে " শাখাসমূহ বর্ণনা কৰিব লাগে ইয়াৰ তর্ক বিদ্যাতকৈ পৰাবিদ্যা দ্বাৰাহে।" ৰাছেলৰ তর্কীয় পৰামাণুবাদক বুজিবৰ বাবে প্রথমতে তেওঁৰ জীৱনীৰ সৈতে পৰিচিত হক্সব লাগিব, কাৰণ ৰাছেলক জীৱনক নজনাকৈ তেওঁৰ এই তত্বটোক বুজা সম্ভৱ নহয়।

৩.৩ জীৱনী

১৮৭২ চনৰ ১৮ মে' তাৰিখে ৱেলচৰ এটা ইংলিছ হোইগ (Whig) পৰিয়ালত বার্ট্রাণ্ড ৰাছেল জন্ম হৈছিল। ৰাছেল আছিল একেধাৰে এগৰাকী ব্রিটিছ দার্শনিক গণিতজ্ঞ বুৰঞ্জীবিদ, শৈক্ষিক সংস্কাৰক, সামাজিক সমালোচক, শান্তি প্রচাৰক। ৰাছেল ৪ বছৰীয়া হৈ থাকোতে তেখেতৰ মাক-দেউতাক ঢুকাইছিল। সেইবাবে ৰাছেলক ককাক-আইতাকে ডাঙৰ-দীঘল কৰিছিল। ৰাছেলৰ জীৱনৰ বাকী বাল্যকাল আৰু যৌৱন কালছোৱাৰ বাবে তেখেতৰ লেদী ৰাছেল (Lady Russell) আছিল প্রভাশালী পৰিয়াল চিত্র । ৰাছেলৰ কিশোৰ কালছোৱা আছিল বৰ অকলশৰীয়া আৰু তেখেতে প্রায় আত্মহত্যা কৰিবলৈ প্রচেষ্টা চলাইছিল। তেখেতে তেখেতৰ আত্ম জীৱনীত উল্লেখ কৰিছিল যে গণিতশাস্ত্রই তেওঁক আত্মহত্যা কৰাৰ পৰা ৰখাইছিল। ১১ বছৰ বয়সত তেওঁৰ ককায়েকে তেওঁক ইউক্লিডৰ এখন কিতাপৰ লগত পৰিচয় কৰাই দিছিল যিখনক তেওঁৰ জীৱনত ঘটা বিশালতম ঘটনাবোৰৰ এটা বুলি বিবেচনা কৰে। ৰাছেল, পি. বি. ছেলি আৰু জন ষ্টুৱার্ট মিলৰ সৃষ্টিৰদ্বাৰাও গভীৰভাৱে প্রভাৱিত হৈছিল।

কেমব্রিজ ত্রিনিটী মহাবিদ্যালত ৰাছেলে গানিতিক ত্রিপজ (Mathematical Tripos) বাবে পঢ়িবলৈ ছাত্রবৃত্তি লাভ কৰিছিল আৰু ১৮৯০ চনত তাত তেখেতে ব্যক্তিগত প্রশিক্ষক হিচাপে ৰবার্ট ৰোমছেই ৱেৰক (Robert Rumsey Webb) লৈ তেখেতৰ অধ্যয়ণ আগবঢ়াই নিছিল। তেখেতে তেখেতৰ প্রথম তিনিটা বছৰ কেমব্রিজত গণিতশাস্ত্র অধ্যয়ণৰ বাবে মনোনিবেশ কৰিছিল। কিন্তু তেখেতৰ দর্শনৰ প্রতি থকা তীক্ষ্ণ আগ্রহে মনত গভীৰ ভাৱে দকৈ শিপাইছিল। গণিতশাস্ত্রৰ অধ্যয়নৰ সময়ত স্নাতক স্তৰৰ প্রাপ্ত নম্বৰ উন্নত নাছিল আৰু তেওঁ গণিতশাস্ত্র প্রেৰণামূলক নাপাইছিল। ত্রিপছ (Tripos) অধ্যয়ন সম্পূর্ণ কৰাৰ পিছত তেখেতে শপত লৈছিল

গণিত অধ্যয়ন নকৰিবলৈ আৰু দর্শনৰ বিশাল জগতখনলৈ ভ্রমণসূচী তৈয়াৰ কৰিছিল। ৰাছেল কেমব্রিজৰ মেধাবী ইংলিছ ভাৱবাদী জে. ই. এম. মেক টেগার্টৰ সংস্পর্শলৈ আহিছিল। মেক টেগার্টৰ প্রভাৱত ৰাছেলে জার্মান ভাৱবাদ বা কাণ্টবাদ বা হেগেলবাদৰ দিশলৈ আগবাঢ়ি গৈছিল। সেয়েহে এইটো কোৱা হয় যে ৰাছেলে তেওঁৰ জীৱনগতি এজন পৰম ভাৱবাদী হিচাপে আৰম্ভ কৰিছিল। কিন্তু সোনকালে ৰাছেলে হেগেল আৰু ব্রেডলিৰ দ্বাৰা পৰিচালিত ভাববাদৰ বিপক্ষে বিদ্রোহ কৰিছিল। ১৮৯৮ চনৰ শেষৰফালে ৰাছেলে জি. ই. মূৰৰ সৈতে হাত আগবাঢ়াইছিল। মূৰৰ আছিল কেমব্রিজত ৰাছেলৰ এজন সহচৰ ছাত্র। সিহঁত দুয়োজনে ভাববাদৰ বিৰুদ্ধে বৃটিছ বিপ্লৱৰ নেতৃত্ব দিছিল। ভাববাদৰ সৈতে ৰাছেলৰ প্রথম বিচ্ছেদ ঘটিছিল ১৯০৩ চনত 'The Principles of Mathematics' কিতাপখন প্রকাশৰ লগে লগে। ১৯০৫ চনত তেখেতে বিখ্যাত কাকত 'On Denoting' প্রকাশ কৰিছিল 'Mind' নামৰ আলোচনীখনত। ৰাছেল ৯৮ বছৰ জীয়াই আছিল আৰু এই সময়খিনিৰ ভিতৰত ৬০ মানৰো অধিক কিতাপ আৰু বহুতো প্রৱন্ধ প্রকাশ কৰিছিল। ১৯৭০ চনৰ ২ ফেব্রুৱাৰীত তেওঁৰ মৃত্যু হৈছিল।



চিন্তা চর্চা কৰক ৩.১

ৰাছেলে কিয় হেগেলৰ আৰু ব্রেডলিৰ ভাববাদৰ বিৰুদ্ধে বিদ্রোহ সূচনা কৰিছিল ?

.....

.....

.....

সাধাৰণ ভাষা দর্শন আৰু কৃত্রিম ভাষা দর্শনৰ মাজত কি পার্থক্য আছে?

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তর্কীয় পৰমাণুবাদৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰক ঃ

(ক) ..... আৰু ..... বিশ্লেষণাত্মক দর্শনৰ প্রৱর্তক আছিল।

প্রশ্ন নং ৩ ঃ শুদ্ধ-অশুদ্ধ বাচি উলিওৱা ঃ

(ক) ৰাছেল এজন বাস্তৱবাদী/ভাববাদী দার্শনিক। (শুদ্ধ/অশুদ্ধ)

(খ) উইট্‌গেনষ্টেইন/ৰাছেল এজন বিশ্লেষণাত্মক দর্শনৰ প্রৱর্তক। (শুদ্ধ/অশুদ্ধ)

(গ) কৃত্রিম ভাষা বিশ্লেষণ সাধাৰণ ভাষা/প্রতীকাত্মক ভাষাৰ লগত জড়িত। (শুদ্ধ/অশুদ্ধ)

(ঘ) পূর্ব/পৰৱর্তী উইট্‌গেনষ্টেইন ৰাছেলৰ কৃত্রিম ভাষা বিশ্লেষণৰ দ্বাৰা প্রভাৱিত হৈছিল। (শুদ্ধ/অশুদ্ধ)

(ঙ) ৰাছেল এজন আমেৰিকান/বৃটিছ দর্শনিক। (শুদ্ধ/অশুদ্ধ)

৩.৪ বর্ণনামূলক মতবাদ

ৰাছেলৰ মতে, কিছুমান শব্দই কোনো বস্তুক ইয়াৰ অর্থ অনুসাৰেই সূচায়, কিন্তু কিছুমান শব্দই এনে অর্থ নকৰে। ১৯০৫ চনত 'Mind' নামৰ আলোচনী এখনত ৰাছেল 'On Denoting' নামৰ ৰচনা এটা লিখিছিল। ইয়াত, তেওঁ আমি স্পষ্ট অর্থপূর্ণ শুদ্ধ বাক্য পোৱাৰ ক্ষেত্রত সৃষ্টি হোৱা সমস্যাবোৰ আঙুলিওৱাৰ চেষ্টা কৰিছিল। এইটোকে ৰাছেলৰ বিখ্যাত বর্ণনামূলক মতবাদ বুলি জনা যায়। এই ৰচনাৱলীত ৰাছেলে কোনো বাক্যৰ অর্থ সূচোৱা বাক্যাংশক তর্কীয় গাঠনিৰ বিশ্লেষণ কৰিছিল। তেওঁ এই বাক্যবোৰক তিনিটা ভাগত ভাগ কৰিছিল ঃ

১) কোনো বাক্যাংশ, যিয়ে একো নসূচায়। উদাহৰণ স্বৰূপে, 'ফ্রান্সৰ বর্তমান ৰজা'

২) বাক্যাংশ, যিয়ে এটা স্পষ্ট বস্তু বা বিষয়ক বুজায়, উদাহৰণ স্বৰূপে, 'ইংলেণ্ডৰ বর্তমান ৰজাজন' (ৰাছেলে লিখনিটো লিখাৰ সময়ত Edward VII ইংলেণ্ডৰ ৰজা আছিল)

৩) বাক্যাংশ, যিয়ে দ্বার্থকতাক সূচায়, উদাহৰণ স্বৰূপে 'এজন মানুহ'।

প্রথম দুই প্রকাৰৰ বাক্যাংশৰ লগত স্পষ্ট বর্ণনাটো জড়িত হৈ থাকে আৰু তৃতীয় প্রকাৰটোত এটা অস্পষ্টতা নিহীত হৈ থাকে। বর্ণনামূলক ৰচনাসমূহ সাধৰণতে উদ্দেশ্য বিধেয় যুক্ত গাঠনিৰে গঠিত হয়। কিন্তু ৰাছেলৰ বিশ্লেষণ অনুসৰি এই ৰচনাসমূহ বেলেগ গাঠনিৰেহে প্রকাশিত হয় ।

এই মতবাদৰ মৌলিক অর্থটো হ'ল কোনো বাক্যৰ ব্যাকৰণাত্মক গাঠনিত ইয়াৰ তর্কীয় গাঠনিটো প্রকাশিত ন'হবও পাৰে। ইয়াক দেখুৱাবলৈ ৰাছেলে তলৰ উদাহৰণ আগবঢ়াইছে—

মই জনৈক লগ পাইছিলো

মই এজন মানুহক লগ পাইছিলো

ৰাছেলে কয় যে এই দুই বচনৰ মাজত এটা তর্কীয় প্রভেদ আছে। প্রথম বচনটোৱে 'জন' নামৰ এজন মানুহক স্পষ্টভাৱে নির্দেশ কৰিছে। কিন্তু দ্বিতীয় বচনটোত বচনাত্মক ফলন সংযোগ হৈছে। যেনে— "মই এজন X অক লগ পাইছিলো আৰু X এজন মানুহ"। ৰাছেলৰ মতে এটা সাধাৰণ বাক্যই কিবা প্রতিপন্ন কৰিব পাৰে, কিন্তু প্রকৃততে ই একো নুসূচায়। বচনাত্মক ফলনৰ সহায়তে ৰাছেলে এই বচনবোৰৰ গাঠনিৰ তর্কীয় প্রভেদসমূহ দেখুৱাইছিল। তলত বচনাত্মক ফলনৰ অর্থ আগবঢ়োৱা হ'ল—

বচনাত্মক ফলন ঃ

এটা বচনাত্মক ফলন হ'ল কিছুমান অনির্দিষ্ট অভিব্যক্তিৰ গাঠনি যিবোৰ অভিব্যক্তিক কিছুমান নির্দিষ্ট অর্থৰে পৰিপূর্ণ কৰিলে একোটা বচনৰ ৰূপ পায় । উদাহৰণ স্বৰূপে- 'X' হয় এটা কুকুৰ'—এইটো এটা বচনাত্মক ফলন, কাৰণ ইয়াত কোনো সত্যমূল্য আৰোপ কৰা হোৱা নাই।

আমি ইয়াৰ 'X' অৰ অর্থ কি নাজানো কাৰণ ওপৰোক্ত ফলনটোত 'X' অক কোনো মূল্য প্রদান কৰা হোৱা নাই ।

ৰাছেলে এনেধৰণৰ দার্শনিক সমস্যাবোৰ সমাধান কৰাৰ উদ্দেশ্যৰে বর্ণনামূলক মতবাদৰ অৱতাৰণা কৰিছিল। ৰাছেলে এটা বিখ্যাত দৃষ্টান্তৰে এটা বাক্যৰ উল্লেখ কৰিছিল, যিটো বাক্যই এটা স্পষ্ট ব্যাখ্যা আগবঢ়াইছিল অথচ ই একো সূচোৱা নাছিল। যেনে—

"ফ্রান্সৰ বর্তমান ৰাজ্যজন হয় তপা' (মূৰত চুলি নথকা)

ইয়াত পোৱা বর্ণনামূলক বাক্যাংশ বা স্পষ্ট ব্যাখ্যাটো হ'ল ঃ 'ফ্রান্সৰ বর্তমান ৰজাজনক্স। আমি জানো যে বর্তমান ফ্রান্সত কোনো ধৰণৰ ৰাজতন্ত্র নাই আৰু সেয়ে ওপৰোক্ত বাক্যাংশই কোনো অর্থ নুসূচায়। ৰাছেলে ক'ব বিচাৰে যে এনেধৰণৰ বাক্যত অর্থ নির্দেশৰ দ্বাৰা স্পষ্ট বর্ণনা পাব পৰা নাযায়। ৰাছেলৰ 'ফ্রান্সৰ বর্তমান ৰজাজন হয় তপা' এই বচটোক তিনিটা বচনৰ সমস্যাৰেৰে বিশ্লেষণ কৰিব পৰা যায়। সেইকেইটা হ'ল-

১) অন্ততঃ এজন মানুহ আছে যিয়ে বর্তমান ফ্রান্সত কাম কৰে।

২) সর্বোপৰি এজন মানুহ আছে যিয়ে বর্তমান ফ্রান্সত বাস কৰে।

৩) যিয়ে ফ্রান্সত বর্তমান বাস কৰে তেওঁ তপা।

যেতিয়া 'ফ্রান্সৰ বর্তমান ৰজাজন হয় তপা এই মূল বাক্যটোক তিনিটা ৰচনাৰ জৰিয়তে ব্যাখ্যা কৰা হ'ল তেতিয়া 'ফ্রান্সৰ বর্তমান ৰজাজন'— এই বাক্যাংশটো নোহোৱা হৈ গ'ল। আমি দেখা পাইছো যে এই বাক্যটোক বচনাত্মক ফলনেৰে সলনি কৰা হৈছে য'ত কোনো মূল্য নষ্ট কৰা হোৱা নাই আৰু সেয়ে ই সদায় মিছা (বচনাত্মক ফলনটো হ'ল- 'X এ বর্তমান ফ্রান্সত বাস কৰে ইয়াত ধ্রুৱক 'X' অৰ সলনি ব্যৱহাৰ কৰা কোনো মূল্যই সত্য বচনৰ সৃষ্টি কৰিব নোৱাৰে। ৰাছেলে দেখুৱাই দিছিল যে স্পষ্ট বাক্যাংশ যেনে- 'Waverley ৰ লেখকজনক্স, এটা বাক্যত নামৰ নিচিনা দেখা গৈছে, কিন্তু এই বাক্যাংশসমূহ বিশ্লেষণৰ পিছত অদৃশ্য হৈ যায়। তেওঁ এনেধৰণৰ বাক্যাংশক, 'অসম্পূর্ণ প্রতীক' বুলি কৈছিল যিবোৰৰ আচুতীয়া কৈ কোনো অর্থ নাছিল অথচ বাক্যত ব্যৱহাৰ হোৱাত পিছত অর্থপূর্ণ হৈ পৰিছিল।

ৰাছেলৰ বর্ণনামূলক মতবাদৰ বহুতো সুবিধা আছিল।

১) এই মতবাদটোৱে ৰাছেলক এক সত্য নঞর্থক অস্তিত্বশীল সিদ্ধান্ত গঢ়াত সক্ষম কৰাইছিল। এটা প্রখ্যাত নঞর্থক অস্তিত্বশীল যুক্তি হ'ল— 'সোণালী শৃংগ নহয় অস্তিত্বশীল'। ৰাছেলৰ মতে, এই বিশেষ নঞার্থক বচনটোক এটা উক্তি হিচাপে পৰিগণিত কৰিব নোৱাৰি য'ত কোনো বস্তুৰ অস্তিত্বই নাথাকে ।

২) এই মতবাদটোৱে ৰাছেলক কিছুমান বচন যেনে 'Waverley ৰ লেখক হয় Scott' এক চিনাক্তকৰণৰ বিবৃত্তি হিচাপে ব্যাখ্যা দিবলৈ সক্ষম কৰাইছিল। ৰাছেলে নামবাচক আৰু বর্ণনামূলক পদৰ মাজত পার্থক্য উলিয়াইছিল। যিহেতু নামবাচক পদে এটা বস্তু বা ব্যক্তিক পৃথককৈ নির্দেশ কৰে সেয়ে নামবাচক পদসমূহ সাধাৰণ প্রতীক মাত্র আৰু এই নামবচক পদসমূহৰ অকলসৰীয়া কৈ বা স্বাধীনভাৱে নিজা অর্থ থাকে। ইয়াৰ বিপৰীতে বর্ণনাই

এটা বস্তু বা ব্যক্তিক প্রত্যক্ষভাৱে নির্দেশ নকৰে। আৰু সেইকাৰণে ৰাছেলে ইয়াক অসম্পূর্ণ প্রতীক ৰূপে অভিহিত কৰে। এটা অসম্পূর্ণ প্রতীকৰ স্বাধীনভাৱে কোনো অর্থ নাথাকে অথচ বেলেগ প্রতীকৰ সংমিশ্রনত এই প্রতীকবোৰে একোটা অর্থ লাভ কৰে। 'Waverley ৰ লেখক' এই বর্ণনাই সেয়ে 'Scott' অক নুবুজায়। যদি এইটো এনেকুৰাই হ'লহেঁতেন, তেতিয়া পাবলগীয়া বচনটো হ'লহেঁতেন 'স্কট হয় স্কট'— এই বচনটো স্বতঃ সত্য বচন। ৰজা জর্জ চতুর্থই জানিব বিচাৰিছিল যে স্কট Waverley লেখক হয়নে নহয়। জর্জ চতুর্থই নিশ্চিতভাৱে জানিব বিচৰা নাছিল যে স্কট, স্কট হয়নে নহয়।



চিন্তা চর্চা কৰক ৩.২

এটা বচনৰ ব্যাকৰণাত্মক গাঠনি আৰু তর্কীয় গাঠনিৰ মাজত পার্থক্য কি?

.....

.....

.....

ব্রার্ট্রাণ্ড ৰাছেলৰ দর্শনত কেনেদৰে অসম্পূর্ণ প্রতীকে প্রভাৱ বিস্তাৰ কৰিছে?

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ কোন চনত ৰাছেলৰ বিখ্যাত ৰচনা 'On denoting' প্রকাশিত হৈছিল?

.....

প্রশ্ন নং ৫ ঃ ৰাছেলৰ বর্ণনামূলক মতবাদ বুলিলে কি বুজা?

.....

প্রশ্ন নং ৬ ঃ ৰাছেলৰ বচনৰ তর্কীয় আকাৰৰ বিভাজনত কেইটা গোট পোৱা যায়?

.....

প্রশ্ন নং ৭ ঃ Denoting Phrase ৰ এটা উদাহৰণ দিয়ক।

.....

প্রশ্ন নং ৮ ঃ বচনাত্মক ফলনৰ সংজ্ঞা দিয়ক।

.....

প্রশ্ন নং ৯ ঃ শুদ্ধ-অশুদ্ধ বাচি উলিওৱাক।

(ক) নামবাচক পদ এটা জটিল প্রতীক। (শুদ্ধ/অশুদ্ধ)

(খ) ৰাছেলৰ মতে, বচনৰ ব্যাকৰণাত্মক আকাৰ, ইয়াৰ তর্কীয় আকাৰৰ পৰা পৃথক। (শুদ্ধ/অশুদ্ধ)

(গ) অসম্পূর্ণ প্রতীক এটা জটিল প্রতীক। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ১০ ঃ অসম্পূর্ণ প্রতীকৰ উদাহৰণ দিয়ক।

.....

.....

৩.৫ পৰমাণুবাদ ঃ ইয়াৰ অর্থ

পৰমানুবাদ শব্দটোৰ প্রতিশব্দ 'Atomism' শব্দটো গ্রীক ভাষাৰ 'atomos'নামৰ বিশেষনটোৰ পৰা আহিছে যাৰ অর্থ হ'ল অবিভাজ্য। প্রাচীন পৰমানুবাদৰ ইতিহাস মাত্র এটা বস্তুৰ প্রকৃতিৰ মতবাদৰেই ইতিহাস নহয়, অথচ এটা ধাৰণাৰ ইতিহাস যক্সত যিকোনো আকৃতিক বা বিস্তৃতিৰ বহুতো অবিভাজ্য অংশ আছে— যেনে- জ্যামিতিক বিস্তৃতি, সময় ইত্যাদি। প্রাচীন গ্রীক প্রাকৃতিক দর্শনৰ কিছুসংখ্যক লেখত ল'বলগীয়া দার্শনিক বা তাত্বিকসকলে ধৰি লৈছিল যে এই বিশ্বজগতখন 'ভৌতিক পৰমাণুৰে' গঠিত। উদাহৰণ স্বৰূপে, খ্রীষ্টপূর্ব পঞ্চম শতিকাত লিউচিপাচ আৰু তেওঁৰ ছাত্র ডেমোক্রিটাচে সত্যান্বেষী দুটা বিৰোধী গোষ্ঠীক এক কৰাৰ উদ্দেশ্যে বিবৃত্তি আগবঢ়াইছিল যে সকলো বস্তুৰে কিছুমান অবিভাজ্য অংশৰ দ্বাৰা গঠিত যাক পৰমাণু বুলি কোৱা হয়। এফালে হেৰাক্লিটাচে বিশ্বাস কৰিছিল যে সকলো অস্তিত্বশীলৰে প্রকৃতি হ'ল পৰিৱর্তন। আনহাতে পাৰমেনাইডিছে বিশ্বাস কৰিছিল যে সকলো পৰিৱর্তনেই হৈছে ভ্রম। লেইবনিজৰ অধিবৈদ্যিক পৰমানুবাদে অসংখ্য ভৌতিক পৰমাণুৰ অস্তিত্বৰ কথা স্বীকাৰ কৰে, এই পৰমাণুবোৰক 'ম'নাড়' বুলি কোৱা হয় আৰু এইবোৰেই শক্তিৰ কেন্দ্র বিন্দু। এই ম'নাডবোৰৰ প্রকৃতি ভৌতিক। আকৌ ডেভিড হিউমে মনোবৈজ্ঞানিক পৰমাণুবাদৰ অৱতাৰনা কৰিছিল যিহেতু তেওঁ অনুভূতি আৰু ধাৰণাৰ অস্তিত্বক মানি লৈছিল। তেওঁ বস্তু আৰু মন দুয়োটাক অগ্রাহ্য কৰিছিল।

ৰাছেলে এটা ভিন্ন ধৰণৰ পৰমাণুবাদৰ কথা কৈছিল যাক তর্কীয় পৰমাণুবাদ হিচাপে জনা যায়। বিশ্লেষণাত্মক দর্শনৰ অৰির্ভাৱৰ লগে লগে দর্শনে এই জগতখনক বুজিবৰ বাবে ভাষাৰ দার্শনিক বিশ্লেষণৰ ফালে গতি ল'লে।

৩.৬ তর্কীয় পৰমাণুবাদ ঃ ইয়াৰ অর্থ

১৯১২ চনত উইট্‌গেনষ্টেইনে কেম্ব্রিজলৈ গৈছিল । তেওঁ তাত ৰাছেলৰ লগত সাক্ষাৎ হৈছিল আৰু দুয়োয়ে দুয়োজনৰ লগত এক দীঘলীয়া সময় অতিবাহিত কৰিছিল। উইট্‌গেনষ্টেইনে।

ৰাছেলৰ ব্যক্তব্যসমূহ শুনিবলৈ ধৰিলে। ১৯১৮ চনত উইটগেইনষ্টেইনে তেখেতৰ চিৰযুগমীয়া গ্ৰন্থ- Tractatus Logico Philosophicus' লিখি উলিয়ালে। সেই একেটা বছৰতে ৰাছেলে তর্কীয় পৰমাণুবাদৰ দার্শনিক দিশৰ ওপৰত বহুতো ভাষন দিলে। ৰাছেলে তেওঁৰ মতবাদক তর্কীয় পৰমাণুবাদ বুলি অভিহিত কৰিছিল কাৰণ বিশ্লেষণৰ অন্তিম প্ৰকাৰৰ অৱশেষত তেওঁ যিটো পৰমাণুত প্ৰৱেশ কৰিব বিচাৰিছিল সেইবোৰ তর্কীয় পৰমাণুহে আছিল, দৈহিক-পৰমাণু নাছিল অর্থাৎ তেওঁ যি পৰমাণুত উপনীত হ'ব বিচাৰিছিল সেইবোৰ তর্কীয় বিশ্লেষণৰ পৰমাণু, দৈহিক বা কায়িক বিশ্লেষণৰ পৰমাণু নহয় ।

'তর্কীয় পৰমাণুৰ দ্বাৰা ৰাছেলে 'বিশেষ'ক বুজাইছে, যেনেকৈ অলপমান ৰং নাইবা শব্দৰ জোৰা, ক্ষণস্থায়ী বস্তু আৰু ইয়াৰ অংশবিশেষ বা ইয়াৰ সংযোগ ইত্যাদি। কিন্তু ইয়াৰ আগতে আমি জানিব লাগিব ৰাছেলে তর্কবিজ্ঞানক দর্শনৰ সাৰ-বস্তু বা আঁৰৰ বস্তু হিচাপে প্ৰয়োগ কৰিছিল নে নাই।



জানি থোৱা ভাল

বিশেষ (Particular) ঃ 'বিশেষ' বোৰ হ'ল বিশেষ সাধাৰণ বস্তু। ৰাছেলে 'বিশেষ'ক পাৰমাণৱিক যথার্থতা সম্পর্কৰ প্ৰকাশভংগী হিচাপে সংজ্ঞা দিছে। তেওঁ ভাৱে যে 'এইটো' নাইবা 'সৌটো'ক 'বিশেষ' হিচাপে গণ্য কৰিব পৰা যায়।

৩.৬.১ দর্শনৰ আহিলা হিচাপে তর্কবিজ্ঞান

তর্কবিজ্ঞানক সকলো অন্বেষণৰ আহিলা বুলি কোৱা হয়। কিয়নো যদি কোনো তথ্য বিচাৰ তর্কীয় বা যুক্তিগত নহয় তেন্তে তাক অন্বেষণ বুলি কব নোৱাৰি । কিন্তু এক আৰু ভোগী স্পষ্ট বিচাৰধাৰাৰ পৰা ক'ব পৰি যে তর্কবিজ্ঞানক দর্শনৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। কাৰণ দার্শনিক সকলে তর্কবিজ্ঞাসন্মত বিধি-বিধান আৰু সিদ্ধান্ত আদিক তেওঁলোকৰ মতবাদত এজন অ-দার্শনিকতকৈ বেছি নিয়াৰিকৈ ব্যৱহাৰ কৰা দেখা যায়। ৰাছেল আৰু উইটগেনষ্টেইনে আধুনিক তর্কবিজ্ঞানক দর্শনৰ আহিলা হিচাপে ব্যৱহাৰ কৰি বহুতো দার্শনিক সমস্যা সমাধানৰ বাবে প্ৰয়াস কৰিছিল। ৰাছেলে দার্শনিক সমস্যাসমূহ সমাধানৰ বাবে এটা তর্কীয়ভাৱে সম্পূর্ণ ভাষাৰ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। তর্কীয়ভাৱে সম্পূর্ণ ভাষাক আকৌ কৃত্রিম ভাষা বা ধাৰণাত্মক ভাষা হিচাপে জনা যায়। এটা তর্কীয়ভাৱে সম্পূর্ণ ভাষাতে সঠিক বাক্যবিনাস আৰু সঠিক শব্দ সম্ভাৰ থাকিব। এটা সম্পূর্ণ ভাষাত ঘটনা আৰু বচনৰ তর্কীয় গাঠনি তেনেদৰেই পৰিলক্ষিত হব যেনেদৰে ঘটনাটোক স্বীকাৰ বা অগ্রাহ্য কৰা হয় । ৰাছেলে বিশ্বাস কৰে যে সাধাৰণ ভাষা সাধাৰণ উদ্দেশ্য পূৰণৰ বাবে যথেষ্ট, অৱশ্যে ই তর্কীয় বিশ্লেষণৰ বাবে অপর্যাপ্ত।

ৰাছেলে কয় যে দার্শনিক প্রয়াসৰ বাবে সাধাৰণ ভাষাৰ পুনগঠনৰ দৰকাৰ যাতে ইয়াৰ অত্যাৱশ্যকীয় গাঠনিসমূহক স্পষ্টভাৱে উপস্থাপন কৰিব পৰা যায়।

৩.৬.২ Isomorphism

ৰাছেলে 'অ'কামৰ ৰেজৰ' নামৰ এটা বিশেষ ধৰণৰ নীতি অনুসৰণ কৰিছিল। 'অ'কামৰ ৰেজৰ' হৈছে এটা নীতি যাক ১৪ শতিকাৰ তর্কবিদ William of Ockham অৰ ওপৰত আৰোপ কৰা হৈছিল। এই নীতিটোৱে কয় যে 'সত্বাক অদৰকাৰীভাৱে বৃদ্ধি কৰিব নালাগে'। ৰাছেলে এই নীতিটোকে ব্যৱহাৰ কৰিছিল আৱশ্যকীয় সত্বাৰ সংখ্যা কমাবৰ বাবে যাতে ভুলৰ সম্ভাৱনাক কমাব পৰি আৰু এইটো ৰাছেলৰ বাবে এক ক্ষণস্থায়ী অনুৰাগ আছিল।

ৰাছেলৰ মতে ভাষা আৰু বাস্তৱৰ গাঠনিৰ মাজত এক সাদৃশ্যতা আছে যাৰ বাবে ভাষাই বাস্তৱক প্রকাশ কৰিব পাৰে। এই ভাষা আৰু বাস্তৱতাৰ মাজত থকা গঠনাত্মক সাদৃশ্যতাক 'Isomorphism' বুলি কোৱা হয়। ৰাছেলে এই বক্তব্যটো 'তথ্য আৰু বচনক্স ধাৰণাৰ সৈতে তর্কীয় পৰমাণুবাদৰ দর্শনত আৰম্ভ কৰিছিল। তথ্য আৰু বচনৰ মাজত এক 'Isomorphism' সম্পর্ক আছে। তথ্য আৰু ইয়াৰ লগত সামঞ্জস্য থকা বচনটোৰ মাজত এটা অবিভেদ্য মিল আছে। 'তথ্য'আৰু 'বচনৰ' Isomorphic সম্পর্কটো জানিবৰ বাবে এই দুটা শব্দৰ অর্থকেইটা জানিব লাগিব।

৩.৬.৩ তথ্য আৰু বচনসমূহ

তথ্য ঃ ৰাছেলৰ মতে ঘটনা হৈছে এটা বস্তু যিয়ে এটা বচনক সঁচা বা মিছা ৰূপে প্রতিপন্ন কৰে। উদাহৰণ স্বৰূপে, যদি কোনোবাই কয় যে 'বৰষুণ দি আছে', এইটো বতৰৰ এটা নির্দিষ্ট অৱস্থাতহে সঁচা হ'ব আৰু আন এটা পৰিস্থিতিত ই মিছা ৰূপে প্রতিফলিত হ'ব। এটা বস্তু বা তথ্য এটা নির্দিষ্ট অস্তিত্বশীল বস্তু বা ঘটনা নহয় যেনে— প্লেটো, এই নদীখন বা শৃংগটো। ৰাছেলে কয় যে যেতিয়া তেওঁ বস্তু বা তথ্যৰ বিষয়ে কয় তেতিয়া তেওঁ জগতৰ সাধাৰণ বস্তুৰ কথা নকয়। তেওঁ এটা নির্দিষ্ট বস্তুৰ এক নির্দিষ্ট বৈশিষ্ট্য থকা নতুবা সেই নির্দিষ্ট বস্তুসমূহৰ কিছুমান নিশ্চিত সম্পর্ক থকা বুজায়। উদাহৰণ স্বৰূপে নেপোলিয়ন এটা তথ্য নহয়। কিন্তু যদি কোনোবাই কয় যে 'নেপোলিয়ন হয় উচ্চাকাংক্ষী' নাইবা 'নেপোলিয়নে জোছেফিক বিয়া কৰায়' তেতিয়া তেওঁ এটা তথ্যক নির্দেশ কৰে। এটা তথ্যক সঁচা বা মিছা বুলি ক'ব নোৱাৰি, এইবোৰ মাথো তথ্য। এইবোৰ আমাৰ চিন্তা নিৰপেক্ষ, এইবোৰ বাস্তৱিক জগতৰ লগত সম্পর্কযুক্ত।

বচন ঃ এটা বচনে কিবা সূচায়। ৰাছেলৰ মতে এটা বচন হ'ল এটা সূচাত্মক বাক্য। হয়তো কিবা স্বীকাৰ বা অস্বীকাৰ কৰে। ইয়াক আমি সঁচাকৈ বা মিছাকৈ বিশ্বাস

কৰো ঃ 'typical vehicle of the duality of truth and falsehood'। এটা বচনক এক জটিল প্রতীক হিচাপেও কোৱা হয়। কিয়নো ইয়াৰ অংশ থাকে যিবোৰ একো একোটা প্রতীক হয়। উদাহৰণ স্বৰূপে- 'ৰঙা' শব্দটো এটা সাধাৰণ প্রতীক। কিন্তু 'গোলাপফুল হয় ৰঙা' ই এটা জটিল প্রতীক। এইদৰেই বচনবোৰ জটিল প্রতীক আৰু তথ্যবোৰো জটিলেই হয়।

ৰাছেলে তথ্য আৰু বচনৰ প্রকাৰৰ কথা কৈছিল যিবোৰক তেওঁ বৈধ বুলি মানি লয় ঃ

- পৰমাণুৱিক বচন আৰু তথ্য
- আনৱিক বচন আৰু তথ্য
- অস্তিত্বশীল বচন আৰু তথ্য
- সাধাৰণ বচন আৰু তথ্য
- সম্পূর্ণৰূপে সাধাৰণ (তর্কীয়) বচন আৰু তথ্য।
- উদ্দেশ্যশীল বচন আৰু তথ্য

পাৰমাণুৱিক তথ্য ঃ

ৰাছেলৰ মতে, আটাইতকৈ সহজ কাল্পনিক ঘটনাবোৰ সেইবোৰ ঘটনা যিবোৰ ঘটনা কিছুমান নির্দিষ্ট বস্তুৰ দ্বাৰা কিছুমান গুণৰ অধিকাৰী হয়। এনেদৰে দুটা বিশেষৰ মাজত দ্বিপাক্ষিক সম্পর্ক থাকিব পাৰে, উদাহৰণ স্বৰূপে- 'A, B ৰ পিছত আছে; ঠিক সেইদৰে ত্রিপাক্ষিক সম্পর্কৰ বাবে তিনিটা পদৰ দৰকাৰ হয় আৰু এনেদৰে চলিয়েই থাকে। সাধাৰণতে 'n' বিশেষৰ বাবে আমি 'n' সংখ্যক সম্পর্কৰ পাঁও। সত্যতাৰ অসীমতাৰ গুৰুত্বক তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পৰা যায় ঃ

১) মনাডীয় তথ্য ঃ এটা বস্তু আৰু ইয়াৰ এটা বৈশিষ্ট্য বা গুণ, যেনে- 'এইটো বগা'

২) দ্বিপাক্ষিয় তথ্য ঃ দুটা বস্তু আৰু ইয়াৰ সম্পর্ক, যেনে- A হৈছে B ৰ পিছত।

৩) ত্রিপাক্ষিয় তথ্য ঃ তিনিটা বস্তু আৰু এটা সম্পর্ক, যেনে- A এ B ক C লৈ দিছে' আদি।

পাৰমাণুৱিক তথ্যই পাৰমাণুৱিক বচনৰ সৈতে সামঞ্জস্য প্রকাশ কৰে। এই তথ্য হৈছে সাধাৰণ তথ্য যিবোৰ কিছুমান বিশেষৰ দ্বাৰা কিছুমান বৈশিষ্ট্যৰ অধিকাৰী হয়। প্রতিটো পাৰমাণুৱিক তথ্যৰ এটা পাৰমাণুৱীয় উপাদান আছে যাক এটা ক্রিয়াৰ দ্বাৰা ব্যাখ্যা কৰা হয়। যদি এই উপাদানটো এটা বৈশিষ্ট্য বা গুণ হয় তেন্তে ইয়াক এটা বিধেয় বা বিশেষণৰ দ্বাৰা ব্যক্ত কৰা হয়।

এটা বচন হ'ল পাৰমাণুবিক, যদি ই মাত্র এটা সম্পর্কক বা বিধেয়ক নির্দেশ কৰে। সেয়েহে এটা পাৰমাণুৱিক বচন আৰু পাৰমাণুৱিক তথ্যৰ মাজত Isomorphism থকা দেখা যায়। এটা পাৰমাণুৱিক তথ্যৰ বা তথ্যৰ উদ্দেশ্য পদ (নাম বাচক পদ) লগত মিল থকাকৈ এটা পাৰমাণৱিক বচনত কিছুমান পদ (নির্দিষ্ট) থাকে, একেদৰে বিশেষণে

গুণ আৰু ক্ৰিয়াই সম্পৰ্ক বা সামঞ্জস্যক সূচায়।

আনৱিক বচন আৰু তথ্য ঃ

ৰাছেলৰ মতে কিছুমান আনৱিক বচনো আছে। পৰম্পাৰাগত তৰ্কবিজ্ঞানত এটা বচন বা নিদেৰ্শক সঁচা বা মিছা বুলি গণ্য কৰে। বচনৰ ভাষিক গুৰুত্বই এটা কথা বুজায় যে বচনাবোৰ সত্যফলনৰ দ্বাৰা ব্যাখ্যা কৰিব পৰা যায়। সত্যফলন বা সত্য ক্ৰিয়া কৰিত্ব হক্সল এটা যৌগিক বচন যাৰ মূল্য ইয়াৰ একবচনৰ মূল্যৰ ওপৰত নিৰ্ভৰ কৰি উলিওৱা হয়। এটা আনৱিক বচনৰ ব্যাখ্যা দিবলৈ গৈ ৰাছেলে লিখিছিল ঃ "মই সেইবোৰক আনবিক বচন বুলি কওঁ কাৰণ ইয়ে কেতবোৰ বচনক ইয়াৰ ভিতৰত সন্নিবিষ্ট কৰে আৰু এইবোৰক আমি ইয়াৰ পৰমাণু বুলি ক'ব পাৰো আৰু আনৱিক বচন মানে মই কিছুমান বচনক বুজাওঁ য'ত কিছুমান শব্দ যেনে— 'নাইবা' 'যদি' 'আৰু' আদি ধৰণৰ শব্দও ব্যৱহৃত হয়।" ("I call them molecular Propositions because they contain other Propositions which you may call their atoms, and by molecular Propositions I mean Propositions having such words as 'or' if 'and' and so forth") আন কথাত কক্সবলৈ হক্সলে এটা আনৱিক বচনৰ সৃষ্টি তেতিয়াহে হ'ব যেতিয়া দুটা বা তাতোধিক পাৰমাণুবিক বচন সম্পৰ্কযুক্ত হৈ থাকিব। যিহেতু 'নাইবা', 'যদি', 'আৰু' আদি তৰ্কীয় ধ্ৰুৱকবোৰক পাৰমাণুবিক বচন সমূহক সম্পৰ্কযুক্ত কৰি ৰাখিবলৈ ব্যৱহাৰ কৰা হয় সেয়ে এইবোৰ তৰ্কীয় যোজক। আমি বিভিন্ন ধৰণৰ আনবিক বচন দেখিবলৈ পাঁও।—

১) সংযোজ্য বচন (Conjunctive)

২) বিযোজ্য বচন (Disjunctive)

৩) সাপেক্ষ বচন (Implicative)

এটা উদাহৰণেৰে বুজা যাঁওক 'p আৰু q'এটা আনবিক বচন আৰু যিহেতু এই বচনটোৰ সত্যমূল্য 'p আৰু q'ৰ ওপৰত পৃথককৈ নিৰ্ভৰশীল সেয়ে ইয়াক এটা সত্যফলন বুলি গণ্য কৰা হয়। 'আজি বতৰতো হয় মেঘাচন্ন আৰু স্মিতাই এটা ছাতি আনিছে' এই বচনটো সত্য হ'ব যদিহে সঁচাকৈয়ে আজি বতৰতো মেঘাচন্ন হয় আৰু সঁচাকৈয়ে স্মিতাই এটা ছাতি আনে। এই কথাখিনি পৃথক পৃথককৈ সত্য হ'ব লাগিব। বচনবোৰে সত্যতাক প্ৰতিনিধিত্ব কৰে। এটা বচন সত্য হ'ব যদিহে ই বাস্তৱক প্ৰতিনিধিত্ব কৰে আৰু মিছা হ'ব যদিহে ই তেনে নকৰে। ৰাছেলে আনৱিক তথ্যৰ অস্তিত্বক অস্বীকাৰ কৰিছে। তেওঁ কয় ঃ "মই কেতিয়াও ধৰি নলওঁ যে এই জগতত 'p নাইবা q'ৰে সামঞ্জস্য থকা এটাহে বিযোজীয় তথ্য আছে।" (I donot suppose there is in the world a single disjunctive fact corresponding to 'p or q'। এইটো যুক্তিপূৰ্ণ যেনে নালাগে যে এই বাস্তৱ জগতত 'p নাইবা q'বুলি ব্যাখ্যা কৰিব পৰা তথ্য আছে। (Ref L & k, P. 209)

ইয়াৰ অর্থ এয়ে যে 'p নাইবা q'- এইবচনৰ সত্যতা বা অসত্যতা নির্ভৰ কৰে দুটা তথ্যৰ ওপৰত, এটা হ'ল যিটো তথ্যৰ p ৰ লগত সামঞ্জস্য থাকে আৰু আনটোৰ q ৰ লগত। ৰাছেলৰ আনৰিক তথ্যৰ অস্তিত্বৰ ওপৰত থকা সন্দেহৰ অন্ত পৰে তেওঁৰ সাধাৰণ তথ্যৰ ওপৰত দিয়া ব্যাখ্যাৰ পিছত।

সাধাৰণ বচন আৰু তথ্য :

The maimots leoipol to yriqozolids enT FOOD OF এটা সাধাৰণ বচন হ'ল যিয়ে সত্যফলনৰ সকলোবোৰ সত্যমূল্যৰ সত্যতাক স্বীকাৰ নাইবা অস্বীকাৰ কৰে।

এটা সাধাৰণ তথ্যৰ সাধাৰণ বচনৰ লগত সাদৃশ্য আছে। তলত দিয়াখিনিৰ পৰা ৰাছেলৰ সাধাৰণ তথ্যৰ স্বীকৃতিখিনিক দেখা পোৱা যায় ঃ ৰাছেলে যুক্তি দর্শায় যে— সাধাৰণ বচনসমূহ একক বচনসমূহৰ সংযোগৰ সমার্থক নহয়। উদাহৰণ স্বৰূপে 'সকলো মানুহ হয় মৰণশীল' এই বচনটো প্রতিষ্ঠা কৰিব পৰা নাযায যিহেতু এই বচনটোত প্রত্যেক মানুহৰ মৃত্যুৰ নিৰীক্ষণেৰে সম্পূর্ণ পর্যবেক্ষণ কৰিব নোৱাৰি; কাৰণ ইয়াত সকলো মানুহৰ কথা কোৱা হৈছে। 'সকলো মানুহ' এই কথাযাৰ জানিলেই এটা সাধাৰণ বচনক জানিব পাৰি। কিন্তু এই জ্ঞান আগমন বা বেলেগ অনুমানৰ পৰা নাহে। সেয়ে তেওঁ ক'ব বিচাৰে যে সাধাৰণ বচনৰ জ্ঞান হ'ল এক সৰল, সার্বিক বা সাধাৰণ জ্ঞান যাক অনুমানৰ পৰা পাব নোৱাৰি। ৰাছেলে কয় ঃ "যেতিয়া তুমি এই জগতৰ সকলোবোৰ পাৰমাণুবিক তথ্যৰ হিচাপ কৰিছা, এইটো এটা অতিৰিক্ত তথ্য যে সেই গোটেইবোৰ পাৰমাণুৰিক তথ্য জগত তথ্য, আৰু সেইবোৰ মাত্র জগতৰ বস্তুনিষ্ঠ তথ্য যেনেদৰে বাকীবোৰো এই জগত সম্পর্কে বস্তুনিষ্টভাৱে সত্য।" (Ref. P236)

সাধাৰণ বচনৰ সৈতে ৰাছেলে সাধাৰণ ঘটনাৰ অস্তিত্বকো স্বীকাৰ কৰিছে।

যদিও প্রথমতে ৰাছেলে আনৰিক ঘটনাৰ অস্তিত্বক মানি লক্সবলৈ সংকোচ কৰিছিল, তেওঁ গম পালে যে সাধাৰণ তথ্যক স্বীকাৰ কৰাৰ লগে লগে আনৰিক তথ্যৰ অস্তিত্ব অৱশ্যম্ভাবী হৈ পৰে। তেওঁ কয় যে—

'পাপীসকলক শাস্তি বিহা হ'ব' নাইবা 'সকলো মানুহ হয় মৰণশীল' এই উদাহৰণ কেইটাত এইটোকে বুজোৱা হয় যে— যদি কোনোবা পাপী আছে (ইয়াত কোনোবা থকা বুলি কোৱা নাই), তেতিয়া তেওঁক শাস্তি বিহা হ'ব। একেদৰে 'সকলো মানুহ হয় মৰণশীল' এই বচনটোৰে বুজায় যে যদি 'X' এজন মানুহ হয় তেন্তে তেওঁ মৰণশীল। ই সচাঁকৈয়ে ধৰি নলয় যে X এজন সচাঁকৈয়ে মানুহ আৰু সেইজন মৰণশীল। এতিয়া আমি যদি মানি ল'ব লাগে যে সাধাৰণ বচনৰ সৈতে সাধাৰণ তথ্যৰ অস্তিত্ব আছে তেন্তে সাধাৰণ বচনক স্পষ্টভাৱে সূচোৱা আনবিক তথ্যৰ সৈতে আনবিক বচনবোৰো অস্তিত্বক আমি অস্বীকাৰ কৰিব নোৱাৰোঁ।

সম্পূর্ণ সাধাৰণ (তর্কীয়) বচন আৰু তথ্য ঃ

এটা সম্পূর্ণ সাধাৰণ বচন হৈছে য'ত তর্কীয় অবিকাৰীৰ বাহিৰে একো নাথাকে। অৱশ্যে ৰাছেলে স্বীকাৰ কৰে যে কিছুমান বচন আছে যিবোৰক তর্কীয়ভাৱে ব্যক্ত কৰা হয় কিন্তু তাক তর্কীয়ভাৱে প্রমাণ কৰা নহয়। উদাহৰণ স্বৰূপে- 'এই পৃথিৱীখনত অন্তত এটা বস্তু আছে।' এই বচনটোক অভিজ্ঞতাৰে জানিব পৰা যায়। (Ref, P 240) মাহ

নঞৰ্থক তথ্য ঃ

ৰাছেলে তেওঁৰ 'The Philosophy of logical atomism'ৰ তৃতীয় বক্তৃতাত সুধিছিল যে- এনেকুৱা তথ্য আছে নেকি য'ত তুমি ক'ব পৰা যে- ছক্রেটিচ জীৱিত নহয়'? তেওঁ কয় যে নঞৰ্থক তথ্যৰ ধাৰনাই Harvard-অত এক হুলস্থুল সৃষ্টি কৰি দিছিল। ৰাছেলে সত্যতাৰ অনুৰূপতাবাদ মতবাদটোক মানি লয়। যদি 'ছক্রেটিচ জীৱিত' এইটো মিছা, কিয়নো ইয়াৰ সত্যৰ লগত সামঞ্জস্য নাই। এইটো মিছা কাৰণ এইটো সচাঁ যে চক্রেটিছ জীৱিত নহয়। সেয়েহে ৰাছেলে নঞৰ্থক তথ্যক মানি লয়। ৰাছেলে কয় এটা তথ্যৰ কাৰণে এটা বস্তু মিছা হব নোৱাৰে, য'ত তুমি এটা সদর্থক বক্তব্য ৰাখিব যোৱা। (He states : "A thing cannot be false except because of a fact, so that you find it extremly difficult to say what exactly happens when you make a positive assertion that is false, unless you are going to admit nagative facts. Ref, p 214) 0

উদ্দেশ্যমূলক তথ্য ঃ

কিছুমান বচন আছে য'ত কিছুমান শব্দ যেনে— ইচ্ছা, দৰকাৰ, বিশ্বাস আদি শব্দ আছে। এনে বচনৰ সত্যতা বা মিথ্যাত্ব প্রতিষ্ঠা কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে— 'জনে বিশ্বাস কৰে যে পৃথিৱীখন সমান্তৰাল'— এই বচনটোৰে সত্যমূল্য উলিয়াব পৰা নাযায়। সেয়েহে উদ্দেশ্যমূলক ঘটনাসমূহৰ বচনসমূহক তর্কীয় প্রতীকেৰে ব্যাখ্যা কৰিব পৰা নাযায়।



চিন্তা চর্চা কৰক ৩.৩

ৰাছেলৰ দর্শনৰ তর্কীয় পৰমাণুবাদৰ তথ্যৰ ভূমিকা কি?

.....

.....

.....

তথ্য আৰু বচনৰ মাজৰ পার্থক্য লিখক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ তর্কীয় পৰমাণুবাদৰ অর্থ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ১২ ঃ কোন চনত ৰাছেলে 'The Philosophy of logical Atomism' শীর্ষক বক্তৃতা প্রদান কৰিছিল?

.....

প্রশ্ন নং ১৩ ঃ অ'কামৰ ৰেজৰ কি?

.....

.....

প্রশ্ন নং ১৪ ঃ Isomorphism মানে কি?

.....

.....

প্রশ্ন নং ১৫ ঃ শুদ্ধ-অশুদ্ধ বাচ উলিওৱাক।

(ক) এটা তথ্য সত্য অথবা মিথ্যা হয়। (শুদ্ধ/অশুদ্ধ)

(খ) নেপোলিয়ন এটা তথ্য। (শুদ্ধ/অশুদ্ধ)

(গ) আটাইতকৈ সহজ কাল্পনিক তথ্যবোৰেই হৈছে পাৰমাণুবিক তথ্য। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ১৬ ঃ সত্যতা ফলন কাক বোলে?

.....

.....

প্রশ্ন নং ১৭ ঃ 'সত্বাক অদৰকাৰীভাৱে বৃদ্ধি কৰিব নালাগে' এই নীতিটোৰ নাম কি?

.....

প্রশ্ন নং ১৮ ঃ পৰমাণুবিক বচনৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ১৯ ঃ আনবিক বচনৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২০ ঃ সাধাৰণ বচনৰ সংজ্ঞা দিয়ক।

.....

.....

৩.৭ ইন্দ্রিয়জ তথ্য

এজন গণিতজ্ঞ হোৱা হেতুকে ৰাছেলে দর্শনত নিশ্চয়তা বিচাৰিছিল। ৰাছেলৰ নিশ্চিয়তা সম্পর্কীয় জিজ্ঞসা প্রকাশ পায় তেওঁৰ 'The Problems of Philosophy'ৰ প্রথম শাৰীকেইটাত য'ত তেওঁ লিখিছে ঃ এই পৃথিৱীত এনে নিশ্চিত জ্ঞান আছে নেকি যাক এজন যুক্তিশীলমানুহে সন্দেহ কৰিব নোৱাৰে ? যেতিয়া শাৰীৰিক বস্তুৰ কথা কয়, তেওঁ কয় যে আমি বস্তুবিলাকৰ সৈতে প্রত্যক্ষ আৰু তাৎক্ষণিক সম্পর্কলৈ আহিব নোৱাৰো। যেতিয়া আমি এখন মেজ দেখো, আমি সেই মেজখনৰ সৈতে প্রত্যক্ষভাৱে সম্পর্কযুক্ত নহয়। তাৰ বিপৰীতে আমি তাৎক্ষণিকভাৱে ইয়াৰ ৰং, কঠিনতা বা অৱয়ব আদিৰ সৈতে সম্পর্কযুক্ত হৈ পৰো। এইটো মাত্র চেতনাৰ তথ্যৰ দ্বাৰা সম্ভৱ হৈ পৰে। ইয়াৰ অর্থ এয়ে যে মেজখনৰ জ্ঞনটো বেছিকৈ চেতনাৰ তথ্যৰ ওপৰত নির্ভৰ কৰে। It involves a belief that besides sense data, there is non-empirical something which couses sense data and also persists even when there are no sense data.। এই সংক্রান্তত ৰাছেলে কয় যে যিবিলাক চেতনাৰ তথ্যৰ কাৰণ, ধৰা হ'ল শাৰীৰিক বস্তু, এইবোৰক অভিজ্ঞতাত পোৱা নাযায়, এইবোৰ মাথোঁ আনুমানিক অস্তিত্ব। ৰাছেলে এটা সিদ্ধান্তলৈ আহিছিল যে শাৰীৰিক বস্তুবিলাকৰ অস্তিত্বক সন্দেহাতীত উপাদানৰ দ্বাৰা তৈয়াৰ কৰিব পৰা যায়। ইন্দ্রিয় সংবেদনৰ সংজ্ঞা দিবলৈ গৈ ৰাছেলে কৈছে ঃ

আহক আমি সেইবস্তুবোৰক ইন্দ্রিয় সংবেদন বুলি কওঁ যিবোৰক তাৎক্ষণিকভাৱে আমাৰ চেতনাৰে জানিব পাৰো। যেনে ৰং, শব্দ, গোন্ধ, কঠিনতা, আৰু বহুতো। আমি এনেধৰণৰ অভিজ্ঞতাত পোৱা বস্তুসমূহক চেতনা নাম দিওঁ। এনেদৰে, যেতিয়াই আমি এটা ৰং দেখা পাওঁ তেতিয়াই সেই ৰংটো সম্পর্কে আমাৰ চেতনা বা অনুভূতি হয়। কিন্তু এই ৰংটো Sense-datum বুলি কোৱা হয়, চেতনা বুলি নহয় (Principles of Mathematics, P. 4)

ৰাছেলে বিশ্বাস কৰে যে যেতিয়াই আমি আমাৰ সাধাৰণ জ্ঞান বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰো, তেতিয়া যিবোৰ আমাৰ আগত প্রকাশ পাই সেইবোৰৰ কিছুমান বুৎপত্তিগত আৰু কিছুমান প্রাথমিক। অনুমানৰ লগত সম্পর্কযুক্ত জ্ঞানক বুৎপত্তিগত While those accepted on their own account are called primitive। যিবোৰ তাৎক্ষণিক ঘটনাক দৃষ্টি গোচৰ কৰো বা স্পর্শ বা শুনো সেইবোৰ স্বত প্রামাণ্য, সেইটো প্রাথমিক অর্থাৎ এইবোৰক যুক্তিৰে প্রমাণ কৰাৰ প্রয়োজন নহয়। বুৎপত্তিগত জ্ঞানৰ এটা উদাহৰণ হক্সল : আমি অজ্ঞাতভাৱে কিছুমান এনে বস্তু প্রত্যক্ষ কৰা বুলি মানি লওঁ যিবোৰ আমি প্রকৃততে প্রত্যক্ষ নকৰো। ৰাছেলে hard data আৰু soft data এটা অস্পষ্ট যদিও উপকাৰী পার্থক্য আগবঢ়াইছে ঃ

মই hard data ৰে সেইবোৰক বুজাওঁ যিবোৰত কঠিন বিষয়ৰ সমাধানৰ ক্ষমতা থাকে আৰু soft data ৰে সেইবোৰক বুজায় যিবোৰ এই প্রক্রিয়াৰ কার্যকৰীকৰণৰ ভিতৰত থাকে আৰু কমবেছি পৰিমাণে সন্দেহযুক্ত হয় (Our Knowledge of the External word, PP 78-78)

ৰাছেলে hard dataক সন্দেহ দুৰ কৰিব পৰা বুলি কয়, এইবোৰ এনে বচন যিবোৰ নিসন্দেহে নিশ্চিত। উদাহৰণ স্বৰূপে— চেতনাৰ বিষয় (আমাৰ নিজৰ ইন্দ্রিয়গত তথ্য), তর্কবিজ্ঞানৰ নিয়মসমূহ, শেহতীয়া স্মৃতি, আত্মদর্শন, দেশ আৰু কালৰ সম্পর্ক। hard data সমূহ soft data ৰ বিপৰীত। soft data সমূহ সেইবচনসমূহৰ লগত সম্পর্কযুক্ত যিবোৰক সহজে সন্দেহ কৰিব পৰা যায়। যিবোৰক শাৰীৰিক বস্তু আৰু বেলেগ মন সম্পর্কে আমাৰ জ্ঞানৰ কথা বুজায়। কিছুমান সাধাৰণ বিশ্বাসক hard data ৰ পৰা বাহিৰ কৰা হৈছে। উদাহৰণ স্বৰূপে আমি এটা বিশ্বাস কৰিব নোৱাৰো যে— আমি প্রত্যক্ষ নকৰাকৈয়ে এটা বস্তু অস্তিত্বশীল। আনৰ শব্দবোৰো hard data ৰ পৰা বাহিৰ কৰা হৈছে। ৰাছেলৰ মতে বাহ্যবস্তুৰ প্রকৃতি সম্পর্কীয় সমস্যাত যেনে— মেজ, চকী আদি হৈছে ইন্দ্রিয় সংবেদনৰ দ্বাৰা শাৰীৰিক বস্তুলৈ এটা অনুমানক শুদ্ধ বুলি প্রমাণিত কৰা সমস্যা।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২১ ঃ ইন্দ্রিয়জ তথ্যৰ সংজ্ঞা দিয়ক।

.....

প্রশ্ন নং ২২ ঃ ইন্দ্রিয়জ তথ্যৰ উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন নং ২৩ ঃ Hard datum ৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২৪ ঃ Soft datum ৰ সংজ্ঞা দিয়ক।

.....

.....



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্রাট্রাণ্ড ৰাছেল আৰু জি. ই. মুৰে কেম্ব্রিজত হেগেল, ব্রেডালি, বচাংকুৰেট আদি দার্শনিকৰ ভাৱবাদৰ বিৰুদ্ধে বিদ্রোহৰ সূচনা কৰি দর্শনৰ ইতিহাসত এক নতুন দিশৰ সূচনা কৰিছিল। এই নতুন দিশটোক বিশ্লেষণাত্মাক দর্শন হিচাপে জনা যায়।
- বিশ্লেষণাত্মক দার্শনিক ৰাছেল আৰু লুডউইগ উইটগেনষ্টেইনে (পূর্ব) দার্শনিক বিশ্লেষণৰ বাবে এক কৃত্রিম ভাষাৰ গাঠনিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। উইটগেইনষ্টেইনে তেওঁৰ চাচা পিছৰ দর্শনত কৃত্রিম ভাষা দর্শনৰ বিপৰীতে সাধাৰণ ভাষা দর্শনৰ ওপৰতহে

অধিক গুৰুত্ব চিনা আৰোপ কৰিছিল। এনেধৰণৰ দৰ্শনে সাধাৰণ মানুহৰ দ্বাৰা ব্যৱহৃত ভাষাৰ ওপৰত গুৰুত্ব দ্বন্দ্বদ্ধ আৰোপ কৰে।

- ৰাছেলে তেওঁৰ মতবাদক তর্কীয় পৰমাণুবাদ বুলি অভিহিত কৰিছিল কাৰণ বিশ্লেষণৰ অন্তিম প্রকাৰৰ অৱশেষত তেওঁ যিটো পৰমাণত প্রৱেশ কৰিব বিচাৰিছিল সেইবোৰ তর্কীয় পৰমাণুহে আছিল, দৈহিক-পৰমাণু নাছিল অর্থাৎ তেওঁ যি পৰমাণুত উপনীত হ'ব বিচাৰিছিল সেইবোৰ তর্কীয় বিশ্লেষণৰ পৰমাণু, দৈহিক-বা কায়িক বিশ্লেষণৰ পৰমাণু নহয়।
- যিহেতু নামবাচক পদে এটা বস্তু বা ব্যক্তিক পৃথককৈ নির্দেশ কৰে সেয়ে নামবাচক পদসমূহ সাধাৰণ প্রতীক মাত্র আৰু এই নামবচক পদসমূহৰ অকলসৰীয়া কৈ বা স্বাধীনভাৱে নিজা অর্থ থাকে। ইয়াৰ বিপৰীতে বর্ণনাই এটা বস্তু বা ব্যক্তিক প্রত্যক্ষ ভাৱে নির্দেশ নকৰে। আৰ সেইকাৰণে ৰাছেলে ইয়াক অসম্পূর্ণ প্রতীক ৰূপে অভিহিত কৰে।
- 'অ'কামৰ ৰেজৰ' হৈছে এটা নীতি যাক ১৪ শতিকাৰ তর্কবিদ William of Ockham অৰ ওপৰত আৰোপ কৰা হৈছিল। এই নীতিটোৱে কয় যে 'সত্বাক অদৰকাৰীভাৱে বৃদ্ধি কৰিব নালাগে'।
- ৰাছেলৰ মতে ভাষা আৰু বাস্তৱৰ গাঠনিৰ মাজত এক সাদৃশ্যতা আছে যাৰ বাবে ভাষাই বাস্তৱক প্রকাশ কৰিব পাৰে। এই ভাষা আৰু বাস্তৱতাৰ মাজত থকা গঠনাত্মক সাদৃশ্যতাক 'Isomorphism' বুলি কোৱা হয়।



৩.৯ অধিক জানিবলৈ

1) Russell, B. 1972, Our Knowledge of the External World, Sixth Impression, George Allen & Unwin Ltd., London.
2) Russell, B. 1997. My Philosophical Development, Routledge, London and New York.
3) Russell, B. 2002, History of Western Philosophy, Routledge, New York.
4) Russell, B. 2004, ' The Philosophy of Logical Atomism' in R. C. Marsh (ed.), Logic and Knowledge, Routledge, 29, West 35 Street, London and New York.
5) Russell, B. 2004, Mysticism and Logic, Dover Publications, Inc. Mineola, N.Y.
6) Urmson, J.O. 1956, Philosophical Analysis, Oxford University Press, London.
7) Wood, A. 1999, Russell's Philosophy - A Study of Its Development, In

A. D. Irvine (ed.), Bertrand Russell : Critical Assessments, Volume 1- Life, Work and Influence, Routledge, London and New York.

৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ তর্কীয় পৰমাণুবাদ হ'ল এটা মতবাদ যিটোৰ মতে বিশ্ব জগতখন বহুতো তর্কীয় পৰমাণুৰ একত্রিত সংহতিৰ দ্বাৰা সৃষ্টি হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ক) ৰাছেল আৰু জি. ই. মুৰ বিশ্লেষণাত্মক দর্শনৰ প্রৱর্তক আছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ক) ৰাছেল এজন বাস্তৱবাদী দার্শনিক

খ) ৰাছেল এজন বিশ্লেষণাত্মক দর্শনৰ প্রৱর্তক।

গ) কৃত্রিম ভাষা দর্শন প্রতীকাত্মক ভাষাৰ লগত জড়িত।

ঘ) পূর্ব উইট্‌গেনষ্টেইন ৰাছেলৰ কৃত্রিম ভাষা বিশ্লেষণৰ দ্বাৰা প্রভাৱিত হৈছিল।

ঙ) ৰাছেল এজন ব্রিটিছ দার্শনিক।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৯০৫ চনত।

৫ নং প্রশ্নৰ উত্তৰ ঃ বহুতো বাক্য পোৱা যায় যিবোৰত নির্দিষ্ট খণ্ড বাক্য থাকে এনেধৰণৰ নির্দিষ্ট বর্ণনাত্মক খণ্ড বাক্যই একো নুসুচায় যদি তেনে বাক্যবোৰৰ এটা সম্পূর্ণ অর্থ থাকে। এই মতবাদটোকে ৰাছেলৰ বর্ণনাত্মক মতবাদ নামেৰে জনা যায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ তিনিটা গোট পোৱা যায়।

৭ নং প্রশ্নৰ উত্তৰ ঃ ফ্রান্সৰ বর্তমান ৰজাজন।

৮ নং প্রশ্নৰ উত্তৰ ঃ বচনাত্মক ফলন হ'ল কিছুমান অনির্দিষ্ট অভিব্যক্তিৰ গাঠনি যিবোৰ অভিব্যক্তিক কিছুমান নির্দিষ্ট অর্থৰে পৰিপূর্ণ কৰিলে একোটা বচনৰ ৰূপ পায়। উদাহৰণ স্বৰূপে-'X' হয় এটা কুকুৰ' এইটো এটা বচনাত্মক ফলন, কাৰণ ইয়াত কোনো সত্যমূল্য আৰোপ কৰা হোৱা নাই। আমি ইয়াৰ 'X' অৰ অর্থ কি নাজানো কাৰণ ওপৰোক্ত ফলনটোত 'X' অক কোনো মূল্য প্রদান Dising fide কৰা হোৱা নাই।

৯ নং প্রশ্নৰ উত্তৰ ঃ ক) মিছা খ) সঁচা গ) সঁচা

১০ নং প্রশ্নৰ উত্তৰ ঃ Waverley ৰ লেখকজন।

১১ নং প্রশ্নৰ উত্তৰ ঃ 'তর্কীয় পৰমাণুবাদ' শব্দটো ৰাছেলে ব্যৱহাৰ কৰিছিল বিশ্বজগতখনৰ বর্ণনা দিবৰ বাবে আৰু তেওঁ কৈছিল যে বিশ্বজগতখন বহুতো তর্কীয় পৰমাণুৰ একত্রিত সংহাতিৰ দ্বাৰা সৃষ্টি হৈছে।

১২ নং প্রশ্নৰ উত্তৰ ঃ ১৯১৮ চনত।

১৩ নং প্রশ্নৰ উত্তৰ ঃ অ'কামৰ ৰেজৰ হৈছে এটা নীতি যাক ১৪ শতিকাৰ তর্কবিদ William of Ockham অৰ ওপৰত আৰোপ কৰা হৈছিল। এই নীতিটোৰে কয় যে সত্বাক

অদৰকাৰীভাৰে বৃদ্ধি কৰিব নালাগে।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাছেলৰ মতে ভাষা আৰু বাস্তৱৰ গাঠনিৰ মাজত এক সাদৃশ্যতা আছে যাৰ বাবে ভাষাই বাস্তাৱক প্ৰকাশ কৰিব পাৰে। এই ভাষা আৰু বাস্তাৱতাৰ মাজত থকা গঠনাত্মক সাদৃশ্যতাক Isomorphism বুলি কোৱা হয়।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক) মিছা খ) মিছা গ) সঁচা।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ সত্যতা ফলন হ'ল এটা যৌগিক বিবৃত্তি যাৰ সত্য মূল্য সেই যৌগিক বচনৰ সৰল উৎপাদন বচনৰ সত্যমূল্যৰ ওপৰত নিৰ্ভৰ কৰে।

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ অ'কামৰ ৰেজৰ।

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ যি বচনত কেৱল এটা সম্বন্ধ বা বিধেয় থাকে তাক পাৰমাণবিক বচন বোলে ।

১৯ নং প্ৰশ্নৰ উত্তৰ ঃ দুটা বা তাতোধিক পাৰমানবিক বচনৰ সংযোগৰ ফলত এটা আনবিক বচন গঠন হয়। 'নাইবা', 'যদি', 'আৰু' আদি শব্দবোৰক তর্কীয় ধ্ৰুৱক বুলি কোৱা হয় আৰু এই তর্কীয় ধ্ৰুৱকবোৰৰ দ্বাৰা দুটা সৰল বচনক তর্কীয়ভাৱে সংযোগ কৰি এটা আনবিক বচন গঠন কৰা হয় ।

২০ নং প্ৰশ্নৰ উত্তৰ ঃ এটা সাধাৰণ বচন হ'ল যিয়ে সত্যফলনৰ সকলোবোৰ সত্যমূল্যৰ সত্যতাক স্বীকাৰ নাইবা অস্বীকাৰ কৰে।

২১ নং প্ৰশ্নৰ উত্তৰ ঃ সেই বস্তুবোৰক আমি ইন্দ্ৰিয়জ সংবেদন বুলি কওঁ যিবোৰক তাৎক্ষণিকভাৱে আমাৰ চেতনাৰে জানিব পাৰো। যেনে— ৰং, শব্দ, গোন্ধ, কঠিনতা।

২২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰং, কোমলতা, কঠিনতা আদি।

২৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাছেলে Hard data ৰে সেইবোৰক বুজায় যিবোৰৰ কঠিন বিষয়ৰ সমাধানৰ ক্ষমতা থাকে। তেওঁ Hard data ক সন্দেহ দুৰ কৰিব পৰা বুলি কয়, এইবোৰ এনেবচন যিবোৰ নিসন্দেহে নিশ্চিত। উদাহৰণ স্বৰূপে-চেতনাৰ বিষয় (আমাৰ নিজৰ ইন্দ্ৰিয়গত তথ্য), তর্কবিজ্ঞানৰ নিয়মসমূহ, শেহতীয়া স্মৃতি, আত্মদর্শন, দেশ আৰু কালৰ সম্পর্ক।

২৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাছেলে Soft Dataৰে সেইবোৰক বুজায় যিবোৰ এই প্ৰক্ৰিয়াৰ কার্যকৰীকৰণৰ ভিতৰত থাকে আৰু কমবেছি পৰিমাণে সন্দেহযুক্ত হয়।



৩.১১ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ বিশ্লেষণাত্মক দর্শনৰ স্তৰ দুটা কি কি?

প্ৰশ্ন ২ ঃ নির্দিষ্ট বর্ণনাত্মক মতবাদৰ দুটা সুবিধা লিখক।

প্রশ্ন ৩ ঃ ভাষা বিশ্লেষণৰ প্রকাৰ দুটা কি কি ?

প্রশ্ন ৪ ঃ সাধাৰণ ভাষা দর্শনৰ প্রৱর্তক কোন ?

প্রশ্ন ৫ ঃ 'Logic as the essence of philosophy' ৰচনাখনৰ লেখক কোন?

প্রশ্ন ৬ ঃ কৃত্রিম ভাষা বিশ্লেষণ বুলিলে কি বুজায়?

প্রশ্ন ৭ ঃ অসম্পূর্ণ প্রতীকৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৮ ঃ Isomorphism কাক বোলে?

প্রশ্ন ৯ ঃ মনোবৈজ্ঞানিক সুখবাদৰ প্রৱর্তকৰ নাম লিখক।

প্রশ্ন ১০ ঃ ইন্দ্রিয়জ তথ্য কাক বোলে?

খ) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ৰাছেলৰ নির্দিষ্ট বর্ণনাত্মক মতবাদৰ সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ২ ঃ বিশ্লেষণাত্মক দর্শন কাক বোলে? চমুকৈ লিখক।

প্রশ্ন ৩ ঃ তথ্য আৰু বচনৰ মাজৰ পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৪ ঃ ইন্দ্রিয় তথ্য কাক বোলে? চমুকৈ লিখক।

প্রশ্ন ৫ ঃ অ'কামৰ ৰেজৰ ওপৰত চমুটোক লিখক।

প্রশ্ন ৬ ঃ Isomorphism ৰ ওপৰত চমুটোকা লিখক।

প্রশ্ন ৭ ঃ কৃত্রিম ভাষা দর্শন আৰু সাধাৰণ ভাষা দর্শনৰ মাজৰ পার্থক্য লিখক।

প্রশ্ন ৮ ঃ নামবাচক বিশেষ্য আৰু বর্ণনাত্মক পদৰ মাজৰ পার্থক্য লিখক।

প্রশ্ন ৯ ঃ 'Hard data', আৰু 'Soft data' ৰ মাজৰ পার্থক্য লিখা।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ৰাছেলৰ তর্কীয় পৰমাণুবাদৰ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ বিভিন্ন প্রকাৰৰ তথ্য আৰু বচনৰ আলোচনা কৰক।

প্রশ্ন ৩ ঃ ৰাছেলৰ ইন্দ্রিয়জ তথ্যৰ ধাৰণাৰ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৪ ঃ তর্কবিজ্ঞানক কিয় দর্শনৰ মাপকাঠী বুলি কোৱা হয়? আলোচনা কৰক।

প্রশ্ন ৫ ঃ তর্কীয় পৰমাণুবাদ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৬ ঃ বিভিন্ন প্রকাৰৰ আনবিক বচন সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৭ ঃ বিশ্লেষণাত্মক দর্শন কাক বোলে? দুই প্রকাৰৰ ভাষা বিশ্লেষণ সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ৰাচেল ঃ নির্দিষ্ট বিৱৰণ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ বাচকৰ ধাৰণা

৪.৪ বাচকীয় বাক্যাংশৰ প্ৰকাৰ

৪.৫ 'The' শব্দটোৰ বিশেষত্ব

৪.৬ ৰাচেলৰ নির্দিষ্ট বিৱৰণ তত্ব (১৯০৫)

৪.৬.১ মেইনঙৰ তত্বৰ আসোঁৱাহসমূহ

৪.৬.২ ব্যক্তিনাম আৰু বিৱৰণ

৪.৬.৩ ফ্রেগেৰ তত্বৰ আসোঁৱাহসমূহ

৪.৬.৪ বিৱৰণ তত্ব

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নির্দিষ্ট বিৱৰণৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- এই তত্বটো গঠন কৰাৰ প্রয়োজনীয়তাখিনি অনুভৱ বর্ণনা কৰিব পাৰিব
- মেইনং আৰু ফ্রেগেৰ তত্ববোৰৰ লগত ৰাচেলৰ তত্ত্বটোৰ এটা তুলনামূলক অধ্যয়ন কৰিব পাৰিব
- বচনৰ ব্যাকৰণিক গঠন আৰু বচনৰ তর্কীয় গঠনৰ মাজত এক পার্থক্য নির্ধাৰণ কৰিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক ব্রট্রাণ্ড ৰাচেলৰ নির্দিষ্ট বিৱৰণ নামৰ প্রখ্যাত তত্বটোৰ লগত পৰিচয় কৰাই দিব। ১৯০৫ চনত ৰাচেলে নির্দিষ্ট বিৱৰণৰ তত্বটো তেওঁৰ "On Denoting" নামৰ বিখ্যাত ৰচনাখনত প্রকাশ কৰিছিল যিখন পোন প্রথমবাৰৰ বাবে "Mind" নামৰ আলোচনীখনত (Journal) প্রকাশ পাইছিল। ১৯৫৬ চনত এই ৰচনাখন পুনৰাই Logic and

Knowledge ত প্রকাশ পাইছিল যাক ৰৰাৰ্ট চালচ মার্চে সম্পাদনা কৰিছিল। তাৰ উপৰিও, ৰাচেলে এই তত্বটো তেওঁৰ The Philosophy of Logical Atorism (১৯১৮) আৰু আনখন গ্রন্থ Introduction to Mathematical Philosophy (১৯১৯) চনটো উদ্ভাৱন কৰিছিল। নির্দিষ্ট বিৱৰণ তত্বটো এক পদ্ধতি যাৰদ্বাৰা কিছুমান আসোঁৱাহপূর্ণ প্রতীক আন কিছুমান প্রতীক বা প্রতীকৰ সমষ্টিৰে স্থলভিষিক্তকৰণ কৰিব পাৰি । স্থলাভিষিক্ত কৰা প্রতীকবোৰে ভাষাৰ লগত জড়িত কিছুমান নিশ্চিত সমস্যাক সমাধান কৰাত সহায় কৰে।

৪.৩ বাচকৰ ধাৰণা

সাধাৰণতে "Denoting" শব্দটো কোনো এটা বস্তু বা বিষয়ক দেখুৱাই দিবলৈ বা বর্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। বা ই সেইবোৰ শব্দক দর্শায় যিবোৰ কিছুমান ধাৰণাৰ বাবে প্রতীক হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু ৰাচেলৰ "Denoting" শব্দৰ ব্যৱহাৰ অর্থৰ ফালৰ পৰা পৃথক কাৰণ ই এক তার্কিক সম্বন্ধ নির্দেশ কৰে। ৰাচেলে তেওঁৰ Principles of Mathematics ত তার্কিক সম্বন্ধ সম্পর্কে কৈছে "..... The fact that description is possible that we are able, by the employment of concepts to designate a thing which is not a concept is due to a logical relation between some concepts and some terms, in virtue of which such condepts inherently and logicaley denote such terms" (পৃষ্ঠা, ৫৩)। ৰাচেলে আকৌ কৈছিল, "A condept denotes when, if it oceure ia a proposition the proposition is not about the concept, but about a term concepted in a certain peculian way with the concept" (পৃষ্ঠা, ৫৩)। ৰাচেলে এটা উদাহৰণ দিছিল যেতিয়া এজন ব্যক্তিয়ে কয়, 'মই এজন মানুহক লগ পাইছিলোঁ'; তেতিয়া এই বচনটো মানুহ নামৰ ধাৰণাটোৰ সম্পর্কে নহয়, কাৰণ 'মানুহ' এটা ধাৰণা আৰু যিয়ে মানুহজনক লগ পাইছিল তেওঁ কোনো মানুহ নামৰ ধাৰণাক লগ পোৱা নাছিল। ব্যক্তিজনে এজন সঁচা মানুহক লগ পাইছিল যাৰ এটা বেংক একাউণ্ট বা এটা ৰাজহুৱা ঘৰ আছে। সেয়েহে ইয়াত 'মানুহ' শব্দটো এটা বাচকীয় ধাৰণা ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত বাক্যবোৰ সঁচা নে মিছা লিখক ।

(ক) বাচকীয় ধাৰণা এক মনস্তাত্বিক সম্বন্ধ (সঁচা/মিছা)

(খ) ৰাচেলে তেওঁৰ নির্দিষ্ট বিৱৰণ তত্বটো ১৯০৫ চনত Mind নামৰ আলোচনীখনত পোন প্রথমবাৰৰ বাবে প্রকাশ পোৱা তেওঁৰ প্রখ্যাত ৰচনা On Denoting ত প্রকাশ কৰিছিল (সঁচা/মিছা)

.....

.....

প্রশ্ন নং ২ ঃ বাচক মানে কি?

.....

.....



চিন্তা চর্চা কৰক ৪.১

কেনেদৰে বাচকৰ তর্কীয় সম্বন্ধক তাৰ মনস্তাত্বিক সম্বন্ধৰ পৰা পৃথক কৰিব পৰা যায়?

৪.৪ বাচকীয় বাক্যাংশৰ প্রকাৰ

এটা বাচকীয় বাক্যাংশৰ দ্বাৰা ৰাচেলে তলৰ যিকোনো এটা বাক্যাংশক বুজাবলৈ চেষ্টা কৰিছিল; এজন মানুহ, কিছুমান মানুহ, যিকোনো মানুহ, প্রত্যেকজন মানুহ, সকলো মানুহ, বর্তমানৰ ইংলেণ্ডৰ ৰজা জন। ফ্রান্সৰ বর্তমানৰ ৰজাজন, সৌৰজগতৰ সমষ্টিৰ কেন্দ্রবিন্দু বিংশ শতিকাৰ প্রথম উদাহৰণ, সূর্যৰ চাৰিওফালে পৃথিৱীৰ আৱর্তন পৃথিৱীৰ চাৰিওফালে সূর্যৰ আৱর্তন। এনেদৰে ৰাচেলৰ বাবে এটা বাক্যাংশই ইয়াৰ গঠনৰ বাবেই কেৱল বাচকক নির্দেশ কৰে। আন কথাত ৰাচেলৰ নির্দিষ্ট বিৱৰণৰ তত্বটো বাচকীয় বাক্যাংশৰ তর্কীয় আকাৰ ব গঠনৰ প্রকাশৰ লগত জড়িত।

ৰাচেলে তিনি প্রকাৰৰ ক্ষেত্রৰ মাজত পার্থক্য নির্ণয় কৰিছে ঃ

(ক) বাচকীয় বাক্যাংশ যিয়ে একোঙ্গকোনো নির্দেশ নকৰে, উদাহৰণস্বৰূপে— 'ফ্রান্সৰ বর্তমানৰ ৰজাজন'।

(খ) বাক্যাংশ যিয়ে এটা নির্দিষ্ট বস্তু নির্দেশ কৰে, উদাহৰণস্বৰূপে— ইংলেণ্ডৰ বর্তমানৰ ৰজা' (যি সময়ত ৰাচেলে লিখিছিল তেতিয়াৰ এডৱার্ড সপ্তম)।

(গ) বাক্যাংশ যিয়ে কিবা ভুল বা আসোঁৱাহপূর্ণ নির্দেশ কৰে উদাহৰণস্বৰূপে— 'এজন মানুহ'।

নির্দিষ্ট বিৱৰণে বাচকীয় বাক্যাংশৰ প্রথম দুটাক সমষ্টিক নির্দেশ কৰে আৰু অনির্দিষ্ট বিৱৰণে তৃতীয় সমষ্টি বা দলক নির্দেশ কৰে। ইয়ে নির্দেশ কৰে যে নির্দিষ্ট বিৱৰণ এনে এক বিৱৰণ য'ত এক নির্দিষ্ট বা নিশ্চিত বিৱৰণ থাকে যেনে "Principles of Mathematics"ৰ লিখক অর্থাৎ ইয়াৰ গঠনটো হ'ল 'এনেকুৱা আৰু এনেকুৱা'!

৪.৫ THE শব্দটোৰ বিশেষত্ব

- ৰাচেলে বাচকৰ বিষয়টোক কেৱল তর্কবিজ্ঞান আৰু গণিতৰ বাবেই নহয়, বৰং জ্ঞানতত্বৰ ক্ষেত্রটো তাক গুৰুত্বপূর্ণ বুলি মত পোষণ কৰিছে। উদাহৰণস্বৰূপে সৌৰজগতৰ সমষ্টিৰ কেন্দ্রবিন্দুটো এটা নির্দিষ্ট স্থিতিত আমি জানো, কিন্তু এই স্থিতিৰ লগত আমাৰ কোনো তাৎক্ষণিক পৰিচয় নাই, তাক কেৱল আমি বিৱৰণৰ জৰিয়তেহে জানিব পাৰো। ৰাচেলে

Logic and Knowledge, "All thinking has to start from acquaintanceÊ, but it snceceds inthinking about many things with which we have no acquaintance" (পৃষ্ঠা, ৮২)

- ৰাচেলে চলক বা ধ্রুৱকক প্রধান বুলি ধৰি লৈছিল। তেওঁ ঘোষণা কৰিছিল যে 'C(x)' টো এক Propositional function য'ত x টো এটা উপাদান, য'ত x নামৰ চলকটো গুৰুত্বপূর্ণভাৱে আৰু সম্পূর্ণভাৱে অনিশ্চিত। এই তর্কীয় সঁজুলিৰ সহায়ত ৰাচেলে, আটাইতকৈ প্রাথমিক বা প্রধান বাচকীয় বাক্যাংশবোৰ য'ত 'সকলোবোৰ', 'কোনো নহয়' আৰু কিছুমান' নামৰ বাক্যাংশবোৰ অন্তর্ভুক্ত হৈ থাকে তাৰ অর্থ ভাঙনি কৰিবলৈ আগবাঢ়ি গৈছিল। তেওঁ এই বাচকীয় বাক্যাংশবোৰক তলত দিয়া ধৰণে অর্থ ভাঙনি কৰিছিল।
  C (সকলোবোৰ) ৰ অর্থ 'C(x) সদায় সঁচা'।
  C (কোনো নহয়) ৰ অর্থ 'C(x) মিছা' সদায় সঁচা'।
  C (কিছুমান)ৰ অর্থ 'C(x) যে মিছা ই মিছা' সদায় সঁচা'।
- ৰাচেলে 'সকলোবোৰ', 'কোনো নহয়' আৰু কিছুমানক অসম্পূর্ণ প্রতীক বুলি গণ্য কৰিছিল। অসম্পূর্ণ প্রতীকৰ দ্বাৰা ৰাচেলে সেইবোৰ প্রতীকক বুজাইছিল যাৰ আনৰ পৰা পৃথক বা বেলেগ হৈ কোনো অর্থ নাথাকে কিন্তু যিয়ে এটা বচনৰ আন আন প্রতীকবোৰৰ লগত সংগতি ৰাখি অর্থ লাভ কৰে। ৰাচেলে এটা উদাহৰণ আগবঢ়াইছিল যদি 'মই অ এজন মানুহ লগ পাইছিলো' নামৰ বচনটো সঁচা হয়, ইয়াৰ অর্থ এইয়ে যে মই কোনোবা এজন নিশ্চিত মানুহক লগ পাইছিলো, কোনো অনিশ্চিত বা অনির্দিষ্ট মানুহক লগ পোৱা নাই। ইয়াক "মই x ক লগ পাইছিলো আৰু x এজন মানুহ" সদায় মিছা বুলি বিশ্লেষণ কৰা হয়। এই বিশ্লেষণটোৱে 'এজন মানুহক' নিজকে নিজেই অর্থহীন কৰি এৰি দিলে, কিন্তু ই সেই সকলোবোৰ বচনকেই অর্থ প্রদান কৰিলে য'ত 'এজন মানুহ' নামৰ মৌখিক কথাষাৰ প্রকাশ পালে।
- ৰাচেলে তাৰ পিছত সেইবোৰ বাক্যাংশক বিশ্লেষণ কৰিলে যিবোৰ 'The' শব্দটো বিৰাজমান। উদাহৰণস্বৰূপে 'দ্বিতীয় চালচৰ পিতৃ নিষ্পাদিত হ'ল'। এই বাক্যাংশাৰীয়ে ইয়াকেই বুজাই যে x নামৰ এজন ব্যক্তি আছে যি দ্বিতীয় চালচৰ পিতৃ আৰু যি নিষ্পাদিত হ'ল। কিন্তু ৰাচেলে কৈছে যে যেতিয়া 'The' শব্দটো কঠিনভাৱে ব্যৱহাৰ কৰা হ'ব, ই তেতিয়া এক বিশেষত্ব অধিকাৰ গ্রহণ কৰে। ইয়াৰ অর্থ এইয়েই যে যেতিয়া আমি বাওঁ দ্বিতীয় চালচৰ পিতৃ' আমি কেৱল এইটোৱেই নুবুজাও যে x ৰ দ্বিতীয় চালচৰ লগত কিবা নিশ্চিত সম্বন্ধ আছে, ইয়াৰ বাহিৰে আন কাৰো এই সম্বন্ধ নাই তেওঁৰ লগত। এতিয়া x দ্বিতীয় চালচৰ পিতৃ 'x এ দ্বিতীয় চালচৰ জন্ম দিছে; আৰু 'যদি y য়ে দ্বিতীয় চালচক জন্ম দিছে বা উৎপন্ন কৰিছে, তেনেহ'লে y, x ৰ লগত একে" এইয়া y ৰ বাবে সদায় সঁচা। ইয়াৰ পৰা বিশ্লেষণৰ এটা বৰ গুৰুত্বপূর্ণ দিশ উন্মোচিত হৈছে যে বিশেষত্বৰ কথা বা গুৰুত্বখিনি 'The' নামৰ শব্দটোৰ বাচকীয় বাক্যাংশৰ দ্বাৰাহে প্রকাশ পাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলত বাক্যবোৰ সঁচা নে মিছা লিখক।

(ক) বাচকীয় বাক্যাংশ দুই প্রকাৰৰ। (সঁচা/মিছা)

(খ) বাচকীয় বাক্যাংশৰ গঠন তলত দিয়া ধৰণৰ 'এনেকুৱা আৰু এনেকুৱা'। (সঁচা/মিছা)

.....

.....

প্রশ্ন নং ৪ ঃ 'The' শব্দটোৰ বিশেষত্ব কোন অর্থত?

.....

.....

প্রশ্ন নং ৫ ঃ বাচকীয় বাক্যাংশৰ প্রকাৰবোৰ কি কি?

.....

.....



চিন্তা চর্চা কৰক ৪.২

আমাৰ চিন্তাধাৰাক আৰম্ভ কৰিবৰ বাবে পৰিচয়ৰ কিয় দৰকাৰ?

৪.৬ ৰাচেলৰ নির্দিষ্ট বিৱৰণ তত্ব (১৯০৫)

The Principles of Mathematics (১৯০৩)ত পোৱা ৰাচেলেৰ বাচকীয় ধাৰণাটো মেইনঙৰ (Meinongian), 'On Denoting' (১৯০৫) নামৰ ৰচনাখনত ৰাচেলে তেওঁৰ তত্বটোক শুধৰনি কৰিছিল আৰু কৈছিল যে তেওঁৰ বাচকীয় ধাৰণাৰ আগৰ (পূর্বৰ তত্বটোৰ প্রকৃত সত্তাৰ অনুভৱখিনিক দেখুৱাবলৈ অসমর্থ হৈছিল যাক একেবাৰে বিমূর্ত অধ্যয়নৰ ক্ষেত্রতো সাঁচি ৰখাৰ প্রয়োজন আছিল। এতিয়া মেইনঙৰ তত্বৰ গাঁথনিৰ আসোঁৱাহবোৰ কি আছিল)।

৪.৬.১ মেইনঙৰ তত্বৰ আসোঁৱাহসমূহ

On Denoting ত ৰাচেলে মেইনংৰ বাচকীয় বাক্যাংশৰ বিশ্লেষণ সম্পর্কে থকা গভীৰ সমস্যাসমূহক আঙুলিয়াই দিছিল। এইয়া বাচকীয় বাক্যাংশবোৰৰ ব্যক্তিৰ মৌখিক প্রকাশবোৰৰ ক্ষেত্রত ঘটা বচনৰ প্রকৃত উপাদানবোৰক গণ্য কৰাৰ ক্ষেত্রত বা ধৰি লোৱাৰ ক্ষেত্রত ঘটা সমস্যা। মেইনেং যিকোনো শুদ্ধ ব্যাকৰণিক বাচকীয় বাক্যাংশক কোনো এটা বস্তুৰ বাবে ব্যৱহাৰ কৰা হয় বুলি গণ্য কৰিছিল। মেইনঙৰ মতে, 'ফ্রান্সৰ বর্তমানৰ ৰজা', 'ঘূৰণীয়া বর্গ' ইত্যাদিক প্রকৃত বস্তু। ৰাচেলে মেইনঙৰ এনেকুৱা তত্বৰ

প্রতি আপত্তি দর্শাইছিল যে ই সত্তাৰ এক মজবুত অর্থক উলংঘন কৰিছে। মেইনেং ভাবিছিল যে যদিও ঘূৰণীয়া বর্গ নামৰ কোনো বস্তু বা পদার্থ নাই, তথাপিও ঘূৰণীয়া বর্গৰ এক সত্তা/আস্তিত্ব আছে। এই সত্ত্বা, তথাপিও মেইনংৰ বাবে অস্তিত্বশীল নহয়। ৰাচেলৰ মতে, মেইনঙৰ অলপ প্রকাৰৰ অস্তিত্বক গণ্য কৰাৰ/ধৰি লোৱা প্রবৃত্তিটো ভুল তলৰ কাৰণবোৰৰ বাবে যদি মেইনংৰ কথাবোৰ মানি লোৱা হয়, 'ঘূৰণীয়া বর্গৰ কোনো অস্তিত্ব নাই" বোলা বচনটোৰ বিশ্লেষণটো আসোঁৱাহপূর্ণ হৈ পৰিব। এই বচনটোৱে বিৰোধৰ নিয়মক উলংঘা কৰিছে। ৰাচেলে কৈছিল যে যদি ঘূৰণীয়া বর্গৰ অস্তিত্ব আছে, তেনেহ'লে 'ঘূৰণীয়া বর্গ' নামৰ শব্দটোৰ দ্বাৰা আমি ধৰি ল'ব লাগিব যে এনেকুৱা এবিধ বস্তু আছে যি ঘূৰণীয়া বর্গকাৰ আৰু একেটা বাক্যতে আমি তাক অস্বীকাৰ কৰিছো যে তাৰ কোনো অস্তিত্ব নাই। একেটা বাক্যতে 'ঘূৰণীয়া বর্গ'ক গ্রহণ কৰা আৰু অস্বীকাৰ কৰা কথাবোৰ আত্ম-বিৰোধিতা বুলি কোৱা হয়।

মেইনঙৰ বিশ্লেষণৰ আসোঁৱাহবোৰ আঙুলিয়াই দিয়াৰ পিছত ৰাচেলে কৈছিল যে শুদ্ধ তর্কীয় বিশ্লেষণৰ অভাৱৰ বাবেই আমি এই সিদ্ধান্তটোলৈ আগবাঢ়ি গৈছো যে অপ্রকৃত বস্তু আছে। ৰাচেলৰ বিশ্লেষণত বচনৰ ব্যাকৰণিক গঠন আৰু বচনৰ তার্কিক গঠনৰ মাজত পার্থক্য আছে। আন কথাত বচনৰ ব্যাকৰণিক গঠন বা প্রকাৰে তাৰ প্রকৃত তর্কীয় গঠন বা প্রকাৰক প্রকাশ নকৰিবও পাৰে। ৰাচেলে তলৰ উদাহৰণটো কৰা আগবঢ়াইছে-

মই জনক লগ পাইছিলো

মই এজন মানুহক লগ পাইছিলো

ৰাচেলৰ মতে এই দুটা বচনৰ গঠনৰ মাজত তর্কীয় পার্থক্য আছে। প্রথম বচনটোৱে এজন প্রকৃত ব্যক্তিৰ নাম প্রকাশ কৰিছে যেনে জন। কিন্তু দ্বিতীয় বচনটোৱে এক Propositional function অন্তর্ভুক্ত কৰিছে যেনে 'মই x লগ পাইছিলো আৰু x এজন মানুহ' মাজে সময়ে সঁচা। এনেদৰে ৰাচেলৰ মতে, এটা সাধাৰণ বাক্যই কিছুমান কথা ব্যক্ত কৰিব পাৰে, কিন্তু প্রকৃততে কোনো কথা নুবুজায়। ৰাচেলে কেৱল Propositional functionৰ মাধ্যমতেই এই বচনবোৰৰ গঠনৰ তর্কীয় পার্থক্যবোৰ দেখুৱাই দিছিল। তলত এটা Propositional function ৰ অর্থ প্রকাশ কৰা হ'ল — এটা Propositional function বা এনে এক অভিব্যাক্তি বুলি সংজ্ঞা দিয়া হয় যিয়ে এক অনিশ্চিত উপাদান সামৰি ৰাখে বা বহুতো অনিশ্চিত উপাদান সামৰি লয় আৰু যেতিয়াই সেই অনিশ্চিত উপাদানবোৰ নিশ্চিত হৈ পৰে তেতিয়াই ই এক বচন হৈ পৰে। উদাহৰণস্বৰূপে x এটা কুকুৰ এটা Propositional function যিহেতু ইয়াত কোনো সত্য মূল্য আৰোপ কৰা হোৱা নাই। যেতিয়ালৈকে 'x' ক কোনো মূল্য আৰোপ কৰা নহয়, তেতিয়ালৈ আমি 'x' ৰ অর্থ বুজি নাপাওঁ ।

৪.৬.২ ব্যক্তি নাম আৰু বিৱৰণ

উপৰোক্ত আসোঁৱাহ বা সমস্যাসমূহক ৰাচেলে নির্দিষ্ট বিৱৰণৰ সজুলি গ্রহণ কৰি তাক এক বিশ্লেষণাত্মক পদ্ধতি হিচাপে ধৰি সমাধান কৰিব বিচাৰিছিল। বিৱৰণৰ তত্বটোৱে ব্যক্তিনাম আৰু বিৱৰণৰ মাজত এক স্পষ্ট পার্থক্য নির্ধাৰণ কৰিছে। ব্যক্তিনাম হ'ল এক সৰল প্রতীক, যিহেতু ই এজন ব্যক্তিক প্রত্যক্ষভাৱে নির্দেশ কৰে আৰু আনৰ পৰা পৃথক হৈয়ো তাৰ অর্থ থাকে। আনহাতে এবিধ বিৱৰণে কোনো ব্যক্তিক প্রত্যক্ষভাৱে নির্দেশ নকৰে। এইবাবেই ৰাচেলে ইয়াক 'অসম্পূর্ণ প্রতীক' বুলি অভিহিত কৰিছে। এটা অসম্পূর্ণ প্রতীক আনৰ পৰা পৃথক হৈ কোনো অর্থ নাথাকে কিন্তু ই আন প্রতীকৰ পৰিপ্রেক্ষিতত অর্থ লাভ কৰে। ৰাচেলৰ মতে 'স্কট' এটা ব্যক্তিনাম, যিহেতু 'স্কট' এটা সৰল প্রতীক। আনহাতে 'ৱেভাৰলিৰ লিখক স্কট' হ'ল এক অসম্পূর্ণ প্রতীক। সেয়েহে 'ৱেভাৰলিৰ লিখক' নামৰ বাক্যাংশই 'স্কট' ক নুবুজায়। তেওঁ আকৌ কৈছিল যে 'স্কট' স্কটেই' আৰু 'স্কটেই ৱেভাৰনিৰ লিখক/প্রণেতা' দুয়োবিধ পৃথক বচন আৰু এইয়া এইবাবেই হৈছে যে 'স্কট' নামৰ ব্যক্তিনামে আৰু 'ৱেভাৰলিৰ লিখক/প্রণেতা' দুয়োবিধ বাক্যাংশই তর্কীয়ভাৱে বেলেগ বেলেগ ভূমিকা পালন কৰি আছে। তাৰ উপৰিও তেওঁ কৈছিল যে যদি 'স্কট'ক 'ৱেভাৰলিৰ লিখক/প্রণেতা'ৰ লগত একে বুলি কোৱা হয়, তেনেহ'লে ইয়াৰ পৰা নিঃসৃত হোৱা বচনটো হ'ব 'স্কট স্কটেই' যি এক স্বতঃসত্য বচন হ'ব। চতুর্থ ৰজা জর্জে এইয়া জানিব বিচাৰিছিল যে স্কট ৱেভাৰলিৰ লিখক/প্রণেতা আছিল নে নাই চতুর্থ জর্জে নিশ্চিতভাৱে এইটো জানিবলৈ বিচৰা নাছিল যে স্কট স্কটেই আছিল নে নাই।

৪.৬.৩ ফ্রেগেৰ তত্বৰ আসোঁৱাহসমূহ

ফ্রেগে ওপৰোক্ত সমস্যাবোৰক অর্থ (Meaning) আৰু সহায়ক বা বাচক (Denotalion)ৰ মাজৰ এক পার্থক্যৰ দ্বাৰা সমাধান কৰিব বিচাৰিছিল। তেওঁৰ মতে, আমি যেতিয়া কম যে স্কট ৱেভাৰনিৰ লিখক/প্রণেতা, তেতিয়া 'স্কট' আৰু ৱেভাৰলিৰ লিখক এই দুয়োটাৰে বেলেগ বেলেগ অর্থ আছে কিন্তু সিহঁতৰ নির্দেশনা বা বাচক একেই যেনে স্কট কিন্তু এই তত্বটোৰ কোনো সন্তুষ্টিপূর্ণ সন্তোষজনক উপায় নাই তেনেবোৰ ক্ষেত্রৰ লগত তেনেবোৰ ক্ষেত্র উদাহৰণক সমাধান কৰিবলৈ য'ত এটা বাচকীয় বাক্যাংশৰ বা প্রকাশৰ কোনোপধ্যেই কোনো ধৰণৰ বাচক বা নির্দেশিত বস্তু নাথাকে। উদাহৰণস্বৰূপে যদি আমি শ্রীমান স্মিথৰ একমাত্র পুত্রৰ কথা কৈ আছো য'ত ই বুজাব যে হয়তো শ্রীমান স্মিথৰ এজনতকৈ বেছি পুত্র আছে বা তেওঁৰ মুঠেও কোনো পুত্র নাইয়েই তেনেহ'লে শ্রীমান স্মিথৰ একমাত্র পুত্র' বোলা কথাযাৰৰ অর্থ

কি ? ফ্লেগে এনে ক্ষেত্রত কৈছিল যে ইয়াত শ্রীমান স্মিথ'ৰ একমাত্র পুত্র বোলা বাক্যাংশই শ্রীমান স্মিথৰ পুত্রৰ সেই শ্রেণীটোক নির্দেশ কৰিব যক্সত তেওঁ যদি কোনো পুত্র নাথাকে, তেনেহ'লে সি এক ৰিক্ত সংহতি হ'ব। কিন্তু ইয়াত এটা সমস্যাৰ সৃষ্টি হ'ব যেনে যদি আমি ফ্রান্সৰ বর্তমানৰ ৰজা কথাষাৰক গণ্য কৰো যিয়ে এক ৰিক্ত সংহতি নির্দেশ কৰিছে, তেনেহ'লে, 'ফ্রান্সৰ বর্তমানৰ ৰজাজন টপা' আৰু 'ফ্রান্সৰ বর্তমানৰ ৰজাজন টপা নহয়' দুয়োবিধ বচনেই সঁচা বুলি প্রমাণিত হক্সব কাৰণ ৰিক্ত সংহতি সকলো শ্রেণীৰ মাজতেই অন্তর্ভুক্ত বুলি কোৱা হয়। এনেদৰে ফ্রেগেৰ বিশ্লেষণে অসংখ্য সমস্যাৰ সৃষ্টি কৰিছিল। ৰাচেলে এই সমস্যাবোৰৰ তেওঁৰ নির্দিষ্ট বিৱৰণৰ তত্বৰ দ্বাৰা সমাধান কৰিব বিচাৰিছিল।

৪.৬.৪ বিৱৰণ তত্ব

ৰাচেলে তেওঁৰ বিৱৰণ তত্বটো কিছুমান দার্শনিক সমস্যা সমাধান কৰিবলৈ গঠন কৰিছিল। ৰাচেলে এটা বাক্য সম্পর্কে দিয়া বিখ্যাত ব্যাখ্যা য'ত এক নির্দিষ্ট বিৱৰণ নিহিত হৈ থাকে যিয়ে একো নির্দেশ নকৰে সেয়া আছিল 'ফ্রান্সৰ বর্তমানৰ ৰজাজন টপা'। এই বাক্যশাৰীত পোৱা বিৱৰণাত্মক বাক্যংশ বা নির্দিষ্ট বিৱৰণটো হ'ল 'ফ্রান্সৰ বর্তমানৰ ৰজা'। আমি জানো যে ফ্রান্সত বর্তমানে কোনো ৰাজতন্ত্র নাই আৰু সেয়েহে উপৰোক্ত বাক্যাংশই একো নুবুজায়/নির্দেশ নকৰে। ৰাচেলে আঙুলিয়াই দিছিল যে এনেধৰণৰ বাক্যবোৰত কেৱল বাচক বা বাচকীয় কার্যৰ দ্বাৰা নির্দিষ্ট বিৱৰণে প্রকৃত ধৰণে কাম কৰিব নোৱাৰে। ৰাচেলৰ মতে, 'ফ্রান্সৰ বর্তমানৰ ৰজাজন টপা' নামৰ বচনটোক তলত দিয়া তিনিধৰণৰ বচনৰ সমষ্টি বুলি ক'ব পাৰি। এই তিনিপ্রকাৰৰ বচন হ'ল —

(ক) বর্তমানে ফ্রান্সত অন্ততঃ এনেকুৱা এজন ব্যক্তি আছে যিয়ে ফ্রান্সত শাসন কৰে।

(খ) বর্তমানে ফ্রান্সত মুঠতে এনেকুৱা এজন ব্যক্তি আঠে যিয়ে তাত শাসন কৰে।

(গ) ফ্রান্সত যিয়েই শাসন নকৰক কিয় তেওঁ টপা। তেতিয়া 'ফ্রান্সৰ বর্তমানৰ ৰজাজন টেপা' নামৰ প্রকৃত বাক্যশাৰীক এনেকুৱা তিনিটা বচনলৈ অনুবাদ কৰা হ'ল তেতিয়া 'ফ্রান্সৰ বর্তমানৰ ৰজা' নামৰ উপাদানবিধ নোহোৱা হৈ গ'ল। আমি প্রত্যক্ষ কৰিলো যে বাক্যটোক এটা Propositional function এ আঁতৰাই পেলাইছে যিটো কোনো টা মূল্যৰ দ্বাৰা সন্তুষ্ট নহয় আৰু সেয়েহে ই মিছা (The Propesitional function is x reight at present in France'. Here no replacement of the variable x by any value will result in a true proposition) ৰাচেলে দেখুৱাই দিছিল যে কিছুমান নির্দিষ্ট বাক্যাংশ যেনে 'ৱেভাৰলিৰ প্রণেতা/লিখক' বাক্যত নাম হিচাপে ব্যৱহাৰ হয়, কিন্তু

এনেবোৰ বাক্যাংশ বিশ্লেষণৰ পিছত অদৃশ্য হৈ যায়। তেওঁ এনেকুৱা বাক্য শব্দবোৰক 'অসম্পূর্ণ প্রতীক' বুলি কয় যাৰ পৃথক বেলেগ হৈ থাকিলে কোনো অর্থ নাতি নাথাকে আৰু কেৱল এটা বাক্যত ব্যৱহাৰ হোৱাৰ পিছতহে ই অর্থপূর্ণ হয়। তাৰ এই তত্বটোৰে ৰাচেলক প্রকৃত নঞর্থক (Existential) বিচাৰবোৰক আলোচনা কৰাত সহায় কৰিছিল। এটা বিখ্যাত নঞর্থক (Existential) বিচাৰ হ'ল "সোণৰ পাহাৰৰ কোনো অস্তিত্ব নাই"। এই নঞর্থক (Existential) বিচাৰটোক ৰাচেলৰ মতে কোনো এনেকুৱা বাক্য হিচাপে বুজিব নোৱাৰি যাৰ কোনো অস্তিত্ব নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ তলত বাক্যবোৰ সঁচা নে মিছা লিখক ।

(ক) মেইনংৰ মতে প্রত্যেকটো বাচকীয় বাক্যাংশই কোনো বস্তুক নির্দেশ কৰে। (সঁচা/মিছা)

(খ) ৰাচেলৰ মতে, এটা বচনৰ ব্যাকৰণিক গঠনটো তাৰ তর্কীয় গঠনৰ পৰা ভিন্ন। (সঁচা/মিছা)


(গ) ৰাচেলৰ মতে, ব্যক্তিনাম এক জটিল প্রতীক। (সঁচা/মিছা)

(ঘ) ফ্লেগৰ মতে, অর্থ আৰু বাচক একেই। (সঁচা/মিছা)

প্রশ্ন নং ৭ ঃ ব্যক্তিনাম আৰু বিৱৰণৰ মাজৰ পার্থক্যটো কি?

.....

.....



চিন্তা চর্চা কৰক ৪.৩

অসম্পূর্ণ প্রতীকবোৰক জটিল বুলি গণ্য কৰাটো প্রয়োজনীয় নে কি?



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নির্দিষ্ট তত্বটো এনে এক পদ্ধতি যাৰ দ্বাৰা কিছুমান আসোঁৱাহপূর্ণ প্রতীকক আন কিছুমান প্রতীক বা প্রতীকৰ সমষ্টিৰ দ্বাৰা আঁতৰ কৰিব পাৰি। আঁতৰ কৰা বা স্থলাভিষিক্তকৰা প্রতীকবোৰে ভাষাৰ লগত জড়িত কিছুমানঙ্গকেতবোৰ বিৰোধ সমাধান কৰিবলৈ চেষ্টা কৰে। ৰাচেলে আকৌ কৈছিল ঃ "A condept denotes when, if it oceure ia a

proposition the proposition is not about the concept, but about a term concepted in a certain peculian way with the concept" (পৃষ্ঠা, ৫৩)।

- ৰাচেলে বাচকীয় বাক্যাংশৰ তিনি প্ৰকাৰৰ মাজত পার্থক্য নির্ণয় কৰিছে—
  (ক) বাচকীয় বাক্যাংশ যিয়ে একোঙ্গকোনো নির্দেশ নকৰে।
  (খ) বাক্যাংশ যিয়ে এটা নির্দিষ্ট বস্তু নির্দেশ কৰে।
  (গ) বাক্যাংশ যিয়ে কিবা ভুল বা আসোঁৱাহপূর্ণ নির্দেশ কৰে উদাহৰণস্বৰূপে— 'এজন মানুহ'।

  নির্দিষ্ট বিৱৰণে বাচকীয় বাক্যাংশৰ প্ৰথম দুটাক সমষ্টিক নির্দেশ কৰে আৰু অনির্দিষ্ট বিৱৰণে তৃতীয় সমষ্টি বা দলক নির্দেশ কৰে। ইয়ে নির্দেশ কৰে যে নির্দিষ্ট বিৱৰণ এনে এক বিৱৰণ যক্সত এক নির্দিষ্ট বা নিশ্চিত বিৱৰণ থাকে যেনে "Principles of Mathematics" ৰ লিখক অর্থাৎ ইয়াৰ গঠনটো হ'ল 'এনেকুৱা আৰু এনেকুৱা'।
- ৰাচেলে কৈছিল যে যেতিয়া 'The' শব্দটো কঠিনভাৱে ব্যৱহাৰ কৰা হয়, ই এক বিশেষত্ব অধিকাৰ কৰে। ইয়াৰ অর্থ এইয়েই যে যেতিয়া আমি বাওঁ 'x দ্বিতীয় চালচৰ পিতৃ' আমি কেৱল এইটোৱেই নুবুজাও যে x ৰ দ্বিতীয় চালচৰ লগত কিবা নিশ্চিত সম্বন্ধ আছে, ইয়াৰ বাহিৰে আন কাৰো এই সম্বন্ধ নাই
- মেইনেং যিকোনো ব্যাকৰণিক বাচকীয় বাক্যাংশক কোনো এটা বস্তুৰ বাবে ব্যৱহাৰ কৰা হয় বুলি গণ্য কৰিছিল। সেইবাবে, মেইনংৰ মতে, 'ফ্ৰান্সৰ বর্তমানৰ ৰজা', 'ঘূৰণীয়া বর্গ' ইত্যাদিক প্ৰকৃত বস্তু। ৰাচেলে মেইনংৰ এনেকুৱা তত্বৰ প্ৰতি আপত্তি দর্শাইছিল যে ই সত্তাৰ এক মজবুত অর্থক উলংঘন কৰিছে।
- মেইনঙৰ বিশ্লেষণৰ আসোঁৱাহবোৰ আঙুলিয়াই দিয়াৰ পিছত ৰাচেলে কৈছিল যে শুদ্ধ তর্কীয় বিশ্লেষণৰ অভাৱৰ বাবেই আমি সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আগবাঢ়ো যে অপ্ৰকৃত বস্তু আছে।
- বিৱৰণ সন্নিবিষ্ট বচনসমূহ মুলতঃ (Typically) মানদণ্ডমূলক উদ্দেশ্য বিধেয় আকাৰত দেখা পোৱা যায়। কিন্তু ৰাচেলৰ বিশ্লেষণত তিনিটা বচন আকাৰত বেলেগ বেলেগ বা পৃথক পৃথক হিচাপে দেখা দিয়ে। আন কথাত, বচনৰ ব্যাকৰণিক আকাৰে ইয়াৰ প্ৰকৃত আকাৰক প্ৰকাশ নকৰিবও পাৰে।
- বিৱৰণ তত্বটোৱে ব্যক্তিনাম আৰু বিৱৰণৰ মাজত এক স্পষ্ট পার্থক্য নির্ধাৰণ কৰিছে। ব্যক্তিনাম হ'ল এক সৰল প্ৰতীক, যিহেতু ই এজন ব্যক্তিক প্ৰত্যক্ষভাৱে নির্দেশ কৰে আৰু আনৰ পৰা পৃথক হৈয়ো তাৰ অর্থ থাকে। আনহাতে এবিধ বিৱৰণে কোনো ব্যক্তিক প্ৰত্যক্ষভাৱে নির্দেশ নকৰে। এইবাবেই ৰাচেলে ইয়াক 'অসম্পূর্ণ প্ৰতীক' বুলি অভিহিত কৰিছে। এটা অসম্পূর্ণ প্ৰতীক আনৰ পৰা পৃথক হৈ কোনো অর্থ নাথাকে কিন্তু ই আন প্ৰতীকৰ পৰিপ্ৰেক্ষিতত অর্থ লাভ কৰে। ৰাচেলৰ মতে 'স্কট' এটা ব্যক্তিনাম, যিহেতু 'স্কট' এটা সৰল প্ৰতীক। আনহাতে 'ৱেভাৰলিৰ লিখক স্কট' হ'ল এক অসম্পূর্ণ প্ৰতীক।

- ফ্রেগে ওপৰোক্ত সমস্যাবোৰক অর্থ (Meaning) আৰু সহায়ক বা বাচক (Denotalion) ৰ মাজৰ এক পার্থক্যৰ দ্বাৰা সমাধান কৰিব বিচাৰিছিল। তেওঁৰ মতে, আমি যেতিয়া কম যে স্কট ৱেভাৰলিৰ লিখকঙ্গপ্রণেতা, তেতিয়া 'স্কট' আৰু ৱেভাৰলিৰ লিখক এই দুয়োটাৰে বেলেগ বেলেগ অর্থ আছে কিন্তু সিহঁতৰ নির্দেশনা বা বাচক একেই যেনে স্কট কিন্তু এই তত্বটোৰ কোনো সন্তুষ্টিপূর্ণ সন্তোষজনক উপায় নাই তেনেবোৰ ক্ষেত্রৰ লগত তেনেবোৰ ক্ষেত্র উদাহৰণক সমাধান কৰিবলৈ য'ত এটা বাচকীয় বাক্যাংশৰ বা প্রকাশৰ কোনোপধ্যেই কোনো ধৰণৰ বাচক বা নির্দেশিত বস্তু নাথাকে।
- ৰাচেলৰ মতে, 'ফ্রান্সৰ বর্তমানৰ ৰজাজন টপা' নামৰ বচনটোক তলত দিয়া তিনিধৰণৰ বচনৰ সমষ্টি বুলি ক'ব পাৰি। এই তিনিপ্রকাৰৰ বচন হ'ল—
  (ক) বর্তমানে ফ্রান্সত অন্ততঃ এনেকুৱা এজন ব্যক্তি আছে যিয়ে ফ্রান্সত শাসন কৰে।
  (খ) বর্তমানে ফ্রান্সত মুঠতে এনেকুৱা এজন ব্যক্তি আঠে যিয়ে তাত শাসন কৰে।
  (গ) ফ্রান্সত যিয়েই শাসন নকৰক কিয় তেওঁ টপা।
- এই তত্বটোৰে ৰাচেলক 'ৱেভাৰলিৰ লিখক প্রণেতা স্কট' নামৰ বচনটোক সাদৃশ্যমূলক বাক্যতকৈ (Identity Statements) আন বচন বুলি বুজিবলৈ সক্ষম কৰি তোলে।



৪.৮ অধিক জানিবলৈ

1) Russell, B. 1937, Principles of Mathematics, 2nd edition, Routledge, Condon and New York.
2) Russell, B. 1972, Our Knowledge of the External World, Sixth lonpression, George Allen & Ohain Ltd. London.
3) Russell, B. 1997, My Philosophical Development, Routirdge London and New York.
4) Russell, B. 2002, History of Western Philosophy Routkdge, New York.
5) Russell, B. 2004, R. C. Marsh (ed.) Logic and Knowledge, Rautledge, 29, west 35 street, London and New York.
6) Urnsen, J.O. 1956, Philosophical Analysis, Oxford University Press, London.
7) Wood, A, 1999, 'Russells Philosophy - A study of its Development; in A.D. Irivine (ed.), Bertrand Russell. Critical Assessments, Volume 1 - Life, Work and infocuse, Routledge London & New York.



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) মিছা, (খ) সঁচা।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰাচেলৰ মতে এটা ধাৰণাই তেতিয়াহে বাচকক নির্দেশ কৰে যদিহে ই বচনত প্রকাশ পায়, সেই বচনটো ধাৰণাটো সম্পর্কে বচন নহয়। কিন্তু ধাৰণাটোৰ লগত এক বিশেষ ধৰণেৰে সম্বন্ধিত এটা পদৰ বিষয়েহে হয় (পৃষ্ঠা, ৫৩) উদাহৰণস্বৰূপে, যেতিয়া এজন মানুহে কয়, 'মই এজন মানুহক লগ পাইছিলো'; এই বচনটো মানুহ নামৰ ধাৰণাটোৰ সম্পর্কে নহয়, কাৰণ 'মানুহ' এটা ধাৰণা আৰু যিজন মানুহে এজন মানুহক লগ পাইছিল তেওঁ মানুহ নামৰ ধাৰণাক লগ পোৱা নাছিল। ব্যক্তিজনে প্রকৃত মানুহক লগ পাইছিল যাৰ এটা বেংক একাউণ্ট আছে আৰু এটা ৰাজহুৱা ঘৰ আছে। সেয়েহে 'মানুহ'ৰ ধাৰণাটো এক বাচকীয় ধাৰণা।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) মিছা, (খ) সঁচা।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰাচেলে কৈছে যে যেতিয়া 'The' শব্দটো কঠিনভাৱে ব্যৱহাৰ কৰা হয়, ই এক বিশেষত্ব অধিকাৰ গ্রহণ কৰে। ইয়াৰ অর্থ এইয়েই যে যেতিয়া আমি কওঁ 'x দ্বিতীয় চালচৰ পিতৃ' আমি কেৱল এইটোৰেই নুবুজাও যে x ৰ দ্বিতীয় চালচৰ লগত কিবা নিশ্চিত সম্বন্ধ আছে, ইয়াৰ বাহিৰে আন কানো তেওঁৰ লগত এই সম্বন্ধ নাই । এতিয়া x দ্বিতীয় চালচৰ পিতৃ 'x এ দ্বিতীয় চালচক জন্ম দিছে; আৰু 'যদি y য়ে দ্বিতীয় চালচক জন্ম দিছে বা উৎপন্ন কৰিছে, তেনেহ'লে y, x ৰ লগত একে' এইয়া y ৰ বাবে সদায় সঁচা।

৫ নং প্রশ্নৰ উত্তৰ ঃ তিনি প্রকাৰৰ বাচকীয় বাক্যাংশ আছে, সেইবোৰ হ'ল—

(ক) বাচকীয় বাক্যাংশ যিয়ে একোঙ্গকোনো নির্দেশ নকৰে, উদাহৰণস্বৰূপে— 'ফ্রান্সৰ বর্তমানৰ ৰজাজন'।

(খ) বাক্যাংশ যিয়ে এটা নির্দিষ্ট বস্তু নির্দেশ কৰে, উদাহৰণস্বৰূপে- ইংলেণ্ডৰ বর্তমানৰ ৰজা' (যি সময়ত ৰাচেলে লিখিছিল তেতিয়াৰ এডৱার্ড সপ্তম)।

(গ) বাক্যাংশ যিয়ে কিবা ভুল বা আসোঁৱাহপূর্ণ নির্দেশ কৰে উদাহৰণস্বৰূপে 'এজন মানুহ'।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) সঁচা, (খ) সঁচা,

(গ) মিছা, (ঘ) মিছা।

৭ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিনাম এটা সৰল প্রতীক, যিহেতু ই এজন ব্যক্তিক প্রত্যক্ষভাৱে নির্দেশ কৰে আৰু পৃথকীকৰণৰ পৰা ইয়াৰ অর্থ থাকে। আনহাতে এটা বিৱৰণে কোনো ব্যক্তি বা বস্তুক প্রত্যক্ষভাৱে নির্দেশ নকৰে।



৪.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰাচেলে কিয় বাচকৰ সম্বন্ধটোক এটা তৰ্কীয় সম্বন্ধ হিচাপে গণ্য কৰিছে?

প্ৰশ্ন ২ ঃ ৰাচেলৰ নির্দিষ্ট বিৱৰণৰ তত্বটো পোন প্ৰথমবাৰৰ বাবে কোন চনত প্ৰকাশ পাইছিল?

প্ৰশ্ন ৩ ঃ ব্যক্তি নামক কিয় সৰল প্ৰতীক হিচাপে গণ্য কৰা হয়?

প্ৰশ্ন ৪ ঃ বিৱৰণক কিয় এক জটিল প্ৰতীক হিচাপে গণ্য কৰা হয়?

প্ৰশ্ন ৫ ঃ Propositional function কাক বোলে?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ মেইনেং কেনেকৈ বাচকীয় বাক্যাংশক বিশ্লেষণ কৰিছে?

প্ৰশ্ন ২ ঃ ফ্ৰেগে কেনেকৈ বাচকীয় বাক্যাংশক বিশ্লেষণ কৰিছে?

প্ৰশ্ন ৩ ঃ ৰাচেলে কেনেকৈ ফ্ৰান্সৰ বৰ্তমানৰ ৰজাজন টপা বচনটোক বিশ্লেষণ কৰিছে?

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰাচেলৰ নির্দিষ্ট বিৱৰণৰ তত্বটো আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মেইনঙৰ বিৱৰণ তত্ব আৰু ৰাচেলৰ বিৱৰণ তত্বৰ মাজৰ পার্থক্যবোৰ কি কি?

প্ৰশ্ন ৩ ঃ বাচকীয় বাক্যাংশৰ বিশ্লেষণৰ বিষয়ত ৰাচেল ফ্ৰেগেৰ পৰা কেনেকৈ পৃথক?

*** ***** ***

অধ্যায় ৫ ঃ G. E MOORE-ৰ ভাৱবাদৰ প্ৰত্যাখান

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ মুৰ্ৰ ভাৱবাদৰ প্ৰত্যাখান

৫.৩.১ কাণ্টৰ ভাৱবাদৰ ওপৰত মুৰ্ৰ সমালোচনা

৫.৩.২ 'The Refutation of Idealism (ভাৱবাদ প্ৰত্যাখান)

৫.৩.৩ পূৰ্ণ আদৰ্শবাদ বা ভাৱবাদৰ ওপৰত মুৰ্ৰ সমালোচনা

৫.৪ সমালোচনা

৫.৫ সমাপন

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্ৰগতিৰ খতিয়ান

৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৱবাদ আৰু ইয়াৰ মুখ্য নীতিসমূহৰ সংজ্ঞা দিব পাৰিব
- কাণ্টৰ ভাৱবাদৰ সমালোচনাৰ ওপৰত মুৰ্ৰ এক সমীক্ষা লাভ কৰিব পাৰিব
- "esse-est-percipt"-ৰ বিভিন্ন অৰ্থসমূহৰ সংজ্ঞা দিব পাৰিব
- মুৰ্ৰ বস্তু আৰু সংবেদনৰ বস্তুৰ মাজত কৰা পাৰ্থক্যৰ বিষয়ে জানিব পাৰিব
- মুৰ্ৰ পূৰ্ণ ভাৱবাদ সমালোচনাৰ এক সমীক্ষা লাভ কৰিব।

৫.২ পৰিচয়

জি.ই মুৰ্ৰ ভাৱবাদৰ প্ৰত্যাখান কাণ্টৰ ভাৱবাদৰ ক্ষেত্ৰত তেওঁ কৰা প্ৰতিক্ৰিয়াৰ দ্বাৰা উদ্ভৱ হৈছিল। তেওঁ যুক্তি দৰ্শাইছিল যে ব্যৱহাৰিক বুদ্ধিৰ অভিজ্ঞতা পূৰ্ব (a-priori) নীতিৰ ভেঁটিত প্ৰতিষ্ঠিত ৰূপে কাণ্টৰ নৈতিকতা সম্পৰ্কীয় ধাৰণা গ্ৰহণযোগ্য Bradely আৰু (Mc Taggert) য়ে সমৰ্থন কৰিছিল। এইসকল দাৰ্শনিকৰ কৰ্মৰাজিৰ সৈতে মুৰ্ পৰিচিত আছিল। ভাৱবাদৰ বিপক্ষে মুৰ্ৰ আটাইতকৈ বিখ্যাত যুক্তি তেওঁৰ লেখনি 'The Refulation of Idealism' ত সন্নিৰিষ্ট হৈ আছে। ই হৈছে এটা দাবীৰ বিপক্ষে এক যুক্তি, মুৰ্ৰ মতে সকলো ভাৱবাদী দাৰ্শনিকে নিজৰ স্থানত এই দাবী প্ৰয়োজনীয় বুন্দল ধাৰণা কৰে যে "esse-est-percipi"

(প্ৰত্যক্ষতে ইতি বিদ্য)। অৰ্থাৎ "to be perceived"। মুৰে তেওঁৰ লেখত প্ৰমাণ কৰিব বিচাৰিছে যে, এই দাবী সকলো অৰ্থৰ পিনৰ পৰা ভুল। তেওঁৰ পূৰ্ণ ভাববাদ নাইবা অদ্বৈতবাদৰ দৰ্শন দিয়ে বৃটিছ ভাববাদক নিৰ্দেশ কৰে, তাক প্ৰত্যাখান কৰাটোৱেই মূৰৰ ভাবাদৰ বিপক্ষে অগ্ৰিম প্ৰতিক্ৰিয়া। তেওঁ যুক্তি আগবঢ়ায় যে জৈবিক সমগ্ৰতাৰ ভাববাদী ধাৰণা আত্ম বিৰোধী আৰু ইয়াৰ আন্তৰিক সম্বন্ধত এক ভৰ্কীয় শাস্তি নিহিত থাকে।

৫.২.১ জি. ই. মু

অ এডবার্ড মুখ হৈছে কুৰি শতিকাৰ প্ৰথমার্চ (১৮৭৩-১৯৫৮)ৰ এজন গুৰুত্বপূৰ্ণ দার্শনিক তেওঁ কেম্ব্ৰিজৰ ট্ৰিনিটি মহাবিদ্যালয়ৰ দার্শনিক সকলৰ ত্ৰিমুৰ্ত্তিৰ মাজৰ এজন (বাকী দুজন বাট্টাণ্ড ৰাছেল আৰু উট্গেন্ণ্টাইন) আছিল, যিয়ে দৰ্শনত বিশ্লেষণাত্মক পৰম্পৰাটোক সংস্থাপন কৰিছিল। তেওঁ কেমব্ৰিজ বিশ্ববিদ্যালত দৰ্শনৰ প্ৰফেচাৰ আছিল আৰু প্ৰভাৱশালী পত্ৰিকা (Mind)-ৰ সম্পাদক আছিল। মুখৰ বিখ্যাত লেখনি 'The Refutation of Idealism' (১৯০৩) মূলগতভাবে প্ৰকাশিত হৈছিল ১৯০৩ চনত (Mind) অত। ই মুৰৰ ভাৱনানৰ আটাইতকৈ বিখ্যাত সমালোচনা আছিল। মূৰৰ আটাইতকৈ বিখ্যাত কৰ্মৰাজিত সন্নিবিষ্ট হৈ আছে তেওঁৰ গ্ৰন্থ 'Principia Ethica' (1903) আৰু 'A Defence of Common Sense' (1925) আৰু 'A Proof of the External World' (1939)।

৫.২.২ ভাববাদ বা আদর্শবাদ

ভাগাদ হৈছে এক দার্শনিক মতবাদ, যিয়ে সাব্যস্ত কৰে যে সত্যত বা সত্ত্বা মূলতঃ মনোগত অবস্তুগত ভাববাদীসকলে পোষণ কৰে যে জ্ঞান মন-বহির্ভুত নহয়। তেওঁলোকে আদর্শ নাইবা আধ্যাত্মিকতা মহত্বপূৰ্ণ গুৰুত্ব নিৰ্দ্ধাৰণ কৰে। ভাববাদ বিভিন্ন প্ৰকাৰৰ আছে যেনো আত্মগত ভাববাদ, বস্তুগত ভাববাদ, পূৰ্ণ ভাববাদ আৰু অতীন্দ্ৰিয় ভাৱবাদ। কাণ্টৰ পৰা আৰম্ভ কৰি হেগেল, ফিটে। চেলিং, চ'পৈনহৰ্ৱৰ দৰে জার্মান ভাববাদীসকলে ১৯ শতিকাৰ দর্শনত প্ৰভুত্ব বিস্তাৰ কৰি আছিল। সকলো সংবৃতিৰ মানসিক নাইবা (আদর্শ)ৰ বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা এই পৰম্পৰাই বৃটিছ ভাববাদৰ পৰা সংবৃতিবাদলৈ আৰু তাৰ পাছত অস্তিত্ববাদলৈকে ভাববাদ নাইবা আদ্মবাদী দার্শনিক শাখাবোৰ জন্ম দিছিল।

৫.৩ মুৰ্ৰ ভাৱবাদৰ প্ৰত্যাখান

বৃটিছ দর্শনত প্ৰভুত্ব বিস্তাৰ কৰি থকা ভাববাদৰ প্ৰতি সুৰ এজন বিৰোধী দার্শনিক আছিল। তেওঁ বিশ্বাস কৰে যে ভাৱবাদীসকলৰ শিবিৰত বহু বেছি নির্বিচাৰবাদী নিষ্ক্ৰিয়তা আছে।

তেওঁৰ দাৰ্শনিক বিকাশৰ এটা আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ আছিল ভাববাদৰ পৰা তেওঁৰ প্ৰস্থান। ভাববাদৰ বিপক্ষে তেওঁৰ বিদ্ৰোহ আৰম্ভ হৈছিল ১৮৯৮ চন আৰু ১৯০৩ চনৰ মাজৰ সময়ছোৱাত যেতিয়া মুৰে তেওঁৰ প্ৰথম মুখ্য ভাববাদী বিৰোধীৰচনা বিশেষকৈ 'The Nature of Judgement' (1899) ক প্ৰকাশ কৰিছিল, যাক বহুলভাৱে দেখা পোৱা গৈছিল ১৮৯৮ চনত প্ৰকাশিত তেওঁৰ নিবন্ধ আৰু 'The Refutation of Idalism' (1903) 'External and Internal Relations' (1919) শীৰ্ষক লেখত তেওঁৰ ভাৱবাদৰ প্ৰতি অন্তিম সমালোচনাত্মক প্ৰতিক্ৰিয়াক দেখিবলৈ পোৱা যায়।

৫.৩.১ কাণ্টৰ ভাববাদৰ ওপৰত মুৰ্ৰ সমালোচনা

মুৰ আছিল কাণ্টৰ ভাৱবাদৰ সমালোচক। তেওঁ কাণ্টক এহাতে "অৱধাৰণ গঠনৰ মানসিক শক্তি আৰু অনুমান" আৰু আনহাতে 'সত্যতা আৰু বস্তুগততা'ৰ মাজৰ পাৰ্থক্যক অস্পষ্ট কৰা বুলি অভিযুক্ত কৰিছে। প্ৰথমটো মানসিক আৰু দ্বিতীয়টো বুদ্ধিগত আৰু বস্তুবত। অৰ্থাৎ, ই হৈছে এহাতে চিন্তা আৰু আনহাতে যি বস্তুগত নাইবা প্ৰকৃতৰ মাজৰ পাৰ্থক্য। মুৰে পোষণ কৰে যে এই পাৰ্থক্য হয় দুৰ কৰিব পৰা নাযায়, নহয় উভয়ৰ মাজত সম্বন্ধ স্থাপন কৰিব পৰা যায়' ('Can not be either done away, or bridged over')। বুদ্ধিগত ইচ্ছাৰ গঠনৰ দ্বাৰা সংগঠিত হোৱাৰ হিচাপে নৈতিকতাৰ অভিজ্ঞতাপূৰ্ব নীতিসমূহক ভুলকৈ বিচাৰি কৰাৰ হেতু মুৰে কাণ্টক আক্ৰমণ কৰিছে। অৰ্থাৎ কাণ্টৰ অভিজ্ঞতা পূৰ্ব (a-priori) বিষয়টোৱে বলীষ্ঠ তৰ্কবিজ্ঞান আৰু অসংগত মনোবিজ্ঞানৰ এক উগ্ৰ বিভ্ৰান্তিৰ ৰূপ দিছে। সেয়েহে ব্যৱহাৰিক বুদ্ধিৰ অভিজ্ঞতাপূৰ্ব নীতিবোৰৰ কাণ্টীয় ধাৰণাবোৰ যুক্তিসঙ্গত নহয়। মুৰে চিন্তা বিষয়ক এই কথাকাৰীটোক কাণ্টৰ অভিজ্ঞতাপূৰ্ব ধাৰণাৰ এক সাধাৰণ সমালোচনালৈও প্ৰসাৰিত কৰিছে। কাণ্টাৰ ভাৱবাদৰ ওপৰত মুৰৰ সমালোচনাক দুটা প্ৰকাৰেৰে নিৰূপিত কৰিব পৰা যায়। প্ৰথমে, কাণ্টয়ে চিন্তা আৰু সত্যতাৰ মাজত এক সম্বন্ধ স্থাপন কৰিবলৈ প্ৰচেষ্টা কৰাৰ হৈতু মুৰে তেওঁক অভিযুক্ত কৰিছে। দ্বিতীয়তে, কাণ্ট তেওঁৰ সংশ্লেষণাত্মক অভিজ্ঞতাপূৰ্ব নীতিবোৰৰ আনিবাৰ্যতাৰ বাবে উত্তৰদায়ী নহয়। সেই কাৰণেই অভিজ্ঞতা পূৰ্ব নীতিবোৰ হয় আকস্মিক, নহয় অনিবাৰ্য হ'বই লাগিব। যদি সেইবোৰ আকস্মিক হয়, তেন্তে সিহঁতে অভিজ্ঞতাপূৰ্ব-নীতিবোৰৰ অনিবাৰ্যতাৰ বাবে এক ভিত্তিৰ যোগান ধৰিব নোৱাৰে আৰু যদি সেইবোৰ অনিবাৰ্য হয়, তেন্তে এইবোৰ অনিবাৰ্যতাক বুজোৱা সংশ্লেষণাত্মক অভিজ্ঞতাপূৰ্ব নীতিসমূহ থাকিবই লাগিব। এইবোৰ অভিজ্ঞতা পূৰ্ব নীতিক মনৰ কাৰ্যাৱলীক নিৰ্দেশ কৰাৰ দ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি। সেইকাৰণে, ই কেতিয়াও ভৰ্কীয় বা সৌক্তিক ভিত্তি হ'ব নোৱাৰে, য'ৰ পৰা সিহঁতৰ অনিবাৰ্যতাক নিঃসৰণ কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কাণ্টৰ অভিজ্ঞতাপূৰ্ব নীতিৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ২ ঃ মুৰে কেনেকৈ কাণ্টৰ ভাৱবাদক সমালোচনা কৰিছে।

দীঘলীয়া প্ৰশ্ন ঃ

প্ৰশ্ন নং ১ ঃ 'The Refutation of Idealism' শীৰ্ষক নিবন্ধটিৰ লগত জড়িত দাৰ্শনিকজনৰ মানটো কি?

প্ৰশ্ন নং ২ ঃ ভাৱবাদৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ৩ ঃ 'দৰ্শনৰ ত্ৰিমুৰ্ত্তি' - বুলিলে কোন কেইজনা দাৰ্শনিকক জনা যায়?

প্ৰশ্ন নং ৪ ঃ ভাৱবাদীসকলৰ সমালোচনাত্মক প্ৰতিক্ৰিয়া হিচাপে মূৰৰ অন্তিম দিশটো প্ৰকাশ পোৱা গ্ৰন্থখনৰ নাম কি?

প্ৰশ্ন নং ৫ ঃ ভাৱবাদৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰক।

৫.৩.২ "The Refutation of Idealism"

এই ৰচনাখনত মূৰে ভাৱবাদৰ মূল নীতিক প্ৰত্যাখান কৰিছিল আৰু এক স্পষ্ট বস্তুগত বিকল্প আগবঢ়াইছিল। তেওঁ দাবী কৰিছিল যে ভাৱবাদীসকলে তেওঁলোকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নীতিৰ সত্যতাক প্ৰমাণৰ অবিহনেই সৰলভাৱে গ্ৰহণ কৰিছিল। এই ৰচনাখন (F.W. Bradely) আৰু (George Berkeley) ৰ দ্বাৰা পক্ষপাতিত্ব হোৱা আধিবৈজ্ঞানিক ভাববাদৰ এক প্ৰতিক্ৰিয়া। মুৰৰ মতে ভাববাদৰ প্ৰতোক প্ৰকাৰ বাৰ্কলিয়ে প্ৰকাশ কৰা ('esse-estpercipi') নীতিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ অৰ্থ এয়ে যে প্ৰত্যেক বছৰেই কোনো মনত অভিজ্ঞতাৰ এক বস্তু। আনকি বাকলিয়ো এক পৰম সত্ত্বা ৰূপে ঈশ্বৰৰ অস্তিত্বক স্বীকাৰ্য্য স্বৰূপে মানি লৈছে, যিয়ো সকলো সময়তে সকলো বস্তুকে প্ৰত্যক্ষ কৰে আৰু সিহঁতৰ অবিৰত অস্তিত্বক সুনিশ্চিত কৰে।

ভাৱবাদী নিবন্ধ ঃ

মুৰে ভাৱবাদী যুক্তিক এনেদৰে সূত্ৰবদ্ধ কৰে। যদি A হয় B, B হয় C, আৰু C হয় D, তেন্তে A হয় D। ইয়াত প্ৰথম শাৰীটো, অৰ্থাৎ A হয় B. 'esse est percipi' আৰু শেষৰটো A হয় D' হয় 'সত্যতা আধ্যাত্মিক'। 'প্ৰত্যক্ষতে- ইতি-বিদাতে 'esse est percipi' ৰ বিষয়টোৰ অনুমানৰ শৃংখলাৰ জৰিয়তে, মুসতে ভাৱবাদীসকলে অভিজ্ঞতাৰ মাজেৰে 'প্ৰত্যক্ষতে ইতি- বিদ্যাতে'ৰ পাৰ 'সত্যতা আধ্যাত্মিক' লৈ আগবাঢ়িছিল সুৰৰ কাম আছিল আটাইতকৈ বেছি তুচ্ছ বচন, 'esse est percipi'ৰ বাবে ভাৱবাদীসকলৰ সমৰ্থনক বিচাৰ বিবেচনা কৰা আৰু তাৰ পাছতে ভাববাদী নিবন্ধ 'Reality is spiritual' ৰ বাবে থকা এক যুক্তিক প্ৰত্যাখান কৰা। ইয়াত এই কথা উল্লেখনীয় যে মুৰৰ লক্ষ্য ভাৱবাদী নিবন্ধ Reality is spiritual ক নিয়া বুলি যুক্তি

প্ৰদৰ্শন কৰাটো নাছিল। ইয়াৰ বিপৰীতে তেওঁ মুক্তি নাশাইছিল যে প্ৰত্যক্ষতে ইতি বিদাতে দাবীৰ ওপৰত প্ৰতিষ্ঠিত যিকোনো নাইবা সকলো মুক্তিয়েই ত্ৰুটিপূৰ্ণ। অৰ্থাৎ মূৰে ইয়াক ভাৱবাদীসকলৰ নিবন্ধক প্ৰত্যাখান কৰা নাই। তেওঁ কেবল সেই নিবন্ধৰ প্ৰতি থকা ভাৱবাদীসকলৰ যুক্তিবোৰকহে প্ৰত্যাখান কৰিছে। তেওঁ এনে কাম প্ৰত্যক্ষতে ইতি বিদ্যাতে দাবীক ভুল ৰূপে প্ৰকাশ কৰি কৰা নাই, বৰঞ্চ সেই দাবীৰ বাবে আগবঢ়োৱা ভাৱবাদীসকলৰ যুক্তিবোৰ যে বিৰোধীতাৰ পিনে গতি কৰে, সেই কথাহে প্ৰকাশ কৰিছে।

'esse est percipi' ৰ অৰ্থ ঃ

'esse-est-percipi'-ৰ অৰ্থক পৰীক্ষণ কৰাৰ দ্বাৰাই মুৰে তেওৰ চিন্তাধাৰাক আৰম্ভ কৰিছে তেওঁৰ মতে, 'esse-est-percipr' –ৰ ক্ৰমেও তিনিটা অৰ্থ আছে। প্ৰথমে, esse আৰু 'percipl' শব্দ দুটাৰ নিশ্চিতৰূপে একে অৰ্থ আছে। অৰ্থাৎ, 'esse' শব্দটোৰে 'percipi' শব্দটোতকৈ একো বৈছি নাইবা কম প্ৰকট নকৰে। দুয়োটা শব্দই, নিশ্চিতৰূপে সমাৰ্থক। উদাহৰণ স্বৰূপো ই "অবিবাহিতসকল বিয়া নকৰোৱা প্ৰাপ্ত পুৰুষৰ অনুৰূপ। সেয়েহে 'percipr যাৰা যি বুজোৱা হয়, তাৰ সৈতে 'esse'ৰ অৰ্থ অনুৰাপ। হয়তে, 'percipi' -- অৰ্থ আকাংশিক, 'esse' ৰ দ্বাৰা যি বুজোৱা হয়, তাৰ সৈতে 'esse' ৰ অৰ্থ অনুৰূপ। হয়তে, 'peroipi' অৰ্থ আংশিক, 'esse অৰ্থৰ সকলো অংশ নহয়। উদাহৰণ স্বৰূপেই- অবিবাহিতসকল হয় পুৰুষ-অনুৰূপ। ই হৈছে বিশ্লেষণাত্মক ধাৰণৰ এক সম্বন্ধ। তৃতীয়তে ই হৈছে সংশ্লেণাত্মক অনিবাৰ্য্যতাৰ সম্বন্ধ। ই সংশ্লেষণাত্মক, কিয়নো জাত আৰু সত্তাৰ স্বৰূপৰ বিষয়ে এক দাবী আৰু কেবৰ মাত্ৰ আমি শব্দ নাইবা ধাৰণাক ব্যৱহাৰ কৰাৰ উপায়ন বিষয়ে নহয়। ই অনিবাৰ্য্য, কাৰণ ই কে, দাবী, যাৰ অস্বীকাৰ 'অচিন্তনীয়'ৰ অৰ্থত হয়। ইয়াত 'esse-est-percipi' —য়ে সাব্যস্ত কৰে যে য'তেই আছে, তাতেই 'percipi' (প্ৰত্যক্ষ) আছে আৰু য'তেই x ৰ গুণ আছে, তাতেই ইয়াক লাভ কৰাৰ গুণ আছে।

যেতিয়া ভাৱবাদী দাৰ্শনিকসকলে কৰা 'প্ৰত্যক্ষতে ইতি বিদ্যতে' অৰ্থাৎ 'অস্তিত্ব প্ৰত্যক্ষনিৰ্ভৰ', মুৰ প্ৰশ্ন হয় তেওঁলোকে এনে কোৱাৰ কাৰণ কি ? ভাৱবাদীসকলে বুজায় যে 'esse' অনিবাৰ্য্যভাৱে 'percipl'। ইয়াৰ অৰ্থ এয়ে যে, প্ৰত্যক্ষ কৰাটো অস্তিত্বৰ বাবে অনিবাৰ্য চৰ্ত। ইয়াৰ প্ৰতি মুৰে প্ৰশ্ন কৰে যে 'esse' আৰু 'percipl' ৰ মাজত তেওঁ সাব্যস্ত কৰা অনিবাৰ্য সম্বন্ধটো কি। এই অনিবাৰ্য সম্বন্ধ হৈছে যে যি এটা বন্ধ আৰু ইয়াৰ গুণৰ মাজত অস্তিত্বশীল। অৰ্থাৎ, 'নীলাৰ চেতনা'ৰ লগত 'নীলা'ৰ সম্বন্ধক 'নীলা-মণি'ৰ লগত নীলা 'ৰঙ'ৰ সম্বন্ধৰ সৈতে সঠিকভাৱে একে বুলি ভবা হয়। এতিয়া, যদি সম্বন্ধটো বস্তু কি তাৰ ওপৰ মাজৰ সম্বন্ধ হয়, তেতিয়া ই ইয়াকে কোৱাটো বুজাব যে, এটা বস্তু হয়'ৰ অৰ্থ এই যে 'ইয়াক প্ৰত্যক্ষ কৰা যায়'। এই কাৰণেই, যদি এটা বস্তুৰ অস্তিত্ব আছে, তেন্তে ইয়াৰ গুণবোৰ অস্তিত্বশীল হ'বই লাগিব। মুৰে মুক্তি দিয়ে যে তথাপিও ই এটা ভ্ৰান্তি।

বস্তু আৰু সংবেদনৰ বস্তু ঃ

মুৰ্‌ৰ মতে, ভাৱবাদীসকলক এই ভ্ৰান্তিলৈ লৈ যোৱা হৈছে দুটা আৰু কেৱল দুটা উপাদান যেনো বিষয় (content) আৰু অস্তিত্ব (existence) ত অভিজ্ঞতাৰ এক বিশ্লেষণৰ দ্বাৰা। মূৰৰ-ৰ মতে, অভিজ্ঞাতাত এক তৃতীয় উপাদান থকাটো উচিত আৰু সেয়া হৈছে এক অদ্বিতীয় উপাদান, যাক কোৱা হয় সংবেদন। অন্য কথাত 'বস্তু'ৰ লগত সংবেদনৰ এক অদ্বিতীয় সম্বন্ধ। জনাব এই সম্বন্ধ অদ্বিতীয় আৰু ই 'নীলা'ৰ সংবেদন নাইবা যিকোনো স্বতন্ত্ৰ বস্তুৰে যাৰ প্ৰতি 'আমি সচেতন', তাৰ সংবেদনত উপস্থিত থাকে। পুনৰ, 'নীলাৰ সংবেদন' নীলাৰ সচেতনতা নাইবা চেতনাৰ সৈতে একে, যি সচেতনতাৰ বস্তুৰ পৰা পৃথক। অর্থাৎ, সচেতনতাৰ বিষয় বা বস্তু সচেতনতাত এক পৃথক উপাদান, 'বিষয় বা বস্তুৰ নিজৰ পৰাও পৃথক। অর্থাৎ, এই দৃষ্টি কোণত, 'নীলাৰ সংবেদন' এটা বস্তুৰ পৰা নাইবা এটা নীলা মণিৰ পৰা পৃথক, যিদৰে নীলা মনি বস্তুটো নীলা দাড়ি বস্তুৰ পৰা পৃথক। সেই কাৰণে, নীলাৰ সংবেদন' যে চেতনা নিহিত কৰি ৰাখে, আনহাতে য'ত নীলা মনিৰ বস্ত্ৰ নাইবা নালা দাড়িৰ সেই সংবেদন নাথাকে। অন্য কথাত, নীলাবন্ধৰ অস্তিত্ব নীলা বস্তুৰ সংবেদনৰ অস্তিত্বৰ পৰা সম্পূৰ্ণ স্পষ্ট বা পৃথক।

এতিয়া নীলাৰ সংবেদন, সেউজীয়াৰ সংবেদনৰ পৰা পৃথক কাৰণ নীলা আৰু সেউজীয়া দুটা, বেলেগ 'সংবেদনৰ বস্তু বা বিষয়। তথাপিও নীলৰ সংবেদন আৰু সেউজীয়াৰ সংবেদনৰ মাজত মিল আছে, কাৰণ দুয়োটায়ে সচেতনতাৰ বিষয়। আকৌ, চেতনা, যাৰ নীলাৰ সংবেদন আৰু সেউজীয়াৰ সংবেদন একে, সি নীলা নাইবা সেউজীয়াৰ সংবেদন একে, সি নীলা নাইবা সেউজীয়াৰ পৰা পৃথক। নীলাৰ সচেতনতা আৰু সেউজীয়াৰ সচেতনতাৰ কথা কোৱা মানেই সচেতনতাও যে অস্তিত্বশীল বুলি কোৱাটোকে বুজায়। এতিয়া চেতনা বা সচেতনতা সম্পূৰ্ণকৈ মানসিক আৰু আমাৰ মনত এটা সময়ত নীলাৰ সংবেদন অস্তিত্বশীল আৰু কোনো সময়ত ই অস্তিত্বশীল নহয়। কিন্তু কথাটো হ'ল, যদি নীলাৰ সংদনে সচেতনতা আৰু নীলা দুয়োটাকে অন্তর্ভুক্ত কৰে, তেন্তে, যেতিয়া আমাৰ মনত নীলাৰ সংবেদন অস্তিত্বশীল হয়, তিনিটা ভিন্ন বিকল্পৰ উদয় হয়। সেয়া হৈছে—

(ক) সচেতনতা অকলে অস্তিত্বশীল

(খ) নীলা অকলে অস্তিশীল

(গ) সচেতনতা আৰু নীলা অস্তিত্বশীল।

'খ' বুলি ক'লে ইয়াক 'গ'ৰ পৰা পৃথক বুলি কোৱাটো বুজায় আৰু সিহঁতক একে বুলি ক'লে, নিজে নিজৰ মাজতে বিৰোধী হৈ পৰে। অর্থাৎ, নীলাৰ সংবেদন অস্তিত্বশীল আৰু সেউজীয়াৰ সংবেদন অস্তিত্ব শীল বুলি কোৱা মানে ইয়াকে বুজায় যে সংবেদনো অস্তিত্বশীল, ই হৈছে চেতনা, যি দুয়োটা সংবেদনতে, অস্তিত্বশীল হৈ

থাকে, নাইবা উভয়ৰে ক্ষেত্ৰত ই সাধাৰণ। এতিয়া, যিহেতু চেতনা সংবেদনৰ এক অনিবাৰ্য উপাদান, 'খ' বিষয় হ'ব নোৱাৰে। তেতিয়া হয় 'ক' নহয় 'গ' হে বিষয় হ'ব পাৰে। সেইবাবে, নীলাৰ অস্তিত্ব (খ) কেতিয়াও নীলাৰ সংবেদনৰ অস্তিত্বৰ দৰে একে হ'ব নোৱাৰে। আমি, সেইকাৰণে হয় 'ক' নহয় 'গ'ক এৰিব পাৰো, কিন্তু দুয়োটাকে একেলগে নহয়। ইয়াৰ পৰা এইটো প্ৰতিপন্ন হয় যে সংবেদনৰ বিষয় বা বস্তু সংবেদনৰ পৰা পৃথক। নীলাক চেতনাযুক্ত নীলাৰ সৈতে একে বুলি দাবী কৰাটো হৈছে এটা অংশক এটা সমগ্ৰতাৰ সৈতে একে বুলি দাবী কৰা, যি সমগ্ৰতাৰ কেবল এক অংশহে মাথোন আৰু ইয়াক আন অংশৰ সৈতে অনুৰূপ বুলি কোৱাটো সমীচিন নহয়।

যেতিয়াই আমাৰ সংবেদন থাকে, চেতনা আৰু ইয়াৰ বিষয় বা বস্তু একেলগে অস্তিত্বশীল হয়। যিহেতু চেতনা আৰু ইয়াৰ বিষয় সদায় একেলগে অস্তিত্বশীল, সেয়ে মূৰৰ মতে দাৰ্শনিকসকলে উপলব্ধি কৰাত অপাৰগ হয় যে আমি চেতনা (নীলাৰ)ক বস্তু বা বিষয় (নীলা)ৰ পৰা পৃথক কৰিব পাৰো, যিদৰে আমি সেইজীয়াৰ সংবেদনৰ পৰা নীলাৰ সংবেদনক পৃথক কৰিব পাৰো। এতিয়া, চেতনা নিশ্চিতৰূপে মানসিক, কিন্তু ইয়াত কোনো কাৰণ নাই যে নীলাও মানসিক হ'বই লাগিব। নীলা যে মানসিক নহয়, সেই সিধান্তৰ বাবে এই মুক্তিয়ে ভিত্তিৰ যোগান নধৰে। কিন্তু ই যে মানসিক সেই সিদ্ধান্তক নাইকীয়া কৰিবলৈ এই মুক্তিয়ে সহায় কৰে। সেয়েহে, নীলা মানসিক বুলি কৰা বিশ্বাসৰ বাবে থকা শক্তিশালী কাৰণবোৰৰ এটাক ধ্বংস কৰাৰ দ্বাৰা এই যুক্তিয়ে ভাৱবাদক ধ্বংস কৰিছে।

মুৰৰ যুক্তিৰ নিহিতাৰ্থসমূহ ঃ

ইয়াৰ পৰা তিনিটা পৰিণাম আহে—

(i) যেতিয়া মোৰ নীলাৰ সংবেদন হয়, মোৰ সচেতনতা বাহ্যিক কিবা বস্তুৰ সৈতে সম্পৰ্ক বন্ধ হয়, সেইবাবে আমি কিদৰে আমাৰ ধাৰণাৰ বাহিৰলৈ আহিম তেনে ভাৰবাদী সমস্যাৰ সৃষ্টি নহয়। কিয়নো সংবেদন পোৱা মানেই, ই ইতিমধ্যে তাৰ বাহিৰৰ।

(ii) নীলা (নাইবা অন্য ৰং) একে অৰ্থতে অস্তিত্বশীল, যিদৰে ইয়াৰ প্ৰতি থকা মোৰ অভিজ্ঞতাৰো অস্তিত্ব থাকে।

(iii) যেতিয়া আমি এটা বস্তু বা বিষয়ৰ প্ৰতি সচেতন হওঁ আৰু যেতিয়া আমি এটা বস্তু বা বিষয়ৰ প্ৰতি সচেতন নহও— এই উভয় ক্ষেত্ৰতে বড় নাইবা বিষয়টো সঠিকভাবে একে হয়। গতিকে ভোয় আৰু আতাৰ মাজত কোনো পাৰ্থক্য নাথাকে।

যদিহে মুৰৰ বিশ্লেষণ শুদ্ধ হয়, তেন্তে ই নিঃসৃত কৰিব যে আতা আৰু জ্ঞেয়ব মাৰ সম্বন্ধ 'বাহ্যিক' আৰু আতা, যিয়ে জানে আৰু যাৰ সংবেদন আছে, সি আমাৰ নিজৰ বীৰণাৰ বৃত্তৰ বাহিৰৰ। এইদৰে আতা কিবা বস্তু বা বিষয়ৰ জ্ঞান পাবলৈ। ওলাই

যায়, যি সেই বস্তুৰ প্ৰতি থকা আমাৰ অভিজ্ঞতাৰ পাৰ স্বতন্ত্ৰ। সেইবাবে, 'প্ৰত্যক্ষতা ইতি বিদ্যতে' ('esse-est-percipi') বচনটো সত্য বুলি ভবাৰ আৰু সকলো বস্তুৰে সিহঁত অস্তিত্বৰ বাবে মনৰ ওপৰত নিৰ্ভৰশীল বুলি ভৱাৰ কোনো যুক্তি বা কাৰণ থাকিব নোৱাৰে।

শেষত, মুৰে সংবেদনৰ বন্ধ আৰু বিষয়ৰ মাজত পাৰ্থক্য আনিছে। তেওঁৰ মতে, যিকোনো সংবেদন নাইবা মানসিক অভিজ্ঞান বস্তু বিষয়তকৈ পৃথক। ইয়াৰ কাৰণ এয়ে যে বিষয় (content) এটা প্ৰত্যক্ষ, চিন্তা নাইবা, ইচ্ছাৰ বিষয় হক্সব পাৰে। অৰ্থাৎ মই কিবা এটাক নীলা প্ৰত্যক্ষ কৰিব পাৰো, মই কিবা এটাক নীলা ৰূপে ভাৰিৰ পাৰো, নাইবা মই কিবা এটাক নীলা ৰূপে পাবলৈ ইচ্ছা কৰিব পাৰো। এই সকলোবোৰ ক্ষেত্ৰত বিষয়টো একে হ'ব পাৰে। অৰ্থাৎ, বিষয়টো বাস্তৱতে ইয়াৰ বিশেষ অভিজ্ঞতাৰ পৰা পৃথক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ভাৱবাদীসকলৰ মুখ্য নিবন্ধটো কি?

.....

প্ৰশ্ন নং ৭ ঃ 'esse-est-percipi'-ৰ দ্বাৰা কি বুজে?

.....

প্ৰশ্ন নং ৮ ঃ 'esse' অনিবাৰ্যভাৱে 'percipl' হয়নে?

.....

৫.৩.৩ পূৰ্ণ ভাৱবাদ সম্পৰ্কে মূৰ্ৰ সমালোচনা

ভাৱবাদৰ প্ৰতি মূৰৰ সমালোচনাত্মক প্ৰতিক্ৰিয়াৰ অন্তিম দিশটো পূৰ্ণ ভাববাদৰ ক্ষেত্ৰত তেওঁৰ প্ৰত্যাখানৰ সৈতে জড়িত। পূৰ্ণ ভাৱবাদৰ ওপৰত মুৰ্ৰ সমালোচনা বিশেষকৈ ব্ৰেড্‌লিৰ ভাৱবাদৰ এক বৈশিষ্ট্য, যাৰ মতে সত্ত্বা বা সত্যতা এক জৈবিক সমগ্ৰতাৰ ৰূপত অস্তিত্ব শীল, যি অনিবাৰ্যভাৱে আন্তৰিক সম্বন্ধযুক্ত। সেয়েহে, 'পৰম সত্ত্বা' (Absolute) ই হৈছে একমাত্ৰ সত্য। ইয়াক অদ্বৈতবাদ নাইবা একত্ববাদ (Monism) বুলিও জনা যায়, যি বৃটিছ-তাবাদৰ বৈশিষ্ট্য আছিল। মুৰৰ লেখা 'External And Internal Relations' (1919) য়ে আন্তৰিক সম্বন্ধৰ ভাববাদী ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, যি একত্ববাদী নিবন্ধৰ মুখ্য দিশ আছিল।

প্ৰথমে মুখে এক জৈৰিক হিচাপে বৈশিষ্ট্যকৰণ আৰ দ্বাৰা আৰম্ভ কৰিছিল, যে ই যি হয়, সেইটো সমাগ্ৰতাৰ নহয় কিন্তু অংশসমূহৰ অস্তিত্ব বাবেহে হয়। আনহাতে, অংশবোৰ যি হয়, তেনে হ'ব নোৱাৰে, কিন্তু সমগ্ৰাতাৰ অস্তিত্বৰ বাবে হ'ব পাৰে। মুখে

শোষণ কৰেণে, জৈবিক সমতাৰ ধাৰণাটো স্ব-বিৰোধী। তেওঁ এটা কল্পনাক পৰিচয় কৰি দিয়াৰ দ্বাৰাই আৰম্ভ কৰিছে যে এটা জৈৱিক সমগ্ৰতাৰ অংশসমূহে সমগ্ৰতাক বিশ্লেষণাত্মক ভাবে নিহিত কৰি ৰাখে, যাৰ প্ৰত্যেকেই একেটা অংশ। যদিহে তেনে হয়, ই অনুগমন কৰে যে অংশবোৰো আনকি চিন্তাৰ স্পষ্ট নাইবা পৃথক বস্তু বা বিষয় নহয়।

দ্বিতীয়তে, মৰে পূৰ্ণ ভাৱবাদৰ আন্তৰিক সম্বন্ধকে সমালোচনা কৰিছিল। পূৰ্ণ ভাবাদৰ আৱশ্যকতা আছে যে যিহেতু প্ৰত্যেক বছৰেই জৈবিক সমগ্ৰতাৰ অংশ, তেন্তে বস্তুৰ প্ৰত্যেক দিশৰ মাজত এক অনিবাৰ্য সম্বন্ধ আছে আৰু সেইকাৰণে, সকলো প্ৰকাৰৰ সম্বন্ধ আন্তৰিক হ'বই লাগিব। এই নিবন্ধন, দ্বিপক্ষে মুৰৰ মুক্তি আৰম্ভ হৈছিল এই নাৰীৰ পৰা যে ই আমাৰ সাধাৰণ ৰোধৰ বিশ্বাসৰ সৈতে সংঘৰ্ষত লিপ্ত হয় যে বস্তুবোৰ অনিবাৰ্যভাৱে অন্তৰ সম্পৰ্ক যুক্তি নহয়। ইয়াৰ কাৰণ এয়ে যে কোনো দিশত এটা বস্তুৰ মাজত হোৱা পৰিবৰ্ত্তনে সকলো বজৰ পৰিৱৰ্তনক নুবুজায়। মুৰে যেতিয়া দেখুৱাই যে সকলো সম্পৰ্কই আধুনিক, ইয়াত তৰ্কীয় ভ্ৰান্তিৰ উদয় হয়। লাইব্‌নিজৰ নীতি, অৰ্থাৎ বিবাদগ্ৰস্ত নীতি (Contentious principle) ৰ পৰা মুৰে অনুমান কৰিছিল যে সেইবোৰ বস্তু, যিবোৰ সিহঁতৰ সম্পৰ্কৰ পৰা পৃথক, সিহঁত নিজৰ পৰিচয়ৰ ক্ষেত্ৰতো পৃথক। মুৰৰ অনুলাভৰ ধাৰণাত যুক্তি প্ৰয়োগ কৰিলে তলত দিয়াৰ দৰে হ'ব—

১। লাইব্‌নিজৰ আইনে উল্লেখ কৰে যে —
xRy যে নিঃসৰণ কৰে z = x $\rightarrow$ zRy
য'ত $\rightarrow$ হৈছে চৰ্তসাপেক্ষ সভ্যতা ফলন

২। যিহেতু অনুলাভ (Entaliment) এক অনিবাৰ্য সম্পৰ্ক, সেয়ে অনুমান কৰিব পৰা যায়
xRy $\rightarrow$ অনিবাৰ্যামূলকভাৱে z = x $\rightarrow$ zRy)

৩। দ্বিতীয়টোৰ পৰা তাৎক্ষনিকভাৱে অনুমান কৰিব পাৰি
xRy $\rightarrow$ অনিবাৰ্যভাৱে (x = x $\rightarrow$ xRy)

৪। যিহেতু x = x নিজে এক অনিবাৰ্য সত্যতা, সেয়ে
এতিয়া অনুমান কৰি পৰা যায় যে
xRy $\rightarrow$ অনিবাৰ্যভাবে (xRy)

যিয়ে প্ৰকাশ কৰে যে সকলো সম্বন্ধই আন্তৰিক (internal)

মুৰে ইয়াত অবিধিগত ৰূপাত্মক তৰ্কবিজ্ঞানৰ এক জটিল ৰচনাংক আগবঢ়াইছে। তেওঁ নিৰীক্ষণ কৰে যে (১) ৰ পৰা (২)লৈ দুয়োটা অবৈধ। ই পৰিণামৰ অনিবাৰ্য্যতাৰ সৈতে সম্পৰ্কৰ খোজ অনিবাৰ্য্যতাক বিভ্ৰান্ত কৰিছে।

মুৰ্‌ৰ যুক্তিসমূহ কিমান দূৰলৈ গ্ৰহণযোগ্য, সি এক প্ৰশ্ন। সমালোচকসকলে যুক্তি দেখুৱাইছে যে, পূৰ্ণ ভাৱবাদৰ বাবে হেডলিৰ কাৰণবোৰে আদৰ্শ প্ৰান্তিক অন্তৰ্ভুক্ত

নকৰে যাক মুৰে স্পষ্ট কৰি দিছে। ইয়াৰ বাবেই ব্ৰেড্‌লিৰ দ্বৈতবাদ সত্তাৰ এক প্ৰতিলিপি স্বৰূপে চিন্তাৰ অপৰ্যাপ্ততাৰ বিভিন্ন নিবন্ধৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে তেওঁৰ অদ্বৈতবাদৰ বাবে ভিত্তিক উলিয়াবলৈ আৰু ইয়াৰ লগত কি ভুল হৈছে তাক প্ৰকাশ কৰিবলৈ এই দুয়োটা ক্ষেত্ৰতে ব্ৰেড্‌লিৰ ভাৱবাদী অধিবিজ্ঞানৰ গভীৰলৈ যোৱাৰ পৰিৱৰ্ত্তে কোনোৱে তাক অন্বেষণ কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ অদ্বৈতবাদৰ সংজ্ঞা দিয়ক।

.....

প্ৰশ্ন নং ১০ ঃ 'অংশ' আৰু 'সমগ্ৰ'ৰ মাজত এক অনিবাৰ্য্য আন্তৰিক সম্পৰ্ক আছেনে?

.....

প্ৰশ্ন নং ১১ ঃ 'জৈবিক সমগ্ৰতা' ধাৰণাটো স্ব-বিৰোধী হয় নে?

.....

৫.৪ বাৰ্কলীয় ভাৱবাদ

The Refutation of Idalism" শীৰ্ষক লেখাটোতে সুৰে ভাৱবাদীসকলৰ বিপক্ষে তেওঁৰ সমালোচনা আৰম্ভ কৰিছিল এটা উক্তিৰ সাব্যস্ত কৰাণৰ দ্বাৰা যে সমগ্ৰ বিশ্ব আধ্যাত্মিক। তেওঁৰ আধ্যাত্মিকতাৰ সংজ্ঞাই জগতৰ সকলো বস্তুকেই অন্তৰ্ভুক্ত কৰিছে, যেনে- চকী, মেজ, পাহাৰ ইত্যাদি। ইয়াৰ মুক্তি আগবঢ়াব পাৰি যে মুৰে কৰ্ত্তাৰ অস্তিত্বক কিনাচতে মানি লৈছে আৰু ধাৰণা কৰিছে যে ভাৱবাদীসকলে যুক্তি দিয়ে যে বস্তু বা বিষয় কৰ্ত্তাৰ দৰেই সত্বাত থাকে। মুৰে এক ভাৱবাদী দৃষ্টিকোণৰ সম্ভাৱনাক স্বীকাৰ কৰা নাই, যাৰ মতে কৰ্ত্তা নাইবা বিষয় বা বন্ধ কোনোটোৱেই প্ৰকৃত অস্তিত্বক দাবী কৰিব নোৱাৰে। মুৰে বাস্তৱতে ভাৱভাদীসকলে আগবঢ়োৱা আধিবৈজ্ঞানিক নিবন্ধৰ স্বৰূপক ভুল চিন্তা কৰিছে।

দ্বিতীয় সমালোচনাটো হৈছে সুৰে আগবঢ়োৱা 'esse-est-percipl' ৰ বাবে দিয়া তিনিটা ব্যাখ্যাৰ বিপক্ষে। তেওঁৰ তিনিটা ব্যাখ্যা হৈছে (১) esse আৰু percipl' শব্দদুটা অনুৰূপ।

(২) 'percipr' ৰ দ্বাৰা যি বুজোৱা হয়, তাৰ লগত esse সম্পূৰ্ণভাৱে অনুৰূপ নহয়, যদিও প্ৰথমটোৱে ইয়াৰ অৰ্থৰ এক অংশ হিচাপে পিছৰটোক অন্তৰ্ভুক্ত কৰে, আৰু (৩) 'য'তেই তোমাৰ esse আছে, তাতেই তোমাৰ 'perapy' আছে, অৰ্থাৎ, যাৰেই x গুণটো আছে, তাৰ এই গুণটোও আছে যে ইয়াক অভিজ্ঞতাত পাব পাৰি।

মুৰ্ৱৰ মতে 'esse-est-percipl' ৰ সন্দৰ্ভত ভাৱবাদী ব্যাখ্যাটো অনিবাৰ্যভাৱে বিকল্পৰ সৈতে খাপ খায় যি আছে, সিয়েই অভিজ্ঞতা। প্ৰথমে, ই নিৰ্দেশ কৰে যে, 'esse-ast- percipi' ৰ অনিবাৰ্যভাৱে এজন অভিজ্ঞতাকাৰী আৰু এজন অভিজ্ঞৰ মাজত পাৰ্থক্যৰ আৱশ্যকতা আছে। ই বিষয় বস্তুৰ দ্বৈততাৰ এক স্বীকৃতি বিচাৰে। দ্বিতীয়তে ই ধাৰণা কৰে যে সত্বা হৈছে এক

সমগ্ৰতা, য'ত তাৰ অংশক অভিজ্ঞতাত পোৱা নাযায়। কিন্তু যদি অভিজ্ঞতা বৰ অভিজ্ঞতা হয় আৰু আৰু আমি যদি বস্তুটো আতৰাই দিও, তেতিয়া কোনো অভিজ্ঞতাই নাথাকিব। অৰ্থাৎ অভিজ্ঞতা উকা। আনহাতে, যদি কোনো বস্তুনাথাকে, আমি একোকেই আঁতৰ কৰি নেপোলার্ড, বৰঞ্চ সি যি হয়, তাকেই কেবল স্বীকাৰ কৰি লওঁ।

মুৰ্ৰ যুক্তিৰ তৃতীয়টো প্ৰধান সমালোচনাই মুৰ্ৰ চেতনা (Consciousness) আৰু সংবেদনৰ বস্তু (object of sensation) মাজৰ পাৰ্থক্যৰ দিশে যায়। মুৰৰ মতে, প্ৰত্যেক সংবেদনতে আমি দুটা স্পষ্ট শব্দ পাওঁ- (১) চেতনা, মাজ বাবে সকলো সাবেদনেই একে। (২) আন কিবা এটা, যাৰ বাবে এটা সংবেদন আন এটা সংবেদনৰ পৰা পৃথক। তেওঁ এই দ্বিতীয়টো শব্দত সংবদনৰ বস্তু বা বিষয় আড্ডা দিছে। এই ব্যাখ্যা অনুসৰি সংবেদনত দুটা স্পষ্ট তথা পৃথক উপাদান আছে, যেনো চেতনা আৰু সংবেদনৰ বিষয় বা বস্তু। কিন্তু প্ৰশ্ন হয়- সঁচাকৈয়ে সংবেদনত দুটা পৃথক উপাদান আছেনে? সমালোচকসকলৰ মতে আত্ম-নিৰীক্ষণৰ প্ৰতি আপীল কৰাৰ দ্বাৰাই এই বিষয়টো সমাধান কৰাৰ একমাত্ৰ উপায়। অৰ্থাৎ এই আত্ম-নিৰীক্ষণৰ ওপৰত ভিত্তি কৰিয়েই সংবেদনৰ মাজত বৈততা আছে নে নাই, তাক চাব পাৰে।

মুৰে তেওঁৰ সিদ্ধান্তত উপনীত হৈছিল যে দুটা স্পষ্ট তথা পৃথক উপাদান আছে, কাৰণ চেতনা হৈছে সংবেদনৰ সকলো ক্ষেত্ৰতে দিয়া এক নাম। যেতিয়া এটা ব্যক্তিগত সংবেদনৰ পৰা আনটো পৃথক হয়, তেতিয়া সেই ভিত্তিতেই দিয়া হয় এই নাম। তথাপিও এই সকলোবোৰেই সংবেদনৰ বৈশিষ্ট্যৰ মাজত নিহিত থাকে। মুৰ্ৰ মতে, যিহেতু ব্যক্তিগত সংবেদন এটাৰ পৰা আনটো পৃথক আৰু সকলো সমানে সচেতন, সেয়ে ই নিৰ্দেশ কৰে যে চেতনা ইয়াৰ বিষয় বা বস্তু পৰা কিছু পৃথক। মৰে সংবেদন নাইবা ধাৰণাক 'জ্ঞেয়ৰ বিষয়' নাইবা 'সচেতন হোৱা' নাইবা 'কিবা এটাৰ অভিজ্ঞতা হোৱা' হিচাপেও ব্যাখ্যা কৰিছে। সমালোচকৰ মতে, এই ব্যাখ্যাই সংবেদনক তাৰ বিষয় আৰু "knowing' ক এটা বস্তু হিচাপে মানি লৈছে। অৰ্থাৎ এই ব্যাখ্যাত সংবেদন জ্ঞাত বস্তুৰ পৰা পৃথক। পিছত, মুৰে সংবেদনক আমাৰ সচেতনাত নীলাৰ প্ৰতি আৰু নীলাৰ সত্তা উভয়কে বুজাবলৈ 'মই নীলাৰ প্ৰতি সচেতন'ৰ দৰে ব্যাখ্যা কৰিছে। অৰ্থাৎ মুৰে স্বীকাৰ কৰে যে সচেতনতা নীলাৰ সত্তাৰ লগতে নীলা হ'বও পাৰে।

সমালোচকসকলে যুক্তি দৰ্শায় যে যদিহে সংবেদন নীলা হয়, তেন্তে এই কথা কোৱাৰ কোনো অৰ্থ নাই, যে ই নীলা হ'ব পাৰে। যদি সংবেদন নীলাৰ হয়, ইয়াৰ প্ৰতি সচেতন হোৱাৰ আমাৰ কোনো প্ৰয়োজন নাই। সমালোচকসকলে কয় যে একমাত্ৰ সাম্ভাব্য বিকল্প এই যে ই নীলা, সচেতনতা নহয়, যাৰ বাবে আমি সচেতন হৈ পৰো, কিন্তু ই হৈছে এক নীলা মাথোন যাৰ প্ৰতি আমি সচেতন হওঁ। যদি তেনেই হয়, তেন্তে ইয়াক জনাৰ আগতেই আমাৰ প্ৰথমে নী থাকিবই লাগিব। কিন্তু, ই আনকি মূৰৰ বিষয়তো সম্ভৱ নহয়। সেয়েহে ইয়াত দুটা বিকল্প আধি পৰে। (১) যদিহে ইতিমধ্যে এটা নীল সচেতনতা থাকে, তেন্তে ইয়াৰ প্ৰতি সচেতন হোৱাৰ কোনো প্ৰয়োজনীয়তা নাথাকে। নাইবা আমি কিয় নীলা সচেতনতাক নিৰ্দেশ কৰিব লাগে। (২) যদিহে ই কেৱল এক নীলা হয়, তেন্তে তাক নজনাকৈয়ে ইয়াৰ প্ৰতি আমাৰ চেতনা থাকিব। কিছু

মুৰে নিজেও ইয়াক অনুমতি প্ৰদান কৰা নাই।

এই ব্যাখ্যাত মূৰে যি ক'ব বিচাৰিছে সেয়া হৈছে এই কথাক সাবাস্ত কৰাটো যে সংবেদন দুটা স্পষ্ট উপাদানৰ দ্বাৰা গঠিত- সংকোন আৰু সংবেদনৰ বিষয় বা বস্তা। সংবেদন পোৱা মানে কিবা এটাৰ সচেতনতাক ইতিমধ্যে লাভ কৰা, যি চেতনাতকে পৃথক কিন্তু সমালোচকসকলৰ দৃষ্টিকোণ হ'ল যে মূৰৰ ব্যাখ্যাটো তেওঁৰ প্ৰৱেশৰ ওপৰত নিৰ্ভৰশীল, যাৰ কোনো আগমন নাই। যেনে— নীলা নিজে নিজৰ মাজত। মুৰে কোৱাৰ দৰে যদি নীলা এক নীলা সচেতনতা হয়, তেয়ে তেওঁ ইয়াৰ বাবে সচেতন হক্সবলৈ প্ৰয়োজন নাই। এই ক্ষেত্ৰত চেতনা আৰু ইয়াৰ বন্ধু এই দুটা উপাদান নাথাকে। যদি, আনহাতা, মুখে কোৱা নীলা সেইটো যাৰ বাবে তেওঁ তাক জনাৰ পূৰ্বেই সচেতন হ'বই লাগিব। তেন্তে ইয়াক নীলা বুলি জনাৰ আপেয়ে, তেওঁৰ এক নীলা থাকিবই লাগিব। কিন্তু এইটো অসম্ভব, কাৰণ এইটো নীলা আছিল বুলি নজনাকৈয়ে কেনেকৈ এজন মানুহৰ নীলা থাকিব পাৰে এই প্ৰশ্নৰ উদয় হয়। সেয়েহে, সমালোচকসকলৰ মতে একমাত্ৰ বিকল্পটো হৈছে 'নীলা থকা' হৈছে নীলা সচেতনতাক আৱিষ্কাৰ কৰা আন কথাত, নীলা আৰু নীলাৰ চেতনা দুটা পৃথক উপাদান নহয়, বৰঞ্চ এটায়ে যদি তেনে হয়, তেন্তে (The Refutation of Idealism'ৰ বাবে মূৰ যুক্তি প্ৰকৃততে 'ভাববাদৰ প্ৰত্যাখান'ৰ বাবে যুক্তি নহয়, ইয়াৰ ফালৰ পৰা এক যুক্তি।

৫.৫ সামৰণি

যদিও মুৰ্ৰ ভাৱবাদৰ প্ৰত্যাখান অতিপাত প্ৰশ্নৰ মুখামুখী হৈছে নাইবা তেওঁৰ (The Refutation of Idealism') ভাববাদৰ বাবে কঠোৰ, তথাপি এক উগ্ৰ অৰ্থত ভাৱবাদীসকলৰ স্থিতি অযুক্তিসঙ্গত। কম কথাত ক'ব পাৰি যে মুৰে বিভ্ৰান্তিৰ সৃষ্টি কৰিছে যে ভাৱবাদীসকলে কি কৰিবলৈ বিচাৰিছে। তেওঁ যুক্তি দৰ্শায় যে ভাৱবাদীসকলে নিজকে বিভ্ৰান্ত কৰিছে যে কৰ্ত্তাৰ পৰা অভিজ্ঞতাৰ বস্তু ধাৰণাতীত, কিয়নো ই বুজায় যে ভাৱবাদীসকলে, ভাবে যে 'হালধীয়াট' হালধীয়াৰ সংবেদনৰ সৈতে 'সম্পূৰ্ণ অনুৰূপ'। কিন্তু প্ৰশ্ন হয়, 'হালধীয়া' কেনেকৈ 'হালধীয়াৰ সংবেদন'ৰ সৈতে সম্পূৰ্ণ অনুৰূপ হ'ব পাৰে। আন কথাত ঃ হালধীয়া কেনেকৈ নিজৰ সংবেদনৰ সৈতে সম্পূৰ্ণৰূপে অনুৰূপ হ'ব পাৰে?

ভাৱবাদীসকলে নিঃসন্দেহে 'হালধীয়া' আৰু 'হালধীয়াৰ সংবেদন'ৰ মাজত অনিবাৰ্য্য পাৰ্থকাৰ পূৰ্বানুমান কৰিব লাগে। ই বিৰোধৰ মাজলৈ লৈ যায়, কাৰণ ভাৱবাদীসকলে নিঃসন্দেহে তাক পূৰ্বানুমান কৰে যাক স্পষ্ট ৰূপে অস্বীকাৰ কৰে। অৰ্থাৎ ই জগত সম্বন্ধীয় আমাৰ সাধাৰণ বোগৰ চিন্তাৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। উদাহৰণ স্বৰূপে। আমাৰ সাধাৰণ ভাষা বা ধাৰণাত 'হালধীয়া' 'হালধীয়াৰ সংবেদন'ৰ পৰা পৃথক নহয়। সেয়ে ইয়াক সামৰণি মাৰিব পৰা যায় যে যদিও ভাৱবাদৰ প্ৰত্যাখানৰ মূৰৰ বিষয়টোত ভাজ আছে ভাৱবাদে সৰলভাবে আমি কেনেকৈ প্ৰকৃত সত্বাক পাব পাৰো, সেই সম্পৰ্কে আটাইতকৈ ভাল ব্যাখ্যাৰ যোগান নগৰে। মুৰে নিজে

পিছৰ প্ৰকাশ কৰিছে যে (The Refutation of Idealism') ওপৰত তেওঁৰ ৰচনা 'অতি বিভ্ৰান্ত মূলক'। তথাপি ভাৱবাদৰ প্ৰত্যাখানৰ লগত মূৰৰ ভাৱবাদৰ সৈতে সম্পৰ্ক ভাঙি যোৱাটো বিশ্লেষণাত্মক দৰ্শনৰ বিকাশত এক নিষ্পত্তিকাৰক তাৎপৰ্য হৈয়ে ৰৈছে, তেওঁৰ ভাৱবাদ সমালোচনাই ইং-আমেৰিকান চিন্তাধাৰাত ভঙ্গ কৰাত সহায় কৰিছিল।



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুৰ্ৰ ভাৱবাদৰ সমালোচনা হৈছে তেওঁ আখ্যা দিয়া আধুনিক ভাৱবাদীসকলৰ বিপক্ষে এক সাধাৰণ সমালোচ
- সকলো ভাৱবাদী যুক্তি আৰম্ভ হয় 'প্ৰত্যাক্ষতে ইতি বিদ্যাতে' ('esse-est-percipi') ৰ পৰা 'সত্ত্বা আধ্যাত্মিক' লৈকে।
- The Refutation of Idealism' শীৰ্ষক ৰচনাত বাৰ্কলিয়ে আগবঢ়োৱা 'esse-est-percipi'ক প্ৰত্যাখান কৰিবলৈ প্ৰচেষ্টা চলাইছিল জি. ই মুৰৰ-য়ে
- মুৰে (Esse-est, percipi) ৰ পৰীক্ষণৰ পৰাই তেওঁ চিন্তাধাৰাৰ পাতনি মেলিছিল।
- মুৰ্ৰ মতে প্ৰত্যেক সংবেদনতেই দুটা উপাদান আছে- চেতনা আৰু সংবেদনৰ বিষয় বা বস্তু। উভয়েই সম্পূৰ্ণ স্পষ্ট তথা পৃথক।
- ভাৱবাদীসকলৰ মতে নীলাৰ সচেতনতাই নীলাৰ অস্তিত্বক নিঃসৰণ কৰে।
- মুৰে ভাৱে যে এই কথা অসঙ্গত। কিমানো নীলাৰ সচেতনতা আমাৰ মনৰ নিজা মানসিক অবস্থাৰ সচেতনতা। ই 'নীলা আস্তিত্বশীল' এই সিদ্ধান্তক ন্যায্যতা প্ৰদান নকৰে। ই আনকি নীলা মানসিক এই সিধান্তকো ন্যায্যতা নিদিয়ে।



৫.৭ অধিক জানিবলৈ

1) C. Ducassae Moore's Refutation of Idealism in P.A Schilipp (ed) the Philosophy of G.E. Moore.
2) G.E. Moore. The Refutation of Idealism in Mind 12 (1903). 433-53. Reprinted in Philosophical Studies and in G.E. Moore: Selected Writings 23-44.
3) P.A Schilpp (ed.) The Philosophy of G.E. Moore, Northwestern Uni versity Press, Evanston ILL: 1942
4) P.A Schilpp. Moore, George Edward in Internet Encyclopedia. Iep.

utm, idu. moore 30 December 2005, Retrieved 13 April 2011.

5) R. B. Perry. Moore on the Refutation of Idealism in Frederick J... Woodbridge (ed.) Journal of Philosophy, Psychoology, and Scientific Method vol.1, No. 3 February 4, 1904.

6) T. Bladurin G. E. Moore. Routledge, London, 1990.



৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জি. ই. মুৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৱবাদ হৈছে এক দাৰ্শনিক মতবাদ, যিয়ে সাব্যস্ত কৰে যে সত্যত বা সন্ধা মূলতঃ মনোগত অবস্তুগত। ভাৱবাদীসকলে পোষণ কৰে যে জ্ঞান মন-বহির্ভূত নহয়। তেওঁলোকে আদৰ্শ নাইবা আধ্যাত্মিকতা মহত্বপূৰ্ণ গুৰুত্ব নিৰ্দ্ধাৰণ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জি. ই. মূৰ, বাট্ৰাণ্ড ৰাছেল, উইট্‌মেনষ্টাইন্।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'External and Internal Relations - 1919

৫ নং প্ৰশ্নৰ উত্তৰ ঃ আত্মগত ভাৱবাদ, বস্তুগত ভাৱবাদ, পূৰ্ণভাৱবাদ, অতীন্দ্ৰিয় ভাৱবাদ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ "Esse-est percipes.

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অস্তিত্বশীল বস্তুৰ প্ৰত্যক্ষ কৰা হয়। অস্তিত্বশীল বস্তু প্ৰত্যক্ষ নিৰ্ভৰ। 'Esse' মানে 'অস্তিত্বশীল', 'est' মানে 'হয়', 'percipi' মানে প্ৰত্যক্ষ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ এই তত্ত্ব মতে পৰম সত্তাই হৈছে একমাত্ৰ সত্য। ইয়াক অদ্বৈতবাদ হিচাপে জনা যায়।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰমুৰে স্ব-বিৰোধী।



৫.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ দাৰ্শনিক ভাৱবাদ কি?

প্ৰশ্ন ২ ঃ অদ্বৈতবাদ কি?

প্ৰশ্ন ৩ ঃ 'Organic Whole-ৰ দাৰ্শনিক ধাৰণাটোৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৪ ঃ 'esse'-ক 'percipi'ৰ অনুৰূপ হিচাপে সংজ্ঞা দিয়ক।

প্ৰশ্ন ৫ ঃ অনিবাৰ্য সম্পৰ্ক বুলিলে কি বুজে।

(খ) চমু প্ৰশ্ন (প্ৰায় ১০০-১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ভাৱবাদৰ প্ৰধান সিদ্ধান্তসমূহ কিকি?

প্ৰশ্ন ২ ঃ 'চেতনা' আৰু 'চেতনা বস্তু বা বিষয়' অনিবাৰ্যভাৱে একেলগে অস্তিত্বশীল হয়নে? কাৰণ দৰ্শাওক।

প্ৰশ্ন ৩ ঃ সচেতনতা সদায়ে মানসিক হয়নে? কিয় ?

প্ৰশ্ন ৪ ঃ মূৱে কাণ্টৰ ভাৱবাদক কিদৰে সমালোচনা কৰিছে? আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ মূৰৰ মতে 'esse-est-percipi' ৰ তিনিটা ব্যাখ্যা কি কি? চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ৬ ঃ ভাৱবাদী যুক্তিত 'esse-est- percipi'-ৰ ভূমিকা কি?

প্ৰশ্ন ৭ ঃ 'esse'-য়ে 'percipl'-ক অন্তৰ্ভুক্ত কাৰণে? ব্যাখ্যা কৰক।

প্ৰশ্ন ৮ ঃ বস্তু আৰু সংবেদনৰ বস্তু বুলিলে কি বুজে। চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৯ ঃ নীলাৰ সচেতনতা আৰু সেউজীয়াৰ সচেতনতাৰ মাজত পাৰ্থক্য আছেনে? কাৰণ দৰ্শাওক।

প্ৰশ্ন ১০ ঃ 'বিষয়বস্তু' বুলিলে কি বুজে। ই সংবেদনৰ বস্তুৰ পৰা পৃথক নে?

(গ) ৰচনা ধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ মুৰৰ ভাৱবাদৰ প্ৰত্যাখানৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'esse' অনিবাৰ্যভাৱে 'percipi' হয়নে? আপোনাৰ উত্তৰৰ সত্যতা প্ৰমাণ কৰক।

প্ৰশ্ন ৩ ঃ মুৰৰ চেতনা আৰু চেতনাৰ বিষয়ৰ ধাৰণা দুটাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ভাৱবাদ সম্পৰ্কে মুৰৰ সমালোচনা যুক্তিসঙ্গত হয়নে? আপোনাৰ উত্তৰৰ কাৰণসমূহ আগবঢ়াওক।

*** ***** ***

অধ্যায় ৬ ঃ সাধাৰণ জ্ঞান বা বোধৰ এক প্ৰতিৰক্ষা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সাধাৰণ জ্ঞান বা বোধৰ প্ৰতিৰক্ষা

- ৬.৩.১ স্বতঃ সিদ্ধ সত্য হিচাপে সাধাৰণ জ্ঞান বা বোধৰ বিশ্বাস
- ৬.৩.২ মানসিক সত্যৰ পৰা স্বতন্ত্ৰ শাৰীৰিক নাইবা ভৌতিক সত্য
- ৬.৩.৩ ঈশ্বৰৰ অস্তিত্ব আৰু আত্মাৰ অমৰত্বৰ অস্বীকাৰ
- ৬.৩.৪ সাধাৰণ জ্ঞান বিশ্বাসৰ ব্যাখ্যা
- ৬.৩.৫ অন্য মন

৬.৪ সমালোচনা

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্ৰগতিৰ খতিয়ান

৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সাধাৰণ জ্ঞান বা বোধৰ প্ৰতিৰক্ষা সম্পৰ্কে জানিব পাৰিব
- ঈশ্বৰৰ অস্তিত্ব আৰু আত্মাৰ অমৰত্বৰ অস্বীকাৰ সম্বন্ধে জানিব পাৰিব
- সাধাৰণ জ্ঞান বিশ্বাসৰ ব্যাখ্যা দাঙি ধৰিব পাৰিব।

৬.২ পৰিচয়

দার্শনিক সমস্যাবোৰৰ সমাধানৰ অর্থে এক ভিত্তি হিচাপে শচত্তস্সস্সজ্জঙ্গগ্ন য়ে সাধাৰণ জ্ঞানৰ প্ৰতি আপীল কৰিছে। তেওঁৰ সাধাৰণ জ্ঞানৰ প্ৰতিৰক্ষা হৈছে ভাৱবাদ প্ৰত্যাখানৰ এটা অতি গুৰুত্বপূৰ্ণ দিশ, যি অনুসৰি জগত সম্পৰ্কে আমাৰ সাধাৰণ জ্ঞানৰ মতটো ব্যাপকভাৰে শুদ্ধ। মুৰে তেওঁৰ এই স্থিতিক প্ৰথমবোৰৰ বাবে ৰক্ষা কৰিছে তেওঁৰ ১৯১০-১১ চনৰ বক্তৃতা "Some Main Problems of Philosophy" ত. য'ত তেওঁ তেওঁৰ বিশ্লেষণাত্মক দর্শনৰ ধাৰণাক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। তথাপিও তেওঁ তেওঁৰ নিবন্ধ "A Defence of Com mon Sense" (1925) তেওঁৰ বিশ্লেষণাত্মক দার্শনিক স্থিতি সম্পৰ্কে অতি স্পষ্টভাবে বর্ণনা কৰিছে। যক্সত তেওঁ প্ৰস্তাৰ কৰিছিল যে এনেধৰণৰ বিশ্বাসৰ কোনো ভিত্তি নাই, যে শাৰীৰিক বা

ভৌতিক সত্যতা মানসিক সত্যতাৰ ওপৰত নিৰ্ভৰশীল। তেওঁ মুক্তিও দেখুৱায় যে দৰ্শনৰ সত্য ক্ৰিয়াৱলী ইয়াৰ সত্যতা বা বাস্তবিকতাৰ বাখ্যাত নিহিত থাকে, ইয়াৰ সংজ্ঞাৰ ওপৰত নহয় উদাহৰণ স্বৰূপে যেতিয়া কোৱা হয় যে আকাশখন নীলা, এইটো সত্য যে আকাশখন নীলা, কাৰণ সাধাৰণ জ্ঞান বা বোধে এই উক্তিটোৰ সত্যতাক নুই কৰিব নোৱাৰে। Moore 4 মতে এনেধৰণৰ সত্য উক্তিৰ সংজ্ঞা দিয়া দৰ্শনৰ কাম নহয়, বৰা তাৰ বিশ্লেষণ আগবঢ়োৱাটোৱে ইয়াৰ- কাম। পিছত (Moore) যে তেওঁৰ আটাইতকৈ বিখ্যাত লেখা (Proof of an External World (1939) অত সাধাৰণ জ্ঞানৰ প্ৰতিৰক্ষাৰ এক নতুন পথৰ পিনে অভিৰামন কৰিছে। এই লেখাক বাহ্যিক বস্তুৰূপে কাক ধৰা হ'ব'- প্ৰশ্নক সম্বোধন কৰাৰ পৰিবৰ্তে বাহ্যিক অস্তিত্ব এক প্ৰমানক যোগান ধৰিবলৈ ধায্য কৰা হৈছে। ইয়াত (Moore) যে দাবী কৰিছে যে এইবোৰ বন্ধু হয়, যাৰ অস্তিত্ব আমাৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল নহয়। তেওঁ যুক্তি প্ৰদৰ্শন কৰে যে যদি তেওঁ এনেধৰণৰ যিকোনো বস্তুৰ অস্তিত্ব প্ৰমাণ কৰিব পাৰে, তেন্তে তেওঁ এক বাহ্যিক (External world) অস্তিত্বত প্ৰমাণ কৰিলে হয়। তেওঁ বাহাল ৰাখে যে তেওঁ এইটো কৰিব পাৰে আৰু ইয়াক কৰিছে দুয়োখন হাত ওপৰলৈ ভাঙি আৰু কৈ 'এয়া এখন হাত', যিহেতু মই সোঁহাত খনৰ সৈতে এক নিদুষ্ট ভঙ্গী দেখুৱাব পাৰো তেন্তে বাওঁ হাত খানেবেও নিদৃষ্ট ভঙ্গী দেখুৱাই ক'ব পাৰে 'এইখন আনখন হাত'। Moore যে যুক্তি কৰি গৈয়ে আছে যে তেওঁৰ হাতৰ এই প্ৰদৰ্শন আছিল 'বাহ্যিক জগতৰ বস্তুবোৰৰ অস্তিত্বৰ সঠিকভাবে এক কঠোৰ প্ৰমাণ।' ইয়াৰ কাৰণ এয়ে যে ইয়াৰ আশ্ৰয়বচনে সিধান্তক নিশ্চিতভাবে ছিল কৰে আৰু সেইবোৰ হৈছে বন্ধ, যাক তেওঁ তেতিয়া সতজ্ঞাৰূপে জানে। সংবেদনৰ ব্যক্তিগত কৰ্মৰাজিৰ স্বপ্নতা আৰু ইন্দ্ৰিয় উপাত্তৰ মৰ্যাদাৰ বিষয়ে আনুসঙ্গীক কঠিনতাৰ সৈতে Moore ৰ স্থিতি স্পষ্টৰূপে প্ৰতিনিধিত্বমূলক বাস্তৱবাদৰ এক সংস্কৰণ।

৬.৩ সাধাৰণ জ্ঞানৰ এক প্ৰতিৰক্ষা ('A DEFENCE OF COMMON SENSE')

G E. Moore,ৰ নিবন্ধ 'A Defence of Common Senses হৈছে মূলগতভাৱে ..... চনত প্ৰকাশিত হোৱা এক প্ৰভাবশালী নিবন্ধ। এই নিবন্ধটিত তেওঁ ভাববাদ আৰু সংশয়বাদক প্ৰত্যাখান কৰিবলৈ চেষ্টা কৰিছে এই যুক্তিৰে মেজাত সম্পৰ্কে আমাৰ বিশ্বাসবোৰৰ কেতবোৰ সম্পূৰ্ণ ৰূপে নিশ্চিত স্বাভাবৰ। এইবোৰ বিশ্বাস সাধাৰণ জ্ঞান বা বোধ। তেওঁ দুটা বিধান বা নিৰ্দেশ আগবঢ়াইছে। প্ৰথম, সাধাৰণ জ্ঞান বা বোধৰ উক্তিসমূহৰ সত্যতা হ'ব লাগিব দাৰ্শনিক অধিক্ষেপৰ উৰ্দ্ধত আৰু হয়তে, সিহঁতৰ সঠিক বিশ্লেষণ সাধাৰণ ভাষাৰ অৰ্থত পৰিচালিত হ'ব লাগিব। নিবন্ধটো দুটা শাখাত বিভক্ত। তলত দুয়োটা শাখাৰে এক বহল আলোচনা আগবঢ়োৱা হ'ল।

৬.৩.১ স্বতঃ সিদ্ধ সত্য হিচাপে সাধাৰণ জ্ঞান বা বোধৰ বিশ্বাস

নিবন্ধটি প্ৰথম অধ্যায়টোৱে সাধাৰণ জ্ঞানৰ বচনবোৰৰ এক তালিকা দিছে। যাক নিশ্চয়কৈ সত্য হোৱাৰ সৈতে জানিব পাৰি। উদাহৰণ স্বৰূপে ঃ Moore-য়ে দাবী কৰে যে কেতবোৰ বচন যেনে— 'মই পৃথিৱীত নাইবা তাৰ ওচৰত অবিৰমতভাৱে অস্তিত্বশীল', 'মই এটা মানৰ শৰীৰ,' 'মোৰ শৰীৰটো যোৱাকালি অস্তিত্বশীল আছিল' ইত্যাদিক সত্য হ'ব পাৰে নিশ্চয়তাৰ সৈতে জানিব পাৰি। তেওঁ দাবী কৰে যে তেওঁ এইবোৰ জানে আৰু আন বহুতো বচন আছে, যিবোৰ নিশ্চতভাৱে আৰু সামগ্ৰিকভাৱে সত্য হ'ব পাৰে। তেওঁ নিশ্চয়তাৰ সৈতে জানিবলৈ দাবী কৰে যে আনেও পূৰ্বকথিত বচনসমূহক সিহঁতৰ মাজতে সত্য হ'ব পাৰে বুলি জানি, ঠিক সেইদৰে, যিদৰে তেওঁ নিজকে সত্য হ'ব পাৰে বুলি সিহঁতক জানে।'

তেওঁ যুক্তি প্ৰদৰ্শন কৰে যে যিকোনো দাৰ্শনিক স্থিতি, যিয়ে বজায় চলে যে এইবোৰৰ যিকোনো এটা অসত্যও নহয় নাইবা অন্ততঃ সত্য বুলি জানিব নোৱাৰি, সি নিজেই স্পষ্টভাৱে অসত্য। Moore-য়ে তেওঁলোকক দুটা গোটত ভাগ কৰিছে। প্ৰথমে, ভাৱবাদীসকল, যিয়ে বিশ্বাসৰ তালিকাখনক অস্বীকাৰ কৰে। দ্বিতীয়, সংশয়বাদীসকল, যিয়ে অস্বীকাৰ কৰে যে তালিকাত থকা যিকোনো এটা বচনক সত্য হ'ব পাৰে বুলি জানিব পাৰি। এইবোৰ বচন সামগ্ৰিকভাৱে সত্য হয় বুলি কৰা দাবীৰ দ্বাৰা Moore-য়ে ভাৱবাদীসকলক বিৰোধ কৰাকে বুজাইছে। যিয়ে দাবী কৰিব যে কেতবোৰ পৃথক বস্তুৰ বিষয়ে কোনো উক্তি সৰলভাৱে সত্য হ'ব নোৱাৰে, যিহেতু, প্ৰতিটো বস্তুৰে সমগ্ৰ বিশ্বৰে কৈৱল এটা অংশ হিচাপে ইয়াৰ পৰিচয় আছে। সাধাৰণ জ্ঞানৰ এইবোৰ বচন যে নিশ্চিতভাৱে সত্য, সেই কথা দাবী কৰি Moore-য়ে সংশয়বাদীসকলক বিৰোধী কৰাক বুজাইছে, যিসকলে অস্বীকাৰ কৰে যে আমি নিশ্চয়তাৰ সৈতে একোৱেই জানিব নোৱাৰো। সাধাৰণ জীৱনৰ ভিত্তি হিচাপে প্ৰথমটো অখণ্ডনীয়, স্ব-পৰাজিত আৰু কেতিয়াও ধাৰাবাহিকভাৱে অনুষ্ঠিত নহয়। পিছৰটো কেৱল স্ব-পৰাজিত আৰু অব্যৱহাৰিকেই নহয়, বৰঞ্চ তৰ্কীয়ভাৱে অসঙ্গতও। এইভাৱে Moore-য়ে সমাপ্তিত উপনীত হৈছে যে এইবোৰ সাধাৰণ জ্ঞানৰ বিশ্বাৰ সত্য সকলোকে নিশ্চয়কৈ জানো।

৬.৩.২ মানসিক সত্যৰ পৰা স্বতন্ত্ৰ শাৰীৰিক নাইবা ভৌতিক সত্য

এই শাখাটো Moore -য়ে মানসিক সত্যতাৰ বিভিন্ন নমুনাক স্বীকাৰ কৰিছে আৰু যুক্তি দিয়ে যে প্ৰত্যেক ভৌতিক সত্যতা হয় তৰ্কীয়ভাৱে নহয় কাৰ্য কাৰণ সম্পৰ্কীয় ভাৱেও মানসিক সত্যতাৰ ওপৰত নিৰ্ভৰশীল নহয়। তেওঁ 'মানসিক সত্য' (mental facts) তিনিটা ভিন্ন প্ৰকাৰৰ মাজত শ্ৰেণীবিভাজন কৰিছে।

(i) সত্যতা, যিবোৰ এনেধৰণৰ ঃ "মই এতিয়া সচেতন" আৰু "মই এতিয়া কিবা

দেখি আছো'' তলত দিয়া দুটাৰ সম্বন্ধৰ এটা ঃ (alpha) সত্য হ'বলৈ যে কেতবোৰ বিশেষ সময়ত কেতবোৰ বিশেষ ব্যক্তি সচেতন। (beta) এক সত্যৰ অৱস্থিতি লওঁতে যিয়ে (alpha) ৰ সত্যক জড়িত কৰে নাইবা ফলস্বৰূপে ঘটে, এনেধৰণেৰে যে কিবা এটা চোৱা হৈছে সচেতন হোৱাৰ এক নিদৃষ্ট ধৰণ বা উপায় ।

(ii) মানসিক সত্যবোৰ হয় অভিজ্ঞতা। উদাহৰণ স্বৰূপে 'এতিয়া সচেতন হোৱা'ৰ অভিজ্ঞতা। Moore -য়ে সন্দেহ কৰে যে এনেধৰণৰ সত্য আছে, কিন্তু স্বীকাৰ কৰে যে যদি কোনো অভিজ্ঞতা আছে, তেন্তে সেইবোৰ মানসিক সত্য হ'ব।

(iii) মানসিক সত্যবোৰ কালবিহীন (timeless) অভিজ্ঞতা। উদাহৰণ স্বৰূপে ঃ পৰমসত্তা (Being) কালবিহীনভাৱে সচেতন।

শেষত Moore -য়ে মানসিক সত্যৰ এটা চতুর্থ- প্ৰকাৰ সংযোগ কৰিছে, যিয়ে ওপৰত উল্লেখিত মানসিক সত্যৰ তিনি প্ৰকাৰৰ যিকোনো স্বীকাৰ কৰে যে তেনেধৰণৰ মানসিক সত্য আছে। সেয়া হৈছে মানসিক পৰা সত্য বা পৰা তথ্য (meta-fact)।

Moore-য়ে যুক্তি দিয়ে যে এই কথা মানি ল'বলৈ কোনো ভাল যুক্তি নাই যে প্ৰত্যেক ভৌতিক তথ্য বা সত্য তৰ্কীয়ভাৱে কেতবোৰ মানসিক সত্য বা তথ্যৰ ওপৰত নিৰ্ভৰশীল। তেওঁ যুক্তি দৰ্শাইছে যে প্ৰত্যেক ভৌতিক সত্য বা তথ্য কাৰ্য কাৰণ সম্পৰ্কিতভাৱে কেতবোৰ মানসিক তথ্যক ওপৰত নিৰ্ভৰশীল নহয়, কিয়নো পৃথিৱীবিগত বহু বছৰ ধৰি অস্তিত্বশীল ই কোনো মানসিক তথ্যৰ ওপৰত নিৰ্ভৰশীল নহয়— এই সত্যক মানি ল'বলৈ কোনো ভাল কাৰণ বা যুক্তি নাই।

৬.৩.৩ ঈশ্বৰৰ অস্তিত্ব আৰু আত্মাৰ অমৰত্ব অস্বীকাৰ

তৃতীয় শাখাটোত, Moore-য়ে যুক্তিও কৰা নাই আৰু আলোচনাও কাৰ নাই, কিন্তু নিজকে কেৱল সেইসকল দাৰ্শনিকৰ পৰা অসংযুক্ত কৰিছে, যিসকলে ঈশ্বৰৰ অস্তিত্ব আৰু আত্মাৰ অমৰত্বক বিশ্বাস কৰিছিল। তেওঁ সূচিত কৰিছিল যে তেওঁ কেৱল সকলো ভৌতিক বস্তু ঈশ্বৰৰ দ্বাৰা সৃষ্ট-বিশ্বাসৰ বাবে ভঙ্গল যুক্তি বা কাৰণ আছে বুলি ভবা নাই, বৰং ঈশ্বৰ যে সকলোতে বিদ্যামা-তাক চিন্তা কৰিবলৈ সাধাৰণ জ্ঞানে বুদ্ধি দিয়ে, তাকো ভৱা নাই। তেওঁৰ মতে সাধাৰণ জ্ঞানে আমাক আনকি মৃত্যুৰ পাছৰ জীৱনৰ বিষয়েও জ্ঞান নিদিয়ে।

৬.৩.৪ সাধাৰণ জ্ঞান বা বোধৰ বিশ্লেষণ

চতুর্থ শাখাটো প্ৰত্যক্ষিত বস্তুসমূহৰ বিষয়ে সাধাৰণ জ্ঞানৰ বচনবোৰৰ বিশ্লেষণৰ সৈতে জড়িত। তেওঁ নিশ্চিত যে এনেধৰণৰ বচনবোৰ অৱশেষত ইন্দ্ৰিয় উপাত্তৰ বিষয়ে

হয়, যিবোৰ ভৌতিক বস্তুৰ অনুৰূপ নহয়। তেওঁ উদাহৰণ দাঙি ধৰিছে ঃ 'Here is my hand' আৰু 'how'-ৰ তিনিটা সম্ভাৱনা আগবঢ়াইছে। এই ক্ষেত্ৰত আমি যি জানো সি সম্পৰ্কযুক্ত হয় ইন্দ্ৰিয় উপাওৰ বিষয়ে আমি কি জানো। তাৰ লগত যেতিয়া তেওঁ তেওঁৰ হাতখনলৈ চায়, তেতিয়া সি দেখে, সেয়াই ইন্দ্ৰিয় উপাও।

(i) ইন্দ্ৰিয় উপাওসমূহ নিজে মানুহৰ হাতৰ উপৰিভাগৰ অংশ।

(ii) যি ভাৱে হাতৰ উপৰিভাগৰ ইন্দ্ৰিয় উপাওৰ লগত সম্পৰ্ক (R) আছে। তেনেভাৱে কেতবোৰ সম্পৰ্ক (R) আছে।

(iii) If condition them, I would perceive a sense datum related this sense datum in a particular way-ৰ আকাৰৰ প্ৰকল্পৰ এক সমষ্টি ইয়াত, চৰ্ত বা অৱস্থা আৰু বিশেষ সম্বন্ধ ভিন্ন, কিন্তু এই ইন্দ্ৰিয় উপাত্তৰ প্ৰসঙ্গ স্থিৰীকৃত।

Moore-য়ে স্বীকাৰ কৰা তৃতীয় বিকল্প সমিধানটো Mill ৰ মত, অৰ্থাৎ "ভৌতিক বস্তুবোৰ সংবেদনৰ স্থায়ী সম্ভাৱনা"-ৰ ওপৰত নিৰ্ভৰ শীল। উদাহৰণ স্বৰূপেঃ "মই এটা স্ফটিকদেখি আছেঙ্গ। " ইয়াক এনেদৰে ব্যাখ্যা কৰিব পাৰি, "যদি মই মোৰ শৰীৰক নিদৃষ্ট ধৰণ গতি কৰাৰ লাগে, তেন্তে মই কেতবোৰ ইন্দ্ৰিয় উপাওক পোনপটীয়াকৈ বুজি পোৱাটো উচিত। উদাহৰণ স্বৰূপে ঃ ভৌতিক এক বস্তু, যাক, মই মোৰ শৰীৰৰ এইবোৰ চলনৰ ফল স্বৰূপে মই বুজাটো উচিত নহয়, যদিহে মোৰ বৰ্ত্তমান চাক্ষুক অভিজ্ঞতা, বিভ্ৰম নাইবা কাল্পনিক হ'ব। ইয়াত, প্ৰথমে ই সন্দেহজনক, কেতবোৰ ভৌতিক বস্তুৰ শব্দক ব্যৱহাৰ কৰাৰ অবিহনে ইন্দ্ৰিয় উপাত্তৰ ওপৰত উল্লিখিত চৰ্তৰ কথা আমি ভাৱিব পাৰোনে ? হয়তে, এইটো সন্দেহজনক হয়, যদিহে বৰ্ত্তমান মুহূৰ্ত্তত জনা ইন্দ্ৰিয় উপাওবোৰ আৰু কেতবোৰ চৰ্তেৰে পৰিপূৰ্ণ ইন্দ্ৰিয় উপাও, যাক আমি জনাটো উচিত-ৰ মাজত কোনো আন্তৰিক সম্বন্ধ থাকে। আনকি যদিও কোনো আন্তৰিক সম্বন্ধ থাকে আমি বেছি দূৰলৈ জানিব নোৱাৰো, কেনেকৈ সম্বন্ধৰ তাত্বিক স্বৰূপৰ লগতে তাৰ প্ৰতি থকা আমাৰ জ্ঞানক ব্যাখ্যা কৰিব লাগে। তৃতীয়তে, এই মতটোত, বস্তুৰ গুণাৱলীক ইয়াৰ ওপৰত আৰোপিত কৰা হয় এই অৰ্থত যে গতানুগতিক ক্ষেত্ৰত সিহঁতৰ প্ৰকৃত সত্তাত বিশ্বাস কৰিবলৈ এক বলিষ্ঠ প্ৰকৃত্তিক চূড়ান্তভাৱে অৱমাননা কৰিছে।

দ্বিতীয় মতানুসৰি, ইন্দ্ৰিয় উপাওসমূহ ভৌতিক বস্তুবোৰৰ এক প্ৰকাশ নাইব অৱভাস আৰু উভয়ৰে মাজৰ সম্বন্ধ এক চৰম আৰু অবিশ্লেষ্য সম্বন্ধ। এইক্ষেত্ৰত Moore-য়ে আপত্তি দৰ্শাইছে যে আমাৰ ইন্দ্ৰিয় উপাত্তবোৰ যিকোনোৰে ক্ষেত্ৰত যে এটা আৰু কেৱল এটাহে বস্তু আছে, সেই কথা আমি সম্ভাৱনামূলকভাৱে কেনেকৈ জানিব পাৰো তাক ই ব্যাখ্যা কৰিব নোৱাৰে। তদুপৰি যদিহে তাক চৰম সম্বন্ধ হিচাপে ভাৱো, তেন্তে আমি আগলৈ এনেধৰণৰ বস্তুৰ যিকোনোকে সম্ভাৱনামূলকভাৱে জানিব

পাৰিম নে? উদাহৰণ স্বৰূপেঃ সিহঁত কি আকৃতি বা আয়তনৰ হয়।

প্ৰথম বিকল্পটো অদ্বৈতবাদী মতামতবোৰ যে ইন্দ্ৰিয় উপাত্ত ভৌতিক উপৰিভাগৰ এটা অংশৰ সৈতে অনুৰূপ। যদি ই তেনেহয়, তেন্তে ই নিঃসৃত কৰে যেঃ

(ক) ইন্দ্ৰিয় সংবেদনৰ প্ৰকৃতাৰ্থত সেইবোৰ গুণাৱলী নাই, যিবোৰক আছে বুলি সিহঁতে দেখুৱায়।

(খ) আমি স্বীকাৰ কৰিব লাগিব যে অসঙ্গত গুণাৱলীসমূহ একেটা সময়তে একে বস্তুৰ অন্তৰ্গত হ'ব পাৰে।

তৎস্বত্তেও, যদিও বিভিন্ন মানুহৰ ইন্দ্ৰিয়-উপাওৰ অভিজ্ঞতা বিভিন্ন হয়, এক বিশেষ সম্বন্ধত যেতিয়া সদৃশ শাৰীৰিক পৃষ্ঠ প্ৰজ্ঞাক্ষ কৰা হয়, যদি ওপৰত উল্লেখিত মতটো সত্য হয়, তেতিয়া এইবোৰ সকলো ভিন্ন ইন্দ্ৰিয় উপাওক বিভিন্ন মানুহৰ দ্বাৰা পোনপটীয়াভাৱে প্ৰত্যাক্ষিত হোৱাটো একেলগে পৃষ্ঠৰ অন্তৰ্গত হ'ব লাগিব, যাক অসাম্ভাব্য যেন বোধ হয়।

ইন্দ্ৰিয় উপাও আৰু ভৌতিক বস্তুৰ মাজৰ সম্বন্ধত বিশ্বাসযোগ্য বিকল্পসমূহৰ প্ৰত্যেকৰে প্ৰতি থকা আপত্তিৰ পৰিপ্ৰেক্ষিতত, Moore - স্বীকাৰ কৰে যে এই সম্বন্ধটো কি হ'ব পাৰে— তেওঁ নাজানে। তেওঁ ধাৰাবাহিকভাৱে শাৰীৰিক বস্তু আৰু ইন্দ্ৰিয় উপাওৰ মাজতহে স্পষ্ট পাৰ্থক্য বাহাল ৰাখিছিল। কোনো ইন্দ্ৰিয় উপাও নাইবা ইন্দ্ৰিয় উপাওৰ অংশ নাইবা ইন্দ্ৰিয় উপাওৰ সংগ্ৰহ সম্ভাবনামূলকভাৱে এটা ভৌতিক বস্তু হ'ব নোৱাৰে। তেওঁৰ সকলো আলোচনাতে তেওঁ সময় বজায় ৰাখে যে ভৌতিক বস্তুবোৰ ইন্দ্ৰিয় উপাওৰ পৰা পৃথক আৰু আমি যে সিহঁতৰ অস্তিত্বক জানো। কিন্তু এইটো দেখা যায় যে ইন্দ্ৰিয় উপাও আৰু ভৌতিক বস্তুৰ মাজৰ সম্বন্ধৰ স্বৰূপৰ তেওঁ নিশ্চিত নহয়। Moore-য়ে পৰামৰ্শ দিয়ে যে ইন্দ্ৰিয় উপাও আৰু ভৌতিক বস্তুৰ মাজত এক নিশ্চিত সম্বন্ধ আছে, কিন্তু এই দুটাৰ মাজৰ সম্বন্ধৰ সঠিক স্বৰূপৰ বিষয়ে আমি নিশ্চিত নহয়। তেওঁ সাধাৰণ জ্ঞানৰ প্ৰত্যক্ষ উক্তিবোৰৰ এক শুদ্ধ বিশ্লেষণ বিচাৰি উলিওৱাৰ এক বলিষ্ঠ সম্ভাৱনাৰ দাবী উত্থাপন কৰিছে। তেওঁ বাৰে বাৰে ব্যাখ্যা কৰিছে যে ভৌতিক বস্তুবোৰ অস্তিত্বশীল বুলি আমি জানো আৰু আমি ইয়াকো জানো যে ইন্দ্ৰিয় উপাও ও অস্তিত্বশীল। আমি আগলৈ জানো যে ইন্দ্ৰিয় উপাও ভৌতিক বস্তুবোৰৰ সৈতে সম্পৰ্ক যুক্ত। সেইকাৰণে, Moore - স্থিতিটো সংশয়বাদীসকলৰ স্থিতিৰ তুলনাত (বিৰোধীতাৰ ক্ষেত্ৰত) পৰিষ্কাৰ। Moore - য়ে সিদ্ধান্তত উপনীত হৈছিল যে আমি সাধাৰণ জ্ঞান বিশ্বাসৰ বিষয়ে সম্পূৰ্ণৰূপে নিশ্চিত, কিন্তু বচনৰ কোনো বিশ্লেষণ আগবঢ়োৱা নাই যে সি নিশ্চিত হ'বলৈও আনকি নিকট নহয়।

৬.৩.৫ অন্য মন

এই শাখাটোত Moore -জড়িত হৈছে আত্মাৰ বিষয়ে বচনবোধৰ বিশ্লেষণৰ

সৈতে যেতিয়া Moore - বিশ্বাস কৰে যে 'অন্য আত্মা আছে' আৰু এনেধৰণৰ বচন যেনে— 'মই এতিয়া এই ইন্দ্ৰিয় প্ৰত্যক্ষক প্ৰত্যক্ষ কৰি আছো'—ৰ সত্যতাক প্ৰণোদিত কৰে, তেতিয়া ইয়াৰ শুদ্ধ বিশ্লেষণৰ বিষয়ে তেওঁৰ গুৰুত্বৰ সন্দেহ আছে।

৬.৪ সমালোচনা

সমস্যাবোৰৰ এক বিভিন্নতাই (Defence) শব্দটো আগুৰি আছে, যা Moore- যে সাধাৰণ জ্ঞান বিশ্বাস আখ্যা দিছে। মূল প্ৰশ্নটো হৈছে পৰাবিদ্যাৰ আক্ষেপৰ বিৰুদ্ধে সিহঁতক প্ৰতিৰক্ষা কৰাত তেওঁ অনুসৰণ কৰাটো প্ৰশ্নটোৰ লগত জড়িত হয়নে নাইবা এনে বচনবোৰৰ এক দাৰ্শনিক প্ৰতিৰক্ষা সম্ভব হয়নে ? ইয়াৰ সলনি সাধাৰণতে স্বতঃসিদ্ধ সত্য ৰূপে জ্ঞান Moore-ৰ তালিকাৰ বচনবোৰ সাধাৰণ জ্ঞান বিশ্বাস অথবা সাধাৰণ বিশ্বাস হয় নে নহয়। এই তিনিওটা প্ৰশ্নই একেলগে এই আধিবৈজ্ঞানিক প্ৰচাৰ Moore-য়ে সাধাৰণ জ্ঞান বা বোধত প্ৰতিৰক্ষা কৰিবলৈ অভিপ্ৰায় কৰাত তেওঁ কি কৰিছে।

সমালোচকসকলে যুক্তি দিয়ে Moore -য়ে (Defence) লেখাটোৰ নামৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰিছে আৰু যেতিয়া ১ম শাখাৰ শেষত তেওঁৰ 'জগতৰ সাধাৰণ বোধৰ মতামত'ক সূচিত কৰিছে, তেতিয়া একেবাৰেই ইয়াৰ উল্লেখ নাই। ই হৈছে চৰম গুৰুত্বৰ এক সত্য বা তথ্য। সেইকাৰণে, ১ম শাখাটো Moore-য়ে নিজে যি কৰিব বুলি ভাবিছে স্পষ্টভাৱে সি বিৰোধী মতবোৰৰ বিপক্ষে জগতৰ সাধাৰণ বোধৰ মতক প্ৰতিৰক্ষা কৰিবলৈ নাছিল, কিয়নো প্ৰথম অৱস্থাত এনেধৰণৰ ধাৰণাৰ যে কোনো অৰ্থ নাই বুলি সমাপন কৰিবলৈ তেওঁ ইচ্ছা কৰা নাছিল। সাধাৰণ জ্ঞানৰ যিকোনো বচনকে সত্য হ'ব পাৰে বুলি কৰা বিশ্লেষণত Moore আগবাঢ়ি গৈছিল। Moore-য়ে মানসিক তথা ইন্দ্ৰিয় উপাও আৰু আত্মাৰূপে এনেধৰণৰ বস্তুৰ অস্তিত্বত নিশ্চয়তাৰ বাবে বিবেচনাৰ আবিনেই মুক্তি কণ্ঠে স্বীকাৰ কৰিছে। দৰ্শনত মুখ্য হিচাপে সাধাৰণ জ্ঞান বা বোধৰ ভূমিকাক গ্ৰহণ কৰা Moore অনুসৰণকাৰীসকলে দাবী কৰে যে বিশ্লেষণৰ যথাযথ শব্দবোৰ, প্ৰকাশিত যথাযথ তথ্য বা সত্যসমূহ নিজেই সাধাৰণ জ্ঞান বা বোধৰ মতামতবোৰে হ'বই লাগিব 'আৰম্ভণীৰে পৰাই জগতৰ সাধাৰণ বোধৰ মতামতে এনেধৰণৰ যিকোনো বিশ্বাস যিবোৰ প্ৰত্যক্ষিত তাক অন্তৰ্ভুক্ত নকৰে, অৱধাৰণবোৰ অৱশেষত ইন্দ্ৰিয় উপাওৰ বিষয়ে হয়। প্ৰত্যক্ষিত অৱধাৰণৰ বিষয়ে সততা সাধাৰণ জ্ঞান মতামতত মুক্তভাৱে বাস নকৰে, বৰঞ্চ সাধাৰণ জ্ঞান সত্যতাক বিশ্লেষণৰ দ্বাৰা আৱিষ্কাৰ কৰিব লাগিব।

Moore-ৰ মতে, ইন্দ্ৰিয় উপাওৰ অৰ্থত প্ৰত্যশিত বচনবোৰৰ বিশ্লেষণে তিনিটাৰ যিকোনোকে গ্ৰহণ কৰিব পাৰে, কিন্তু কেৱল তিনিটা ভিন্ন আকৃতি, অথচ এইবোৰৰ প্ৰত্যেকতে, তেওঁ অন্ততঃ এটা হ'লে, গাম্ভীৰ ত্ৰুটি বিচাৰি পায়। সেই কাৰণে, বিশ্লেষণৰ সেই পদ্ধতিত সমাপন কৰিবলৈ কি বাকী থাকিব। তেওঁৰ সাধাৰণ জ্ঞানৰ প্ৰতিৰক্ষাই এই প্ৰশ্নটোক সম্পূৰ্ণৰূপে অসীমাংসীত ৰূপত এৰিছে যে স্বতঃসিদ্ধ বচনবোৰ, যিয়ে জগতৰ সাধাৰণ বোধ মতটোক গঠন

কৰে, তাক কেনেকৈ বিশ্লেষণ কৰিব পাৰি ।

Presteen -য়ে উল্লেখ কৰাৰ দৰে Moore-ৰ সাধাৰণ বোধৰ প্ৰতিৰক্ষা নাইবা এক বাহ্যিক জগতৰ তেওঁৰ প্ৰমাণ কোনোটোৱেই সাৰ্বজনীনভাৱে বিশ্বাসী নহয়। কিন্তুমানে সংশয়বাদক অপ্ৰমানিত কৰিবলৈ এক প্ৰয়াস হিচাপে ভুল বুজে। এইফালৰ পৰাই স্পষ্টভাৱে এক কৰুণ ব্যৰ্থতা। তথাপিও, যিহেতু পিছত Moore -য়ে নিজে নিজৰ ওপৰত দৃঢ়তাৰে প্ৰকাশ কৰিছে, তেওঁ কেতিয়াও সংশয়বাদক অপ্ৰমানিত কৰাটো বুজোৱা নাই, বৰং বাহ্যিক জগতৰ অস্তিত্বক কেৱল প্ৰমাণহে কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ Moore- ৰ মতে সাধাৰণ জ্ঞান বা বোধ বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ "A Defence of Common Sense"-নিবন্ধটিৰ লেখক কোন?

প্ৰশ্ন নং ৩ ঃ Moore-য়ে তেওঁৰ নিবন্ধ "A Defence of Common Sense"-অত দুটা ধাৰণাক খণ্ডন কৰিবলৈ প্ৰয়াস কৰিছে। সেই দুটা কি?

প্ৰশ্ন নং ৪ ঃ দুটা সাধাৰণ জ্ঞান বা বোধৰ উদাহৰণ দিয়ক।

প্ৰশ্ন নং ৫ ঃ ইন্দ্ৰিয় উপাও কি?

প্ৰশ্ন নং ৬ ঃ "A Defence of Common Sense"-ৰ নিহিতাৰ্থসমূহ লিখক ।

প্ৰশ্ন নং ৭ ঃ তিনি প্ৰকাৰৰ মানসিক সত্য বা তথ্য কি কি?

প্ৰশ্ন নং ৮ ঃ ইন্দ্ৰিয় উপাও আৰু ভৌতিক পদাৰ্থৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- Moore ৰ সাধাৰণ জ্ঞানৰ বস্তুবাদী স্থিতিৰ স্বীকাৰ তেওঁৰ ভাৱবাদৰ খণ্ডণৰ এক অতি গুৰুত্বপূৰ্ণ দিশ। 'I am now perceiving this sense datum' —ৰ দৰে উক্তিৰ সত্যতাক যেতিয়া Moore-য়ে বিশ্বাস কৰিছে, তেতিয়া ইয়াৰ সঠিক বিশ্লেষণ কি হ'ব পাৰেৰ ক্ষেত্ৰত এক গুৰুতৰ সন্দেহ তেওঁৰ আছে।
- (Defence)- অত তেওঁৰ সাধাৰণ জ্ঞানৰ বচনসমূহৰ বিশ্লেষণক স্বীকাৰ কৰিবলৈ Moore-য়ে ইন্দ্ৰিয় উপাও মতবাদৰ ভাষা ব্যৱহাৰ কৰিছে। তেওঁ দুটা দৃষ্টিকোণ স্থাপন কৰিছে ঃ
  - (i) সাধাৰণ জ্ঞানৰ উক্তিৰ সত্যতা দাৰ্শনিক নিন্দৰে উৰ্দ্ধত আয়োজন হয়।
  - (ii) সিহঁতৰ সঠিক বিশ্লেষণ সাধাৰণ ভাষাৰ অনুসাৰে আৰু ইয়াৰ ৰীতিৰ ভিতৰদ্দত পৰিচালিত হয়।
- Defence ' সামগ্ৰিকভাৱে অসমান দৈৰ্ঘ্য আৰু এক চুটি অনুচ্ছেদৰ আভাষৰ দ্বাৰা পাঁচটা

শাখাৰে গঠিত হৈছে, য'ত Moore -য়ে অন্যান্য দাৰ্শনিকৰ লগত হোৱা সন্মতিৰ কেতবোৰ প্ৰধান দিশক তালিকাযুক্ত কৰাৰ লক্ষ্যত ঘোষণা কৰিছে।

- প্ৰথম আৰু আটাইতকৈ দীঘল শাখাটোত তেওঁ সাধাৰণ জ্ঞান বোধৰ বচনবোৰক আওৰাইছে, যাৰ সত্যতাক নিশ্চয়তাৰ সৈতে জনা যায় বুলি দাবী কৰিছে। ইয়াৰ পিছত তেওঁ যুক্তি দৰ্শাইছে যে যিকোনো দাৰ্শনিক স্থিতি, যিয়ে বাহাল ৰাখে যে এইবোৰৰ যিকোনোৱে হয় অসত্য নহয় সত্যৰূপে জানিব পৰা নাযায় প্ৰদৰ্শনযোগ্য হিচাপে অসত্য। দ্বিতীয় শাখাটোত তেওঁ মানসিক তথ্য বা সত্যৰ বিভিন্ন নমুনা স্বীকাৰ কৰিছে, তাৰপাছত এনৈ ভৌতিক তথ্যৰ প্ৰত্যেক ঘটনাই নিৰ্ভৰ কৰে হয় তৰ্কীয়ভাৱে নহয় কাৰ্য-কাৰণতা সম্পৰ্কেৰে কেতবোৰ মানসিক সত্য বা তথ্যৰ সংঘটনৰ ওপৰত আৰু ইয়াক কৰা সমৰ্থনৰ বিৰোদ্ধে তেওঁৰ জনাজাত মতামতক বহলাই আলোচনা কৰিছে।
- তৃতীয় শাখাটোত Moore -য়ে মানসিক তথ্যৰ বিষয়ে কোনো আলোচনাও কৰা নাই নাইবা কোনো যুক্তিও- আগবঢ়োৱা নাই। Moore -য়ে কেৱল সৰলভাৱে নিজকে



৬.৬ অধিক জানিবলৈ

1) Baldwin. T. "George Edward Moore", "The Stanford Encyclopedia of Philosophy", Zalta, E. N. (ed) httpÊ.// Plato. Stanfurd. Edu / entries / moore/

2) Moore, G. E. 1925: "A Defence of Common Sense" in J.H. Muirhead Ed., Contemporary British Philosophy London: Allen & unwin, 193-223. reprinted in Moore 1959,126-148, and Moore, 106-33.

3. Moore, G. E. 1939:. "Proff on an External World", Proceedings of the British Academy 25, 273-300. Reprinted in Moore 1993, 147-70.

4. Moore, G. E. 1993 : Moore: Selected Writings, ed. Thomas Baldwin, London. Routledge.

5. Preston, A. George Edward Moore, Internet Encyclopedia of philosophy, http.// www.iep.utm.edu/moore/#SH2C.



৬.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণ জ্ঞান বা বোধ জগত সম্পৰ্কে থকা আমাৰ বিশ্বাসৰ বাহিৰে আন একো নহয়, যিবোৰ সম্পূৰ্ণৰূপে নিশ্চিত স্বভাৱৰ ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ জি.ই. মুৰ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৱবাদ আৰু সংলয়বাদ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১) "মোৰ শৰীৰটো অবিৰতভাৱে পৃথিৱীত নাইবা ইয়াৰ ওচৰত অস্তিত্বনী হৈ আছে।" ২) "মই মানন শৰীৰ"

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ইন্দ্ৰিয় উপাও হৈছে বস্তুৰ উপৰিভাগৰ এক প্ৰকাশ অথবা অৱভাস।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নিহিতাৰ্থটো হৈছে- কোনো ধৰণৰ ভিত্তি নাই যে ভৌতিক সত্যতা মানসিক সত্যতাৰ ওপৰত নিৰ্ভৰ শীল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ১। মানসিক সত্য বা তথ্য চেতনাৰ লগত জড়িত।

২। মানসিক সত্যসমূহ অভিজ্ঞতা

৩। মানসিক সত্যতাসমূহ কালবিহীন অভিজ্ঞতা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো ইন্দ্ৰিয় উপাও সম্ভাৱনামূলকভাৱে ভৌতিক পদাৰ্থ বা বস্তু নহয়; ই কেৱল বস্তুটোৰ উপৰিভাগৰ এক মানসিক অভিজ্ঞতাহে। আমি বস্তুৰ অস্তিত্বক জানো, কিন্তু আমি ইন্দ্ৰিয় উপাওৰ অস্তিত্ব সম্পৰ্কে নিশ্চিত নহয়। Moore- য়ে পোষণ কৰে যে, ইন্দ্ৰিহয় উপাও আৰু বস্তুৰ মাজত এক নিশ্চিত সম্বন্ধ আছে, কিন্তু ই দুয়োৰে মাজৰ সম্বন্ধৰ সঠিক স্বৰূপৰ বিষয়ে আমি নিশ্চিত নহয়।



৬.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১ ঃ সাধাৰণ জ্ঞান বা বোধৰ দুটা উদাহৰণ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ভৌতিক তথ্য আৰু মানসিক তথ্য উভয়ৰে এটাকৈ উদাহৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ ইন্দ্ৰিয় উপাও কি?

(খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ Moore-য়ে তেওঁৰ "A Defence of Common Sense" নামৰ নিবন্ধত স্বতঃসিদ্ধ সত্যৰ ধাৰণাটোৰ দ্বাৰা কি বুজাইছে? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ভৌতিক সত্য বা তথ্যৰ দ্বাৰা আপোনালোকে কি বুজে? ই মানসিক সত্য বা তথ্যৰ পৰা কিদৰে পৃথক?

প্ৰশ্ন ৩ ঃ সাধাৰণ জ্ঞানৰ বচনসমূহ ব্যাখ্যামূলক নে? আপোনাৰ উত্তৰৰ পক্ষে কাৰণ দৰ্শাওক।

প্ৰশ্ন ৪ ঃ ইন্দ্ৰিয় উপাও কি? ই মানসিক বস্তুৰ লগত সম্পৰ্কযুক্ত হয়নে? প্ৰত্যেক ভৌতিক তথ্য তৰ্কীয়ভাৱে কোনো মানসিক তথ্যৰ ওপৰত নিৰ্ভৰশীল হয়নে? কাৰণ দৰ্শাওক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভৌতিক তথ্য আৰু মানসিক তথ্যৰ মাজত কিবা কাৰ্য কাৰণ সম্পৰ্ক আছেনে? Moore-ৰ সন্দৰ্ভত আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মুৰৰ সন্দৰ্ভত 'This is my hand' উক্তিটোৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ Moore-ৰ নিবন্ধ "A Defence of Common Sense"-ৰ ওপৰত ভিত্তি কৰি ইন্দ্ৰিয় উপাওৰ-অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ ইন্দ্ৰিয় উপাও কি? ই ভৌতিক বস্তুৰ সৈতে সম্পৰ্কযুক্ত নে?

প্ৰশ্ন ৫ ঃ মুৰে সাধাৰণ জ্ঞানৰ বচনবোৰক কি দৰে বিশ্লেষণ কৰিছে?

প্ৰশ্ন ৬ ঃ মুৰৰ সাধাৰণ জ্ঞান বিশ্বাসৰ দ্বাৰা আপোনালোকে কি বুজে?

*** ***** ***

অধ্যায় ৭ ঃ উইট্‌গেনষ্টাইন ঃ অর্থৰ চিত্রতত্ত্ব

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ অর্থৰ চিত্রতত্ত্ব
৭.৩.১ মৌলিক বচন
৭.৩.২ দর্শন ভাষাৰ এক সমালোচনা
৭.৪ মূল্যায়ন
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অর্থৰ চিত্রতত্ত্ব ব্যাখ্যা কৰিব পাৰিব
- 'দর্শন হ'ল এক ভাষাৰ সমালোচনা'— উইট্‌গেনষ্টাইন এই উক্তিটো আলোচনা কৰিব পাৰিব
- অর্থৰ চিত্রতত্ত্বৰ সমালোচনাত্মক আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয

এই অধ্যায়টিৰ জৰিয়তে উইট্‌গেনষ্টাইনৰ অর্থৰ চিত্রতত্ত্ব সম্বন্ধে এক পৰিচয় দাঙি ধৰা হৈছে। লুডৰিগ জোচেফ জোহান উইট্‌গেনষ্টাইন কুৰি শতিকাৰ মহান দার্শনিকসকলৰ ভিতৰত এজন অন্যতম দার্শনিক। তেওঁৰ Tractatus Logico Philosophics আৰু Philosophical Investigations নামৰ তেওঁৰ বিখ্যাত গ্রন্থ দুখনক তেওঁৰ দার্শনিক পদ্ধতিৰ দুটা আৰ্হি বুলি গণ্য কৰা হয়। তেওঁ এজন প্রতিভাসম্পন্ন ব্যক্তি হিচাবে সুপৰিচিত আৰু তেওঁ ভাষাৰ দর্শনৰ ওপৰত আলোকপাত কৰি দার্শনিক জগতলৈ আহিছিল অর্থতত্ত্ব হ'ল শব্দার্থ বিজ্ঞান (Semantics) এটা মৌলিক ধাৰণা। অর্থৰ চিত্রটো শব্দ আৰু বাক্যৰ অর্থৰ লগত জড়িত যিয়ে ভাষাৰ যৌক্তিক বিশ্লেষণ আগবঢ়াইছে। এই তত্ত্বটোৱে আন কেতবোৰ ধাৰণা সম্বন্ধেও আলোচনা কৰিছে আৰু সেইবোৰ হ'ল—

(ক) মৌলিক বচন (Elementary Proposition)

(খ) দর্শন হ'ল ভাষাৰ এক সমালোচনা

(গ) অর্থৰ চিত্রতত্ত্বৰ মূল্যায়ন

৭.৩ অর্থৰ চিত্রতত্ত্ব

অর্থৰ চিত্রতত্ত্ব হ'ল উইট্‌গেনষ্টাইনৰ পূর্বকালীন দর্শনৰ অতি গুৰুত্বপূর্ণ ধাৰণা। এই তত্ত্ব অনুসৰি প্রত্যেক বচন বা বাকাৰে এক অন্তর্নিহিত আকাৰ (Structure) থাকে। এই ধাৰণাটো তেওঁৰ মনলৈ আহিছিল যেতিয়া তেওঁ এখন আলোচনীত এটা মটৰ দুর্ঘটনা দেখিছিল আৰু সেই দুর্ঘটনাটো কিছুমান সৰু সৰু প্রতিৰূপৰ সহায়ত চিত্রায়িত কৰা হৈছিল। সেই প্রতিৰূপসমূহ বিভিন্ন প্রকাৰৰ বচন গঠন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল যাৰ দ্বাৰা দুর্ঘটনাটো প্রকাশ কৰা হৈছিল। এনেধৰণৰ চিত্রাত্মক উপস্থাপনে তেওঁক অর্থৰ চিত্রতত্ত্বৰ ধাৰণাটো অৱতাৰণা কৰিবলৈ উদগনি জগাইছিল। অর্থৰ চিত্রতত্ত্ব অনুসৰি এটা বচন হ'ল সত্তাৰ (Reality) এক চিত্র। ই কয় যে চিত্র অথবা আৰ্হিয়ে প্রতিনিধিত্ব কৰা অৱস্থা বা ঘটনাৰ জৰিয়তে এটা বচনৰ সত্যতা বা অসত্যত্য নিৰূপণ কৰিব পাৰি। উইট্‌গেনষ্টাইনে কৈছে— "এটা বচন সত্তাৰ প্রতিচ্ছবি হিচাবেহে সত্য বা অসত্য হ'ব পাৰে"। ভাষাই সত্তাৰ গঠন বা আকাৰ প্রকাশ কৰে। তেওঁ ভাষাত সন্নিবিষ্ট তর্কীয় আকাৰ (Logical Structure) বিষয়ে আলোকপাত কৰিছে। তেওঁ কৈছে— "বচনে আমাৰ এটা অৱস্থা বা ঘটনাৰ বিষয়ে অগাত কৰে আৰু সেয়ে ই ঘটনা বা অৱস্থাটোৰ লগত অনিবার্যভাৱে সম্বন্ধযুক্ত হ'বই লাগিব। এই সম্বন্ধটো তর্কীয় চিত্রৰ সহায়ত স্থাপন কৰা হয়। তেওঁ কৈছে যে এটা বচনে চিত্রৰ আকাৰত কোনো ঘটনা বা বস্তু সম্বন্ধে উল্লেখ কৰে। ভাষাৰ অন্তর্নিহিত আকাৰটো বুজাবলৈ গৈ তেওঁ অর্থৰ চিত্রটোক এক উৎকৃষ্ট আৰ্হি হিচাবে উপস্থাপন কৰিছে। সেই অন্তর্নিহিত আকাৰটোৰে সত্তাক প্রকাশ কৰি তোলে যিটো এটা বচনত সুস্পষ্টৰূপত দেখা নাযায়।

৭.৩.১ মৌলিক বচন (Elementary Proposition)

উইট্‌গেনষ্টাইনৰ অর্থৰ চিত্রটো হৈছে বচনৰ অর্থ সম্বন্ধীয় এক মতবা সকলো বচনকে চৰম বচন (Ultimate Proposition) অর্থাৎ মৌলিক বচনলৈ বিশ্লেষণ কৰিব পাৰি। এই ধৰণৰ বচনে ইয়াৰ অ প্রকাশিত আকাৰটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰিছে যে এটা মৌলিক বচন হ'ল নামৰ (Names) সমষ্টি। এটা মৌলিক বচন আন একো নহয়, ই হ'ল বচনসমূহৰ এক ধাৰণাগত বা অর্কীয় আকাৰ। তেওঁ অর্থৰ চিত্রাতত্ত্বৰ জৰিয়তে এটা বচনৰ সাৰধর্মটো প্রকাশ কৰি তুলিছে। তেওঁ ইয় বিভিন্ন নাম দিছে মেনে চিত্রাত্মক আকাৰ, চিত্রাত্মক সম্বন্ধ, সাদৃশ্যমূলক আকাৰ আৰু তৃতীয় আকাৰ।

উইট্‌গেনষ্টাইনে কৈছে যে ভাষাৰ তর্কীয় আকাৰ আমাৰ স্বাভাৰিক (Natural)

অথবা কথিত (Colloqui) ভাদাই প্রকাশ কৰিব নোৱাৰে। সেয়ে তেওঁ ভাৰে যে আমাৰ চিন্তাৰ আভ্যন্তৰীণ আকাৰটো প্রকাশ কৰিবলৈ এক কৃত্রিম বা প্রতীকাত্মক বা তর্কীয় ভাষাৰ প্রয়োজন আছে। এই আভ্যন্তৰীণ আকাৰক বচনৰ সাৰধর্ম বুলি গণ্য কৰা হয়। এই ক্ষেত্রত তেওঁ লিখিছে— 'এটা বচনৰ আৱশ্যকীয় প্রকৃতি বুজিবলৈ হ'লে আমি তথ্য বা ঘটনাসমূহ চিত্রায়িত কৰি বর্ণনা কৰা লৈখিক চিত্র লিপিৰ (Hieroglyphic Script) বিষয়ে আলোচনা কৰিব লাগিব। আকৌ তেওঁ কৈছে—'এটা বচন সত্য হ'লে ই ঘটনা বা বস্তুৰ স্থিতি কি সেয়া দেখুৱাই দিয়ে আৰু ই বুজাই দিয়ে যে বস্তুস্থিতি তেনেদৰেই আছে।' বচন আৰু ঘটনা ৰাইজৰ মাজৰ সম্বন্ধ প্রসঙ্গত ৱিটগেন ষ্টাইনে উল্লেখ কৰিছে যে এটা বচনে আমাৰ লগত এটা অৱস্থা বা পৰিস্থিতিৰ আদান-প্রদান কৰে আৰু সেয়ে বচনটো পৰিস্থিতিৰ লগত অপৰিহার্যভাৱে সম্বন্ধযুক্ত হ'ব লাগিব। এই সম্বন্ধটো হ'ল মূলতঃ ইয়াৰ তর্কীয় চিত্রৰ সম্বন্ধ। এই পৰিপ্রেক্ষিতত দার্শনিক ৰাছেলে লিখিছে— 'ৱিটগেন ষ্টাইনে উল্লেখ কৰা এটা ঘটনাৰ তর্কীয় চিত্র হ'ল এক ধাৰণা। এটা চিত্র ঘটনাটোৰ লগত সাদৃশ্যপূর্ণ হ'ব পাৰে বা নহ'বও পাৰে আৰু ঠিক তেনেদৰেই ই সত্য বা অসত্যও হ'ব পাৰে। কিন্তু উভৰ ক্ষেত্রতে ঘটনাটোৰ লগত ইয়াৰ তর্কীয় আকাৰ জড়িত হৈ আছে।'

উইট্‌গেনষ্টাইনে মত পোষন কৰিছে যে বিশ্লেষণৰ জৰিয়তে বচনৰ তর্কীয় আকাৰটো অধিক স্পষ্ট ৰূপত প্রকাশ পায়। তেওঁ কৈছে যে তর্কীয় চিত্রই বচন আৰু ঘটনাৰাজিৰ মাজত থকা সম্বন্ধটো স্পষ্ট ৰূপত প্রকাশ কৰে। ই বচনসমূহৰ অসত্য চিত্রসমূহ বোধগম্য কৰি তুলিব পাৰে। তর্কীয় আকাৰ হ'ল সকলো বচনৰ এক উমৈহতীয়া আকাৰ।

প্রত্যেক বচনকে সেইটো আকাৰলৈ বিশ্লেষণ কৰা হয় যিয়ে সকলো বচনৰ সাৰধর্ম স্বৰূপ তর্কীয় আকাৰটোক চিত্রায়িত কৰিব পাৰে। ৰার্থকে (Warnock) লিখিছে যে "Tractatus Logico Philosophicus"ত উইট্‌গেনষ্টাইনে আগবঢ়োৱা ভাষা বিশ্লেষণ আমাৰ ভাষাৰ সাৰধর্ম ব্যাখ্যা কৰাৰ উদ্দেশ্যে প্রতিপাদন কৰা হৈছে। এই বিশ্লেষণ হ'ল ভাষাৰ সহজে বোধগম্য নোহোৱা ভিত্তিটোৰ এক পুংখানুপুংখ বিৱৰণ। ই হ'ল মূলতঃ শৃংখলাবদ্ধতাৰ এক অনুৰূপতা যিয়ে যিকোনো বস্তু বা ঘটনাকে এক চিত্রৰ ৰূপ দিয়ে। সকলো চিত্রই আনকি সাধাৰণ দৃষ্টিত বোধগম্য হোৱা চিত্রসমূহেও তাৰ দ্বাৰা চিত্রায়িত কৰা বস্তুসমূহৰ আকাৰটোৰ উন্মেষ ঘটায়। এখন চিত্র আৰু তাৰ দ্বাৰা চিত্রায়িত হোৱা ঘটনাটোৰ মাজত এক অনুৰূপতা বা সাদৃশ্য আছে। চিত্রটো আৰু বস্তুটোৰ মাজত থকা এই সাধাৰণ বৈশিষ্ট্যটো প্রতিনিধিত্বমূলক আকাৰ হিচাবে উল্লেখ কৰা হয়। ৱিটগেন ষ্টাইনে কৈছে "এটা তথ্য বা ঘটনা চিত্র হ'বলৈ হ'লে চিত্রায়িত বিষয়টোৰ লগত ঘটনাটোৰ কিবা সাধাৰণ বা উমৈহতীয়া বৈশিষ্ট্য থাকিব লাগিব।'

এডৰার্ড পলে উল্লেখ কৰিছে যে বিভিন্ন ধৰণৰ চিত্র আছে আৰু প্রক্ষেপনৰো

বিভিন্ন পদ্ধতি আছে। কিন্তু সত্তাক চিত্রায়িত কৰিবলৈ হ'লে সকলো চিত্রৰে একেটা তৰ্কীয় আকাৰ থাকিবই লাগিব। তৰ্কীয় আকাৰটোক 'সত্তাৰ আকাৰ' বুলি কোৱা হয়।

উইট্‌গেনষ্টাইনে তেওঁৰ অর্থৰ চিত্রতত্ত্বটোত সত্তাৰ আৰ্হি আৰু চিত্রৰ মাজত থকা অনুৰূপতা দেখুৱাই দিছে। তেওঁ কৈছে যে এটা বচন সত্য হয়, যেতিয়া চিত্রটোৰ দ্বাৰা চিত্রায়িত হোৱা ঘটনাৱস্থা (State of Affairs) অস্তিত্বশীল হয়। অন্যথা বচনটো অসত্য হ'ব। তেওঁ এই পৰিপ্রেক্ষিতত ভাষা আৰু সত্তাৰ মাজত থকা সম্বন্ধৰ ওপৰত গুৰুত্ব প্রদান কৰিছে। ভাষাৰ তৰ্কীয় বিশ্লেষণৰ জৰিয়তে সত্তাটো সহজে বোধগম্য হৈ পৰে।

চিত্রতত্ত্ব হ'ল আমাৰ চিন্তাৰ প্রকৃতিৰ এক ব্যাখ্যা। উইট্‌গেনষ্টাইনে কৈছে যে এটা চিন্তা হ'ল এক অর্থবহ বচন। একেধৰণে তেওঁ আঙুলিয়াই দিছে যে বচনৰ সমষ্টিয়েই হ'ল ভাষা। এটা ভাষা আমাৰ চিন্তা প্রক্রিয়াৰ মাধ্যমেৰে বোধগম্য হয়। আকৌ, চিন্তা প্রক্রিয়াটো বচনসমূহত নিহিত হৈ থকা তৰ্কীয় চিত্রৰ সৈতে সম্বন্ধযুক্ত হৈ থাকে। সেয়েহে তেওঁ ভাষাক মৌলিক বচনলৈ বিশ্লেষণ কৰাৰ ওপৰত গুৰুত্ব প্রদান কৰিছে। এই মৌলিক বচনসমূহে সত্তাৰ তৰ্কীয় চিত্র উপস্থাপন কৰে। ই হ'ল চিন্তা প্রক্রিয়াত নিহিত হৈ থকা বচনটোৰ অন্তর্নিহিত এক আকাৰ। সেই হেতুকে ৱিটগেন ষ্টাইনে অর্থৰ চিত্রতত্ত্ব মতবাদটো বোধগম্য কৰি তুলিবলৈ চিন্তা, বচন, ভাষা, অর্থ আদি শব্দ বাৰুকৈয়ে ব্যৱহাৰ কৰিছে।

৭.৩.২ দর্শন হ'ল ভাষাৰ এক সমালোচনা

উইট্‌গেনষ্টাইনে তৰ্কীয় বিশ্লেষণৰ সহায়ত ভাষা জটিলতাসমূহ স্পষ্টভাৱে প্রকাশ কৰিবলৈ অর্থৰ চিত্রতত্ত্ব মতবাদটো প্রতিপাদন কৰিছে। তেওঁৰ মতে দার্শনিক সমস্যাসমূহ সমাধান কৰাটো দর্শনৰ কাম নহয়, ইয়াৰ কাম হ'ল ভাষাৰ ভুল ব্যবহাৰৰ ফলস্বৰূপে মূলত উৎপত্তি হোৱা সমস্যাবোৰ আঙুলিয়াই দি সেইবোৰ পৃথক কৰি দেখুওৱা। সেয়ে তেওঁ মন্তব্য কৰি কৈছে যে দর্শন হ'ল ভাষাৰ এক সমালোচনা। এই ক্ষেত্রত তেওঁ লিখিছে— "দার্শনিক আলোচনাত দেখিবলৈ পোৱা প্রায়বোৰ বচন আৰু প্রশ্নই অসত্য নহয়। কিন্তু সেইবোৰ অর্থহীন। দার্শনিকসকলৰ প্রায়বোৰ উক্তি আৰু প্রশ্নই আমাৰ ভাষাৰ যৌক্তিকতা বুজি উঠাৰ ব্যর্থতাৰ পৰাই সৃষ্টি হয়।"

ৰাছেলে স্পষ্টভাৱে কৈছে যে ভাষাৰ তৰ্কীয় আকাৰ যথাযথভাৱে নুবুজাৰ বাবেই দার্শনিক সমস্যাবোৰৰ উদ্ভৱ হয়। তেওঁ প্রকাশ কৰিছে যে বৈয়াকৰণিক অনুসন্ধানৰ সহায়ত দার্শনিক সমস্যাসমূহৰ সমাধান সূত্র বিচাৰি উলিয়াব পৰা যায়। তেওঁ কৈছে যে দার্শনিক সমস্যাবোৰ উদ্ভৱ হোৱাৰ কাৰণ হ'ল কেতবোৰ বিশেষ দার্শনিক উক্তি বা বচন কিছুমান বিভ্রান্তিকৰ বৈয়াকৰণিক আকাৰৰ (Grammatical Form) লগত মিশ্রিত

হৈ থাকে। তেওঁৰ মতে, "আমি উক্তি বা বচনটোৰ বৈয়াকৰণিক দিশটো পৰীক্ষা কৰিবই লাগিব। কিছুমান ক্ষেত্রত আমি দেখিবলৈ পাম যে যেতিয়া আমি উক্তি বা বচনটো ইয়াৰ 'তর্কীয় আকাৰ'ৰ মাধ্যমত গঠন কৰো তেতিয়া সমস্যাটো সমাধান হ'ব।" ৱিটগেন ষ্টাইনেও তেওঁৰ পূর্বকালীন ৰচনাৱলীত বৈয়াকৰণিক অনুৰূপতা অথবা স্বাভাবিক ব্যাকৰণৰ (Surface Grammar) ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। তেওঁ কৈছে যে দার্শনিক সমস্যাসমূহ স্বাভাৱিক ব্যাকৰণৰ দ্বাৰা উদ্ভৱ হয়। কাৰণ স্বাভাৱিক ব্যাকৰণে বচনসমূহৰ সদৃশ বা একক আকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু ইয়াক একক বৈয়াকৰণিক আকাৰ বুলি কোৱা হয়।

উইট্‌গেনষ্টাইনে তেওঁৰ ভাষাৰ সমীক্ষাত্মক আলোচনা মাধ্যমেৰে আদর্শ ভাষা (Ideal Language) বা কৃত্রিম ভাষা বা তর্কীয় ভাষা আৰু প্রচলিত বা কথিত ভাষাৰ (Colloquial Language) মাজত এক পার্থক্য দেখুৱাইছে। তেওঁ (Tractatus) ত কৃত্রিম বা তর্কীয় ভাষাৰ ওপৰত প্রদান কৰিছিল। কাৰণ তেওঁ কৈছিল যে সাধাৰণ ভাষাই বিভ্রান্তি আৰু অনেকার্থতাৰ সৃষ্টি কৰে। আকৌ, প্রচলিত অথবা সাধাৰণ ভাষাই ভাষাৰ বিভিন্ন ক্রিয়া সম্বন্ধে আলোকপাত কৰে। সেইকাৰণে উইট্‌গেনষ্টাইন (Tractatus) নামৰ গ্রন্থখনত সাধাৰণ ভাষাত ব্যৱহাৰ কৰা প্রক্রিয়াৰ পৰা বিৰত আছিল। কাৰণ তেওঁৰ পূর্বকালীন দর্শনত তেওঁ ভাষাৰ কেবল, এটা কার্যহে সমর্থন কৰিছে আৰু সেয়া হৈছে তর্কীয় আকাৰটো নিহিত কৰা। সেই হেতুকে তেওঁ ভাষাৰ তর্কীয় বিশ্লেষণ (Logical Analysis) গুৰুত্বপূর্ণ বুলি বিবেচনা কৰি তাক সমর্থন কৰিছে। কাৰণ, ই জগতখনৰ তর্কীয় চিত্র আমাৰ আগত দাঙি ধৰে। তেওঁ বিশ্বাস কৰিছিল যে বচনসমূহ মৌলিক বচনলৈ বিশ্লেষণ কৰিব পৰা যায় আৰু ই জগতৰ ঘটনাৱস্থাসমূহৰ আকাৰ আমাৰ আগত উপস্থাপন কৰে। ৰাছেলেও অন্তিম অৱশিষ্ট (Final Residue) লাভ কৰাৰ উদ্দেশ্যে ভাষাৰ তর্কীয় বিশ্লেষণ পদ্ধতি প্রয়োগ কৰিছে। সেই অৱশিষ্ট হ'ল পাৰমাণৱিক বচন (Atomic Proposition) যিয়ে জগতখনৰ আকাৰটো আমাৰ আগত দাঙি ধৰে। ৰাছেলে বিশ্বাস কৰে যে যেতিয়া এটা বচন এক তথ্য বা ঘটনাৰ সৈতে সাদৃশ্যপূর্ণ হয় তেতিয়া সেই বচনটো সত্য হয়। অন্যথা বচনটো অসত্য হ'ব। বিশ্লেষণ পদ্ধতিৰ সহায়ত সত্তাৰ চিত্রায়িত ৰূপটো লাভ কৰাৰ ক্ষেত্রত ৰাছেলে আগবঢ়োৱা মতবাদটোক তর্কীয় পৰমাণুবাদ (Logical Atomism) বুলি জনা যায়। সেয়েহে দেখা যায় যে এই পৰিপ্রেক্ষিতত ৰাছেল আৰু পূর্বকালীন উইট্‌গেনষ্টাইনৰ মাজত মিল আছে। কাৰণ, উভয়ে বচনসমূহৰ তর্কীয় আকাৰৰ ওপৰত মনোনিৱেশ কৰিবলৈ আমাৰ ভাষাৰ তর্কীয় বিশ্লেষণৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰিছে। উভয়ে ভাবিছিল যে বচনৰ তর্কীয় আকাৰে সত্তাৰ ৰূপটো উপস্থাপন কৰে।

উইট্‌গেনষ্টাইনৰ ভাষাৰ সমীক্ষাত্মক আলোচনা অনুসৰি ভাষাৰ তর্কীয় বিশ্লেষণ হ'ল এনে এক প্রক্রিয়া যাৰ জৰিয়তে দার্শনিক সমস্যাবোৰ নাইকীয়া কৰিব পৰা যায়।

দর্শনৰ প্রকৃত কাম হ'ল ভাষাৰ তর্কীয় আকাৰটো স্পষ্ট ৰূপত প্রকাশ কৰা। কাৰণ, ই দর্শনত বদ্ধমূল হৈ থকা বিভ্রান্তি আৰু সংশয়সমূহ আঁতৰ কৰাত সহায় কৰে। এই ক্ষেত্রত তেওঁ লিখিছে — দর্শনৰ লক্ষ্য হ'ল আমাৰ চিন্তাৰ যৌক্তিক স্পষ্টীকৰণ লাভ কৰা। দর্শন মতবাদ বা তত্ত্বৰ এক সমষ্টি নহয়, ই হ'ল এক ক্রিয়া।" তেওঁ বাস্তৱিক সত্তা আৰু মূল্যৰ অনুধাৱন কৰিবলৈ গৈ দর্শনৰ পৰম্পৰাগত ধাৰণাক সম্পূর্ণৰূপে অগ্রাহ্য কৰিছে। অভিজ্ঞতাসিদ্ধ নোহোৱা পদ্ধতি আৰু মাপকাঠীৰ ভিত্তিত উক্তিসমূহৰ অর্থ অন্বেষণ কৰিবলৈ পৰম্পৰাগত অধিবিদ্যাবাদীসকলে আগবঢ়োৱা প্রচেষ্টা অগ্রাহ্য কৰা হৈছে। ইয়াত অভিজ্ঞতাসিদ্ধ নোহোৱা পদ্ধতি আৰু মাপকাঠী বুলিলে নিগমনাত্মক পদ্ধতিৰ সহায়ত স্বতঃসিদ্ধ সত্যসমূহৰ সহজাত জ্ঞানৰ সংযোজন অথবা অভিজ্ঞতাৰ অনিবার্য পূর্বধাৰণা হিচাবে অধিবিদ্যামূলক প্রক্রিয়াবোৰৰ আধাৰটো স্বীকাৰ কৰি লোৱাটোকে বুজোৱা হৈছে।

গতিকে ওপৰৰ আলোচনাৰ পৰা এয়া স্পষ্ট যে উইট্‌গেনষ্টাইনে কেৱল এজন ভাষাৰ সমালোচকেই নহয় তেওঁ পৰম্পৰাগত দার্শনিক সমস্যাসমূহৰো এজন সমালোচক। তেওঁৰ ভাষা সম্বন্ধীয় সমীক্ষাত্মক আলোচনাই নিজকে ভাষাৰ তর্কীয় বিশ্লেষণৰ এজন মহান প্রবক্তা হিচাবে প্রতিষ্ঠা কৰিছে। তেওঁৰ (Tractatus) ৰ মূল উদ্দেশ্য হ'ল ভাষাৰ সেই ৰূপটো মুকলিকৈ প্রকাশ কৰা। তর্কীয় বিশ্লেষণে ভাষাৰ চিত্রায়িত ৰূপটো আঙুলিয়াই দিয়ে। কাৰণ ই ভাষাৰ অন্তর্নিহিত ৰূপ বা আকাৰটো উপস্থাপন কৰিব পাৰে। সেয়ে তেওঁ মন্তব্য কৰিছে যে যেতিয়া আমি চিত্রটো আৰু ঘটনা বা তথ্যটোৰ মাজত এক সম্বন্ধ স্থাপন কৰিবলৈ ব্যর্থ হওঁ তেতিয়াই দার্শনিক সমস্যাবোৰৰ উন্মেষ ঘটে। সেয়েহে তেওঁ বিষয়বস্তু উপস্থাপনৰ ক্ষেত্রত তর্কীয় আকাৰৰ গুৰুত্ব সম্বন্ধে আলোকপাত কৰিছে। এইদৰে আমি দেখিবলৈ পাওঁ যে দার্শনিক সমালোচনাৰ উদ্দেশ্য হ'ল ভাষাৰ প্রকৃত তর্কীয় আকাৰটো আৱিস্কাৰ কৰা। এই তর্কীয় আকাৰটো হ'ল ভাষাৰ অতি গুৰুত্বপূর্ণ দিশ আৰু ইয়াক ভাষাৰ বিশ্লেষণৰ জৰিয়তে মুকলিকৈ প্রকাশ কৰাৰ প্রয়োজন আছে।

এয়া দৃঢ়ভাৱে ক'ব পৰা যায় যে বচনসমূহে ইয়াৰ তর্কীয় আকাৰটো প্রকাশ কৰিব নোৱাৰে যদিহে ইয়াক ভাষাৰ তর্কীয় বিশ্লেষণৰ সহায়ত সৰলীকৰণ কৰা নহয়। ভাষাৰ তর্কীয় বিশ্লেষণে বচনসমূহৰ তর্কীয় আকাৰ অথবা অন্তর্নিহিত ৰূপটো প্রতিফলিত কৰে। সেয়ে তেওঁ মত পোষণ কৰিছে যে ই হ'ল সকলো বচনৰ এক চিত্রাৱলী (Panorama)। উইট্‌গেনষ্টাইনে আগবঢ়োৱা ভাষাৰ তর্কীয় বিশ্লেষণ পদ্ধতিয়ে ভাষিক বিভ্রান্তিৰ দ্বাৰা সৃষ্টি হোৱা দার্শনিক সমস্যাবোৰ নাইকিয়া কৰিব পাৰে। গতিকে দার্শনিক সমস্যাবোৰ বিলীন (Dissolve) কৰিবলৈ প্রয়োগ কৰা তেওঁৰ পদ্ধতিটোক মনস্তাত্ত্বিক চিকিৎসা (Therapy) বুলি গণ্য কৰিব পৰা যায়। গতিকে তেওঁৰ দর্শনটো হ'ল এক পৰিচর্যামূলক দর্শন।

৭.৪ মূল্যায়ন

ভাষাৰ চিত্রতত্ত্বই আমি ব্যৱহাৰ কৰা ভাষাৰ বিধি উলংঘা কৰিছে। আমি ব্যৱহাৰ কৰা ভাষাৰ বাক্যসমূহৰ এক ৰৈখিক আকাৰ বা গাঠনি (Linear Structure) আছে। সেই আকাৰসমূহ সিহঁতে বর্ণনা কৰা ঘটনা বা তথ্যবোৰৰ এক নক্সা (Map) নহয়। এনেধৰণৰ ব্যাখ্যাৰ পৰা দেখা যায় যে চিত্রত্ত্বৰ মতবাদটো ভাষাৰ স্বাভাৱিক বৈশিষ্ট্যৰ লগত অসংগত হৈ পৰিছে। নক্সাসমূহ নিঃসন্দেহে সহজে বোধগম্য হোৱা এক উপস্থাপন। আমি এখন নক্সা অথবা আলেখ্যত এটা চিত্র। আৰু তাৰ দ্বাৰা চিত্রায়িত কৰা ঘটনাৱস্থাৰ মাজত যথাযথ অনুৰূপতাৰ এক স্পষ্ট তথ্য দেখিবলৈ পাওঁ। কিন্তু এখন নক্সা আৰু এটা বচনৰ মাজত মৌলিক পার্থক্যটো হ'ল এয়ে যে প্রথমটো হ'ল— দ্বি-মাত্রাযুক্ত আৰু আনটো হ'ল এক মাত্রাযুক্ত। উইট্‌গেনষ্টাইনে বচনসমূহক চিত্র হিচাবে বর্ণনা কৰিছে। কিন্তু এটা বচনে দ্বি-মাত্রাযুক্ত আকাৰ অবিহনেও এক ঘটনাৱস্থা চিত্রায়িত কৰিব পাৰে। গতিকে আমি এক দোধো�ৰ-মোধো�ৰ অৱস্থাত (Dilemma) পৰো। যদি বচনসমূহ এক মাত্রাযুক্ত আকাৰ হয় তেন্তে সিহঁতে প্রদত্ত বস্তুসমূহৰ সকলো সম্ভাব্য বিন্যাসৰ অৱস্থাবোৰ প্রকাশ কৰিব নোৱাৰে। আনহাতে যদি বচনসমূহ দ্বি-মাত্রাযুক্ত আকাৰ হয় তেন্তে সেইবোৰ ভাষিক বচন হৈ নাথাকিব আৰু এক নক্সালৈ ৰূপান্তৰ হ'ব। যদি আমি দ্বিতীয় বিকল্পটো গ্রহণ কৰো তেতিয়া ই চিত্রতত্ত্বটোৰ ভাষাৰ স্বাভাবিক প্রকৃতিৰ সৈতে অসংগত কৰি তুলিব।

উইট্‌গেনষ্টাইনে তেওঁৰ পূর্বকালীন ৰচনাৱলীত সাধাৰণ ভাষাৰ ভূমিকা অগ্রাহ্য কৰিছে। সাধাৰণ পৰিৱর্তে তেওঁ যুক্তিপূর্ণ আদর্শ ভাষা সমর্থন কৰিছে। কিন্তু পৰৱর্তীকালীন উইট্‌গেনষ্টাইনে ভাষাৰ এই অভিমত পৰিত্যাগ কৰিছে। তেওঁ কয় যে ভাষাই কেতবোৰ নির্ধাৰিত নিয়ম মানি চলে বুলি কোৱাটো ভুল হ'ব। সেয়েহে পৰৱর্তীকালীন উইট্‌গেনষ্টাইনে স্বাভাবিক ব্যাকৰণ আৰু প্রসংগকালীন ব্যৱহাৰযুক্ত ব্যাকৰণৰ (Depth Grammar) মাজত এক পার্থক্য নিৰূপণ কৰিছে। স্বাভাৱিক ব্যাকৰণে এটা বাক্যৰ একক ৰূপ বা আকাৰটোৰ ওপৰত গুৰুত্ব দিবলৈ বিচাৰে। যাৰদ্বাৰা যুক্তিপূর্ণ আদর্শ ভাষা ৰূপায়ণ কৰা সম্ভৱ হ'ব পাৰে। কিন্তু পৰৱর্তীকালীন উইট্‌গেনষ্টাইনে ভাষাৰ পৰিপ্রেক্ষিতত দার্শনিকীকৰণ এই পদ্ধতিটো সলনি কৰি মন্তব্য কৰিছে যে ভাষা হ'ল এক সঁজুলি আৰু ইয়াৰ বিভিন্ন প্রকাৰৰ ব্যবহাৰ আছে। তেওঁ এই ক্ষেত্রত কৈছে যে দার্শনিকৰ সমস্যাবোৰৰ উন্মেষ ঘটে যেতিয়া আমাৰ ভাষা ব্যৱহাৰিক প্রসংগবিহীন হয়। তেওঁ এই উক্তিটোৰ দ্বাৰা ইয়াকে বুজাইছে যে যেতিয়া শব্দবোৰ স্বাভাৱিক বা প্রচলিত প্রসংগৰ বাহিৰত ব্যৱহাৰ কৰা হয় তেতিয়াই দার্শনিক সমস্যাসমূহৰ উৎপত্তি হয়। সেয়েহে এয়া দৃঢ়ভাৱে ক'ব পৰা যায় যে উইট্‌গেনষ্টাইনৰ পৰৱর্তীকালীন ৰচনাৱলীয়ে সাধাৰণ ভাষাক কেন্দ্র কৰিয়েই দার্শনিক ব্যাখ্যা আগবঢ়াইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উইট্‌গেনষ্টাইনৰ মনলৈ চিত্রতত্ত্বৰ ধাৰণাটো কেনেকৈ আহিছিল?

.....

.....

প্রশ্ন নং ২ ঃ অর্থৰ চিত্রতত্ত্ব মানে কি?

.....

.....

প্রশ্ন নং ৩ ঃ মৌলিক বচন কি?

.....

.....

প্রশ্ন নং ৪ ঃ মৌলিক বচনৰ অন্য নামবোৰ কি কি?

.....

.....

প্রশ্ন নং ৫ ঃ সকলো বচনৰ উমৈহতীয়া আকাৰটো কি?

.....

.....

প্রশ্ন নং ৬ ঃ 'দর্শন হ'ল ভাষাৰ এক সমালোচনা'— উক্তিটোৰ অর্থ লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ 'ভাষা ব্যৱহাৰিক প্রসংগবিহীন হয়'— এই উক্তিটোৰ অর্থ লিখক।

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অর্থৰ চিত্রতত্ত্ব অনুসৰি প্রত্যেক বচন বা বাক্যৰে এক অন্তর্নিহিত আকাৰ বা ৰূপ থাকে। এই চিত্রতত্ত্বৰ ধাৰণাটো তেওঁৰ মনলৈ আহিছিল যেতিয়া তেওঁ এখন আলোচনীত এটা মটৰ দুর্ঘটনা দেখিছিল আৰু য'ত কিছুমান সৰু সৰু প্রতিৰূপৰ সহাত সেই দুর্ঘটনাটো চিত্রায়িত কৰা হৈছিল। সেই প্রতিৰূপসমূহ বিভিন্ন প্রকাৰৰ বচন গঠন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল আৰু সেই বচনসমূহে দুর্ঘটনাটো প্রকাশ কৰিছিল।

- উইট্‌গেনষ্টাইনৰ অর্থৰ চিত্রটো হৈছে বচনৰ অর্থ সম্বন্ধীয় এক মতবাদ। সকলো বচনকে চৰম বচন অর্থাৎ মৌলিক বচনলৈ বিশ্লেষণ কৰিব পাৰি। এইবিধ বচনে ইয়াৰ অপ্রকাশিত আকাৰটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰিছে যে এটা মৌলিক বচন হ'ল নামৰ সমষ্টি। এটা মৌলিক বচন আন একো নহয়, ই হ'ল বচনসমূহৰ এক ধাৰণাগত বা তর্কীয় আকাৰ।
- ৰাছেলে স্পষ্টভাৱে কৈছে যে ভাষাৰ তর্কীয় আকাৰ যথাযথভাৱে নুবুজাৰ বাবেই দার্শনিক সমস্যাবোৰৰ উদ্ভৱ হয়। তেওঁ প্রকাশ কৰিছে যে বৈয়াকৰণিক অনুসন্ধানৰ সহায়ত দার্শনিক সমস্যাসমূহৰ সমাধান সূত্র বিচাৰি উলিয়াব পৰা যায়। তেওঁ কৈছে যে দার্শনিক সমস্যাবোৰ উদ্ভৱ হোৱাৰ কাৰণ হ'ল কেতবোৰ বিশেষ দার্শনিক উক্তি বা বচন কিছুমান বিভ্রান্তিক বৈয়াকৰণিক আকাৰৰ লগত মিশ্রিত হৈ থাকে।
- উইট্‌গেনষ্টাইন কেৱল এজন ভাষাৰ সমালোচকেই নহয় তেওঁ পৰম্পৰাগত দার্শনিক সমস্যাসমূহৰো এজন সমালোচক। তেওঁৰ ভাষা সম্বন্ধীয় সমীক্ষাত্মক আলোচনাই নিজকে ভাষাৰ তর্কীয় বিশ্লেষণৰ এজন মহান প্রবক্তা হিচাবে প্রতিষ্ঠা কৰিছে। তেওঁৰ (Tractatus)ৰ মূল উদ্দেশ্য হ'ল ভাষাৰ সেই ৰূপটো মুকলিকৈ প্রকাশ কৰা।
- উইট্‌গেনষ্টাইনে কৈছে যে আমাৰ স্বাভাৱিক অথবা কথিত ভাষাই ইয়াৰ তর্কীয় আকাৰটো প্রকাশ কৰিব নোৱাৰে। সেয়েহে তেওঁ ভাবে যে আমাৰ চিন্তাৰ আভ্যন্তৰীণ আকাৰটো প্রকাশ কৰিবলৈ এক কৃত্রিম বা প্রতীকাত্মক বা তর্কীয় ভাষাৰ প্রয়োজন আছে। এই আভ্যন্তৰীণ আকাৰত বচনৰ সাৰধর্ম বুলি গণ্য কৰা হয়।



৭.৬ অধিক জানিবলৈ

1) Dwivedi, D. N. (1977). A study of Wittgenstein's Philosophy. Darshan Peeth, 177 Tagore Town and Allahabad.

2) Ammerman, Robert R (ed.) (1965). Classics of Analytic Philosophy. Tata Mc Graw Hill Publishing Company, Bombay New Delhi.

3) Bakhle, S.W. (1987). Nature and Development of Linguistic Philosophy, Dattsons, Nagpur.

4) Bhattacharyya, Bhaskar (2014). Analytic Philosophy of Wittgenstein. EBH Publishers India (Ltd).



৭.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ উইট্‌গেনষ্টাইনৰ চিত্র তত্ত্বৰ ধাৰণাটো তেওঁৰ মনলৈ আহিছিল যেতিয়া তেওঁ এখন আলোচনীত এটা মটৰ দুঘটনা দেখিছিল আৰু য'ত কিছুমান সৰু সৰু প্রতিৰূপৰ সহায়ত সেই দুর্ঘটনাটো চিত্রায়িত কৰা হৈছিল। দুঘটনাটো কৰি বুজোৱাৰ বাবে সেই প্রতিৰূপসমূহ বিভিন্ন প্রকাৰৰ বচন গঠন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ অর্থৰ চিত্রতত্ত্বটো হৈছে বচনৰ অর্থ সম্বন্ধীয় এক মতবাদ। এই মতবাদ অনুসৰি এটা বচনক হ'ল সত্তাৰ এক আৰ্হি বা চিত্র। ই কয় যে চিত্র অথবা আৰ্হিয়ে প্রতিনিধিত্ব কৰা ঘটনাৱস্থাৰ জৰিয়তে এটা বচনৰ সত্যতা বা অসত্যতা নিৰূপণ কৰিব পাৰি।

৩ নং প্রশ্নৰ উত্তৰ ঃ এটা মৌলিক বচন হ'ল নামৰ সমষ্টি। ই হ'ল বচনৰ এক ধাৰণাগত বা তর্কীয় আকাৰ। ই হ'ল বচনৰ চৰম বিশ্লেষণ যাক পুনৰ বিশ্লেষণ কৰিব পৰা নাযায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ চিত্রাত্মক আকাৰ, চিত্রাত্মক সম্বন্ধ, সাদৃশ্যমূলক আকাৰ আৰু তর্কীয় আকাৰ।

৫ নং প্রশ্নৰ উত্তৰ ঃ সকলো বচনৰ উমৈহতীয়া আকাৰটো হ'ল তর্কীয় আকাৰ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভাষিক বিভ্রান্তি অথবা আমাৰ ভাষাৰ তর্কীয় আকাৰ যথাযথভাৱে নুবুজাৰ বাবেই দার্শনিক সমস্যাসমূহৰ উদ্ভৱ হয়। দার্শনিক সমস্যাবোৰ সমাধান কৰাটো দর্শনৰ কাম নহয়, ইয়াৰ কাম হ'ল ভাষাৰ ভুল ব্যৱহাৰৰ ফলস্বৰূপে উৎপত্তি হোৱা সমস্যাবোৰ আঙুলিয়াই দি সেইবোৰ আঁতৰ কৰি দেখুওৱা। সেয়ে ৱিটগেন ষ্টাইনে মন্তব্য কৰিছে যে দর্শন হ'ল ভাষাৰ এক সমালোচনা।

৭ নং প্রশ্নৰ উত্তৰ ঃ 'ভাষা ব্যৱহাৰিক প্রসংঙ্গবিহীন হয়' বুলি ক'লে ইয়াকে বুজোৱা হৈছে স্বাভাৰিক বা প্রচলিত প্রসংগৰ বাহিৰত শব্দসমূহ ব্যৱহাৰ কৰা হৈছে। এনেধৰণৰ পৰিপ্রেক্ষিতত দার্শনিক সমস্যাৰ উদ্ভৱ হয়।



৭.৮ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ মৌলিক বচন কি?

প্রশ্ন ২ ঃ অর্থৰ চিত্রটো কি?

প্রশ্ন ৩ ঃ মৌলিক বচনৰ বিভিন্ন নামবোৰ কি কি?

প্রশ্ন ৪ ঃ উইট্‌গেনষ্টাইনৰ দুখন বিখ্যাত গ্রন্থৰ নাম লিখক।

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ অর্থৰ চিত্রতত্ত্বটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ মৌলিক বচনক উদাহৰণসহ চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ তর্কীয় আকাৰৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ৪ ঃ 'দর্শন হ'ল ভাষাৰ এক সমালোচনা'— এই উক্তিটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ তর্কীয় ভাষা আৰু স্বাভাৱিক ভাষাৰ মাজত থকা পার্থক্য চমুকৈ বর্ণনা কৰক।

প্রশ্ন ৬ ঃ দার্শনিক সমস্যাসমূহ কিদৰে উদ্ভৱ হয় চমুকৈ আলোচনা কৰক।

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ অর্থৰ চিত্রতত্ত্বটো সমালোচনামূলকভাৱে ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ 'দর্শন হ'ল ভাষাৰ এক সমালোচনা'— এই উক্তিটো ব্যাখ্যা আৰু পৰীক্ষা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ উইট্‌গেনষ্টাইন ঃ ভাষাখেল

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ভাষাৰ সাৰ্বিক আকাৰ

৮.৩.১ ভাষাৰ মূলতত্ত্ব

৮.৩.২ চৰম সৰল

৮.৪ ভাষাখেল

৮.৪.১ পৰিয়াল সমৰূপতা

৮.৪.২ ব্যৱহাৰ অনুসৰি অর্থ নিৰূপন

৮.৪.৩ ব্যক্তিগত ভাষা

৮.৫ সমালোচনা

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাষাৰ সাৰ্বিক আকাৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- ভাষাৰ মূলতত্ত্ব সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- পৰম সৰল সম্পর্কে বর্ণনা আগবঢ়াব পাৰিব
- ভাষা খেলৰ ধাৰণাটো বিশ্লেষণ কৰিব পাৰিব
- পৰিয়াল সমৰূপতা ধাৰণাটোৰ ব্যাখ্যা কৰিব পাৰিব
- ব্যৱহাৰৰ দ্বাৰা অর্থ নিৰূপনৰ ধাৰণাটোৰ মূল্যাংকন কৰিব পাৰিব
- ব্যক্তিগত ভাষাৰ ধাৰণাটোৰ ব্যাখ্যা আগবঢ়াব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টোৱে আপোনালোকক ভাষাখেলৰ ধাৰণাটোৰ আভাস দিব। নিঃসন্দেহে ই ভাষাদর্শনৰ এক মৌলিক ধাৰণা আৰু এই ধাৰণাটোৱে ভাষাৰ ছবিতত্ত্বটোক খণ্ডন কৰি ভাষাৰ ভিন্ন কার্যসম্বন্ধে তেওঁৰ পিছৰ দর্শনত প্রকাশ কৰে। তেওঁৰ আন আন গুৰুত্বপূর্ণ ধাৰণাসমূহ যেনে— পৰিয়াল সমৰূপতা, ব্যৱহাৰ অনুসৰি অর্থ নিৰূপন, ব্যক্তিগত ভাষা আদি ভাষাখেলৰ ধাৰণাটোৰ পৰা নিঃসৰিত।

৮.৩ ভাষাৰ সাৰ্বিক আকাৰ

উইট্‌গেনষ্টাইনে *Tractatus Logico Philosophicus* নামৰ গ্ৰন্থখনত যিকোনো বচনে ভাষাৰ সাৰ্থিক আকাৰটো পূৰ্বগৃহীত বুলি ধৰি লয়। প্ৰাথমিক বচন এটা নামৰ এক সংমিশ্ৰন। বচন এটাক বুজিবলৈ হ'লে বস্তুবোৰ কেনেদৰে নামৰ সৈতে সাঙোৰ খাই আছে তাক বুজিব লাগিব। যিকোনো বচনে সমগ্ৰ তাৰ্কিক দিকৰ কথাটোকে কয় (Logical Space) উইট্‌গেনষ্টাইনৰ এই ধাৰণাটো বচনৰ 'সাৰসত্তাৰ' মতামতটোৰ সৈতি সম্বন্ধ আছে। (T: 5.4711) বচনৰ সাৰসত্ত্বাটো বচনৰ সাৰ্বিক আকাৰৰ লগত একে কথাটো 'সকলো বচনকে বুজিব পাৰি' এই তথ্যটোৰ দ্বাৰা প্ৰমাণ কৰিব পাৰি। (Notebooks p-89) প্ৰত্যেক বচনেই ভাষাৰ সাৰ্বিক আকাৰটোক বহন কৰা ধাৰণাটো উইট্‌গেনষ্টাইনৰ *Investigations* গ্ৰন্থই অস্বীকাৰ কৰে। বাক্য এটাই ভাষাখেলকেই পূৰ্বতেই মানি লয়, কিন্তু এটা ভাষাকে ভাষাখেল ভাষা সমগ্ৰতাৰ এটা মাত্ৰ সৰু খণ্ড বা ভাগ। *Investigations* উইট্‌গেনষ্টাইনে মিস্ত্ৰী বা কাৰিকৰ আৰু শ্ৰমিকৰ উদাহৰণ জড়িয়তে ভাষাখেলৰ উদাহৰণ দিয়ে। ঘৰ নিৰ্মাণ কৰা সামগ্ৰীসমূহ হ'ল শিলাখণ্ড, খুটা, শিল বা কাঠ, শকত কাঠ বা বাহ বা লো। মিস্ত্ৰীজনে শব্দ এটা উচ্চাৰণ কৰাৰ লগে লগে সহায়কজনে মিস্ত্ৰীজনৰ নিৰ্দেশ মানি বস্তুটোৰ যোগান ধৰে। উইট্‌গেনষ্টাইনে এই কাৰ্যৰ আৰু ভাষাৰ পদ্ধতিটোক মিস্ত্ৰী আৰু বনুৱাৰ উদাহৰণৰ মাধ্যমেদি ভাষাৰ খেল হিচাপে নামাকৰণ কৰে। (Language game) উইট্‌গেনষ্টাইন *Brown Books* ত সৈন্য অবিহনে দবাখেলৰ ব্যাখ্যা বৰ্ণনা দিয়াৰ তুলনা এটা আমি পাওঁ। সৈন্য অবিহনে দবা খেলৰ বৰ্ণনা দিয়া কাৰ্যটো অসম্পূৰ্ণ ভাষা খেল হিচাপে বৰ্ণনা দিয়া হয়, কিন্তু দবা খেলৰ বৰ্ণনাটো এটা অসম্পূৰ্ণ ভাষা খেল হিচাপে মুঠতে গণ্য কৰা হয়। এই সাধাৰণ ভাষাযোৰ ধাৰণাটোৱে কেতিয়াও দবা বা খেলক নতুন খেলৰ এটা অনেক পূৰ্বতে গৃহিত বা স্বীকাৰ কৰি লয়। আনহাতে মিস্ত্ৰী আৰু বৰুৱাৰ উদাহৰণটোৱে (see 2) বৰ্ণনা বা প্ৰশ্নাত ভাষা ব্যৱহাৰৰ ধাৰণাটোক অৰ্থ কৰে।

৮.৩.১ ভাষাৰ সাৰসত্ত্বা (The Essence of Language)

Tractatus ৰ মতে ভাষাৰ এটা সাৰসত্ত্বা আছে যিদৰে ভাষাৰ এটা সাধিক আকাৰ আৰু যিটোক সকলো সংখ্যাৰে মূল হিচাপে বিবেচনা কৰা হয়। কিন্তু Investigations এই মতামতটো অস্বীকাৰ কৰা হয়। এই মতামত অনুসৰি ভাষাখেলৰ ভিন্ন আকাশত কোনো উমৈহতীয়া মিল নাই, যিদৰে বিভিন্ন খেল যেনে— ক্ৰিকেট খেল তাচখেল, বলখেল, আৰু বোৰ্ডখেলৰ মাজত কোনো উমৈহতীয়া মিল দেখা পোৱা নাযায়। উইট্‌গেনষ্টাইনৰ পিচৰ দৰ্শনৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ভাষাৰ কোনো সাধাৰণ মিল নাই নতুবা ভাষাৰ কোনো লেখক ল'বলগীয়া আকাৰ নাই। যাৰ দ্বাৰা ভাষাৰ ভিন্ন আকাৰবোৰ বৰ্ণনা কৰিব পাৰি। সেয়ে উইট্‌গেনষ্টাইনৰ আগৰ মতামতবোৰ তেওঁৰ পিছত দৰ্শনৰ সময়ছোৱাত অস্বীকাৰ কৰা হয়।

উইট্‌গেনষ্টাইনে মত দিয়ে যে ভাষাৰ চূড়ান্ত উপাদানবোৰ হ'ল names. যিয়ে সৰল বস্তুক বুজায় (Simple object)। কিন্তু পিছৰ উইট্‌গেনষ্টাইনে মত দিয়ে যে সৰল নতুবা যৌগিক শব্দবোৰে কোনো পৰম বা চূড়ান্ত অর্থক নির্দেশ নকৰে। ৰৰং শব্দবোৰ (সৰল আৰু যৌগিক) এটা বিশেষ ভাষা খেলৰ ভিতৰত আৱদ্ধ কৰিহে ব্যৱহাৰ কৰা হয়, সেয়ে ভাষা খেলৰ শব্দবোৰ সৰল নতুবা জটিল হ'ব পাৰে। উদাহৰণস্বৰূপে, গছ এডালৰ দৃশ্য প্রতিবিম্বটো মানুহ এজনৰ বাবে সৰলনে যৌগিক? প্রশ্নটোৰ উত্তৰটোৱে কোনো অর্থ বহন নকৰে যদি আমাৰ ধ্যানটো বা মনযোগটো কেৱল গছডালৰ মূল শিপা বা ঠাল-ঠেঙুলিৰ ওপৰত দিও। ধাৰণাটো সৰল হয় যেতিয়া আমি মনযোগটো গছডালৰ মূল শিপাডালৰ ওপৰত দিও। ইয়াৰ বিপৰীতে উত্তৰটো যৌগিক হয় যেতিয়া মনযোগটো নতুবা গছজোপাৰ আলোচনাটো মূলশিপা বা গুৰি আৰু ঠাল-ঠেঙুলিৰ পৰা আৰম্ভ কৰো। এই উদাহৰণটোৰ মাধ্যমেদি উইট্‌গেনষ্টাইনে দেখুৱাইছিল যে সৰল আৰু যৌগিক বস্তুৰ বিষয়বোৰ ভাষাখেলৰ ধাৰণাৰ লগত সম্পর্কযুক্ত বা আপেক্ষিক। Tractatus মতে সৰলতাৰ ধাৰণাটো কিন্তু আপেক্ষিক নহয়। ৰৰং ভাষাৰ সকলোবোৰ ধাৰণাই সৰল ধাৰণাটোত নিহিত হৈ আছে। সেয়ে, Tractatus ৰ ধাৰণাটোক উত্তম ধাৰাণা বুলি কোৱা হয়। আন এটা অর্থত, এই ধাৰণাটোক কাল্পনিক ধাৰণা বুলি কোৱা হয়, কিন্তু সমস্যাটো হ'ল যে কেনেকৈ এই ধাৰণাটোক ব্যৱহাৰ বা প্রয়োগ কৰা হয়। আকৌ উইট্‌গেনষ্টাইনৰ Tractatus ত আমি পৰম সৰলৰ উদাহৰণ কতো নাপাওঁ।

Investigations গ্রন্থই পৰম সৰলৰ ধাৰণাটোক অস্বীকাৰ কৰে, কাৰণ এই গ্রন্থই ধাৰণাটোক দার্শনিক ভ্রম বুলি অভিহিত কৰে। Investigations গ্রন্থৰ মত অনুসৰি কাল্পনিক ধাৰণা হিচাপে পৰম সৰলৰ ধাৰণাটোৱে ভাষাখেলে দিয়া চাহিদা বা প্রয়োজনখিনি পূৰাব নোৱাৰে অর্থাৎ ভাষাখেলে খেল আৰু কার্যকলাপবোৰৰ মাজতহে এটা ফটফটীয়া সম্বন্ধ স্থাপন কৰিব পাৰে। কাল্পনিক আৰু আদর্শগত ধাৰণাই খেল আৰু কার্যকলাপবোৰৰ মাজত সম্পর্ক স্থাপন কৰিব নোৱৰে। সেয়ে, Investigations গ্রন্থৰ সার্বিক বা সম্পূর্ণ যথার্থতাৰ প্রসংগটো উত্থাপন কৰে, সেয়ে বিষয়টো হ'ল কিয় আমি সার্বিকতাৰ বিষয়ে হ'ব লাগে? নির্ভুল আৰু যথার্থ ধাৰণাটো কিছুমান বিশেষ উদ্দেশ্য সাপেক্ষেহে আপেক্ষিক উদাহৰণস্বৰূপে, 'অতিথি ঘৰলৈ সঠিকভালে এক বজাত আহিব। এই সঠিক ধাৰণাটোৰ ক্ষেত্রত কিন্তু কোনো এটা পর্যবেক্ষণগাৰৰ ব্যৱহৃত সজুলি আৰু জোখ-মাপবোৰ ব্যৱহাৰ কৰা হয়।'

Investigations ৰ বক্তব্যটো হ'ল ঃ 'কোনো এক যথার্থ আদর্শ দিয়া হোৱা নাই যে আদর্শটোৰ মাজেদি কোনো এটা বস্তু কল্পনা কৰিবলৈ আমি ধৰি লোৱা উচিত যে সেইটো আমি নাজানো (sec. 88) এইটো মত দিব পাৰি বিভিন্ন প্রকাৰৰ যথার্থ বা নির্ভুল বিভিন্ন উদ্দেশ্যৰ বাবে থাকে। সেয়ে, যথার্থ বা নির্ভুল ধাৰণাটো একোটা উদ্দেশ্যৰ ক্ষেত্রতহে জড়িত হৈ থাকে, ৰৰং ইয়াৰ উদ্দেশ্য অনুসৰি ব্যৱহাৰ ভিন্ন হ'ব পাৰে। কিন্তু

ধাৰণাটো হ'ল যে সম্পূৰ্ণ নিৰ্ভুল বা যথাৰ্থৰ বাবে আমাৰ সচৰাচৰ ব্যৱহাৰিত একোটা নিৰ্দ্দিষ্ট অৱস্থান থাকে আৰু ইয়াক তৰ্কশাস্ত্ৰসন্মত বিশ্লেষণৰ মাধ্যমেদি প্ৰকাশ কৰা হয়। প্ৰকৃত আদৰ্শগত যথাৰ্থৰ অন্বেষণৰ ক্ষেত্ৰত আমি সাধাৰণ শব্দ আৰু বাক্য লৈ অসন্তুষ্টি প্ৰকাশ কৰো, কাৰণ আমাৰ সচৰাচৰ বা প্ৰাতাহিক বা দৈনিক ব্যবহৃত ভাষাৰ ক্ষেত্ৰত আমি কোনো বিশুদ্ধ বা প্ৰকৃত ভাষাৰ গাঁঠনি নাপাওঁ। সেয়ে, Investigations গ্ৰন্থই উল্লেখ কৰে যে— 'চিন্তা কৰাৰ পৰিৱৰ্ত্তে চোৱা বা প্ৰত্যক্ষ কৰা আমাৰ ভাষাত কোনো গোপন বা লুকাই থকা প্ৰক্ৰিয়া চাই। সেয়ে উইট্‌গেনষ্টাইনে বক্তব্য কৰে যে ঃ দৰ্শনে সকলোবোৰ বস্তু আমাৰ আগত প্ৰকাশ কৰে, ই কিন্তু ব্যাখ্যা নিৰ্ণয় নকৰে, যি বস্তুৱেই গোপন বা লুপ্ত তাৰ প্ৰতি আমাৰ কোনো অগ্ৰহ বা আকৰ্ষণ নাই।'

৮.৪ ভাষা খেল (LANGUAGE GAMES)

ভাষাটো এটা ছবি- এই ধাৰণাটো তেওঁৰ পিছৰ দৰ্শনত ভাষাৰ বিভিন্ন কাৰ্যৰ ধাৰণাৰ দ্বাৰা স্থানান্তৰ কৰা হৈছে। 'ভাষা খেলৰ শব্দটোৱে অৰ্থ কৰে যে ভাষা কোৱাটো এটা কাৰ্য নতুন জীৱননৰ এটা আকাৰ'। (PI-123)

ভাষাখেলৰ উদাহৰণবোৰ হ'ল- মানি চলা আৰু হুকুম দিয়া বস্তুসমূহৰ আৰ্বিভাৱটো বৰ্ণনা কৰা, এটা বৰ্ণনাৰ পৰা বস্তু এটাৰ ৰূপ দিয়া, ঘটনা এটাৰ সংবাদ দিয়া, ঘটনা এটা সম্পৰ্কে ধাৰণা কৰি থকা প্ৰকল্প এটা গঠন আৰু পৰীক্ষা কৰা, চিত্ৰ আৰু অৰ্থৰ বিন্যাসত পৰীক্ষা এটাৰ ফলাফলসমূহ প্ৰকাশ কৰা, সাধু বনোৱা আৰু পঢ়া, নাটক কৰা, গান বুজি পোৱা, সাঁথৰ সম্বন্ধে ধাৰণা কৰা, ধেমালি কৰা, বীজগণিতীয় সমস্যা ব্যৱহাৰিক অৰ্থ সমাধান কৰা, এটা ভাষাৰ পৰা আন এটালৈ ভাঙনি, সুধি থকা, গৰিহনা দিয়া, নমস্কাৰ কৰা আৰু প্ৰাৰ্থনা কৰা। এই ভাষাখেলবোৰ ভাষাক বুজিবলৈ ব্যৱহাৰ কৰা হয়। এনেদৰে মত দিব পাৰি যে ভাষাখেলত শব্দ এটাৰ অৰ্থ ইয়াৰ ব্যৱহাৰক দ্বাৰা নিৰূপন কৰা হয়। ভাষাৰ অৰ্থ লগত আমাৰ জীৱনৰ এক ভূমিকা আছে। সেয়ে, উইট্‌গেনষ্টাইনে অৰ্থ কৰে যে 'ভাষা এটাক কল্পনা কৰা মানে জীৱনৰ আকাৰ এটাক কল্পনা কৰা' আমাৰ ভাষাখেলত কোনো ধৰণৰ উমৈহতীয়া মিল নাই।

৮.৪.১ পৰিয়াল সমৰূপতা (Family Resemblance)

গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল বিভিন্ন কাৰ্যকলাপবোৰৰ উমৈহতীয়া কাৰ্যটো কি? উত্তৰটো হ'ল বিভিন্ন কাৰ্যবোৰৰ মাজত উমৈহতীয়া মিলটো বা বৈশিষ্ট্যটো সুধাৰ পৰিৱৰ্ত্তে বৰং এইটো ক'ব পাৰি যে কাৰ্যবোৰৰ মাজত কেনো ধৰণৰ উমৈহতীয়া মিল নাই আৰু কাৰ্যবোৰ এটাই আনটোৰ সৈতে ভিন্ন ক্ষেত্ৰত সম্পৰ্কিত।

বিভিন্ন কৰ্মৰ সৈতে ভাষাৰ সম্পৰ্কৰ থকাৰ বাবে আমি সকলোকে ভাষা বুলি কওঁ। উদাহৰণস্বৰূপে, খেলৰ শব্দটোৰ দ্বাৰা উইট্‌গেনষ্টাইনে বিভিন্ন খেলৰ নাম উল্লেখ কৰে যেনে- বোৰ্ড খেল, তাচখেলা, বলখেল, অলিম্পিক খেল ইত্যাদি। এই খেলবোৰৰ

মাজত উমৈহতীয়া মিলটো কি। উইট্‌গেনষ্টাইনৰ উত্তৰটো হ'ল- এইটো কোৱা নহয় যে কিবা এটা উমৈহতীয়া মিল আছে, নতুন খেলবোৰক খেল বুলি কোৱা নহ'ব। যদি আমি বিভিন্ন খেললৈ দৃষ্টি নিক্ষেপ কৰো তেন্তে দেখিম যে খেলৰ মাজত কোনো ধৰণৰ উমৈহতীয়া মিল নাই। উমৈহতীয়া মিলৰ পৰিৱর্ত্তে আপুনি খেল আৰু ভাষাৰ মাজত কিছুমান মিল সামঞ্জস্য দেখা পাব। প্রশ্নটোৰ উত্তৰ পোৱাৰ পৰিৱর্ত্তে উইট্‌গেনষ্টাইনে পুনৰ উল্লেখ কৰে যে "চিন্তা কৰাৰ পৰিবর্ত্তে চোৱা।" (Do not think, but look) উদাহৰণস্বৰূপে যেতিয়া আমি খেলবোৰ যেনে- বোর্ড খেল, তাচ খেল, টেনিচ খেল, বল খেলবোৰ খেলো অর্থাৎ খেলবোৰৰ মাজত এটাৰ সৈতে আন এটা খেলৰ কিছুমান মিল বা বৈশিষ্ট্য পাওঁ আৰু আমি কিছুমান বৈশিষ্ট্য পাওঁ যিবোৰ এটা খেলত উপস্থিত থাকি আনটো খেলত অনুপস্থিত থাকে। সকলোবোৰ খেলৰে হৰা বা জিকাৰ সৈতে সম্পর্ক থাকেনে? সকলোবোৰ খেলেই খেলুৱৈৰ মাজত প্রতিযোগিতা থকাটো বুজায় নে? গুৰুত্বসহকাৰে বলখেলাত হৰা বা জিকা থাকে। কিন্তু এটা শিশুৰে বল এটা দলিয়াই আৰু পুনৰ ধৰা এই খেলৰ প্রক্রিয়াটোত হৰা বা জিকা দিশটো অনুপস্থিত থাকে। গতিকে আমি দবা খেল আৰু টেনিচ খেলৰ মাজত তুলনা কৰিব পাৰো। ইয়াত আমি দবা আৰু টেনিচ খেলৰ দক্ষতা আৰু ভাগ্যৰ মাজত পার্থক্য নিৰূপন কৰো। আকৌ আমি ৰিঙা ৰিঙা ৰোজেচ (Ringa Ringa roses) খেলৰ উল্লেখ কৰিব পাৰো, ইয়াত বৈশিষ্ট্যসমূহ যেনে হৰা আৰু জিকা (Winning and losing) খেলুৱৈৰ মাজত হোৱা প্রতিদ্বন্দ্বিতা (Competition among players) আৰু ভাগ্য আৰু দক্ষতা অনুপস্থিত। আনহাতে ৰং ধেমালিৰ বৈশিষ্ট্যটো এবিধ খেলত উপস্থিত আছে আৰু এই বৈশিষ্ট্যটো আন আন খেল যেনে— টেনিচ খেল, বল খেল আদিত অনুপস্থিত। সেয়ে Investigations গ্রন্থত কোৱা হয় যে আমি পাৰস্পৰিকভাৱে আমি ছেডন কৰা আৰু অধিক্রমন কৰা জটিল সামঞ্জস্যৰ লগতে মাজে সময়ে সবিশেষ সামঞ্জস্যৰ জটিলতা প্রত্যক্ষ কৰিব পাৰো।

উইট্‌গেনষ্টাইনে এই প্রসংগত গুৰুত্বপূর্ণ ধাৰণা হিচাপে পৰিয়াল সমৰূপতা ধাৰণাৰ উদ্ভৱ কৰিছে। যিদৰে খেলৰ উমৈহতীয়া কিছুমান বৈশিষ্ট্য বা সমৰূপতা আছে ঠিক তেনেদৰে পৰিয়ালৰ সদস্যৰ মাজত আমি কিছুমান মিল যেনে— চকুৰ বৰণ, উচ্চতা, মনোভাব আৰু খোজকঢ়াৰ ধৰণ কৰণত ইত্যাদি। সেয়ে উইট্‌গেনষ্টাইনে মত দিয়ে যে খেলসমূহে পৰিয়ালৰ উদ্ভৱ কৰে।

উইট্‌গেনষ্টাইনৰ ভাষা খেল ধাৰণাটোৰ লগত এৰিষ্টটলৰ প্রবর্গ ধাৰণাৰ লগত মিল আছে। এৰিষ্টটলৰ মত অনুসৰি প্রবর্গ হ'ল বস্তু যাৰ বিষয়ে কোৱা হয়। এৰিষ্টটলে মতটো দিয়ে যে এটা বাক্য অর্থপূর্ণ যদিহে ই এটা প্রবর্গৰ অন্তর্ভুক্ত হয়। থিক তেনেদৰে উইট্‌গেনষ্টাইনৰ মতটো হ'ল যে "এটা বাক্য বা উক্তি অর্থপূর্ণ হ'ব ইয়াৰ ব্যৱহাৰ বা প্রয়োগৰ প্রসংগৰ ভিত্তিতহে।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) Tractatus মতে, ভাষাৰ এটা সামগ্রিক আমাৰ আছে। (শুদ্ধ/অশুদ্ধ)

(খ) Tractatus ত সৰলতাৰ ধাৰণাটো এটা প্রতিৰূপ ধাৰণা নতুবা এটা পৰম ধাৰণা। (শুদ্ধ/অশুদ্ধ)

(গ) 'চিন্তা কৰাৰ পৰিৱর্ত্তে চোৱা'— এই কথাষাৰি পূর্বৰ উইট্‌গেনষ্টাইনৰ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ ভাষাখেল কি?

.....

প্রশ্ন নং ৩ ঃ উইট্‌গেনষ্টাইনৰ পিচৰ দর্শনৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য কি?

.....

প্রশ্ন নং ৪ ঃ উইট্‌গেনষ্টাইনে ক'ত সাধাৰণ ভাষা খেলটো উল্লেখ কৰে?

.....



চিন্তা-চর্চা কৰক ৮.১

বচনৰ সাৰসত্তা বুলি ক'লে আপুনি কি বুজে?

.....

.....

৮.৪.২ ব্যৱহাৰ অনুসৰি অর্থ (Meaning as use)

Investigations গ্রন্থই Tractatus অর্থৰ চিত্রটো অস্বীকাৰ কৰে। প্রাৰম্ভিক আৰু পিচৰ উইট্‌গেনষ্টাইন জড়িত থকা প্রশ্নবোৰ হ'ল ঃ কেনেধৰণে বাকা এটাই কিবা কৰা। নতুবা কেনেধৰণে বাক্যই এটাই সত্তাক প্রতিনিধিত্ব কৰে?

Blue Book ৰ প্রথম বাক্যটো হ'ল শব্দ এটাৰ অর্থটো কি? এটা প্রশ্নটো আকৌ আন এটা প্রশ্নৰ সৈতে জড়িত সেইটো হ'ল বাক্য এটাৰ অর্থটো কি? প্রাৰম্ভিক আৰু পিচৰ উইট্‌গেনষ্টাইন দুয়োটাই উল্লিখিত প্রশ্নটোৰ সৈতে জড়িত, কিন্তু পিচৰ উইট্‌গেনষ্টাইন সম্পূর্ণৰূপে প্রাৰম্ভিক উইট্‌গেনষ্টাইনৰ পৰা পৃথক।

প্রাৰম্ভিক উইট্‌গেনষ্টাইনৰ মতে ভাষাৰ এটা অর্থ আছে কাৰণ ই এটা ছবি। তেওঁৰ বৈপ্লবিক নতুবা তাৎপর্যমূলক মতটো হ'ল- 'বাক্য এটাৰ অর্থটো মানে হ'ল ইয়াৰ ব্যবহাৰ' এই কথাষাৰিয়ে ব্যাখ্যা কৰে যে ব্যৱহাৰে বাক্য এটাৰ অর্থ নিৰূপন কৰে। উইট্‌গেনষ্টাইনে ভিন্ন ঠাইত বাক্য এটাৰ ব্যৱহাৰ কেনেদৰে হয়। তাৰ বিষয়ে উল্লেখ কৰিছে। উদাহৰণস্বৰূপে এইটো তথ্য নহয় যে একে অর্থ থকা বাক্যবিলাকে

একে অর্থতেই জড়িত নাথাকে নে? (Inv, sec, 20) ভাষাৰ সীমাহীন ব্যৱহাৰ হ'ব পাৰে যাক আমি কও, প্রতীক, শব্দ, বাক্য (Sec. 23)

উইট্‌গেইনষ্টাইন Investigation' তেওঁৰ প্রাৰম্ভিক কর্মৰাজিৰ সমালোচনা বুলি কোৱা হয়। তেওঁ কয় যে আমি সদায় বাক্য এটাক বুজিব নোৱাৰিবও পাৰো আৰু বাক্যটোত ব্যৱহৃত শব্দবোৰ বুজি পাওঁ যদিও বাক্যটো ব্যাকৰণ সন্মতভাৱে সত্য। উদাহৰণস্বৰূপে, যদি কোনোবাই কয়, "এইটো ইয়াত আছে", তেওঁ প্রশ্নটো সোধা উচিত যে কোনটো ক্ষেত্রত বা পৰিৱেশত প্রকৃততে বাক্যটো ব্যবহৃত হৈছে? (Sec. 117) থিক তেনেধৰণে এজন দার্শনিকে কয় যে— 'মই ইয়াতে আছো' এজন দার্শনিকে বুজে বুলি কয়। তেওঁ এইটোৰ দ্বাৰা কিবা অর্থ কৰে আৰু কিবা ভাৱে যদিও তেওঁ কোনটো উপলক্ষত বাক্যটো ব্যৱহৃত হৈছে সমূলি তেওঁ নাভাবে। (Sec. 549)

উইট্‌গেইনষ্টাইনে এই প্রসংগত কয় যে বাক্যবোৰ এটা বিশেষ পৰিস্থিতিতহে অর্থপূর্ণ হ'ব কিয়নো আমি ভিন্ন পৰিস্থিতিত বাক্যৰ অর্থ বুজি নাপাও। উইট্‌গেইনষ্টাইনৰ পিচৰ মতামতবোৰ প্রাৰম্ভিক মতামতৰ পৰা পৃথক। প্রাৰম্ভিক মতামতবোৰে মত পোষণ কৰে যে প্রাথমিক বচনবোৰ নামৰ এটা সমষ্টি। যদি আমি বাক্যত ব্যৱহৃত নামবোৰ বুজিবলৈ সক্ষম হওঁ তেতিয়াহে আমি বাক্যটো বুজিব পাৰো। এই ক্ষেত্রত পৰিস্থিতিৰ বিষয়টো Invastigations যে আগবঢ়াই দিয়া ধৰণে Tractatus ত দিয়া নহয়। 'মই ইয়াতে আছো' এই বাক্যটোৱে একো অর্থ নিৰূপন নকৰে যদিহে বাক্যটো ব্যৱহৃত নহয়। আকৌ বাক্য এটা দেখা মানেই ইয়াৰ অর্থ নিৰূপন কৰা নহয় যদিহে ইয়াৰ অর্থ কোনো এটা প্রসংগত ব্যবহৃত নহয়। উইট্‌গেনষ্টাইনে তেওঁৰ প্রাৰম্ভিক মতামত অস্বীকাৰ কৰে। "আমি এটা বচনাত্মক চিহ্ন অর্থ ব্যাখ্যা অবিহনে বুজো।" (T. 4.02)

উইট্‌গেনষ্টাইনে মতপোষণ নকৰে যে শব্দবোৰৰ অর্থ আৰু ইয়াৰ ব্যৱহাৰ একে। এটা বিশেষ অভিব্যক্তি বা উক্তিৰ ব্যৱহাৰৰ দ্বাৰা তেওঁ বিশেষ পৰিস্থিতি য'ত বাক্যটো কোৱা বা লিখা হয় তাকে বুজায়। এটা বাক্যৰ ব্যৱহাৰৰ দ্বাৰা তেওঁ এটা ভাষাখেলৰ য'ত বাক্যটো ব্যৱহাৰ কৰা হয় তাকে বুজায়।

এটা অভিব্যক্তিৰ ব্যৱহাৰৰ দ্বাৰা উইট্‌গেনষ্টাইনে অভিব্যক্তিৰ সাধাৰণ ভাষা ব্যৱহাৰ বা ইয়াৰ শুদ্ধ ব্যৱহাৰৰ অর্থ কৰা ধাৰণাটো এটা ভুল ধাৰণা বুলি মত দিয়ে। উইট্‌গেইনষ্টাইন এজন সাধাৰণ ভাষাৰ দার্শনিক আছিল। এইটো বক্তব্য দিব পাৰি যে উইট্‌গেনষ্টাইনে ভাষাৰ ভিন্ন ব্যৱহাৰক অধ্যয়ন কৰিছিল। প্রকৃত অথবা কাল্পনিক ভাষা যিটোৱে দার্শনিক সমস্যাৰ সৃষ্টি কৰে তাকো তেওঁ অধ্যয়ন কৰিছিল। উদাহৰণস্বৰূপে ভাষাৰ খেল তেওঁ উদ্ভাব কৰিছিল যিটোৰ ভাষাৰ প্রকৃত ব্যৱহাৰৰ লগত মিল নাছিল। Tractatus গ্রন্থখনে উল্লেখ কৰে যে ভাষা নামৰ দ্বাৰা সৃষ্টি হয়। নাম এটাৰ অর্থই সৰলবস্তু বা পদার্থক সূচায়। সেয়ে বাক্য এটাৰ অর্থ সাধাৰণতে নামৰ দ্বাৰাই উদ্ভৱ হয়। নাম এটাই বস্তু এটাকে সূচায়, আনহাতে আন এটা নামে আন এটা বস্তুক সূচায় আৰু বস্তু বা পদার্থৰ সংমিশ্রনে তথ্যসম্বন্ধিত বিষয়ৰ ছবিকে দেখুৱায়। সেয়ে নামকৰণ

প্রক্রিয়াটো অর্থৰ পূর্ববর্তী। এটা বাক্যই কিবা এটা প্রকাশ কৰে কাৰণ ই নামৰ দ্বাৰাই সৃষ্ট আৰু ই বস্তু বা পদার্থৰ ঠাইত ব্যৱহৃত হয়।

এটা বাক্যত নামটো অর্থৰ পূর্বৱর্তী। এটা বাক্যই কিবা কয় কাৰণ বাক্যটো নামৰেই সমষ্টি যিটো বস্তু/পদার্থৰ দ্বাৰাই গঠিত হয়। Investigations গ্রন্থত বাক্যত নামৰ পূর্বৱর্তীৰ বিৰুদ্ধে দুটা ওজন বা আপত্তি হ'ল ঃ

প্রথমতে, শব্দ এটাৰ অর্থ প্রকৃততে বস্তুটো নহয়, যদিও বস্তু /পদার্থৰ শব্দৰ লগত ইয়াৰ সঙ্গতি থাকে। (Sec: 40)

দ্বিতীয়তে, এটা নাম কোনো এটা বস্তুৰ ঠাইত সংলগ্ন কৰাৰ আগতে কোনোবাই ভাষা খেলৰ য'ত নামটো অন্তর্ভুক্ত হয় সেই সম্বন্ধে দক্ষ হোৱাটো উচিত। এক প্রকাৰ ৰং, দিশ, অনুভূতি আদিক জনাব বাবে এজন মানুহে ৰং'ক উপযুক্ত স্থানত বহুওৱাৰ, এখন মানচিত্র পঢ়াৰ, শব্দ জ্ঞানৰ, অগ্নি-ভঙ্গি আৰু আচৰণ যিবোৰ সংবেদনত প্রকাশ আদিক ভালদৰে ৰোধ কৰা উচিত। কোনো এটা বস্তুক নিয়মিতভাৱে উল্লেখ কৰাৰ দ্বাৰাই এইটো বুজোৱা নহয় যে আমি বস্তু এটাৰ বিষয়ে জানিলো, বৰং এনেভাৱে ক'ব পাৰি যে শব্দ এটাৰ অর্থ ইয়াৰ ব্যৱহাৰৰ আৰু বিশিষ্ট পৰিস্থিতিত য'ত শব্দটো ব্যৱহাৰ কৰা হয় তাৰ দ্বাৰা নির্ণয় কৰা হয়।

Tractatus ৰ গ্রন্থত উইট্‌গেনষ্টাইনে কয় যে শব্দবোৰ সত্তাৰ ছবি আৰু যিবোৰ শব্দই সত্তাৰ ছবিটো তাকে তেতিয়া বচনৰ অর্থটো উপযুক্ত বা সঠিক বুলি ক'ব পৰা যায় আৰু যিবোৰ শব্দই সত্তাৰ ছবিটো আঁকিবলৈ অসমর্থ হয় তেন্তে বচনটো অশুদ্ধ বা মিছা বুলি বিবেচিত হয়। সেয়ে এইটো এটা জ্ঞান যিয়ে খাজে খাপে নাখায় বা বিৰোধহীন ভাৱে সংযুক্ত নহয়। সেয়ে Investigations গ্রন্থই উল্লেখ কৰে যে ঃ যেতিয়া বাক্য এটা অর্থহীন বুলি কোৱা হয়- এইটো নহয় যে ইয়াৰ অর্থটো কিন্তু অর্থহীন বা নিৰর্থক হয়। (Sec: 500)

'মোৰ মূৰটো জঠৰ বা নিষ্ক্রিয়' এই বচনটো কোৱাৰ পৰিবর্ত্তে ই অর্থৰ সংঘাট সৈতে জড়িত নতুবা মূৰ শব্দটো' নিষ্ক্রিয় বা জঠৰ শব্দৰ অর্থৰ লগত অসঙ্গত। Investigations ৰ মত হ'ল যে আমি অর্থৰ বিবাদ বা সংঘাত প্রত্যক্ষ নকৰো। বাক্যৰ কোনটো আচৰণ আৰু পৰিস্থিতি অর্থৰ লগত একেলগে যায় আমি কিন্তু নাজানো। এইটো নহয় যে বাক্যৰ ব্যৱহাৰ নহয়। কিন্তু এজনে যদি কয় কোনোটো পৰিস্থিতিত ইয়াৰ ব্যৱহাৰ হয় তেন্তে বাক্যৰ ব্যৱহাৰ নোহোৱাটোকে বুজায়। উইট্‌গেনষ্টানৰ মতে 'বাক্য এটাক সজুঁলিৰ নিচিনাকৈ আৰু ইয়াৰ অর্থ অনুসৰি লক্ষ্য কৰক।'

অর্থত ছবিতত্ত্বৰ আন এটা গুৰুত্বপূর্ণ সমালোচনা হ'ল যে কেনেকৈ ছবিখন প্রয়োগ কৰা উচিত? ধৰা হ'ল কোনোবাই ঘনফলন ছবি এখন আপোনাক দেখুৱালে আৰু আপোনাক ছবিটোৰ অনুৰূপ ছবি এখন আনি দিবলৈ অনুৰোধ কৰাত আপুনি সন্তুষ্ট কৰাৰ মানসেৰে ঘনফলৰ ছবিৰ পৰিৱর্ত্তে এটা ত্রিভুজাকৃতিৰ প্রিজম আনি দিলে। সেয়ে, এটা কথা স্পষ্ট হ'ল যে ছবি তোলাৰ পদ্ধতি কেৱল এটাই নহয়, বৰং আমি

ভিন্ন প্রকাৰে ছবি ল'ব পাৰো। আকৌ ঘনফলৰ ছবি আমি ভিন্ন প্রকাৰে ব্যাখ্যা কৰিব পাৰো। উদাহস্বৰূপে, ৰূম এটাৰ ভিতৰত থকা ছবি এখনে বুঢ়া মানুহ এজনে লাঠি এডালৰ আওজি খোজ কাঢ়ি থকাৰ দৰে দেখুৱায়। প্রশ্নটো হ'ল আমি বুঢ়া মানুহ এজনে পাহাৰখনৰ নামনিৰ ফালে খোজ কাঢ়ি থকাৰ দৰে ব্যাখ্যা কৰিব নোৱাৰো নে? দ্বিতীয়খন ছবি প্রথমখন ছবিতকৈ বেছি স্বাভাৱিক আৰু গুৰুত্বপূর্ণ দিশটো হ'ল কোনো, অন্তর্নিহিত বিষয় ছবিৰ লগত সম্পর্কিত নহয়। উদাহৰস্বৰূপে ক'বলৈ হ'লে সেউজীয়া পাতৰ ছবিটো বিভিন্ন ধৰণে বুজিব পাৰি— বৰং ইয়াক আমি সেউজীয়া ৰং এটা প্রতিবিম্ব, এটা পাতৰ বিশেষ ৰং আৰু সামূহিকভাৱে আমি উদ্ভিদৰ পাতসমূহ হিচাপে বুজিব পাৰো। সেয়ে ছবিতত্ত্বৰ মাজেদি ক'ব পাৰি যে এটা বাক্য হ'ল এটা ছবি আৰু বাক্যৰ অর্থ নিৰূপনৰ বাবে ই মৌলিক বাক্য হ'ব নোৱাৰে।

উইট্‌গেনষ্টাইনে মত দিয়ে যে— ভাষাৰ অর্থ শব্দ আৰু বস্তুৰ এটা ছবি সম্পর্কৰ লগত জড়িত নহয়। বৰং তেওঁ মতপোষণ কৰে যে শব্দ এটাৰ অর্থ বিভিন্ন প্রসংগত ইয়াৰ ব্যৱহাৰৰ দ্বাৰা নিৰূপন কৰা হয়। সেয়ে ভাষাৰ কোনো একক কার্য নাই যিটোৰে উক্তি বা অভিব্যক্তিৰ অর্থটো নির্ণয় কৰে।

Tractatur গ্রন্থই মত দিয়ে যে দার্শনিক সমস্যাসমূহ ভাষাৰ যথার্থতা ভুলকৈ বুজাৰ বাবে উদ্ভৱ হয়। প্রণালীবদ্ধভাৱে এটা দার্শনিক তত্ত্ব গঠন কৰিলেই সমাধান পোৱা নাযায়। ভাষাই প্রকৃততে কেনেদৰে কার্য সম্পাদন কৰে তাৰ ওপৰতেই নির্ভৰ কৰি দার্শনিক সমস্যাসমূহ সমাধান কৰিব পাৰি। দার্শনিক সমস্যাসমূহ ব্যৱহাৰিক সমস্যা নহয়, বৰং সমস্যাসমূহ ভাষাৰ কার্যসমূহ পৰীক্ষাৰ দ্বাৰাই সমাধান কৰিব পাৰি। উইট্‌গেনষ্টাইনে মত দিয়ে যে দর্শনৰ আপোনাৰ লক্ষ্য কি? ফ্লাইবটলৰ পৰা উৰিযোৱাৰ ৰাষ্টাটো দেখুৱায় দিয়াটোয়েই দর্শনৰ লক্ষ্য। উইট্‌গেনষ্টাইনে এই প্রসংগত পৃষ্ঠ ব্যাকৰণ (Surface Grammar) আৰু গভীৰ ব্যাকৰণৰ (Depth Grammar) মাজত পার্থক্য আনে। ব্যাকৰণৰ শব্দৰ দ্বাৰা তেওঁ যথার্থতাক বুজায় যিটোৰে ভাষিক কার্যৰ যথার্থতাৰ সৈতে জড়িত হৈ আছে। ভাষিক কার্যৰ প্রকাৰ ভিন্ন, সেয়ে ভাষাত ব্যাকৰণ ব্যৱহৃত হোৱাৰ ভিন্নি দিশ আছে। সেয়ে ভাষাৰ এই কার্যক গভীৰ ব্যাকৰণ বুলি জনা যায়। উইট্‌গেনষ্টাইনৰ মতে দার্শনিকসকল ফ্লাইবটলত আবদ্ধ হৈ থাকে তেওঁলোক কেৱল পৃষ্ঠ ব্যাকৰণকে লক্ষ্য কৰে। পৃষ্ঠ ব্যাকৰণৰ দ্বাৰা উইট্‌গেনষ্টাইনৰ ব্যাকৰণৰ সমৰূপতা তথা ভাষাৰ গোপন গঠনৰ কথা কয়। এইটোৱে আমাক আমাৰ ভাষাৰ ভিন্ন কার্য সম্পর্কে চিন্তা কৰিবলৈ বাধা প্রদান কৰে। উইট্‌গেনষ্টাইন ব্যাকৰণ সম্মত অনুসন্ধাক ব্যাকৰণ সম্মত অনুসন্ধান বুলি কয়।

উইট্‌গেনষ্টাইনে অভিজ্ঞতাবাদীসকলে ইন্দ্রিয়ানুভূতিৰ নিহিত হৈ থকা মতটো অস্বীকাৰ কৰে। এই মতটো অস্বীকাৰ কৰা দুটা কাৰণ আছে ঃ প্রথমটো হ'ল এজন মানুহে শিক্ষার্থীৰ মনত শব্দ আৰু কিছুমান বস্তুৰ পৰা পোৱা অভিজ্ঞতাৰ মাজত এটা সমন্বয় সাধন কৰিলেই ব্যাকার্থৰ শিক্ষা দিব নোৱাৰি। দ্বিতীয়তে ঃ ব্যৱহাৰৰ ভিন্ন ক্ষেত্রত

উক্তিৰ লগত অর্থৰ সংযুক্তিটোৱে একে অভিজ্ঞতাৰ প্রত্যক্ষ সময়তেই একে মানসিক প্রক্রিয়াটো জড়িত হৈ থকাটো নুবুজায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ভাষাখেল জীৱনৰ এটা আকাৰ। (শুদ্ধ/অশুদ্ধ)

(খ) ভাষা খেলত থকা একমাত্র বৈশিষ্ট্যটো কি? (শুদ্ধ/অশুদ্ধ)

(গ) উইট্‌গেনষ্টাইনে মন্তব্য কৰে যে ঃ খেলে এটা পৰিয়ালৰ সৃষ্টি কৰে। (শুদ্ধ/অশুদ্ধ)

(ঘ) Investigations গ্রন্থই ছবি তত্ত্বটো অস্বীকাৰ কৰে। (শুদ্ধ/অশুদ্ধ)

(ঙ) উইট্‌গেনষ্টাইন সাধাৰণ ভাষাৰ দার্শনিক। (শুদ্ধ/অশুদ্ধ)

(চ) উইট্‌গেনষ্টাইন মতে, শব্দবোৰ সত্তাৰ ছবি। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৬ ঃ পৰিয়াল সমৰূপতা কি? (.... শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ৭ ঃ উইট্‌গেনষ্টাইন ভাষাখেলৰ ধাৰণা আৰু এৰিষ্টটলৰ প্রবর্গৰ ধাৰণাৰ লগত কিবা সম্পর্ক আছেনে? (.... শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ৮ ঃ অর্থৰ ব্যৱহাৰ তত্ত্ব বুলি ক'লে আপুনি কি বুজা? (.... শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ৯ ঃ যেতিয়া ভাষা ব্যৱহাৰিক নহয় তেতিয়া দার্শনিক সমস্যাসমূহৰ উদ্ভৱ হয় 'উক্তিৰ বা অভিব্যক্তিৰ অর্থটো উল্লেখ কৰক। (.... শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ১০ ঃ পৃষ্ঠ ব্যাকৰণ আৰু সুক্ষ্ম ব্যাকৰণৰ এটা পার্থক্য দেখুৱাওক। (.... শব্দৰ ভিতৰত লিখক)

.....

.....

৮.৪.৩ ব্যক্তিগত ভাষা

নিয়ম এটাৰ বিষয়বস্তু অনুশীলনৰ দ্বাৰা স্থিৰ কৰা ধাৰণাটোৱে Investigations ৰ গ্রন্থৰ উল্লেখযোগ্য সুক্ষ্ম ধাৰণাবোৰৰ ভিতৰত এটা উল্লেখযোগ্য পৰিৱর্তনৰ ধাৰণা

দিয়ে, সেইটো হ'ল ব্যক্তিগত ধাৰণা।

এটা বাক্যই এটা ছবি এই ধাৰণাটো উইট্‌গেইনষ্টাইনৰ বাক্য এটা অর্থ পৰিস্থিতি সাপেক্ষে ইয়াৰ ব্যৱহাৰৰ দ্বাৰা নির্ণয় কৰা ধাৰণাই দ্বাৰা পুনঃ প্রতিষ্ঠিত কৰা হৈছে। উদাহৰণস্বৰূপে, লাঠি এডাল দোলন হোৱাটো মানে এটা আঘাট আৰু কাঠৰ টুকুৰা এটাক খেলৰ পৰিৱেশত ঠেলি দিয়াটো এটা গতি। ঠিক তেনেধৰণে নির্দিষ্ট পৰিৱেশত শব্দ কিছুমান কৈ থকা মানে বক্তব্য আগবঢ়োৱা আনহাতে সেই একেটা শব্দ কৈ থকা মানে এটা প্রশ্ন সোধাৰ নিচিনা, আকৌ আনৰ মতে কোনোবাই ইতিমধ্যে কোৱা বা বক্তব্যৰ পুনৰ উক্তি বা উল্লেখ কৰাৰ নিচিনা।

বিভিন্ন ক্ষেত্রত সিদ্ধান্তৰ ব্যাখ্যা কৰাটোৱেই আছিল উইট্‌গেনষ্টাইনৰ কৌশল। ক্ষেত্রবিলাকৰ ভিতৰত হ'ল বক্তব্য দিয়া, আশা কৰি থকা, বুজাই দিয়া ইত্যাদি। কোনোবাই শব্দ উচ্চাৰণ কৰি প্রকাশ কৰাটোকেই আছিল ইয়াৰ উদ্দেশ্য। উদাহৰণস্বৰূপে সিদ্ধান্ত এটাৰ ক্ষেত্রত ক'ব পাৰি কোনো এটা ঘটনা সংঘটিত হোৱাত একো সম্ভেদ পাব নোৱাৰি। (উদাহৰণস্বৰূপে, চিন্তা, কল্পনা, কিছুমান কোৱা শব্দ, অনুভূতি)।

উইট্‌গেনষ্টাইনে এটা যুক্তিৰ সৈতে মানসিক ঘটনাৰ প্রশংগটো অস্বীকাৰ কৰে। যদি এটা সিদ্ধান্ত বা সংবেদন বা আশা প্রত্যক্ষ ঘটনা বা অৱস্থা যিটো তর্কশাস্ত্র সন্মতভাৱে পৰিৱেশ স্বতন্ত্র, তেন্তে ধৰি লোৱা কোন এক ঘটনাৰ বিষয়টোৱে সংঘটিত ঘটনাটোৰ পৰিবেশ স্বতন্ত্রভাৱে ব্যাখ্যা কৰিব পৰাঢ কোনো নাথাকিব।

প্রথমতে, সিদ্ধান্ত মানে কি ? আমি কেনেকৈ জানিম। উত্তৰত এইটো মত দিব পাৰি যে যিহেতুকে পৰিৱেশ অপ্রাসংঙ্গিক হিচাপে ধৰা হয় এজনে বা কোনোবাই ইয়াক পর্যবেক্ষণ কৰি শিকিব নোৱাৰে। সিদ্ধান্ত কি ? কিন্তু এই সম্পর্কে এজনে নিজ কার্য বা অস্থাৰ পৰাই শিকিব পাৰে। উইট্‌গেনষ্টাইনে মন্তব্য দিছে ঃ 'যদি মই নিজৰ অৱস্থা বা কার্যৰ পৰা মই জানো, মই জানো যিটোক মই মাতিব জানো, বা এইটো নহয় যি কোনোকে জানো।' (Inv. sec 347) দুজন মানুহে একেটা ঘটনাকে সিদ্ধান্ত শব্দটোৰ দ্বাৰা উল্লেখ কৰে নে নকৰে এইটো সত্যপনীয় নহ'ব। আকৌ আমি ব্যক্তিগত বস্তুৰ ক্ষেত্রত শুদ্ধ যে অশুদ্ধ নির্ণয় কৰিব নোৱাৰো। উইট্‌গেনষ্টাইনে মন্তব্য কৰে যে ব্যক্তিগত বস্তুবিলাকে স্থিৰভাৱে বা নিয়মিতভাৱে পৰিৱর্তন হৈ থাকে কিন্তু আপুনি পৰিৱর্তনটো লক্ষ্য নকৰে কাৰণ আপোনাৰ স্মৃতিয়ে অপৰিৱর্তনীয় তথা দৃঢ়ভাৱে ছলনা কৰে।"

উইট্‌গেনষ্টাইনৰ ব্যক্তিগত ভাষাৰ ধাৰণাটো তেওঁৰ অর্থতত্ত্বৰ ফচল বুলি কোৱা হয়। ভাষাৰ নীতিৰ নিয়মৰ কথা কয় আৰু এটা নীতিৰ অনুসৰণৰ দ্বাৰা আমি কর্মৰ দ্বাৰা এটা প্রথাগত মার্গৰ অর্থ কৰো। এইটো এটা বিষয় নহয় যে কেৱল এটা নীতি বা নিয়ম জীবনত এবাৰহে অনুসৰণ কৰিব পাৰি। (sec-195) অর্থৰ ধাৰণা অনুসৰি এটা অভিব্যক্তিৰ এটা অর্থ থাকে যদিহে উক্তি আৰু নির্দিষ্ট পৰিৱেশৰ মাজত এটা নিয়মীয়া, সমৰূপ সম্পর্কে থাকে। এজন মানুহক জাননীৰ দ্বাৰা পথ প্রদর্শন কৰিব পাৰি যদিহে এটা নিয়মীয়া ধৰণৰ সঁহাৰি জাননী স্তম্ভৰ বাবে থাকে। অভিব্যক্তি এটাৰ অর্থ ইয়াৰ

ব্যৱহাৰৰ দ্বাৰা নির্ণয় কৰা হয়। উইট্‌গেনষ্টাইনৰ মতে এটা নিয়ম অনুসৰণ কৰা মানে এটা নিয়মক অনুশীলন কৰা, সেয়ে ব্যক্তিগতভাৱে এজনে এটা নিয়ম অনুসৰণ নকৰে। এই কথাষাৰিৰ মাধ্যমেদি উইট্‌গেনষ্টাইনে অর্থত প্রকৃতি আৰু ব্যক্তিগত মানসিক বিষয়বস্তুৰ মাজত এটা গুৰুত্বপূর্ণ সম্পর্ক স্থাপন কৰিছিল। (sec-202)

এইতো সত্য যে আমাৰ ভাষাত অনুভূতি, কল্পনা আদিৰ উদ্ভৱ হয়। কিন্তু এইটো বিষয়ো হ'ব পাৰে যে ভাষাত মানসিক ক্রিয়াবোৰ অনুপস্থিত থাকে যেতিয়া আমি এটা বাক্য শুনো। সেয়ে মানসিক ঘটনাই বোধভাগৰ সৃষ্টি কৰে কথাষাৰিটো গ্রহণ কৰিব নোৱাৰি। বুজা বা বোধভাৱতো এটা প্রক্রিয়া বুলি বিবেচনা কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, ভাষা বুজাটো যেনেকৈ দবা খেল খেলিব পাৰি? এই প্রক্রিয়াটো এটা অৱস্থাতে। কিন্তু এইটো গোপন মানসিক যন্ত্রিক অৱস্থা নহয়।

এটা মানসিক অৱস্থাৰ মত অনুসৰি এটা শব্দৰ অর্থ বুজা মানে শব্দই নির্দেশ কৰা বস্তুটোৰ লগত সম্পর্কৰ এটা সঠিক ৰূপ মনত পেলোৱা। উদাহৰণস্বৰূপে, 'মোক এটা বগা ফুল দিয়া' এইটোৱে ইঙ্গিত দিয়ে যে এটা বাক্যত শব্দ ব্যৱহাৰ সম্পর্কে প্রথমতে আমাৰ মনত শব্দবোৰ সম্বন্ধে পূর্ব ধাৰণা থকা উচিত। এইটো সত্য যে মানসিক ক্রিয়াবোৰ মনৰ দ্বাৰাই পাৰ হৈ যায়। কিন্তু এইটো বিষয় নহয় যে মানসিক ধাৰণাবোৰে শব্দ ব্যৱহাৰৰ দ্বাৰাই অর্থ নিৰূপন কৰে। শব্দৰ ধাৰণাবোৰ এখন কিতাপত লিখা ব্যাখ্যা ছবিৰ বাদে একো নহয়। অর্থৰ আন এটা অৱস্থাৰ মত অনুসৰি অর্থ এটা মানসিক প্রক্রিয়া। এই ধাৰণাটোকে উইট্‌গেনষ্টাইন Philosophical Investigations গ্রন্থত ব্যক্তিগত ভাষাৰ ধাৰাটোৰ জন্ম দিয়ে।

সাংকেতিক সংজ্ঞাবাদৰ ধাৰণাটোৱে ৰাছেল আৰু তর্কীয় প্রত্যক্ষবাদীৰ জ্ঞান বিজ্ঞানত এক ডাঙৰ ভূমিকা পালন কৰিছে। ব্যক্তিগত ভাষা পৰিচয়মূলক জ্ঞানৰ সৈতে সম্পর্কিত কিন্তু উইট্‌গেনষ্টাইনে স্পষ্ট কৰে যে পৰিচয়মূলক জ্ঞান শব্দার্থ জ্ঞান লগত একে নহয়। এটা শব্দৰ অর্থ নিৰূপনৰ ক্ষেত্রত বস্তুৰ জ্ঞান বা পৰিণয়টোৱেই সঠিক হ'ব নোৱাৰে। উদাহৰণস্বৰূপে আমি Tove শব্দটোৰ দ্বাৰা পেঞ্চিল এডালক উল্লেখ বা ইঙ্গিত কৰি ব্যাখ্যা কৰিব পাৰো আৰু কওঁ যে এইটো হ'ল Tove এই ব্যাখ্যাটো সন্তোষজনক নহয় কাৰণ Tove শব্দৰ দ্বাৰা আমি বুজো যে এইডাল 'এডাল পেঞ্চি ল' 'এইডাল ঘূৰণীয়া', 'এইডাল কাঠ' ইত্যাদি। বস্তুৰ লগত মুখামুখি হোৱা কার্য আৰু উচ্চাৰণ কৰা এটা শব্দই কিছুমান বস্তুক নামাকৰণ কৰাৰ ক্ষেত্রত যথোপযুক্ত নহয়।

আনহাতে এইটো মত দিব পাৰি যে সোধা আৰু নাম দিয়া কার্য ভাষাখেলৰ প্রসংগত সম্পন্ন কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, আমি যন্ত্রনা শব্দটো ল'ব পাৰো। যন্ত্রণাশব্দৰ অর্থ এজন মানুহৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰাই আহৰণ কৰিব পাৰি। কিন্তু উইট্‌গেনষ্টাইনে দেখুবাই যে এনেধৰণে শব্দ এটাৰ অর্থ আমি পাব নোৱাৰো। উইট্‌গেনষ্টাইনে অর্থকৰে যে 'শুদ্ধ' আৰু 'অশুদ্ধ' শব্দটো ব্যক্তিগত ঘটনাৰ অপ্রাসঙ্গিক। উইট্‌গেনষ্টাইন যুক্তিটো হ'ল যে এনেকুৱা একো ভাষা নাই যে য'ত শব্দটোৰ কেৱল

ব্যক্তিগত ভাবেহে জানিব পাৰি।

উইট্‌গেনষ্টাইনৰ ভাষাৰ ব্যক্তিগত সংজ্ঞাৰ সমালোচনাটোৱে আত্মজ্ঞান বাদৰ পতনৰ দিশে লৈ যায় আৰু ব্যক্তিগত ভাষাৰ সম্ভাৱনীয়তাটো ৰাজহুৱা আৰু সামাজিক পৃথিৱীখনৰ অস্তিত্বৰ ওপৰতে নির্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ তলৰ উক্তিসমূহ শুদ্ধনে অশুদ্ধ লিখক

(ক) বাক্তিগত ভাষাৰ ধাৰণাটো Investigations গ্রন্থৰ এটা গুৰুত্বপূর্ণ ধাৰণা। (শুদ্ধ/ অশুদ্ধ)

(খ) অর্থৰ ধাৰণাটো ব্যক্তিগত ভাষা অগ্রাহ্যকৰণৰ এটা মূল উপাদান। (শুদ্ধ/ অশুদ্ধ)

(গ) উইট্‌গেনষ্টাইনৰ মতে, এজন মানুহে ব্যক্তিগতভাৱে এটা নিয়ম অনুসৰণ কৰে। (শুদ্ধ/ অশুদ্ধ)

(ঘ) আত্মজ্ঞানবাদৰ ধাৰণাটো ব্যক্তিগত ভাষাৰ লগত সম্পর্কিত। (শুদ্ধ/ অশুদ্ধ)

(ঙ) আর্থ ব্যৱহাৰৰ দ্বাৰা নিৰূপন কৰিব পাৰি। (শুদ্ধ/ অশুদ্ধ)

প্রশ্ন নং ১৩ ঃ উইট্‌গেনষ্টাইনে ব্যক্তিগত ভাষাৰ যুক্তিটো খণ্ডন কৰে।

প্রশ্ন নং ১৪ ঃ সাংস্কৃতিক সংজ্ঞা কি?

৮.৫ সমালোচনা

পৰিয়াল সমৰূপতা ধাৰণাটোৰ এটা সমালোচনা আলফ্রেড এয়াৰে তেওঁ Problem of Knowledge ত আগবঢ়ায়। তেওঁ মত দিয়ে যে এইটো এটা সুন্দৰ তুলনা, কিন্তু তেওঁ বক্তব্য কৰে যে খেলৰ মাজত কোনো ধৰণৰ উমৈহতীয়া মিল নাই। উইট্‌গেনষ্টাইনৰ এই সিদ্ধান্তটো ভুল। এয়াৰত মতে বস্তুৰ মাজত কিবা উমৈহতীয়া মিল আছে নে নাই এই প্রশ্নটো সিহঁতৰ মাজত সাদৃশ্য থকা প্রশ্নটোৰ পৰা পৃথক। এই প্রশ্ন দুটাৰ মাজত পার্থক্য মাথোন সূত্রায়িত কৰাৰ ক্ষেত্রতহে থাকে। যদি বস্তুসমূহৰ এটাৰ লগত আন এটাৰে উপযুক্তভাৱে সমৰূপতা থাকে, যিটোক একে আৰু সকলোৰে মাজত উপস্থিত আৰু প্রয়োজন অনুসৰি প্রয়োগ কৰিবলৈ বিবেচনা কৰা হয়, তেন্তে বস্তুসমূহৰ মাজত পোৱা উমৈহতীয়া মিলটো তাৎক্ষনিকভাৱে উপেক্ষা কৰিব নোৱাৰি। Norman Malcolm যে তেওঁৰ Encyclopedia Piece এখন গ্রন্থত উইট্‌গেনষ্টাইনৰ অর্থ আৰু ইয়াৰ ব্যৱহাৰ সম্পর্কে থকা ধাৰণা, ব্যক্তিগত ভাষাৰ সম্ভাৱনীয়তা আৰু নিয়মৰ যথার্থতাক অস্বীকাৰ কৰে। সাম্প্রতিক সমালোচনাটো লেখক Michael Dummett আৰু Saul Kripke ৰ দ্বাৰা আগবঢ়োৱা হৈছে। Dummett যে ব্যৱহাৰৰ অর্থ বাস্তববাদী বিৰোধী তত্ত্বটো উইট্‌গেনষ্টাইনৰ ভাষাৰ অর্থৰ ধাৰণাটোৰ বিৰুদ্ধে উত্থাপন কৰিছিল। আনহাতে Kripke যে যুক্তি দিছে যে উইট্‌গেনষ্টাইনে নিয়ম অনুসৰণৰ প্রসংগত আৰু ভাষাৰ অর্থ নিৰূপণৰ ক্ষেত্রত

সন্দেহবাদী সমস্যা আৰু ইয়াৰ সমাধানৰ পথ প্রশান্ত কৰিছে। এই গুৰুত্বপূর্ণ বিষয়বোৰৰ সঁহাৰিয়ে উইট্‌গেনষ্টাইনৰ দর্শনক এটা নতুন দৃষ্টিত অধ্যায়ন কৰাৰ গুৰুত্বটো স্পষ্ট কৰিছে। এইটোৱে তেওঁৰ দর্শনৰ ভুল বুজাবুজিবোৰ ওপৰত দৃষ্টি নিবন্ধ কৰে য'ৰ পৰা দার্শনিক সমস্যাবোৰ উদ্ভৱ হয়।



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উইট্‌গেনষ্টাইনে Tractatus নামৰ গ্রন্থত উল্লেখ কৰে যে যিকোনো বচনে ভাষাৰ সার্বিক আকাৰটো পূর্বগৃহীত বুলি ধৰি লয়। উইট্‌গেনষ্টাইনৰ এই ধাৰণাটোৱে মত দিয়ে যে বচনৰ এটা সাৰসত্তা আছে। বচনৰ সাৰসত্তাটোৱে বচনৰ সার্বিক আকাৰকে উল্লেখ কৰে। Tractatus ৰ এই ধাৰণাটোক উইট্‌গেনষ্টাইনৰ পিচৰ দর্শনত তেওঁৰ ভাষাখেল নতুবা ভিন্ন প্রসংগত ভাষাৰ ব্যৱহাৰৰ দ্বাৰা অস্বীকাৰ কৰা হৈছে।
- ভাষাৰ সাৰসত্তাৰ অস্বীকাৰ কৰাৰ দ্বাৰা উইট্‌গেনষ্টাইনে মত দিয়ে যে ভাষাৰ কোনো একক বা সাধাৰণ বৈশিষ্ট্য নাই। বৰং তেওঁৰ ভাষা খেলৰ ধাৰণাটোৱে ভাষাৰ ভিন্ন প্রসংগত ভিন্ন কার্য থকা দিশটোকে দেখুৱায়।
- Tractatus ৰ ধাৰণাটো হ'ল যে সৰলতাৰ ধাৰণাটো এটা আগেক্ষিক ধাৰণা নহয়, বৰং ভাষাৰ সকলো ধাৰণাই সৰলতাই ধাৰণাত সোমাই আছে। বৰং এই ধাৰণাটোক Tractatus ত পৰম ধাৰণা বুলি জনা যায়। আন এটা অর্থত ইয়াক প্রতিৰূপ ধাৰণা বুলি কোৱা হয়।
- Investigations গ্রন্থই পৰম সৰলৰ মতামতটোক অস্বীকাৰ কৰে। কাৰণ Investigation গ্রন্থই সার্বজনীনতা আৰু নাইবা সম্পূর্ণ মিলৰ প্রসংগটোকে উত্থাপন কৰে।
- সম্পূর্ণ মিল নাইবা আদর্শত যথার্থতাই সাধাৰণ শব্দ বা বাক্যৰ সমর্থন নকৰে কাৰণ আমি ভাষাৰ বিশুদ্ধ আকাৰ নাপাওঁ। সেয়ে Investigations গ্রন্থই মত দিয়ে যে "চিন্তা কৰাৰ পৰিৱর্ত্তে দৃষ্টি দিয়া"।
- ভাষাৰ ভিন্ন কার্য আছে। উদাহৰণস্বৰূপে মানি চলা এটা বর্ণনাৰ পৰা বস্তু এটাৰ ৰূপ দিয়া, ঘটনা এটা সম্বন্ধে, বিৱৰণ, নাটক কৰা ইত্যাদি। ভাষা খেলে উল্লেখ কৰে যে শব্দ এটাৰ অর্থ ইয়াৰ ব্যৱহাৰৰ দ্বাৰা নির্ণয় কৰা হয়। ইয়াৰ বাহিৰেও এই ধাৰণাটোৱে ভাষা খেলত উল্লেখ কৰে যে ভাষাত অন্তর্নিহিত কোনো উমৈহতীয়া বৈশিষ্ট্য নাই।
- উইট্‌গেনষ্টাইনে মত দিয়ে যে ভাষাৰ অর্থৰ শব্দ আৰু বস্তুৰ ছবি সম্পর্কৰ লগত জড়িত নাথাকে। বৰং তেওঁ মত দিয়ে যে শব্দৰ এটাৰ অর্থ ইয়াৰ ব্যৱহাৰৰ দ্বাৰা প্রসংগক্রমে নির্ণয় কৰা হয়। সেয়ে, ভাষাৰ কোনো একক বা অদ্বিতীয় কার্য নাই যিটোৱে এটা উক্তিৰ অর্থ নিৰূপণ কৰিব পাৰে।



৮.৭ অধিক জানিবলৈ

1) Kenny, Anthony ed. (1994), The Wittgenstein Reader Blackwell Publishing.
2) Gralying. A.C. 1988. Wittgenstein: A Very Short Introduction Oxford Publishing.
3) Gracia, J.E. Jorge, Reichberg M, Gregory & Schumacher N. Berard. ed. (2003). The Classics of Western Philosophy. Blackwell Publishing.
4) Kenny, Anthony. (2007). Philosophy in the Modern World, Oxford Clarendon Press.
5) Borchert M. Donald ed. (2006) Encyclopedia of Philosophy. Maemilan.



৮.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ ভাষাখেলৰ ধাৰণাটোৱে ভিন্ন প্রসংগত ভিনি কার্যৰ ইংগিত দিয়ে। উদাহৰণ স্বৰূপে, কিছুমান শব্দৰ বিষয়ে কোৱা মানে এটা নির্দিষ্ট। পৰিস্থিতিত এটা সিদ্ধান্ত প্রস্তুত কৰা, আকৌ এটা বিশেষ বাক্য কোৱা মানে কিছুমান বক্তব্য দিয়া, আনহাতে কিছুমান শব্দকোৱা মানে প্রশ্ন কৰাৰ নিচিনা ইত্যাদি ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাষাৰ কোনো অনিবার্য গঠন নাই ।

৪ নং প্রশ্নৰ উত্তৰ ঃ *Blue and Brown Book*

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ
(ঘ) অশুদ্ধ (ঙ) শুদ্ধ (চ) শুদ্ধ

৬ নং প্রশ্নৰ উত্তৰ ঃ পিচৰ উইট্‌গেনষ্টাইন।

৭ নং প্রশ্নৰ উত্তৰ ঃ পৰিয়াল সমৰূপতা ধাৰণাটো এটা ৰূপকশোভিত ধাৰণা। যিদৰে এটা পৰিয়ালৰ বিভিন্ন সদস্যৰ মাজত সমৰূপত আছে। থিক তেনেদৰে ভিন্ন খেলৰ মাজত কিছুমান মিল আছে। সেয়ে এইটো স্পষ্ট যে ভিন্ন খেলৰ মাজত কোনো মিল নাই। সেয়ে উইট্‌গেনষ্টাইনে উল্লেখ কৰে যে খেলে এটা পৰিয়ালৰ সৃষ্টি কৰে। ৰূপকশোভিতভাৱে উইট্‌গেনষ্টাইনে কয় যে ভাষাৰ কোনো ধৰণৰ উমৈহতীয়া বৈশিষ্ট্য আৰু কার্য নাই। এনে ধৰণে উইট্‌গেনষ্টাইনে সমৰূপতা ধাৰণাৰ উদ্ভৱ কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ ভাষা খেলৰ ধাৰণাটো এৰিষ্টটলৰ প্রবর্গ ধাৰণাৰ লগত মিল আছে। এৰিষ্টটলে

মন্তব্য কৰে যে এটা বাক্য অর্থপূর্ণ হয় যদিহে এটা প্রবর্গত অন্তর্ভুক্ত হয়। থিক তেনেধৰণে উইট্‌গেনষ্টাইনে মতটো দিয়ে যে এটা বাক্য এটা প্রসংগত পেলাই ব্যৱহাৰ কৰিলেই অর্থপূর্ণ হয়।

৯ নং প্রশ্নৰ উত্তৰ ঃ অর্থৰ ব্যৱহাৰ তত্ত্বই বক্তব্য কৰে যে অর্থ শব্দ আৰু বস্তুৰ মাজত থকা ছবি সম্পর্কৰ বাবেহে নিৰূপণ কৰা নহয় বৰং অর্থ ব্যৱহাৰৰ দ্বাৰা ভিন্ন প্রসংঙ্গত এটা নিয়ম অনুসৰণ কৰি নির্ণয় কৰা হয় ।

১০ নং প্রশ্নৰ উত্তৰ ঃ উইট্‌গেনষ্টাইনৰ পিচৰ দর্শনৰ এইটো এটা উপমামূলক উক্তি। এই বক্তব্যৰ মাজেদি উইট্‌গেনষ্টাইনে মত দিয়ে যে যেতিয়া দার্শনীক ভাৱধাৰাসমূহ ব্যৱহাৰিক দিশৰ পৰা আতৰি যায় তেতিয়া দার্শনিক সমস্যসমূহৰ উদ্ভৱ হয়। উদাহৰণস্বৰূপে আপুনি যদি সুধে ভাল কি? তেনেহ'লে উত্তৰটো সমস্যাজনিত হয় আনহাতে আপুনি যদি শোধে, ছার্টৰ গুণগত মানটো ভাল নে? উত্তৰটো জটিল নহ'ব। সেয়ে, উইট্‌গেনষ্টাইনে মতদিয়ে যে দর্শনৰ পৰিধিটো এটা নির্দিষ্ট স্থানত সীমিত নহয়, য'ত পৰা আমি আমাৰ সুবিধা অনুসৰি বাহিৰলৈ যাব নোৱাৰো। সেয়ে, তেওঁ পুনৰ মত দিয়ে যে ঃ আমি শব্দবোৰৰ পৰা বিদ্যাৰ পৰা ব্যৱহাৰিক জগতখনলৈ টানি অনা উচিত।

১১ নং প্রশ্নৰ উত্তৰ ঃ পৃষ্ঠ ব্যাকৰণ শব্দৰ দ্বাৰা উইট্‌গেনষ্টাইনে ভাষাৰ একক গাঁঠনি বা ভাষাৰ একে ব্যাকৰণগত গাঁঠনিৰ কথা বুজায়। যাক ভাষাৰ তর্কীয় আকাৰ হিচাপে জনা যায়। আনহাতে গভীৰ ব্যাকৰণে ভাষাৰ একক গাঁঠনিটো আওকান কৰি ভাষাৰ ভিন্ন আকাৰৰ কথা কয়। সেয়ে উইট্‌গেনষ্টাইনে তেওঁৰ পিছৰ দর্শনৰ গভীৰ ব্যাকৰণটো অনুমোদন কৰে।

১২ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ

১৩ নং প্রশ্নৰ উত্তৰ ঃ উইট্‌গেনষ্টাইনৰ ব্যক্তিগত ভাষাৰ অগ্রাহ্যকৰণ অর্থৰ ব্যৱহাৰৰ তত্ত্বৰ পৰা আহে। তেওঁ এই ক্ষেত্রত মত দিয়ে যে ভাষাই নিয়মৰ প্রয়োজন বোধ কৰে আৰু নিয়মবোৰ ব্যক্তিগতভাৱে অনুসৰণ কৰিব নোৱাৰি। অর্থৰ ভাষা তত্ত্ব অনুসৰি এটা অভিব্যক্তিৰ অর্থ থাকে যদিহে এটা নিয়মীয়া সম্পর্ক নির্দিষ্ট পৰিস্থিতি আৰু অভিব্যক্তি প্রকাশ ভঙ্গীৰ মাজত থাকে। ব্যক্তিগত ভাষাৰ ক্ষেত্রত উইট্‌গেনষ্টাইনে মত দিয়ে যে ভাষা বুজাৰ ক্ষেত্রত এটা গোপন মানসিক প্রক্রিয়া নাথাকে। সেয়ে তেওঁ গুৰুত্ব দিয়ে যে ভাষাটো এটা নিয়ম অনুসৰণ কৰা এটা কার্যত আৰু নিজৰ মাজতে মগ্ন হৈ থকা এটাব্যক্তিগত বিষয় নহয়। সেয়ে উইট্‌গেনষ্টাইনে এটা ভাষাখেলৰ ব্যক্তিগত ভাষাৰ সম্ভাৱনীয়তো অস্বীকাৰ কৰে।

১৪ নং প্রশ্নৰ উত্তৰ ঃ সংঙ্কেতিক সংজ্ঞা কোনো এটা বস্তু নির্দেশ দিয়া আৰু ইয়াৰ অর্থ নিৰূপণ কৰাৰ সৈতি জড়িত। ইয়াক ৰাছেলিয়ান জ্ঞান প্রক্রিয়াৰ সৈতে তুলনা কৰিব পাৰি যিটোক পৰিচয়মূলক জ্ঞান বুলি কোৱা হয়। সাংঙ্কেতিক চিহ্ন এটা শব্দ নিৰুপন কৰাৰ ক্ষেত্রত পৰিচয়মূলক জ্ঞানৰ দৰে সন্তোষজনাক নহয়। বৰং বস্তু এটাৰ সৈতে জড়িত জ্ঞানৰ উপযুক্ত প্রকাৰ এটাৰ পৰিৱর্তে এইটোৱে কেৱল আমাক এটা শব্দৰ আংশিক জ্ঞানহে যোগান ধৰে।



৮.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুনিষ্ঠ প্ৰশ্ন

প্ৰশ্ন ১ ঃ পূৰ্বৰ উইট্‌গেনষ্টাইনৰ সমালোচনা কোৱা উইট্‌গেনষ্টাইনৰ কিতাপখনৰ নাম লিখক।

প্ৰশ্ন ২ ঃ ধাৰা খেল কি?

প্ৰশ্ন ৩ ঃ ভাষাখেলৰ এটা উদাহৰণ দিয়ক ।

প্ৰশ্ন ৪ ঃ *Blue and Brown Book* লেখক কোন ?

প্ৰশ্ন ৫ ঃ অসম্পূৰ্ণ ভাষা খেল কি?

প্ৰশ্ন ৬ ঃ উইট্‌গেনষ্টাইনৰ পিচৰ দৰ্শনৰ এটা উল্লেখনীয় বৈশিষ্ট্য কি?

প্ৰশ্ন ৭ ঃ উইট্‌গেনষ্টাইন এখন সাধাৰণ ভাষাৰ দাৰ্শনিক। এইটো এটা শুদ্ধ উক্তি হয় নে?

প্ৰশ্ন ৮ ঃ পূৰ্বৰ উইট্‌গেনষ্টাইন বক্তব্য হ'ল "শব্দবোৰ সত্তাৰ ছবি"- এইটো এটা শুদ্ধ উক্তি হয় নে?

(খ) চুটি প্ৰশ্ন (১০০- ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভাষাৰ সাৰ্বিক আকাৰ বুলিলে কি বুজা যায়। চমুকৈ বাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ভাষাৰ অনিবাৰ্য বা অপৰিহাৰ্য আকাৰটোৰ বিষয়ে চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ পৃষ্ঠ ব্যাকৰণ আৰু গভীৰ ব্যাকৰণৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৪ ঃ ভাষা খেলৰ টোকা এটা লিখক।

প্ৰশ্ন ৫ ঃ অৰ্থ সম্পৰ্কে অভিজ্ঞতাবাদী সকলৰ মতটো অগ্ৰাহ্য কৰাৰ ভিত্তি দুটা কি কি? পৰিয়াল সমৰূপতাৰ ধাৰাণাটো ব্যাখ্যা কৰক ।

প্ৰশ্ন ৬ ঃ অৰ্থৰ ব্যৱহাৰ তত্ত্বটো চমুকৈ ব্যাখ্যা কৰক ।

প্ৰশ্ন ৭ ঃ ছবি তত্ত্ব আৰু অৰ্থৰ ব্যৱহাৰৰ তত্ত্বৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৮ ঃ অৰ্থ সম্পৰ্কে অভিজ্ঞতাবাদীসকলৰ মতটো অগ্ৰাহ্য কৰা ভিত্তি দুটা কি কি? চমুকৈ লিখক ।

(গ) দীঘল প্ৰশ্ন (৩০০- ৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ উইট্‌গেনষ্টাইনৰ পিচৰ দৰ্শনে ভাষাৰ সাৰসত্তাটোক নিৰ্দেশ কৰে নে? ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ 'চিন্তাৰ কথা পৰিৱৰ্তে চোৱা'- এই উক্তিটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ভাষা খেলৰ ধাৰাণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ 'পৰিয়াল সমৰূপতা' ধাৰণাই সমগ্ৰতাৰ তত্ত্বটো অস্বীকাৰ কৰে নে? ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ অৰ্থৰ ব্যৱহাৰ তত্ত্বটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ ছবিতত্ত্ব আৰু অৰ্থৰ ব্যৱহাৰ তত্ত্বৰ মাজত পাৰ্থক্য দেখা পায় নে? ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ ভাষাৰ ব্যৱহাৰে ভাষাৰ অৰ্থ নিৰূপন কৰে নে? এই উক্তিটো ব্যাখ্যা কৰক ।

*** ***** ***